
বত্ৰিছ বছৰীয়া মুখ্যমন্ত্ৰী ঃ
আঁৰত থকা অন্তৰংগ কথা

# প্ৰান্তিক

৫ম বছৰ ৪ৰ্থ সংখ্যা ১৬ — ৩১ জানুৱাৰী '৮৬

গাঁৱলীয়া বেংক



## সংযুক্ত সংখ্যালঘু মৰ্চাক কি লাগে ?

OSCD



ৰিব্ ৰিব্ বয় শীতল বতাহ, গালত গোলাপী ৰহণ বুলায়
মন মোৰ নিয়ে উৰুৱায়




ভিটামিন ই তেল যুক্ত
লেক্‌মে কোল্ড ক্ৰীম।

ঠাণ্ডা বতৰত গালৰ পুষ্টি সাধান কৰি ইয়াত গোলাপী আভা চাতিয়াই কোমল আৰু মিহি কৰি তোলে। শুকান অনুভৱ দুৰ কৰি গালত যৌৱনৰ আভা জগায়, ঠাণ্ডা বতৰকো মধুময় কৰি তোলে।

অপৰূপ ৰঙ্গ-ৰূপ, সুন্দৰ অনুভূতি লেক্‌মেৰ সান্নিধ্যত। Lakmé

L/2811a AS

৫ম বছৰ ৪ৰ্থ সংখ্যা ১৬—৩১ জানুৱাৰী '৮৬

মূল্য চাৰি টকা

# প্ৰান্তিক

যোগাযোগৰ ঠিকনা : পোঃ শিলপুখুৰী, গুৱাহাটী-৭৮১০০৩

## অহা সংখ্যাত

এখন চৰকাৰৰ উচ্চস্থানীয় বিষয়াসকলে স্বাভাৱিকতে মন্ত্ৰী, বিধায়ক আদি নিৰ্বাচিত প্ৰতিনিধিৰ লগত কাম কৰি বিভিন্ন ধৰণৰ অভিজ্ঞতা অৰ্জন কৰে। একোজন মন্ত্ৰীৰ সাহচৰ্যত লাভবান, উৎফুল্ল হোৱা বিষয়াও আছে, নিজৰ বিবেকৰ লগত যুঁজি ক্লান্ত, অসহায় হৈ পৰা বিষয়াও আছে। ৰাষ্ট্ৰপতিৰ শাসনেই ভাল বোলা বিষয়াও আছে। মন্ত্ৰীসভা, বিশেষকৈ শাসনকৰ্তা দলটো সলনি হলে বিষয়াসকলৰ নানান ধৰণৰ সমস্যা হয়; কাৰোবাৰ সমস্যা বাঢ়ে, কাৰোবাৰ কমে।

এতিয়া অসমৰ উচ্চস্থানীয় বিষয়াসকলৰ অৱস্থা আৰু মন কেনে হৈছে?

**এটা অনুসন্ধানমূলক প্ৰবন্ধ**

অসমৰ প্লাইউড উদ্যোগৰ পৰা কেন্দ্ৰীয় চৰকাৰে আবকাৰী শুল্ক হিচাপে আহৰণ কৰে বছৰি প্ৰায় ছয় কোটি টকা, আৰু অসম চৰকাৰে বিক্ৰিকৰ হিচাপে পায় মাত্ৰ ৩৫ লাখ টকা। এই উদ্যোগপতিসকলে যদি প্লাইউড সামগ্ৰীসমূহ অসমতে কিনা-বেচা দেখুৱাই পাছত ভাৰতৰ বিভিন্ন ঠাইত থকা ডিপোসমূহলৈ পঠিয়ালেহেঁতেন, তেন্তে অসম চৰকাৰে ওপৰঞ্চি বিক্ৰিকৰ হিচাপে বছৰি দুই কোটি টকা সংগ্ৰহ কৰিব পাৰিলেহেঁতেন।

**অসমৰ উদ্যোগীকৰণ : সমস্যা আৰু সম্ভাৱনা**

**ড° জয়ন্ত কুমাৰ গগৈ**

"সিপাৰত ৰঙালাওৰ গুটি সিঁচিবলৈ" যোৱাৰ নামত চোৰাং চিকাৰীয়ে কাজিৰঙা অভয়াৰণ্যত সোমাই গঁড় হত্যা কৰে। এওঁলোকৰ কাৰ্যপ্ৰণালীৰ বিতং বিৱৰণ দিছে **মুকুট বৰুৱাই** তেখেতৰ

**কাজিৰঙাৰ এক ভয়াবহ তথ্যচিত্ৰ**

নামৰ প্ৰবন্ধত।

মেদবহুল মানুহে গৰমত কিয় বেছি কষ্ট পায়? **সুভাষ ডেকাৰ** প্ৰবন্ধ

**আমাৰ শৰীৰ আৰু গ্ৰীষ্মকাল**

ড° নিৰ্মল প্ৰভা বৰদলৈৰ কবিতা

## এই সংখ্যাত

ফিলিপাইনৰ আগন্তুক নিৰ্বাচনত ফিলিপিনসকলতকৈও মাৰ্কিন প্ৰশাসন বেছি চিন্তিত হৈ পৰিছে। কিন্তু দেশখনৰ নিৰ্বাচনৰ লগত মাৰ্কিন যুক্তৰাষ্ট্ৰৰ স্বাৰ্থ কেনেকৈ জড়িত আছে? ইয়াৰ পৰিষ্কাৰ উত্তৰ হৈছে ৰেগান প্ৰশাসনে দক্ষিণ-পূব এছিয়াত আন এখন ইৰানৰ সৃষ্টি হোৱাটো নিবিচাৰে। বিশ্বপৰিক্ৰমাত **ড° সুনীল পৱন বৰুৱাৰ**

**দক্ষিণ-পূব এছিয়াৰ ইৰান : ফিলিপাইনৰ নিৰ্বাচন** ।৯।



এই মানুহখিনিয়ে মাত্ৰ অলপমান নিৰাপত্তা বিচাৰে; তেওঁলোকৰ অস্বাভাৱিক উচ্চ আশাও নাই : "আমাৰ গাঁৱৰ এই সাধাৰণ মানুহখিনিক কোনো চাকৰি নালাগে, পাৰমিটৰ কাৰণেও তেওঁলোকে দৌৰাদৌৰি নকৰে; মাত্ৰ তেওঁলোকে যদি প্ৰাণৰ নিৰাপত্তাৰ অভয় বাণী এটা পায়, তাতেই তেওঁলোক সন্তুষ্ট হ'ব। গণ পৰিষদে আমাক সেইখিনি অভয় বাণী দিলে আমাৰ ইউ. এম. এফ. কৰাৰ কোনো প্ৰয়োজনেই নাই।"

সংযুক্ত সংখ্যালঘু মৰ্চাৰ নেতৃস্থানীয় বিভিন্নজনৰ সৈতে হোৱা সাক্ষাতৰ ভিত্তিত **পৰাগ কুমাৰ দাসৰ প্ৰবন্ধ : সংযুক্ত সংখ্যালঘু মৰ্চাৰ ৰাজনীতি আৰু সংখ্যালঘুৰ সমস্যা** ।২৩।

পত্ৰালাপ ।৪। ঘটনা-প্ৰবাহ ।৫। কুলদীপ নায়াৰৰ প্ৰবন্ধ ।৭। বিশ্ব পৰিক্ৰমা ।৯। আমিয়েই আমাৰ শত্ৰু ।১১। অসমীয়া সমাজ আৰু মুছলমান ।১২। বিজয়ী দলটোৰ আঁৰৰ কথা ।১৫। মেণ্ডেলিফৰ ইনষ্টিটিউটত ।১৮। গাঁৱলীয়া বেংক ।২০। সংখ্যালঘু মৰ্চাৰ ৰাজনীতি ।২৩। বত্ৰিছ বছৰীয়া মুখ্যমন্ত্ৰী ।৩৬। উপন্যাস ।৩৯। গল্প ।৪৮। কবিতা ।৫১। দৈনন্দিন ।৫২। বিক্ৰম ।৫৪। কলা-সংস্কৃতি ।৫৫। ক্ৰীড়াংগন ।৫৬। শেষ পৃষ্ঠা ।৫৮।

**মুখ্য সম্পাদক : ড° ভবেন্দ্ৰনাথ শইকীয়া**

**নিবন্ধকাৰ :** কুলদীপ নায়াৰ * বদন বৰুৱা * ড° নিৰোদ বৰুৱা * পুলক লাহিড়ী * ড° দিলীপ কুমাৰ দত্ত * পূৰ্ণ বৰা * ড° কৃষ্ণগোপাল ভট্টাচাৰ্য * ড° সুনীল পৱন বৰুৱা * ড° কুলেন্দু পাঠক * অনিল বৰুৱা * পৰাগ কুমাৰ দাস * দিলীপ কুমাৰ মহন্ত * গণেশ দাস * ধীৰেন বেজবৰুৱা * সমুদ্ৰ গুপ্ত কাশ্যপ

**সহকাৰী সম্পাদক :** ইমৰান হুছেইন

**অংগ সজ্জা** দেবানন্দ উলুপ, সীমান্তজ্যোতি বৰুৱা **আলোকচিত্ৰ :** দীপক বেজবৰুৱা

**মুদ্ৰাংকন** ট্ৰিবিউন প্ৰেছ আৰু শৰাইঘাট অফছেট প্ৰেছ

**প্ৰদীপ বৰুৱাৰ** দ্বাৰা মুদ্ৰিত, প্ৰকাশিত আৰু সম্পাদিত

Vol. V. No. 4 16—31 January '86

Prantik
The Assamese Fortnightly,

P.O. Silpukhuri, Guwahati—781003

# পত্ৰালাপ

## শুদ্ধ বিশ্লেষণ আৰু পথ-নিৰ্দেশ

শ্ৰীদিলীপ কুমাৰ মহন্তৰ "অসমৰ আঞ্চলিক দলে চৰকাৰ গঠনৰ শক্তি লাভ কৰিব পাৰিবনে ?"— এই সমীক্ষাটো (১।৯।৮৫) সম্পূৰ্ণ বাস্তৱত পৰিণত হ'ল। তেওঁ এই সমীক্ষাটো বহু আগতে ৰাইজ তথা অসম গণ পৰিষদৰ জ্ঞাতাৰ্থে প্ৰকাশ কৰাত তেওঁলৈ মোৰ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছোঁ। 'প্ৰান্তিক' অসমৰ একমাত্ৰ আলোচনী, যি এনে গুৰুত্বপূৰ্ণ সমীক্ষা প্ৰকাশ কৰি অসমৰ পঢ়ুৱৈ ৰাইজৰ মাজত দুগুণ উৎসাহৰ খলকনি তুলিব পাৰিলে।

—হোমেশ্বৰ কলিতা,
পাঠশালা বামাখাটা

### মৈ নে জখলা ?

যোৱা নিৰ্বাচনত কেইবাটাও নতুন আঞ্চলিক দলে অংশ গ্ৰহণ কৰিছিল। সংযুক্ত সংখ্যালঘু মৰ্চাই নিৰ্বাচনত মৈ চিহ্ন ব্যৱহাৰ কৰিছিল। কিন্তু এই লেখিকাৰ মনত এটি সন্দেহ ভাব থাকি গ'ল। সংখ্যালঘু মৰ্চাৰ প্ৰচাৰ পত্ৰ, দেৱাল লিখনি আদিত কৰবাত তেওঁলোকে মৈ আঁকিছে, কৰবাত জখলা আঁকিছে। কৰবাত লিখিছে "কাটাহাতে জৰে ৰক্ত সংখ্যালঘু মৈয়েৰ ভক্ত" আৰু ঠায়ে ঠায়ে লিখিছে— "জখলাৰ" ছবিত ভোট দিয়া··· জয় যুক্ত কৰুণ। "মৈ" বানানটোত ঠায়ে ঠায়ে "মই" বুলি লিখাও চকুত পৰিছে। মোৰ প্ৰশ্ন হ'ল সংখ্যালঘু মৰ্চাৰ দলীয় নীতি নো কি ? ওখ চাপৰ সমান কৰা মৈ নে সমাজখনক উন্নতিৰ শুৰত আগুৱাই নিয়া জখলা ?

—কমলা দেৱী গোস্বামী, হোজাই

### নিৰ্বাচনী যুদ্ধ-ব্যক্তিগত যুদ্ধ

অলপতে বিধান সভা সমষ্টিৰ ই-কংগ্ৰেছৰ প্ৰাৰ্থী এজনৰ হৈ কেইজনমান বিশিষ্ট ব্যক্তিয়ে নিৰ্বাচনী প্ৰচাৰ চলাইছিল। তেখেতসকলৰ প্ৰায় কেইজনেই হ'ল অধ্যাপক, সাহিত্যিক, চিকিৎসক আদি। যথা সময়ৰ নিৰ্বাচনী ফলাফলত দেখা গ'ল, ই-কংগ্ৰেছৰ প্ৰাৰ্থীজন পৰাজিত হৈছে। এইবাৰ তেখেতৰ হৈ প্ৰচাৰ অভিযান চলোৱা ব্যক্তি সকলো ৰাইজৰ একাংশ লোকৰ বাক্যবাণৰ প্ৰকোপত থকা-সৰকা হ'ব লগা হ'ল। কাৰোবাৰ ঘৰ সম্পত্তিও বোলে এ. জি. পি. সমৰ্থকৰ হাতত নষ্ট পালে।

পাছত গম পোৱা গ'ল, এই ই-কংগ্ৰেছী প্ৰাৰ্থীৰ হৈ কাম কৰা সকল প্ৰকৃততে কংগ্ৰেছৰ নীতিৰ প্ৰতি অনুগত নহয়। মাত্ৰ এবাৰ নোৱৰা বন্ধুত্বৰ খাটিৰতহে তেওঁলোকে উক্ত প্ৰাৰ্থীজনৰ হৈ নিৰ্বাচনত সহায় কৰিছিল ; আনকি এখেতসকলে ভোটো ই-কংগ্ৰেছক দিয়াৰ নিশ্চয়তা নাই।

একমাত্ৰ ৰাজনৈতিক মতৰ ভিন্নতাৰ বাবে কোনো ব্যক্তিক শত্ৰু জ্ঞান কৰাটো ৰাইজে পৰিহাৰ কৰক। কাৰণ সুদীৰ্ঘ ছবছৰ অসীম ধৈৰ্যৰে থাকিও মাত্ৰ কেইটামান খন্তেকীয়া মুহূৰ্তত যদি উত্তেজিত হোৱা যায়, তেনেহ'লে অসমৰ বৃহত্তৰ স্বাৰ্থত ই যথেষ্ট আঘাত হনাৰ আশংকা আছে। এ. জি. পি. চৰকাৰে অসমক উন্নতিৰ পথত আগবঢ়াই নিয়াটো বিচাৰো বাবেই কথাখিনি উত্থাপিয়ালো।

—শান্তনু বৰগোহাঞি,
মৰাণহাট

### কালিমা

অসম গণ পৰিষদৰ জয়লাভৰ আনন্দৰ সময়ত বঙালী অঞ্চলৰ কিছুমান উতনুৱা ডেকাই কিছুমান মানুহৰ ঘৰৰ সন্মুখত মিছাকৈয়ে সন্দেহ কৰি বিভিন্ন ধৰণৰ শ্ল'গান দি যি অশোভনীয় আচৰণ দেখুৱালে সি সচাকৈয়ে নিন্দনীয়। এইচাম উতনুৱা ডেকালৈ 'প্ৰান্তিক'ৰ যোগেদি বিনম্ৰ অনুৰোধ জনাইছোঁ, তেওঁলোকে যাতে দেশপ্ৰেমৰ নামত কালিমা নাসানে।

—দীপান্বিতা বৰগোহাঁই,
পাঠশালা

### অযুক্তিকৰ

যোৱা ১০ ডিচেম্বৰৰ দিনা সন্ধ্যা ৫ বজাত তেজপুৰ চহৰলৈ ভাৰতৰ প্ৰধানমন্ত্ৰী শ্ৰীৰাজীৱ গান্ধী আহিছিল। মই ব্যক্তিগত কামত বাটলৈ ওলাই গৈ বাটৰ দুয়োকাষে মানুহৰ ভিৰ দেখি সোধাত গম পালো যে ৰাজীৱ গান্ধী আহিব। প্ৰধানমন্ত্ৰীক নিজ চকুৰে চোৱাৰ লোভ সামৰিব নোৱাৰি ময়ো তেজপুৰৰ কছাৰীগাঁও পুলিছ পইণ্টৰ ওচৰৰ ভিৰৰ মাজতে থিয় হৈ প্ৰধানমন্ত্ৰী অহালৈ অপেক্ষা কৰি আছিলোঁ। এনেতে পুলিছৰ আবেষ্টনীৰ মাজত ৰাজীৱ গান্ধী আগবাঢ়ি আহিল। তেওঁ পুলিছ পইণ্ট পোৱাৰ লগে লগে কেইজনমানে মাইক যোগে "Rajiv Gandhi go back" বুলি ধ্বনি দিলে। এনে কৰাৰ কিবা যুক্তি আছিল নে ? —মঞ্জেশ্বৰ স্বৰ্গীয়াৰী,
কটন ৰ'ড, তেজপুৰ

### এজনী অসমীয়া চিখলাৰ কাহিনী

শ্ৰীপৰাগ কুমাৰ দাসৰ "জ্যোৎস্না সোনোৱাল, এজনী অসমীয়া চিখলাৰ কাহিনী" (১৬।১২।৮৫) পঢ়ি ভাল লাগিল। শ্ৰীপৰাগ কুমাৰ দাসলৈ আমাৰ ধন্যবাদ থাকিল জ্যোৎস্না সোনোৱাল বাইদেউক বহুতৰে সৈতে চিনাকি কৰি দিয়া বাবে। কিন্তু জ্যোৎস্না বাইদেৱে স্নাতকোত্তৰ উপাধি গুৱাহাটী বিশ্ববিদ্যালয়ৰপৰা লোৱা নাছিল। তেওঁ স্নাতক উপাধি ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰপৰাহে লৈছিল আৰু অসমীয়া বিষয়ৰ স্নাতকোত্তৰ উপাধিও লৈছিল ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পৰাই।

—ৰুণিমা শৰ্মা, মীৰা বৰুৱা,
প্ৰিয়ম্বদা বৰফুকন, জ্যোতি বৰুৱা,
ডিব্ৰুগড় বিশ্ববিদ্যালয়, অসমীয়া বিভাগ

### পত্ৰবন্ধু

পত্ৰবন্ধু মানে কি সেইটো সকৰপহা ডাঙৰলৈকে প্ৰত্যেকেই বুজি পায়। আজিকালি বহুতো ল'ৰা-ছোৱালীৰে দুই-তিনিজনকৈ পত্ৰবন্ধু থাকে। বহুতৰ আকৌ পত্ৰবন্ধু পতাটোও এটা হবিৰ ভিতৰত পৰে। প্ৰথমে, প্ৰায়বোৰ ল'ৰা-ছোৱালীয়ে হবিৰ লগত মিলাই পত্ৰবন্ধু পাতিলেও, পাছত অৱশ্যে দিন যোৱাৰ লগে লগে চিঠিবোৰত হবিৰ কথা লিখিবলৈ পাহৰিয়েই যোৱা যায়। বিশেষকৈ, ল'ৰা আৰু ছোৱালীৰ মাজত যদি পত্ৰবন্ধু পতা হয়, তেনেহলে প্ৰায়বোৰ চিঠিয়েই প্ৰেমিক-প্ৰেমিকাৰ চিঠিৰ দৰেহে হৈ পৰে। দেখা গৈছে যে কোনো কোনো ক্ষেত্ৰত পত্ৰবন্ধু বিচৰাৰ চলেৰে প্ৰেমিক-প্ৰেমিকাহে বিচৰা হয়। চিঠিৰ কথা বাদেই, বন্ধু পতাৰ পাছত প্ৰায়বোৰ ল'ৰাই পত্ৰবান্ধৱীৰ ঘৰ বিচাৰি আহে। পত্ৰবন্ধু পতাৰ পাছত আকৌ ঘৰলৈ অহাৰ অৰ্থ কি ? মোৰ মতে, যিবোৰ ল'ৰাই ঘৰ বিচাৰি ওলায়হি, সেইবোৰ ল'ৰাই 'পত্ৰবন্ধুৰ' অৰ্থটো বুজি নাপায় হ'বলা। পত্ৰবন্ধু সদায় চিঠিৰ দ্বাৰা চিনাকি হৈ থাকিলেই ভাল হয়। চকুৰ চিনাকি হ'লেহে বন্ধুত্ব জীয়াই থাকে নেকি ?

ওপৰৰ কথাখিনি প্ৰত্যেক পত্ৰবন্ধুৰ ক্ষেত্ৰতে সঁচা নহয় যদিও প্ৰায়বোৰৰ ক্ষেত্ৰতেই হয়। মই আজি পাঁচ বছৰে পত্ৰবন্ধুৰ বিষয়ে যি শুনিছোঁ, যি দেখিছোঁ আৰু মোৰ নিজৰ অভিজ্ঞতাৰপৰা যি পাইছোঁ, তাৰ পৰাইহে উক্ত কথাখিনি আপোনালোকৰ আগত দাঙি ধৰিছোঁ। —অৰুন্ধতী বৰা,
নগাঁও

### শ্ৰীমন্ত শংকৰদেৱৰ জন্মতিথি

শ্ৰীণা বৰুৱাই শ্ৰীমন্ত শংকৰদেৱৰ জন্মক্ষণ'ৰ মতানৈক্য সম্পৰ্কত বিজ্ঞ আৰু পণ্ডিতসকলৰ সিদ্ধান্ত আহ্বান কৰাটো সমীচীন হৈছে। মহাপুৰুষৰ জীৱন চৰিতৰ আধাৰ হ'ল ৰামচৰণ ঠাকুৰ, দৈত্যাৰি ঠাকুৰ, ভূষণ দ্বিজ আৰু ৰামানন্দ দ্বিজৰ ৰচিত চাৰিখন চৰিত পুথি। দৈত্যাৰি মাধৱদেৱৰ ভাগিন ৰামচৰণৰ পুত্ৰ। তেওঁ ৰচনা কৰা গুৰু চৰিতত লিখিছে যে বুঢ়ীৰ পো গোবিন্দ, ৰামচৰণ ঠাকুৰ আৰু অন্যান্য লোকৰ পৰা শুনিহে এই চৰিত পুথি লিখিছে ? তেওঁ চৰিত লিখিবৰ কাৰণে কোনো আহি পোৱা নাছিল। গতিকে প্ৰশ্ন হয়—ৰামচৰণে লিখা চৰিত থকা হ'লে পুতেক দৈত্যাৰিয়ে কিয় নিজে আকৌ চৰিত লিখিবলৈ ল'লেহেঁতেন বা ৰামচৰণ ঠাকুৰ আদিৰ পৰা শুনিহে লিখিবলৈ লোৱা বুলি কিয় উল্লেখ কৰিলেহেঁতেন ? ৰামচৰণৰ পুথি হেৰোৱা হ'লেও দৈত্যাৰিৰ পুথিত সেই কথাৰ উল্লেখ থাকিলহেঁতেন। দৈত্যাৰিৰ পুথি আৱিৰ্ভাৱ সম্পৰ্কে নিমাত। পুথিৰ ভাষা আৰু অলৌকিকতাৰ প্ৰাচুৰ্যৰ পৰা ৰামচৰণৰ পুথি দৈত্যাৰিৰ পুথিতকৈ বহুত পাছত ৰচনা কৰা যেন লাগে। দৈত্যাৰি ঠাকুৰৰ গুৰুচৰিত মতে মাধৱদেৱে ৰামচৰণক নিজৰ প্ৰতিনিধি বুলি কৈছিল। ৰামচৰণ শংকৰদেৱৰ 'ভক্তি-ৰত্নাকৰ' নামৰ সংস্কৃত পুথিৰ অনুবাদক আৰু 'কংসবধ' নাটৰ ৰচক। পণ্ডিত শ্ৰীবাপচন্দ্ৰ মহন্ত দেৱৰ মতে '১৭ শতিকাৰ আৰম্ভণিতে শংকৰদেৱৰ আদৰ্শ লৈ গ্ৰন্থ ৰচনা কৰা ৰামচৰণৰ গুৰুচৰিত ইমান ত্ৰুটিপূৰ্ণ গ্ৰন্থ হোৱা যেন মনে নধৰে' ('মহাপুৰুষ শংকৰদেৱ' পৃ ৪৯)। ৰামচৰণৰ গুৰুচৰিতৰ আৰু এটা ত্ৰুটি হ'ল শংকৰদেৱৰ জন্ম, মৃত্যু আৰু আয়ুসৰ পৰম্পৰ বিৰোধিতা ? ৰামচৰণৰ পুথিত আছে— "ডেৰ বছৰ মন্দ আয়ু ছই কুৰি, তেবে চলি গৈলা গুৰু-নৰ দেহা এৰি। ৰামচৰণৰ মতেই যদি ভাদৰ শুক্লা দ্বিতীয়া গুৰু জনাৰ বৈকুণ্ঠ প্ৰয়াণৰ সময় হয় আৰু ১১৮ বছৰ ৬মাহ যদি আয়ুস হয় তেনেহলে তেওঁ দিয়া মতে আহিনৰ শুক্লাদশমী তিথিত আৱিৰ্ভাৱ হোৱাটো সম্ভৱ নহয়। ৰামানন্দ দ্বাৰা ৰচিত গুৰুচৰিতত দিয়া ফাগুণৰ শুক্লা দ্বিতীয়া তিথিৰ লগতহে কথাটো মিলে।

এই মহান ঐতিহাসিক পুৰুষগৰাকীৰ নিৰ্ভুল আৱিৰ্ভাৱ তিথিটো জনাটো সকলোৰে কাম্য। সত্যানুৰাগী পণ্ডিত সমাজৰ অনুসন্ধান আৰু শুদ্ধ সিদ্ধান্ত আশা কৰা হ'ল।

মুক্তিনাথ শৰ্মা,
প্ৰাক্তন অধ্যক্ষ, তৰাজান যোৰহাট

### "বিশ্বনাথৰ অশোকস্তম্ভ"

"বিশ্বনাথৰ অশোকস্তম্ভ" শীৰ্ষক মোৰ লেখাটোত (১৬।১১।৮৫) গদাধৰ সিংহই বিশ্বনাথ মন্দিৰ সজোৱা চনটো ভুলতে ১৮৮৫ হল। আচলতে ১৮৮৫ নহৈ ১৬৮৫ হে হব লাগিছিল। এই সংশোধনীটো পাঠক-পাঠিকাৰ দৃষ্টিগোচৰ কৰিলে ভাল পাম।

—তৰুণ চন্দ্ৰ শইকীয়া, চতিয়া



# ঘটনা প্ৰবাহ

## ৰাজ্যৰ প্ৰশাসন পুনৰ গঠন কৰি থকা হৈছে

অসম গণ পৰিষদ চৰকাৰে আগৰ চৰকাৰটোৰ আমোলৰ প্ৰশাসন আৰু পুলিছৰ গাথনিটোত গুৰুত্বপূৰ্ণ ধৰণৰ সালসলনি ঘটাই, আগৰ চৰকাৰৰ কেইবাটাও সিদ্ধান্ত বাতিল কৰি আৰু বিধান সভাৰ প্ৰথম বৈঠকৰ আগে আগে বিৰোধী দলবোৰৰ লগত ৰাজ্যখনৰ পৰিস্থিতিৰ সম্পৰ্কত মতৰ আদান-প্ৰদান কৰি দৃঢ় আৰু নিশ্চিত পদক্ষেপেৰে আগবঢ়াৰ ইংগিত দিছে। আগৰ চৰকাৰৰ দৰে আমোলাতন্ত্ৰক ৰাজনৈতিক উদ্দেশ্যত ব্যৱহাৰ নকৰাৰ সংকল্প বাৰে বাৰে ঘোষণা কৰিছে আৰু মুৰব্বী স্থানীয় বিষয়াসকলৰ কৰ্তৃত্ব আৰু মান মৰ্যাদা তেওঁলোকক ঘূৰাই দিয়াৰ ব্যৱস্থা লৈছে। গৃহ, ৰাজনৈতিক, মুখ্যমন্ত্ৰীৰ বিভাগ আদিত ঘটোৱা সালসলনিৰ দৃঢ়তাৰেই পুলিছৰ শীৰ্ষস্থানতো সালসলনি ঘটাইছে।

তদুপৰি গণ পৰিষদৰ সাংগঠনিক দিশতো নিয়ম, শৃংখলা আৰু অনুশাসন কঠোৰ কৰা হৈছে। নতুন চৰকাৰে জনসাধাৰণৰ মনত সৃষ্টি কৰা আশা আৰু উদ্দীপনাক কাৰ্যত পৰিণত কৰাৰ প্ৰয়োজনীয়তাত সৰ্বাধিক গুৰুত্ব দি সেই দিশত কাম কৰি যাবলৈ দলক সাজু কৰি তোলাৰ দিশত ব্যৱস্থা লোৱা হৈছে।

### ৰাজ্যিক ভাষাৰ প্ৰয়োগ : কৰ্ণাটকত চৰকাৰে লোৱা ব্যৱস্থাৰ দৃষ্টান্ত

কৰ্ণাটকত চৰকাৰী ভাষা কানাড়া সকলো চৰকাৰী কামকাজত ব্যৱহাৰ কৰা বিষয়টো লৈ তুমুল কাণ্ডৰ সৃষ্টি হৈছে। শেহতীয়াভাৱে শিক্ষা বিভাগৰ আই. এ. এছ আয়ুক্তজনে কলেজ শিক্ষক পদৰ বাবে প্ৰাৰ্থীসকলৰ পৰা ইংৰাজীত দৰখাস্ত আহ্বান কৰি ভৰ্ৎসনা খাব লগা হৈছে।

ইয়াৰ আগেয়ে যোৱা মাহত মুখ্য সচিবে এই বুলি শেষ সতৰ্কবাণী শুনাইছিল যে সকলো চৰকাৰী কামকাজত কানাড়া ভাষা ব্যৱহাৰ কৰিব লাগিব। সচিবালয়ৰ পৰা গাঁও পৰ্যায়ৰ কাৰ্যালয়লৈকে কানাড়া ব্যৱহাৰ কৰাটো চৰকাৰৰ নীতি। এই বিষয়ত অলেখবাৰ নিৰ্দেশ দি অহা হৈছে, কিন্তু তাক পালন কৰা হোৱা নাই। এই শেষ সতৰ্কবাণীলৈ যেয়ে কৰ্ণপাত নকৰিব সেয়ে নিৰ্মম ব্যৱস্থাৰ সন্মুখীন হ'ব লগা হ'ব। উল্লেখযোগ্য যে এই শেষ সতৰ্কবাণীটোও দিয়া হয় কানাড়া ভাষাত। এই সতৰ্কবাণীৰ পাছতে শিক্ষা বিভাগে কলেজ শিক্ষক পদৰ বাবে প্ৰাৰ্থীৰ পৰা ইংৰাজীত দৰ্খাস্ত আহ্বান কৰাৰ কাৰণে আয়ুক্তজনে ভৎসনা খাব লগা হয়। তেওঁ নাজানেনে কি যে ৰাজ্যখনৰ চৰকাৰী ভাষা কানাড়া আৰু কেৱল সেই ভাষাতহে সকলো দৰ্খাস্ত গ্ৰহণ কৰিব লাগে ? —তেওঁক সোধা হয়।

উল্লেখযোগ্য যে কানাড়া ভাষাৰ ব্যৱহাৰ সুনিশ্চিত কৰিবৰ বাবে মুখ্য মন্ত্ৰীয়ে ৰাজনীতিক আৰু সাহিত্যিক জনদিয়েকক লৈ গঠন কৰি দিয়া ১৫ জনীয়া তদাৰককাৰী কমিটি এখনে এই বিষয়ত চকু ৰাখে। সভাপতি হ'ল দুখন প্ৰাদেশিক সাপ্তাহিক কাকতৰ সম্পাদক এজন। ইংৰাজীৰ প্ৰতি অনুৰাগী বিষয়া-কৰ্মচাৰীৰ ক্ষেত্ৰত কি ব্যৱস্থা লোৱা হ'ব সেই সম্পৰ্কে সভাপতিজনৰ মত হ'ল : তেওঁলোকে যদি কানাড়া ব্যৱহাৰ নকৰে তেতিয়া হ'লে তেওঁলোকৰ বেতনৰ বাৰ্ষিক বৃদ্ধি বন্ধ কৰি দিয়া হ'ব। আন এজন সদস্যৰ কথা : প্ৰতিজন বিষয়াৰ কানাড়া ব্যৱহাৰৰ ক্ষেত্ৰত দক্ষতা আৰু আগ্ৰহ কিমান সেইটো সূচিত কৰি তেওঁৰ চাকৰি সম্পৰ্কীয় তথ্যপাতি সম্বলিত কৰি ৰখা নথিত এটা ৰেকৰ্ড ৰাখি যোৱা হৈছে। এই তদাৰককাৰী কমিটিখন অতি ক্ষমতাশালী আৰু ইয়াৰ সদস্যসকলে ৰাজ্যখন ভ্ৰমণ কৰি চৰকাৰী কাৰ্যালয়বোৰত খা-খবৰ লৈ আনকি আংশিকভাৱে ইংৰাজী ব্যৱহাৰ কৰা বিষয়াসকলৰ ক্ষেত্ৰতো ব্যৱস্থা গ্ৰহণ কৰি আছে।

কানাড়া ভাষাক প্ৰশাসনৰ ভাষা হিচাপে ব্যৱহাৰ কৰাত কাৰো আপত্তি নাই ; কিন্তু চৰকাৰে খৰধৰ লগোৱাতহে আপত্তি উঠিছে। বহুতে ইয়াৰ আগলৈকে চলাই অহা ইংৰাজী শব্দবোৰৰ উপযুক্ত কানাড়ী প্ৰতিশব্দ বিচাৰি পোৱা নাই। তদুপৰি কানাড়া টাইপ ৰাইটাৰৰ নাটনি। ভাষিক সংখ্যালঘুসকলো কানাড়া জাপি দিব খোজা বুলি শংকিত হৈছে। কিন্তু কমিটিৰ সদস্যসকলে ভাবে যে বিষয়াসকলৰ ইচ্ছা থাকিলে তেওঁলোকে উপায়ো বিচাৰি পাব। তেওঁলোকৰ মতে সংখ্যালঘুসকলক কানাড়া শিকি ল'বলৈ যথেষ্ট সময় দিয়া হৈছে।

এই প্ৰসংগত উল্লেখযোগ্য যে কৰ্ণাটকৰ জনতা চৰকাৰে দিনদিয়েকৰ আগেয়ে কানাড়া ভাষাৰ বিকাশ সাধনৰ উদ্দেশ্য লৈ মহীশূৰত বিশ্ব কানাড়া সন্মিলন পাতে : তাৰ বাবে ৪ কোটি টকাৰ ব্যয়ত এটা অডিটৰিয়াম সজায় আৰু সন্মিলনৰ বাবে আৰু ৫০ লাখ টকা ব্যয় কৰে।

কানাড়া ভাষাক ৰাজ্যিক ভাষা কৰা হয় ১৯৬৩ চনত। কিন্তু ১৯৮৩ চনত ৰামকৃষ্ণ হেগড়েই মুখ্যমন্ত্ৰী হৈহে ৰাজ্যিক ভাষা প্ৰয়োগৰ ক্ষেত্ৰত গুৰুত্ব সহকাৰে ব্যৱস্থা গ্ৰহণ কৰিবলৈ লয়। বিধান সৌধৰ সকলো ইংৰাজী নামফলক আঁতৰায় আৰু কেতবোৰ নিৰ্দেশ জাৰি কৰে। কিন্তু তেওঁৰ সাফল্য সিমানতে সীমিত হৈ থাকে। সেয়ে দুদিনমানৰ আগেয়ে হেগড়েই শীৰ্ষ স্থানীয় বিষয়াসকলক কৈছে : ইংৰাজীত লিখাটো আৰু আনকি ইংৰাজীত ভবাটোও আপোনালোকৰ এটা অভ্যাস হৈ, গৈছে। সেইটোৰ পৰিবৰ্তন ঘটাব লাগিব। তেওঁৰ মতে কেৱল ভীতি প্ৰদৰ্শনৰ যোগেদিহে সেই পৰিবৰ্তন সাধিত হ'ব। উল্লেখ কৰিব পাৰি যে কানাড়াক শতকৰা এশ ভাগ চৰকাৰী ভাষা কৰিবলৈ হেগড়েই ১৯৮৬ চনৰ ৩১ অক্টোবৰ সময় সীমা হিচাপে নিৰ্দিষ্ট কৰি দিছে। তেওঁ ১৯৮৪ চনৰ আগষ্টত আৰু এটা সময়-সীমা ধৰি

দিছে : যিসকল বিষয়া-কৰ্মচাৰীৰ মাতৃ-ভাষা কানাড়া নহয় সেইসকলে দুবছৰ সময়ৰ ভিতৰত ভাষাটো আয়ত্ত কৰিব লাগিব আৰু কানাড়া ভাষাত এটা বাছনি পৰীক্ষা পাছ কৰিব লাগিব। এই সময়সীমাৰ ম্যাদ ১৯৮৬ চনৰ ৭ আগষ্টত উকলি যোৱাৰ পাছত যি কোনো লোকে চৰকাৰী চাকৰি পাবলৈ হ'লে কানাড়া ভাষাৰ পৰীক্ষা পাছ কৰিবই লাগিব।

অসমত চৰকাৰী ভাষা আইন (১৯৬০) খনৰ ৰূপালী জয়ন্তী সমাৰোহ অনুষ্ঠিত হৈ যোৱাৰ পাছত 'ইণ্ডিয়া টুডে'ই পৰিবেশন কৰা এই বাতৰিটো কিছু বিশদভাৱে ইয়াত উদ্ধৃত কৰা হ'ল।

* বিজুতিযুক্ত জোখ মাপৰ বাবে ভাৰতীয় গ্ৰাহসকলে প্ৰতি বছৰে ১৬০০ কোটি টকা ঠগ খায় বুলি চৰকাৰীসূত্ৰৰ এটা সমীক্ষাত প্ৰকাশ। গ্ৰাহকসকলৰ বৰ্ধিত চাহিদা পূৰণ কৰিব নোৱাৰি উৎপাদনকাৰীসকলে এনেবোৰ অসৎ উপায় অৱলম্বন কৰিবলৈ লৈছে বুলি সমীক্ষাটোত কোৱা হৈছে।

* সীমান্ত গান্ধী খান আব্দুল গফৰ খানে ধৰ্মক ৰাজনৈতিক স্বাৰ্থত ব্যৱহাৰ কৰাৰ তীব্ৰ সমালোচনা কৰিছে। ধৰ্মৰ মূল উদ্দেশ্য হ'ল ভ্ৰাতৃত্ববোধ, শান্তি আৰু প্ৰেমৰ বাণী প্ৰচাৰ কৰাহে ; গতিকে ইয়াক ৰাজনৈতিকভাৱে ব্যৱহাৰ কৰাৰ **প্ৰশ্নই উঠিব** নোৱাৰে।

### ভাগৱতী বনাম সেন

কাৰ্যপালিকা আৰু ন্যায় পালিকাৰ মাজত মতান্তৰ সচৰাচৰ ঘটি অহা ঘটনা কিন্তু নিজকে ইন্দিৰা পন্থী বুলি ঘোষণা কৰা প্ৰফুল্ল নটৱৰলাল ভাগৱতী ভাৰতৰ প্ৰধান বিচাৰপতি হোৱাৰ পাছত সেই অধ্যায়ৰ সামৰণি পৰিল বুলি ধাৰণা কৰা হৈছিল। পিছে সম্প্ৰতি উচ্চতম ন্যায়ালয়ৰ বিচাৰক হিচাপে বোম্বাই উচ্চ ন্যায়ালয়ৰ এজন ন্যায়াধীশ পি·বি·সাৱন্তক নিযুক্তি দিয়াৰ কথা লৈ ভাগৱতী আৰু কেন্দ্ৰীয় আইন মন্ত্ৰী অশোক সেনৰ মাজত মতান্তৰ ঘটা বুলি ওলাইছে। বিষয়টোত এতিয়া প্ৰধানমন্ত্ৰীয়ে হস্তক্ষেপ কৰিব লগা হ'ব পাৰে। ইয়াৰ আগেয়েও ভাগৱতীয়ে আইনমন্ত্ৰী সেনৰ লিখিত আপত্তি উপেক্ষা কৰি ডি· এ· দেশাইক আইন আয়োগৰ সভাপতি পাতে। আনহাতে সেনৰ লিখিত অনুৰোধ ৰক্ষা নকৰি ভাগৱতীয়ে দিল্লী উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ প্ৰকাশ নাৰায়ণক উচ্চতম ন্যায়ালয়ৰ বিচাৰক পদৰ বাবে অগ্ৰাহ্য কৰে।

> **মোহভংগ ?**
>
> প্ৰেছ ট্ৰাষ্টে নতুন দিল্লীৰ পৰা দিয়া এটা বাতৰিত প্ৰকাশ : সংযুক্ত সংখ্যালঘু মৰ্চাৰ ক্ষেত্ৰত কংগ্ৰেছে হয়তো তেওঁলোকৰ সৈতে কোনো-ধৰণৰ সংশ্ৰৱ নাৰাখিব। ইয়াত (নতুন দিল্লীৰ) অসমৰ পৰা পোৱা বাতৰিবোৰে ইংগিত দিছে যে সংখ্যালঘুসকলৰ নিজৰ মাজতে সংযুক্ত সংখ্যালঘু মৰ্চা সম্পৰ্কে মোহভংগ ঘটিছে, কিয়নো তেওঁলোকে অনুভৱ কৰিছে যে মৰ্চাই তেওঁলোকৰ স্বাৰ্থক ৰক্ষণাবেক্ষণ দিব নোৱাৰিব।

* ফ্ৰান্সৰ এটা বেচৰকাৰী সংস্থাই ফৰাছী ভাষাত ইংৰাজী শব্দৰ ব্যৱহাৰ নোহোৱা কৰাৰ অৰ্থে বিশেষ ব্যৱস্থা গ্ৰহণ কৰিছে। এই ব্যৱস্থা অনুসৰি ভাষাৰ বিশুদ্ধতা সম্পৰ্কীয় দেশৰ আইন ভংগকৰাসকলৰ বিৰুদ্ধে মোকৰ্দমা তৰাৰ ব্যৱস্থা কৰা হৈছে। এগাল্‌ফ (Agult) নামৰ এই সংস্থাটোৱে পেৰিছ অপেৰা, ট্ৰান্স ৱৰ্ল্ড এয়াৰলাইনছ আদিকে ধৰি চল্লিছটা প্ৰতিষ্ঠানে ফৰাছী ভাষাৰ যথেষ্ট ক্ষতি কৰিছে বুলি চিনাক্ত কৰিছে। বিক্ৰি বৃদ্ধি কৰাৰ অৰ্থে এই প্ৰতিষ্ঠানকেইটাই ১৯৭৫ চনৰ ফৰাছী অধিনিয়ম উলংঘা কৰি ইংৰাজী ব্যৱহাৰ কৰি থকা বুলি অভিযোগ কৰা হৈছে।

সেই দেশৰ চৰকাৰেও ফৰাছী ভাষাত বিদেশী শব্দৰ প্ৰভাৱ নোহোৱা কৰিবলৈ বিশেষ ব্যৱস্থা গ্ৰহণ কৰিছে। এই আঁচনি অনুসৰি প্ৰতি বছৰে সেই-দেশৰ পোন্ধৰটা মন্ত্ৰালয়ে বিদেশী (বিশেষকৈ ইংৰাজী) শব্দৰ এখন তালিকা প্ৰকাশ কৰি ইয়াৰ ব্যৱহাৰ নিষিদ্ধ কৰাৰ ব্যৱস্থা কৰিব। লগে লগে এই শব্দবোৰৰ ফৰাছী প্ৰতিশব্দও দিয়া হ'ব।

বিদেশী শব্দৰ ব্যৱহাৰ নিষিদ্ধ কৰাৰ লগে লগে নতুন নতুন ফৰাছী শব্দৰো সৃষ্টি কৰিব লগীয়া হৈছে। উদ্যোগ বিভাগটোৱে এই ক্ষেত্ৰত আগভাগ ল'ব লগা হৈছে। ইতিমধ্যে কম্পিউটাৰ, ডিজিটেল ছুইচিং আদি ১,৫০০ টা বিদেশী শব্দৰ ফৰাছী প্ৰতিশব্দ থকা এখন পুথিও প্ৰকাশ কৰা হৈছে।

* নৱবৰ্ষ উপলক্ষে মাৰ্কিন ৰাষ্ট্ৰপতি ৰনাল্ড ৰেগানে ছোভিয়েটবাসীলৈ আৰু ছোভিয়েট ৰাষ্ট্ৰপতি মিখাইল গৰবাচভে মাৰ্কিন বাসীলৈ টেলিভিশ্যন যোগে একেসময়তে পৃথকে পৃথকে দুটা বাণী দিয়ে।

* কেন্দ্ৰ-ৰাজ্য সম্পৰ্ক সম্বন্ধে কেন্দ্ৰীয় চৰকাৰে গঠন কৰা ছাৰকাৰিয়া আয়োগে অহা জুন মাহত কাৰ্যকাল সম্পূৰ্ণ হোৱাৰ আগতেই ইয়াৰ কাম শেষ কৰি প্ৰতিবেদন দাখিল কৰাৰ সম্ভাৱনা আছে। আয়োগৰ নেতৃত্ব লোৱা উচ্চতম ন্যায়ালয়ৰ অৱসৰপ্ৰাপ্ত ন্যায়াধীশ আৰ· এছ· ছাৰকাৰিয়াৰ মতে আয়োগে ইতিমধ্যে স্মাৰক পত্ৰ পোৱা ১৪খন ৰাজ্য ভ্ৰমণ কৰে আৰু আন তিনিখন ৰাজ্যত অলপতে ভ্ৰমণ কৰিব। এই সম্পৰ্কত আয়োগে পঠোৱা প্ৰশ্নাৱলীৰ এই ১৬ খন ৰাজ্যইহে উত্তৰ দিয়ে বুলি তেওঁ কয়। স্মাৰকপত্ৰ প্ৰদান নকৰা ৰাজ্যসমূহৰ ভিতৰত পঞ্জাব, গুজৰাট, চিক্কিম, ৰাজস্থান আৰু জম্মু আৰু কাশ্মীৰো আছে বুলি শ্ৰীছাৰকাৰিয়াই প্ৰকাশ কৰে।





# কুলদীপ নায়াৰৰ
## বিশেষ প্ৰবন্ধ

বিহাৰৰ নক্সালপন্থী অঞ্চলৰ জনসাধাৰণৰ মানত নব বৰ্ষ বুলিবলৈ একো নাই, কাৰণ তেওঁলোক অনবৰতে মৃত্যুৰ ভয়ৰ মাজত থাকিব লগীয়া হৈছে। নিৰাপত্তা পোৱাৰ খাতিৰত অনেকেই নিয়মীয়াকৈ কৰ দিয়ে আৰু অন্ততঃ দুশজন লোকে যোৱা পাঁচ বছৰত প্ৰাণ হেৰুৱাইছে। পুনপুনৰ পৰা জাহানাবাদলৈকে সেৰেঙা বসতিপূৰ্ণ অঞ্চলৰ মাজেদি, স্বৰ্গীয় জয়প্ৰকাশ নাৰায়ণৰ সচিব সচ্চিদানন্দ আৰু এদল স্বেচ্ছাসেৱী কৰ্মীৰ সৈতে ৭৫ কিল'মিটাৰ পথ ভ্ৰমণ কৰি মই নিজ চকুৰে দেখিলো—দৈহিক আৰু আৰ্থিকভাৱে তেওঁলোক কেনে দুৰ্দশাগ্ৰস্ত অৱস্থাত আছে।

ৰাস্তা নাই, বিদ্যুৎ যোগান নাই, চিকিৎসালয় নাই, অঞ্চলটোৰ বাবে সৰ্বনাশৰ কাৰণ হৈ পৰা পুনপুন নদীৰ ওপৰতো দলং, কালভাৰ্ট একো নাই। নক্সালপন্থীসকলৰ অভিযানৰ বাবে পৰিস্থিতিটো অনুকূল, কাৰণ অঞ্চলটোৰ বেছিভাগ লোকেই একেবাৰে দুখীয়া ; শিক্ষা আহৰণৰ পাছতো যুবকসকলৰ শতকৰা ৯৫ ভাগেই নিবনুৱা। হত্যা বা লুটপাতৰ দৰে ঘটনা এটা ঘটিলে তাৰ বাতৰি ওচৰৰ আৰক্ষী চকী পাওঁতে চাৰিৰ পৰা পাঁচ ঘণ্টা লাগে আৰু আৰক্ষী লোক ঘটনাস্থল পাওঁতেও সিমান সময়েই লাগে। ইতিমধ্যে নক্সাল পন্থী সকলো আঁতৰি যায়।

সমস্যাটোৰ সূত্ৰপাত ১২ বছৰৰ আগতে পশ্চিম বংগ, বিহাৰৰ চম্পাৰন, মজফৰপুৰ, আৰু দ্বাৰভাংগাত সক্ৰিয় হৈ থকা চাৰু মজুমদাৰপন্থী কেইজনমান নক্সালপন্থী ইয়ালৈ অহাৰ পাছতে হয়। তেওঁলোকে হৰিজন আৰু মজদুৰসকলক অধিক বেতন বিচাৰিবলৈ আহ্বান জনায়। খেতিয়কসকল, বিশেষকৈ কুৰ্মী জাতিৰ খেতিয়কসকলে এই দাবীৰ বিৰোধিতা কৰে। হৰিজনসকলৰ প্ৰাপ্য নিদিয়াৰ বাবে লাল সেনা নামে জনাজাত নক্সালপন্থীসকলে কিছু সংখ্যক ভূস্বামীক হত্যা কৰে।

ইয়াৰ কিছু পৰিনামস্বৰূপে হৰিজনসকল তেওঁলোকৰ অধিকাৰ সম্পৰ্কে

### নতুন বাঁওপন্থী আৱিষ্কাৰ

সচেতন হয় আৰু চৰকাৰো নিম্নতম বেতন (বাৰ টকা বা তিনি কেজি চাউল) নিৰ্ধাৰণ কৰি দিবলৈ বাধ্য হয়। কিন্তু কৰ্মীসকলে, বিশেষকৈ উপাস্ত খেতিয়কসকলে 'ভূমি সেনা'ৰ ৰূপত নিজকে সংগঠিত কৰি ইয়াৰ পোতক তোলে।

এইদৰে গাঁওবাসীসকলো এফালে কুৰ্মী, কৃষক আৰু আনফালে হৰিজন, শ্ৰমিক— এই দুভাগত বিভক্ত হৈ পৰে। প্ৰথম ভাগে ভূমি সেনাৰ প্ৰতি আৰু দ্বিতীয় ভাগে লাল সেনাৰ প্ৰতি আনুগত্য প্ৰকাশ কৰে। কিন্তু এই ক্ষেত্ৰত সম্প্ৰদায় আৰু শ্ৰেণী দুয়োটা ওচৰা-উচৰি হোৱা বাবে (কুৰ্মীসকলৰ তুলনাত হৰিজনসকল দৰিদ্ৰ আৰু তুলনামূলকভাৱে অনুন্নত) জাতিগত সংঘৰ্ষই অধিক প্ৰাধান্য পাবলৈ ধৰে। এসময়ত আৰ্থিক উন্নয়নৰ বাবে সৃষ্টি হোৱা বিবাদখন পাছত জাতিগত সংঘৰ্ষলৈ ৰূপান্তৰিত হয় আৰু কিছু ক্ষেত্ৰত আনকি সমূহীয়া বা ব্যক্তিগত সংঘৰ্ষৰো সৃষ্টি হয়। দেউকুলি গাঁৱত দেখিলো,—কিছুমান ঠাইত আনকি কুৰ্মীসকলৰ মাজতো ইজনে সিজনৰ বিৰুদ্ধাচৰণ কৰিবলৈ লৈছে। মতাদৰ্শ বোলা বস্তুটো নেপথ্যলৈ আঁতৰি গ'ল, আৰু আটাইতকৈ বেয়া কথা হ'ল,—নক্সালপন্থীসকলৰ প্ৰচেষ্টা নিৰ্দোষীলোকসকলক নিষ্ঠুৰভাৱে হত্যা কৰাৰ সৈতে জড়িত হৈ পৰিল।

মই প্ৰথম য'ত বৈছিলো, সেই পিপাৰা নামৰ হৰিজন গাঁওখন কুৰ্মীসকলে আক্ৰমণ কৰিছিল ; তিৰোতাকে ধৰি ১৪ জন হৰিজনক হত্যা কৰা হৈছিল আৰু ৪০ টা ঘৰ জ্বলাই দিয়া হৈছিল। পাঁচ বছৰ পাছতো তাৰ অৱস্থা স্বাভাৱিক হোৱা নাই। কুৰ্মীসকলে বৰ্তমান পিপাৰাৰ হৰিজনসকলক কামত নিয়োগ নকৰে ; আনহাতে হৰিজনসকল ভয়তে ওচৰৰ কল্যাণ চক নামৰ কুৰ্মী গাঁওখনলৈ নাযায়। মই তাত অকল নতুন উত্তেজনাৰ উমান পোৱাই নহয়, লগতে অন্ততঃ হৰিজনসকলৰ এক নিৰাশাজনক ভৱিষ্যতৰো উমান পালো। যোৱা চাৰি বছৰত নক্সালপন্থীসকলো গাঁওখনলৈ অহা নাই।

পিপাৰাৰপৰা ১২ কিল'মিটাৰ আঁতৰৰ নেমা নামৰ গাঁওখনতে ১৯৭৩ চনত প্ৰথম হত্যাকাণ্ডটো ঘটে। কোনো কোনোৱে কয় ই ভূমিহাৰ-সকলৰ দুজন লোকৰ মাজৰ কাজিয়াহে আছিল। কিন্তু এইটো নিঃসন্দেহে কব পাৰি যে ইয়াৰ ফলতে উগ্ৰপন্থী কাৰ্যকলাপৰ সৃষ্টি হয় ; কাৰণ তাৰ পাছৰ পৰাই ক্ৰমান্বয়ে অসংখ্য হত্যাকাণ্ড সংঘটিত হয়। ইয়াৰ ফলত অনেক লোকে গাঁও এৰি গুচি যায়। হৰিজনসকলেই বেছিকৈ ক্ষতিগ্ৰস্ত হয়। বেদজী নামৰ ছি·পি·আই· নেতাজনে হৰিজনসকলৰ মনত আস্থা জন্মাবলৈ চেষ্টা কৰি আছে ; কিন্তু তেওঁ অকলশৰীয়াকৈহে কাম কৰি আছে। তেওঁ



OKDISCD

মোক কয় যে তেওঁৰ "বুজনি"ৰ ফলত নক্সালপন্থীসকলে তেওঁলোকৰ হিংসাৰ পথ "সংশোধন" কৰিছে। তেওঁৰ মতে কানু সান্যালপন্থীসকলে ব্যৱস্থাটো সলনি কৰাৰ অৰ্থে বেলট বাকছৰ আশ্ৰয় লৈছে। এইটো সত্য হ'ব পাৰে, কিন্তু এতিয়াও সূৰ্যাস্তৰ পাছত কোনো গাঁৱৰ বাহিৰলৈ নোলায়।

হত্যা আৰু ক্ষতিৰ সন্মুখীন হোৱা ওচৰৰে ভাভাউল নামৰ গাঁওখনৰ অৱস্থা লাহে লাহে স্বাভাৱিক হৈ আহিছে। এজন বৃদ্ধ শিক্ষকে এখন স্কুল আৰম্ভ কৰিছে, কাৰণ পাঁচ বছৰ আগৰ হিংসাত্মক কাৰ্যৰ সময়ত আগৰখন স্কুল বন্ধ হোৱাৰ পাছত নতুনকৈ কোনেও স্কুল আৰম্ভ কৰা নাছিল। নক্সালপন্থীসকলৰ সংগঠন ইণ্ডিয়ান পিপলছ ফ'ৰ্ছৰ কেইজনমান ল'ৰাই মোক লগ ধৰিছিল। তেওঁলোকে হিংসা বা বিপ্লৱৰ কথা কোৱা নাছিল; বৰঞ্চ তেওঁলোকে উৎপাদিত সামগ্ৰীৰ বাবে উচ্চ মূল্য দিয়াৰ কথাটোহে উত্থাপন কৰিছিল। তেওঁলোকৰ মতে তেতিয়াহে খেতিয়কসকলে শ্ৰমিকসকলক অধিক মজুৰি দিব পাৰে। তেওঁলোকে স্বীকাৰ কৰিছিল যে অঞ্চলটোৰ খেতিয়কসকলৰ উচ্চ বেতন দিয়াৰ সামৰ্থ্য নাই। কিন্তু নিশা মঞ্চস্থ কৰা নাটকখনত তেওঁলোকে হিংসাত্মক কাৰ্যকলাপেহে যে খেতিয়কসকলক শ্ৰমিকসকলৰ দাবী মানি লবলৈ বাধ্য কৰায়, সেই কথাটো বুজাবলৈ বন্দুক আৰু ৰিভাল্‌ভাৰ ব্যৱহাৰ কৰিছিল।

ধাওৰাকুৰাৰ দৰে কিছুমান গাঁৱত অনুন্নত শ্ৰেণীৰ যাদৱসকলেও তেওঁলোকৰ এজন বীৰৰ নামত 'লৰিক সেনা' গঠন কৰিছে। কিন্তু তেওঁলোকে হৰিজনসকলতকৈ উচ্চ জাতৰ কুৰ্মীসকলৰ লৈতেহে হাত মিলাবলৈ ভাল পাইছে। আনহাতে, হৰিজনসকলে নিজকে একেবাৰে নিম্নস্তৰৰ মুছাৰসকলৰপৰা আঁতৰাই ৰাখিছে। নক্সালপন্থীসকলে নিম্ন জাতৰ লোকসকলক কোনো ধৰণৰ অৰ্থনৈতিক কাৰ্যসূচীৰে সংগঠিত কৰিবলৈ চেষ্টা কৰা নাই; বেতন আৰু মাটি সম্পৰ্কীয় বিবাদৰ পৰা সুবিধা আদায় কৰাটোৱেই তেওঁলোকৰ মূল লক্ষ্য হৈ পৰিছে।

উদাহৰণস্বৰূপে, দেউকুলি গাঁওখনত এতিয়াও উত্তেজনা চলি আছে। ভূস্বামী আৰু ভূমিহীনসকলৰ মাজত গেইৰ মাজাকুৰা নামৰ মাটিৰ দখল লৈ চলা বিবাদখন এতিয়াও চলি আছে আৰু বিৰদা মুছাহাৰৰ নেতৃত্বৰ নক্সালপন্থীসকলে তাত ইন্ধন যোগাইছে।

গতিকে, যদি ভয়েই নক্সালপন্থীৰ প্ৰভাৱ নিৰ্ণয় কৰাৰ মাপকাঠী হয়, তেন্তে ই বৃদ্ধি পাইছে। বিনোদ মিশ্ৰ গোষ্ঠীয়ে পাটনা জিলাৰ অন্তৰ্গত অঞ্চলত আৰু ড° বিনায়নৰ লোকসকলে গয়া জিলাত কাম কৰি আছে। ইয়াত মাওবাদী কমিউনিষ্ট কেন্দ্ৰও (এম· ছি· ছি·) বেছ সক্ৰিয়। অৱশ্যে যিয়েই নহওক, আগৰ তুলনাত পৰিস্থিতি শান্তিপুৰ্ণ। উপস্থিতি কমি যোৱা স্কুলসমূহৰ শতকৰা ৫০ ভাগ ছাত্ৰই ঘূৰি আহিছে; অনেক শিক্ষকেও পুনৰ কামত যোগ দিছে। প্ৰাণৰ ভয়ত পাটনা আৰু আন চহৰসমূহলৈ প্ৰব্ৰজন কৰা অৱস্থাপন্ন লোকসকলেও নিজৰ ঘৰলৈ আহিবলৈ লৈছে। সেইটো মই নিজে মাচৌঢ়িত দেখা পাইছোঁ। আৰু আপুনি যদি হৰিজন আৰু কুৰ্মীসকলক পৃথকে পৃথকে অথবা একেলগে প্ৰশ্ন কৰে, তেনেহলে তেওঁলোকে কব যে একেলগেই থাকিব লাগিব বুলি তেওঁলোকে উপলব্ধি কৰিছে।

কিন্তু যিহেতু সম্প্ৰদায় দুটাই তেওঁলোকৰ ঘৰ-বাৰী আৰু সম্পত্তিৰ সুৰক্ষাৰ বাবে আনকি গাঁও পৰ্যায়তো হাত মিলোৱা নাই, গতিকে নক্সালপন্থীসকল বিশেষলৈ হৰিজনসকলৰ ঘৰত আশ্ৰয় পাবলৈ সক্ষম হৈছে। নেমাত ভূমিহাৰ আৰু হৰিজনসকলৰ বিবাদ লাগিছে বেতন দিয়া লৈ, আনহাতে কুৰ্মী আৰু হৰিজনসকলৰ মাজৰ দেউকুলিৰ বিবাদখন গেইৰ মাজাকুৰা মাটিৰ দখল লৈ চলি আছে। ধানাকুৰাতো যাদৱ আৰু হৰিজনসকলৰ মাজত গেইৰ মাজাকুৰা মাটি সম্পৰ্কীয় এখন বিবাদ বহু দিনৰপৰাই চলি আছে।

কিন্তু তেওঁলোকৰ প্ৰভাৱ, আৰু লগতে হিংসাত্মক কাৰ্যাৱলী এতিয়া আৰু শিখৰত নাই। চোৰাংচোৱা বিভাগে "বিহাৰত উগ্ৰপন্থী কাৰ্যকলাপ" শীৰ্ষক প্ৰতিবেদনত সাব্যস্ত কৰিছে: "১৯৭৭ চনৰ মাজভাগত আৰম্ভ হৈ ক্ষিপ্ৰভাৱে বৃদ্ধি পোৱা উগ্ৰপন্থীৰ কাৰ্যকলাপে ১৯৭৯ চনত শীৰ্ষ বিন্দু পায় আৰু তাৰ ফলত বছৰটোৰ শেষলৈকে ৭৬টা ঘটনা ঘটে। ১৯৭৯ চনতে অকল ২৫টা হত্যা আৰু সাতটা ডকাইতিৰ বাতৰি পোৱা হয়।"

আই.বি·য়ে কিন্তু সাৱধান কৰি দিছে: "লিন·বিৰোধী ফৈদটোৱে এতিয়াও ভোজপুৰ জিলাত প্ৰাধান্য বিস্তাৰ কৰি আছে। ই পাটনা জিলাৰ পুনপুন, মাচৌঢ়ি আৰু ধানাকুৰা আৰু সমষ্টিপুৰ, দ্বাৰভাংগা আৰু মধুবাণী জিলাৰো কিছুমান ঠাইত নিজৰ প্ৰভাৱৰ অঞ্চল গঢ়ি তুলিছে। এই সংস্থাটো চাহাৰ, সন্দেছ, নৰনগৰ, ব্ৰহ্মপুৰ, ডুমৰাওঁ আৰু জগদীশপুৰতো যথেষ্ট সক্ৰিয়। তেওঁলোকে ইয়াত মুক্ত অঞ্চল সৃষ্টি কৰা বুলিও দাবী কৰে।"

নক্সালপন্থীসকলৰ ডাঙৰ ভুলটো হ'ল তেওঁলোকে নিজৰ ভাব-মূৰ্তি নষ্ট কৰি পেলালে। তেওঁলোকৰ নিজৰ ধাৰণা মতে, তেওঁলোকে চাৰিটা ভুল কৰিছে: "(ক) নেতাসকলৰ আদৰ্শত অৰ্থনীতি সুলভ কাৰ্পণ্য আছিল আৰু ইয়াৰ ফলত গেৰিলা যুদ্ধ আৰম্ভ কৰোঁতে পলম হয়; (খ) দমন কাৰ্যৰ সন্মুখীন হ'বলৈ দলটো সম্পূৰ্ণ সাজু নাছিল আৰু যেতিয়া দমন কাৰ্য আৰম্ভ হয়, তেতিয়া প্ৰতিৰোধ ব্যৱস্থা তেনেই নিশকতীয়া আছিল; (গ) গেৰিলা প্ৰশিক্ষণৰ বাবে দলে এই বিদ্যাত পাৰ্গত লোকৰ আশ্ৰয় লয় আৰু এই ভুল সিদ্ধান্তটোৰ বাবেই কিছুমান নেতৃস্থানীয় কমৰেডে নকল ৰাজনৈতিক অপৰাধীৰ মাজৰপৰাও বন্ধু গোটাই লয়; আৰু (ঘ) দলে

৫৩ পৃষ্ঠাত চাওক





# দক্ষিণ-পূব এছিয়াৰ ইৰান ঃ ফিলিপাইনত নিৰ্বাচন

ড° সুনীল পৱন বৰুৱা

কুৰি বছৰ বিৰতিৰ পাছত প্ৰেছিডেণ্ট ফাৰ্ডিনাণ্ড এড্ৰালিন মাৰকছে (Ferdinand Edralin Marcos) ফিলিপাইনত সাধাৰণ নিৰ্বাচনৰ কথা ঘোষণা কৰিছে। প্ৰেছিডেণ্টৰ এই ঘোষণাই দেশৰ সাধাৰণ ৰাইজৰ লগতে বিৰোধীপক্ষকো একপ্ৰকাৰ আচৰিত কৰি তুলিছে। কিয়নো সাম্প্ৰতিক ফিলিপাইনৰ ৰাজনীতিৰ লগত পৰিচিত বহুতৰে ধাৰণা যে জীৱিত অৱস্থাত প্ৰেছিডেণ্ট মাৰকছে তেওঁৰ আসনখন কেতিয়াও এৰি নিদিয়ে। অপ্ৰত্যাশিতভাৱে যোৱা নৱেম্বৰ মাহৰ ৩ তাৰিখে এই নিৰ্বাচনৰ কথা ঘোষণা কৰি ৬৮ বছৰীয়া প্ৰেছিডেণ্টগৰাকীয়ে কৈছে,— তেওঁ যে ফিলিপাইনৰ এতিয়াও অবিসম্বাদী নেতা, সেই কথা এই নিৰ্বাচনৰ যোগেদি পুনৰ প্ৰমাণ কৰিব খোজে। কিন্তু ফিলিপাইনৰ চলিত ৰাজনীতিৰ লগত ঘনিষ্ঠভাৱে জড়িত মাৰ্কিন যুক্তৰাজ্যৰ বৈদেশিক দপ্তৰে দাবী কৰিছে যে মাৰ্কিন প্ৰশাসনৰ হেচাঁতহে তেওঁ এই সিদ্ধান্ত লবলৈ বাধ্য হৈছে। দক্ষিণ-পূব এছিয়াৰ অন্যতম শেষ মাৰ্কিন ঘাটি হিচাপে চিহ্নিত হোৱা ফিলিপাইনৰ নিৰ্বাচনক এতিয়া কেৱল এই দেশখনৰ অভ্যন্তৰীণ বিষয় হিচাপে নহয়, সমগ্ৰ এছিয়াৰ শক্তিৰ ভাৰসাম্যৰ ক্ষেত্ৰতো নিৰ্ধাৰক ঘটনা ৰূপে গণ্য কৰা হৈছে।

প্ৰেছিডেণ্ট মাৰকছে ভাবিছিল যে দেশৰ বিৰোধী দলসমূহৰ ঐক্যহীনতাই তেওঁক পুনৰ ক্ষমতাত অধিষ্ঠিত হোৱাত সহায় কৰিব; কিন্তু মাৰকছৰ হিচাপৰ এইবাৰ কিছু গৰমিল হ'ল। ইমান দিনে বিভক্ত বিৰোধী পক্ষই এই নিৰ্বাচনত একগোট হৈ তেওঁক ক্ষমতাচ্যুত কৰিবলৈ বিচাৰিছে। প্ৰেছিডেণ্ট পদৰ বাবে শাসক দল কে· পি· এলে মনোনয়ন দিছে স্বয়ং মাৰকছক। ভাইছ প্ৰেডিডেণ্ট পদৰ বাবে প্ৰাৰ্থী হ'ব প্ৰাক্তন বৈদেশিক মন্ত্ৰী মি· আৰটুন এম· টলেনটিন। আনহাতে প্ৰেছিডেণ্ট পদৰ বাবে বিৰোধী দলৰ ১০·জন সম্ভাব্য প্ৰাৰ্থীয়ে এক ৰুদ্ধদ্বাৰ বৈঠকত মি· মাৰকছৰ প্ৰতিদ্বন্দ্বীৰূপে সৰ্বসন্মতভাৱে মিছেছ ক'ৰাজন একুইন'ৰ (Mrs Corazon Aquino) নাম প্ৰস্তাৱ কৰে। মিছেছ একুইন' হৈছে প্ৰায় দুবছৰৰ পূৰ্বে আততায়ীৰ হাতত নিহত হোৱা ফিলিপাইনৰ সবাতোকৈ জনপ্ৰিয় ৰাজনৈতিক নেতা, প্ৰেছিডেণ্ট মাৰকছৰ প্ৰধান প্ৰতিদ্বন্দ্বী বেনিগ্‌ন' একুইন'ৰ (Benigno Aquino) পত্নী। কিন্তু প্ৰথম অৱস্থাত দেশৰ প্ৰধান বিৰোধী দল ইউনাইটেড নেশ্যনেলিষ্ট ডেমক্ৰেটিক অৰগেনাইজেশ্যনে (UNIDO) এই সিদ্ধান্তত অনুমোদন জনোৱা নাছিল। কিয়নো এই দলৰ নেতা ফিলিপাইনৰ ৰাজনীতিৰ অন্যতম ব্যক্তি মি· ছালভাডোৰ লৰেল (Salvador Laurel) হ'ল প্ৰেছিডেণ্ট পদৰ বাবে আন এজন প্ৰধান প্ৰাৰ্থী। আনহাতে নিজকে সাধাৰণ গৃহিনী বুলি বিবেচনা কৰা, ক্ষমতাৰ ৰাজনীতিত অনভিজ্ঞ মিছেছ একুইন'ও নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতাৰ বাবে মানসিকভাৱে প্ৰস্তুত নাছিল। তেওঁ কৈছিল যে অতি কমেও এক নিযুত লোকৰ অনুমোদন পালেহে তেওঁ প্ৰস্তাৱটো বিবেচনা কৰি চাব পাৰে। তাৰ উপৰিও তেওঁৰ সমৰ্থকসকলে মি· লৰেলৰ নেতৃত্বাধীন ইউনিড'ৰ লগত কোনো ধৰণৰ আপোচলৈ আহিব খোজা নাছিল। অৱশেষত প্ৰেছিডেণ্ট মাৰকছক পদচ্যুত কৰাৰ স্বাৰ্থত শেহতীয়াভাৱে দেখা দিয়া মাৰকছ-বিৰোধী অনুভূতিক ভাল ধৰণেৰে কামত খটুৱাবৰ উদ্দেশ্যে মিছেছ একুইন' আৰু ইউনিড'ৰ মাজত এক চুক্তি সম্পাদিত হয়। এই চুক্তি মতে যোৱা ১২ ডিছেম্বৰ তাৰিখে ইউনিড'ৰ তৰফৰপৰা মিছেছ একুইন'ই (৫২) প্ৰেছিডেণ্ট আৰু মি· লৰেলে (৫৭) ভাইছ প্ৰেছিডেণ্ট পদৰ বাবে মনোনয়ন পত্ৰ দাখিল কৰিছে। অৱশ্যে প্ৰয়াত নেতা বেনিগ্‌ন' একুইন'ৰ পত্নী হিচাপে জনসাধাৰণৰ বিপুল সমৰ্থন লাভ কৰিলেও ইউনিড'ৰ লগত মিছেছ একুইন'ৰ মিত্ৰতাই মাৰকছ— বিৰোধী উগ্ৰপন্থীসকলক কিছু অসন্তুষ্ট কৰিছে। উল্লেখযোগ্য যে গণতান্ত্ৰিক বিৰোধী পক্ষৰ লগতে সম্প্ৰতি ফিলিপাইনত কমিউনিষ্ট গেৰিলাসকলৰ প্ৰভাৱ দ্ৰুতভাৱে বৃদ্ধি পাইছে। আগন্তুক নিৰ্বাচনত কমিউনিষ্ট গেৰিলাসকলৰো নিশ্চয় এটা ভূমিকা থাকিব।

মিছেছ একুইন'ৰ বিপৰীতে ভাইছ প্ৰেছিডেণ্ট পদৰ প্ৰাৰ্থী মি. লৰেল অভিজ্ঞ তথা চতুৰ ৰাজনৈতিক নেতা। ৰাজনীতি তেওঁৰ ৰক্তত প্ৰবাহিত হৈ আছে। ফিলিপাইনৰ ৰাজনীতি দেশৰ কেইটামান পৰিয়ালৰ মাজতে সীমাবদ্ধ; আৰু তেনে এটা পৰিয়ালতে তেওঁৰ জন্ম। জাপানী সৈন্যই ফিলিপাইন দখল কৰাৰ সময়ত তেওঁৰ পিতৃ আছিল দেশৰ প্ৰধান নেতা। আন্তঃৰাষ্ট্ৰীয় খ্যাতি সম্পন্ন আইনবিদ ছিনেটৰ মি· লৰেল ডেকা কালৰপৰা ৰাজনীতিৰ লগত জড়িত। বিৰোধী দলসমূহক শলঠেকত পেলাবৰ বাবে প্ৰেছিডেণ্ট মাৰকছে ১৯৭২ চনত দেশত জৰুৰী অৱস্থা ঘোষণা কৰোঁতে অৱশ্যে তেওঁক গ্ৰেপ্তাৰ কৰা নাছিল। বৰং শাসক দলৰ প্ৰাৰ্থী হিচাপে ১৯৭৮ চনত অন্তৰ্বৰ্তীকালীন নেশ্যনেল এছেমবলিলৈ সদস্য ৰূপেহে নিৰ্বাচিত হৈছিল। ১৯৮২ চনৰ পৰাহে তেওঁ মাৰকছ প্ৰশাসনৰ বিৰোধী হৈ পৰে আৰু এই সময়ছোৱাতে কেইবাটাও সিচঁৰতি হৈ থকা বিৰোধী দলৰ সং-



OKDISCP

মিশ্ৰণত ইউনিড'ৰ ভেটি স্থাপন কৰে। ১৯৮৩ চনত একুইন'ৰ মৃত্যুৰ পাছত তেওঁ প্ৰেছিডেণ্ট মাৰকছৰ প্ৰধান ৰাজনৈতিক প্ৰতিদ্বন্দ্বী হৈ পৰিল।

আনহাতে প্ৰয়াত নেতা একুইন' আছিল মি. মাৰকছৰ আজীৱন প্ৰতিদ্বন্দ্বী। দেশৰ কনিষ্ঠতম ছিনেটৰ হিচাপে ৰাজনীতিত আত্মপ্ৰকাশ কৰা এই জনপ্ৰিয় নেতাজন মাৰকছৰ সম্ভাব্য উত্তৰাধিকাৰী ৰূপে চিহ্নিত হৈ পৰে। ১৯৭২ চনৰ সামৰিক আইন জাৰি কৰাৰ পাছত তেওঁক প্ৰেপ্তাৰ কৰি ৮ বছৰ কাৰাদণ্ড বিহা হয়। অৱশেষত চিকিৎসাৰ বাবে একুইন'ক ১৯৮০ চনত মাৰকছে মাৰ্কিন যুক্তৰাজ্যলৈ যাবলৈ অনুমতি দিয়ে। তিনি বছৰ যুক্তৰাজ্যত কটাই স্বদেশলৈ উলটি আহোঁতে মেনিলা আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰত নামোতেই তেওঁক আততায়ীয়ে গুলীয়াই হত্যা কৰে (২১ আগষ্ট ১৯৮৩)। ফিলিপাইনৰ ভাবী কৰ্ণধাৰগৰাকীৰ এনে কৰুণ মৃত্যুত দেশত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হয়। ইমান দিনে ৰাজনীতিবিদ স্বামীৰ আঁলৈপেচান ধৰি ফিলিপাইনৰ সবাতোকৈ ধনী পৰিয়াল এটাৰ কন্যা মিছেছ একুইন' সক্ৰিয় ৰাজনীতিৰপৰা আঁতৰি আছিল। কিন্তু প্ৰেছিডেণ্ট মাৰকছৰ বাবে জীৱিত একুইন'তকৈ মৃত একুইন, অধিক বিপদজনক হৈ পৰাত বিৰোধী পক্ষৰ পৰা এই নিৰ্বাচনত মিছেছ একুইন'ক সৰ্বসন্মত প্ৰাৰ্থীৰূপে আগবঢ়োৱা হৈছে।

ফিলিপাইনৰ আগন্তুক নিৰ্বাচনত ফিলিপিনসকলতকৈও মাৰ্কিন প্ৰশাসন বেছি চিন্তিত হৈ পৰিছে। কিন্তু দেশখনৰ নিৰ্বাচনৰ লগত মাৰ্কিন যুক্তৰাষ্ট্ৰৰ স্বাৰ্থ কেনেকৈ জড়িত আছে? ইয়াৰ পৰিষ্কাৰ উত্তৰ হৈছে ৰেগান প্ৰশাসনে দক্ষিণ-পুৱ এছিয়াত আন এখন ইৰানৰ সৃষ্টি হোৱাটো নিবিচাৰে। অৰ্থাৎ চলিত নিৰ্বাচনৰ মাজেদি মাৰ্কিন মহলে ফিলিপাইনক অভ্যন্তৰীণ বিপ্লৱৰ পৰা দূৰৈত ৰাখিব খোজে। কিয়নো, যদি কমিউনিষ্ট অভ্যুত্থানত মাৰকছ প্ৰশাসনৰ পতন ঘটে, তেনেহলে প্ৰশান্ত মহাসাগৰ তথা এছিয়া মহাদেশত মাৰ্কিন নীতিৰ অপূৰণীয় ক্ষতি হব। এনে অৱস্থাত দক্ষিণ-পূব এছিয়াৰ এই জনবহুল দ্বীপপুঞ্জটোত মাৰ্কিন বৈদেশিক নীতি এক সবল প্ৰত্যাহবানৰ সম্মুখীন হৈছে; আৰু এইটো তেওঁলোকৰ বাবে বিশ্বৰ যি কোনো অঞ্চলৰ তুলনাত অতি গুৰুত্বপূৰ্ণ ঘটনা। বাস্তৱিকতে ফিলিপাইনত মাৰ্কিন ৰাজনৈতিক তথা সামৰিক স্বাৰ্থ এতিয়া গভীৰ সংকটৰ সম্মুখীন হৈছে। উল্লেখযোগ্য যে পূৰ্বৰ ইৰানৰ নিচিনাকৈ ফিলিপাইনৰ লগতো যুক্তৰাষ্ট্ৰৰ এক বিশেষ সম্বন্ধ আছে। ফিলিপাইন আছিল মাৰ্কিন যুক্তৰাষ্ট্ৰৰ একমাত্ৰ উপনিবেশ আৰু কেইবাপুৰুষো ধৰি দেশখন মাৰ্কিন ৰক্ষণাবেক্ষণৰ মাজত তিষ্ঠি আছে। দ্বিতীয় মহাযুদ্ধৰ সময়ত ফিলিপাইনক কেন্দ্ৰ কৰি জাপানৰ লগত হোৱা যুদ্ধত হাজাৰ-হাজাৰ মাৰ্কিন সেনাই প্ৰাণ বিসৰ্জন দিছিল। প্ৰশান্ত মহাসাগৰৰ দুৱাৰমুখস্বৰূপ এই দেশখন পশ্চিম এছিয়াৰ পৰা জাপানলৈ তেলৰ প্ৰবাহ নিয়ন্ত্ৰণ কৰি দক্ষিণ-পূব এছিয়াৰ মাৰ্কিন নৌবহৰৰ বাবে এক গুৰুত্বপূৰ্ণ ঘাটি হিচাপে পৰিগণিত হৈছে। বিশেষকৈ অত্যাধুনিক নৌ ঘাটি আৰু ক্লাৰ্ক বিমান ঘাটিকে ধৰি বৰ্তমান ফিলিপাইন হৈছে মাৰ্কিন যুক্তৰাষ্ট্ৰৰ বাহিৰত অৱস্থিত আটাইতকৈ বৃহৎ সামৰিক ঘাটি ভিয়েটনামৰ কাম-ৰান উপসাগৰত (Cam-Ranh Bay) প্ৰতিষ্ঠিত ছোভিয়েট নৌঘাটিৰ বাবে ইয়াৰ গুৰুত্ব দিনে দিনে বৃদ্ধি পাইছে। তাৰ উপৰিও এছিয়াত বৰ্তমান এনে এখন দেশ নাই যি ঠাইলৈ মাৰ্কিন সামৰিক ঘাটিটো স্থানান্তৰ কৰিব পাৰি। কিয়নো কোনোধৰণৰ ৰাজহুৱা কেলেংকাৰী প্ৰকাশ নোহোৱাকৈ মাৰ্কিন নেতাসকলে অৱসৰ বিনোদনৰ যি সুবিধা তাত লাভ কৰে সেই সুবিধা আন ঠাইত বিৰল। মাৰ্কিন সপ্তম নৌবহৰৰ কমাণ্ডাৰ ৰিয়েৰ এডমিৰেল লুই চাথামৰ মতে ফিলিপাইনৰ পৰা মাৰ্কিন অপসাৰণৰ অৰ্থ হৈছে সমগ্ৰ দক্ষিণ চীন সাগৰ ছোভিয়েট নৌ বাহিনীক শোধাই দিয়া।

মাৰ্কিন পৃষ্ঠপোষকতাত কুৰি বছৰ (১৯৬৫-১৯৮৫) একনায়কত্ববাদী শাসন চলোৱা প্ৰেছিডেণ্ট মাৰকছ হঠাতে ৱাশ্বিংটনৰ অপ্ৰিয়ভাজন হোৱাৰ কাৰণ কি? মাৰ্কিন বিশেষজ্ঞসকলৰ মতে মাৰকছৰ দুৰ্নীতি পৰায়ণ অপটু প্ৰশাসন এতিয়া ক্লান্ত হৈ পৰিছে। দেশৰ সাম্প্ৰতিক পৰিস্থিতিৰ লগত মোকাবিলা কৰিব পৰাকৈ প্ৰয়োজনীয় সংস্কাৰ সাধন কৰিবলৈ তেওঁ এতিয়া অসমৰ্থ। মাৰকছৰ কুশাসত বৰ্তমান ফিলিপাইনৰ কমিউনিষ্ট বিদ্ৰোহীসকলৰ বাবে মূলধন হলেও, মাৰ্কিন চৰকাৰৰ বাবে এটা ডাঙৰ বোজা। সম্প্ৰতি মাৰকছ-বিৰোধী কমিউনিষ্ট নিউ পিপলছ আৰ্মিৰ সংখ্যা ১৬৫০০ লৈ বৃদ্ধি পাইছে। যোৱা বছৰৰ প্ৰথম দহোটা মাহত প্ৰায় ৪৫০০ লোক সশস্ত্ৰ সংঘৰ্ষত নিহত হৈছে। দেশৰ প্ৰায় ৭৩ খন প্ৰদেশৰ ভালেমান অঞ্চল এতিয়া কমিউনিষ্ট গেৰিলাসকলৰ নিয়ন্ত্ৰণলৈ আহিছে। এনেদৰে চলি থাকিলে অহা তিনিৰ পৰা পাঁচোটা বছৰৰ ভিতৰত ফিলিপাইন কমিউনিষ্ট বিদ্ৰোহীসকলৰ নিয়ন্ত্ৰণলৈ গুচি যাব। তেন্তে উপায় কি? মাৰ্কিন মহলে ভাবে যে ইয়াৰ বিকল্প হৈছে দেশখনৰ শাসনভাৰ সময় থাকোঁতেই এতিয়াও ভালে পৰিমাণে মাৰ্কিন নীতিৰ সমৰ্থক গণতান্ত্ৰিক বিৰোধী দলৰ হাতত শোধাই দিয়া। কিন্তু বিৰোধী পক্ষ যে সদায় মাৰ্কিন নীতিৰ সমৰ্থক হৈ থাকিব, তাৰো কোনো নিশ্চয়তা নাই। মাৰ্কিন প্ৰশাসনৰ দুৰ্ভাগ্য যে ফিলিপাইনৰ আটাইতকৈ জনপ্ৰিয় আৰু নিৰ্ভৰযোগ্য নেতা বেনিগন' একুইন'ক নিৰ্মমভাৱে হত্যা কৰা হ'ল। সাময়িক ভাৱে শান্তিপূৰ্ণ পৰিবৰ্তনৰ পথ ৰুদ্ধ হ'লেও মাৰকছ-বিৰোধী একুইন'-সমৰ্থক অনুভূতিয়ে জনমতৰ ওপৰত ব্যাপকভাৱে বিস্তাৰ কৰিলে। কিয়নো, এতিয়া এই কথা সৰ্বজনবিদিত যে জনপ্ৰিয়

১১ পৃষ্ঠাত চাওক



## পৰ্য্যৱেক্ষণ

### "আমিয়েই আমাৰ শত্ৰু"

অসমৰ বাহিৰে ভাৰতৰ আনবোৰ ৰাজ্যত ৰাজ্যিক ভাষা সকলোৰে বাবে বাধ্যতামূলক। একমাত্ৰ অসম ইয়াৰ ব্যতিক্ৰম। অসমীয়া ভাষাক লৈ যাৰ যি মন যায় সেয়ে তাকেই কৰি আছে। ১৯৮২ চনৰ ১৮ ডিছেম্বৰ তাৰিখে অসমৰ মাধ্যমিক শিক্ষা পৰিষদে SEBA/AB/CU 1/76/83/7379 জাননীখনৰ জৰিয়তে অসমীয়া ভাষাক ঐচ্ছিক বিষয় কৰাৰ কাৰণে আৰু অ-হিন্দীভাষীসকলৰ বাবে হিন্দী লোৱাৰ ব্যৱস্থা কৰাৰ কাৰণে মাধ্যমিক শিক্ষা পৰিষদ সকলোৰে গৰিহণাৰ পাত্ৰ।

আন ৰাজ্যৰ তুলনাত ভাষাৰ ক্ষেত্ৰত অসম বহুত পিছপৰি আছে। কোঠাৰি আয়োগে শিক্ষাৰ ক্ষেত্ৰত ত্ৰিভাষিক পদ্ধতি প্ৰয়োগৰ পৰামৰ্শ দিছিল। তামিলনাডুত কোঠাৰি আয়োগৰ ত্ৰিভাষিক পদ্ধতিৰ পৰিবৰ্তে সদায়েই দ্বি-ভাষিক পদ্ধতিহে প্ৰয়োগ কৰি অহা হৈছে। ইয়াত কোনো বাহিৰৰ ছাত্ৰ-ছাত্ৰীয়েই তামিল নজনাকৈ স্কুলৰ দেওনা পাৰ হ'ব নোৱাৰে।

আমি কেইজনমান অসমীয়া বন্ধুৱে পাছপ'ৰ্ট উলিয়াবৰ কাৰণে মাদ্ৰাজত থকা ৰিজিঅনেল পাছপ'ৰ্ট অফিছলৈ যোৱাত আমাক প্ৰশ্ন কৰা হ'ল— আমি তামিল ভাষা জানো নে নাজানো। নাজানো বুলি কোৱাত তেওঁলোকে একমাত্ৰ তামিল ভাষা নজনাৰ কাৰণে পাছপ'ৰ্ট দিবলৈ অমান্তি হয় আৰু তাৰেই পৰিপ্ৰেক্ষিতত এক অবাঞ্চনীয় পৰিস্থিতিৰ সৃষ্টি হয়। ইয়াৰ মানুহবিলাক নিজৰ ভাষাৰ ক্ষেত্ৰত কিমান সচেতন তাকেই এই কথাটোৱে প্ৰমাণ কৰে। কিন্তু অসমত অসমীয়া নজনাকৈ স্থায়ীভাৱে বাস কৰি থকা-সকলৰ কাৰণে কোনো চিন্তা নাই। তেওঁলোকে অসমীয়া ভাষাৰ বাহিৰে আন যিকোনো ভাষাকে ব্যৱহাৰ কৰি তেওঁলোকৰ উদ্দেশ্যৰ কথা কৈ কাৰ্য-সিদ্ধি কৰিব পাৰে। তাৰবাবে অসমত মাতেতা কোনো নাই, কিন্তু অসমত যদি তামিলনাডুৰ নিচিনা কৰা হ'ল-হেঁতেন, তেনেহলে অসমীয়াক সংকীৰ্ণ মনোবৃত্তিৰ, বিচ্ছিন্নতাবাদী, জাতীয়তাবাদী আদি আখ্যা দিয়া হ'লহেঁতেন। আনহাতে মাদ্ৰাজত এখন বাংলা ভাষাৰ স্কুল খোলাৰ কাৰণে তামিলনাডু চৰকাৰৰ লগত বহুবছৰৰ পৰা লাগি থকা সত্বেও চৰকাৰে স্কুল খোলাৰ অনুমতি দিয়া নাই। কিন্তু অসমত যেতিয়াই যাৰ মন যায় সেয়েই নিজা নিজা ভাষাৰ স্কুল খোলাৰ অনুমতি পায়। কিন্তু কিয়? এইয়া সম্ভৱ হৈছে সেইসকল "উদাৰ মনোবৃত্তিৰ" অসমীয়া ক'লাচাহাবৰ কাৰণে যিয়ে নিজৰ ল'ৰা-ছোৱালীক ইংৰাজী মাধ্যমৰ যোগেদি শিক্ষা দিয়াই আৰু তাকেই জহাই ফুৰি তেওঁলোকৰ ল'ৰা-ছোৱালীয়ে অসমীয়া নাজানে বুলি গৌৰৱবোধ কৰে। সেইসকল অসমীয়া চাহাবে চাই যাওকহি আন ৰাজ্যবোৰে নিজৰ ভাষাৰ উন্নতিৰ কাৰণে কি কৰি আছে?

সদৌ শেষত বৰ্তমান চলি থকা ব্যৱস্থাৰ আমূল পৰিবৰ্তন ঘটাই সময় উকলি নাযাওঁতেই অসমীয়া ভাষাক সকলোৰে বাবে বাধ্যতামূলক কৰাৰ কাৰণে চৰকাৰক হেঁচা দিবলৈ আৰু সংশ্লিষ্ট বিষয়-ববীয়াসকলক এইক্ষেত্ৰত কৰিব পৰা কামখিনি কৰিবলৈ আমি অনুৰোধ জনালো।

**—দীপক হাজৰিকা, কিৰণজীৱ বায়ন, নৃপেন শৰ্মা, অৱনী কলিতা, মাদ্ৰাজ-৯৪**

১০ পৃষ্ঠাৰ পিছৰ পৰা

নেতাগৰাকীৰ হত্যাকাণ্ডৰ ক্ষেত্ৰত প্ৰেছিডেণ্ট মাৰকছ আৰু সৈন্যবাহিনীৰ মাজত অবৈধ যোগাযোগ আছে। কিছু দিনৰ পূৰ্বে একুইন'-হত্যাৰ লগত জড়িত ২৫ জন লোকক ফিলিপাইনৰ বিশেষ আদালতে নিৰ্দোষী বুলি মুকলি কৰি দিয়াত এই সন্দেহ পৰিষ্কাৰ হৈ পৰিল।

নিৰ্বাচিত চাৰি বছৰীয়া প্ৰথম দুটা ম্যাদ পাৰ কৰাৰ পাছত তৃতীয় বাৰৰ বাবে ক্ষমতাত অধিষ্ঠিত হ'বলৈ মাৰকছে ১৯৭২ চনত ফিলিপাইনত সামৰিক শাসন জাৰি কৰে। উল্লেখযোগ্য যে ফিলিপাইনত সংবিধান মতে কোনো প্ৰেছিডেণ্ট তৃতীয়বাৰৰ বাবে নিৰ্বাচিত হ'ব নোৱাৰে। দক্ষিণ-পূব এছিয়াত সাম্যবাদৰ প্ৰতিৰোধক হিচাপে প্ৰেছিডেণ্ট মাৰকছ ইমান দিনে মাৰ্কিন প্ৰশাসনৰ পৃষ্ঠপোষকতাত ক্ষমতাত অবৈধভাৱে অধিষ্ঠিত আছিল। কিন্তু শেহতীয়াভাৱে ৱাশ্বিংটনে উপলব্ধি কৰিছে যে মাৰকছ যিমানে বেছিদিন ক্ষমতাত থাকিব, তেওঁ পতনৰ লগতে তেওঁৰ সহযোগীসকলকো বিপদত পেলোৱাৰ সম্ভাৱনা সিমানে বেছি হৈ পৰিব। কিন্তু মাৰ্কিন মহলৰ দুৰ্বলতাৰ সুযোগ লৈ নানা চল-চাতুৰীৰে দেশত সামাজিক আৰু ৰাজনৈতিক সংস্কাৰৰ প্ৰস্তাৱ মাৰকছ প্ৰশাসনে আঁতৰাই ৰাখিছিল। অৱশেষত প্ৰেছিডেণ্ট ৰেগানৰ ফিলিপাইন-নীতিৰ তীব্ৰ সমালোচনা হোৱাত মাৰ্কিন অৰ্থ সাহায্য হ্ৰাস কৰাৰ ভাবুকি দিয়া হ'ল। ইতিমধ্যে ফিলিপাইনলৈ আন্তঃৰাষ্ট্ৰীয় বিত্তীয় পুঁজিয়েও ৪৫৩ নিযুত ডলাৰৰ ঋণ প্ৰত্যাহাৰ কৰিছে। তাৰে প্ৰত্যক্ষ ফল হৈছে ৭ ফেব্ৰুৱাৰীত প্ৰেছিডেণ্ট নিৰ্বাচনৰ দিন ঘোষণা। অৱশ্যে শেষ মুহূৰ্তলৈকে যাতে তেওঁ ক্ষমতাত থাকিব পাৰে, তাৰ বাবে মাৰকছে সকলো প্ৰকাৰ চেষ্টা চলাইছে। সৈন্য বাহিনীৰ ওপৰতো তেওঁ বহু পৰিমাণে নিৰ্ভৰ কৰিব। নিৰ্বাচন যাতে ন্যায় সংগতভাৱে অনুষ্ঠিত হয়, সেই বিষয়ে চকু ৰাখিবলৈ ইতিমধ্যে মাৰ্কিন কংগ্ৰেছত ফিলিপাইনলৈ পৰ্যবেক্ষক প্ৰেৰণ কৰাৰ ওপৰতো গুৰুত্ব দিয়া হৈছে। কিন্তু নিৰ্বাচনত জালিয়াতি অথবা বিৰোধীপক্ষৰ ভুলৰ বাবে যদি প্ৰেছিডেণ্ট মাৰকছ নিৰ্বাচিত হয়, তেনেহলে ৱাশ্বিংটনৰ বিনা সাহায্যই তেওঁ তিষ্ঠিব পাৰিবনে? ফিলিপাইনৰ নিৰ্বাচনৰ সময়ত এতিয়া সেইটোৱেই হৈছে মূল প্ৰশ্ন।



OKDISCD

মিশ্ৰণত ইউনিড'ৰ ভেটি স্থাপন কৰে। ১৯৮৩ চনত একুইন'ৰ মৃত্যুৰ পাছত তেওঁ প্ৰেছিডেণ্ট মাৰকছৰ প্ৰধান ৰাজনৈতিক প্ৰতিদ্বন্দ্বী হৈ পৰিল।

আনহাতে প্ৰয়াত নেতা একুইন' আছিল মি. মাৰকছৰ আজীৱন প্ৰতিদ্বন্দ্বী। দেশৰ কনিষ্ঠতম ছিনেটৰ হিচাপে ৰাজনীতিত আত্মপ্ৰকাশ কৰা এই জনপ্ৰিয় নেতাজন মাৰকছৰ সম্ভাব্য উত্তৰাধিকাৰী ৰূপে চিহ্নিত হৈ পৰে। ১৯৭২ চনৰ সামৰিক আইন জাৰি কৰাৰ পাছত তেওঁক প্ৰেপ্তাৰ কৰি ৮ বছৰ কাৰাদণ্ড বিহা হয়। অৱশেষত চিকিৎসাৰ বাবে একুইন'ক ১৯৮০ চনত মাৰকছে মাৰ্কিন যুক্তৰাজ্যলৈ যাবলৈ অনুমতি দিয়ে। তিনি বছৰ যুক্তৰাজ্যত কটাই স্বদেশলৈ উলটি আহোঁতে মেনিলা আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰত নামোতেই তেওঁক আততায়ীয়ে গুলীয়াই হত্যা কৰে (২১ আগষ্ট ১৯৮৩)। ফিলিপাইনৰ ভাবী কৰ্ণধাৰগৰাকীৰ এনে করুণ মৃত্যুত দেশত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হয়। ইমান দিনে ৰাজনীতিবিদ স্বামীৰ আঁচলপৈচান ধৰি ফিলিপাইনৰ সবাতোকৈ ধনী পৰিয়াল এটাৰ কন্যা মিছেছ একুইন' সক্ৰিয় ৰাজনীতিৰপৰা আঁতৰি আছিল। কিন্তু প্ৰেছিডেণ্ট মাৰকছৰ বাবে জীৱিত একুইন'তকৈ মৃত একুইন, অধিক বিপদজনক হৈ পৰাত বিৰোধী পক্ষৰ পৰা এই নিৰ্বাচনত মিছেছ একুইন'ক সৰ্বসন্মত প্ৰাৰ্থীৰূপে আগবঢ়োৱা হৈছে।

ফিলিপাইনৰ আগন্তুক নিৰ্বাচনত ফিলিপিনসকলতকৈও মাৰ্কিন প্ৰশাসন বেছি চিন্তিত হৈ পৰিছে। কিন্তু দেশখনৰ নিৰ্বাচনৰ লগত মাৰ্কিন যুক্তৰাষ্ট্ৰৰ স্বাৰ্থ কেনেকৈ জড়িত আছে? ইয়াৰ পৰিষ্কাৰ উত্তৰ হৈছে, ৰেগান প্ৰশাসনে দক্ষিণ-পুৱ এছিয়াত আন এখন ইৰানৰ সৃষ্টি হোৱাটো নিবিচাৰে। অৰ্থাৎ চলিত নিৰ্বাচনৰ মাজেদি মাৰ্কিন মহলে ফিলিপাইনক অভ্যন্তৰীণ বিপ্লৱৰ পৰা দূৰৈত ৰাখিব খোজে। কিয়নো, যদি কমিউনিষ্ট অভ্যুত্থানত মাৰকছ প্ৰশাসনৰ পতন ঘটে, তেনেহলে প্ৰশান্ত মহাসাগৰ তথা এছিয়া মহাদেশত মাৰ্কিন নীতিৰ অপূৰণীয় ক্ষতি হব। এনেঅৱস্থাত দক্ষিণ-পূব এছিয়াৰ এই জনবহুল দ্বীপপুঞ্জটোত মাৰ্কিন বৈদেশিক নীতি এক সবল প্ৰত্যাহবানৰ সন্মুখীন হৈছে; আৰু এইটো তেওঁলোকৰ বাবে বিশ্বৰ যি কোনো অঞ্চলৰ তুলনাত অতি গুৰুত্বপূৰ্ণ ঘটনা। বাস্তৱিকতে ফিলিপাইনত মাৰ্কিন ৰাজনৈতিক তথা সামৰিক স্বাৰ্থ এতিয়া গভীৰ সংকটৰ সন্মুখীন হৈছে। উল্লেখযোগ্য যে পূৰ্বৰ ইৰানৰ নিচিনাকৈ ফিলিপাইনৰ লগতো যুক্তৰাষ্ট্ৰৰ এক বিশেষ সম্বন্ধ আছে। ফিলিপাইন আছিল মাৰ্কিন যুক্তৰাষ্ট্ৰৰ একমাত্ৰ উপনিবেশ আৰু কেইবাপুৰুষো ধৰি দেশখন মাৰ্কিন ৰক্ষণাবেক্ষণৰ মাজত তিষ্ঠি আছে। দ্বিতীয় মহাযুদ্ধৰ সময়ত ফিলিপাইনক কেন্দ্ৰ কৰি জাপানৰ লগত হোৱা যুদ্ধত হাজাৰ-হাজাৰ মাৰ্কিন সেনাই প্ৰাণ বিসৰ্জন দিছিল। প্ৰশান্ত মহাসাগৰৰ দুৱাৰমুখস্বৰূপ এই দেশখন পশ্চিম এছিয়াৰ পৰা জাপানলৈ তেলৰ প্ৰবাহ নিয়ন্ত্ৰণ কৰি দক্ষিণ-পূব এছিয়াৰ মাৰ্কিন নৌবহৰৰ বাবে এক গুৰুত্বপূৰ্ণ ঘাটি হিচাপে পৰিগণিত হৈছে। বিশেষকৈ অত্যাধুনিক নৌ ঘাটি আৰু ক্লাৰ্ক বিমান ঘাটিকে ধৰি বৰ্তমান ফিলিপাইন হৈছে মাৰ্কিন যুক্তৰাষ্ট্ৰৰ বাহিৰত অৱস্থিত আটাইতকৈ বৃহৎ সামৰিক ঘাটি ভিয়েটনামৰ কাম-ৰান উপসাগৰত (Cam-Ranh Bay) প্ৰতিষ্ঠিত ছোভিয়েট নৌঘাটিৰ বাবে ইয়াৰ গুৰুত্ব দিনে দিনে বৃদ্ধি পাইছে। তাৰ উপৰিও এছিয়াত বৰ্তমান এনে এখন দেশ নাই যি ঠাইলৈ মাৰ্কিন সামৰিক ঘাটিটো স্থানান্তৰ কৰিব পাৰি। কিয়নো কোনোধৰণৰ ৰাজহুৱা কেলেংকাৰী প্ৰকাশ নোহোৱাকৈ মাৰ্কিন নেতাসকলে অৱসৰ বিনোদনৰ যি সুবিধা তাত লাভ কৰে সেই সুবিধা আন ঠাইত বিৰল। মাৰ্কিন সপ্তম নৌবহৰৰ কমাণ্ডাৰ ৰিয়েৰ এডমিৰেল লুই চাথামৰ মতে ফিলিপাইনৰ পৰা মাৰ্কিন অপসাৰণৰ অৰ্থ হৈছে সমগ্ৰ দক্ষিণ চীন সাগৰ ছোভিয়েট নৌ বাহিনীক শোধাই দিয়া।

মাৰ্কিন পৃষ্ঠপোষকতাত কুৰি বছৰ (১৯৬৫-১৯৮৫) একনায়কত্ববাদী শাসন চলোৱা প্ৰেছিডেণ্ট মাৰকছ হঠাতে ৱাশ্বিংটনৰ অপ্ৰিয়ভাজন হোৱাৰ কাৰণ কি? মাৰ্কিন বিশেষজ্ঞসকলৰ মতে মাৰকছৰ দুৰ্নীতি পৰায়ণ অপটু প্ৰশাসন এতিয়া ক্লান্ত হৈ পৰিছে। দেশৰ সাম্প্ৰতিক পৰিস্থিতিৰ লগত মোকাবিলা কৰিব পৰাকৈ প্ৰয়োজনীয় সংস্কাৰ সাধন কৰিবলৈ তেওঁ এতিয়া অসমৰ্থ। মাৰকছৰ কুশাসত বৰ্তমান ফিলিপাইনৰ কমিউনিষ্ট বিদ্ৰোহীসকলৰ বাবে মূলধন হলেও, মাৰ্কিন চৰকাৰৰ বাবে এটা ডাঙৰ বোজা। সম্প্ৰতি মাৰকছবিৰোধী কমিউনিষ্ট নিউ পিপলছ আৰ্মিৰ সংখ্যা ১৬৫০০ লৈ বৃদ্ধি পাইছে। যোৱা বছৰৰ প্ৰথম দহোটা মাহত প্ৰায় ৪৫০০ লোক সশস্ত্ৰ সংঘৰ্ষত নিহত হৈছে। দেশৰ প্ৰায় ৭৩ খন প্ৰদেশৰ ভালেমান অঞ্চল এতিয়া কমিউনিষ্ট গেৰিলাসকলৰ নিয়ন্ত্ৰণলৈ আহিছে। এনেদৰে চলি থাকিলে অহা তিনিৰ পৰা পাঁচোটা বছৰৰ ভিতৰত ফিলিপাইন কমিউনিষ্ট বিদ্ৰোহীসকলৰ নিয়ন্ত্ৰণলৈ গুচি যাব। তেন্তে উপায় কি? মাৰ্কিন মহলে ভাবে যে ইয়াৰ বিকল্প হৈছে দেশখনৰ শাসনভাৰ সময় থাকোঁতেই এতিয়াও ভালে পৰিমাণে মাৰ্কিন নীতিৰ সমৰ্থক গণতান্ত্ৰিক বিৰোধী দলৰ হাতত শোধাই দিয়া। কিন্তু বিৰোধী পক্ষ যে সদায় মাৰ্কিন নীতিৰ সমৰ্থক হৈ থাকিব, তাৰো কোনো নিশ্চয়তা নাই। মাৰ্কিন প্ৰশাসনৰ দুৰ্ভাগ্য যে ফিলিপাইনৰ আটাইতকৈ জনপ্ৰিয় আৰু নিৰ্ভৰযোগ্য নেতা বেনিগন' একুইন'ক নিৰ্মমভাৱে হত্যা কৰা হ'ল। সাময়িক ভাৱে শান্তিপূৰ্ণ পৰিবৰ্তনৰ পথ ৰুদ্ধ হ'লেও মাৰকছ-বিৰোধী একুইন'-সমৰ্থক অনুভূতিয়ে জনমতৰ ওপৰত ব্যাপকভাৱে বিস্তাৰ কৰিলে। কিয়নো, এতিয়া এই কথা সৰ্বজনবিদিত যে জনপ্ৰিয়

১১ পৃষ্ঠাত চাওক



## পৰ্য্যবেক্ষণ

### "আমিয়েই আমাৰ শত্ৰু"

অসমৰ বাহিৰে ভাৰতৰ আনবোৰ ৰাজ্যত ৰাজ্যিক ভাষা সকলোৰে বাবে বাধ্যতামূলক। একমাত্ৰ অসম ইয়াৰ ব্যতিক্ৰম। অসমীয়া ভাষাক লৈ যাৰ যি মন যায় সেয়ে তাকেই কৰি আছে। ১৯৮২ চনৰ ২৮ ডিছেম্বৰ তাৰিখে অসমৰ মাধ্যমিক শিক্ষা পৰিষদে SEBA/AB/CU 1/76/83/7379 জাননীখনৰ জৰিয়তে অসমীয়া ভাষাক ঐচ্ছিক বিষয় কৰাৰ কাৰণে আৰু অ-হিন্দীভাষীসকলৰ বাবে হিন্দী লোৱাৰ ব্যৱস্থা কৰাৰ কাৰণে মাধ্যমিক শিক্ষা পৰিষদ সকলোৰে গৰিহণাৰ পাত্ৰ।

আন ৰাজ্যৰ তুলনাত ভাষাৰ ক্ষেত্ৰত অসম বহুত পিছপৰি আছে। কোঠাৰি আয়োগে শিক্ষাৰ ক্ষেত্ৰত ত্ৰিভাষিক পদ্ধতি প্ৰয়োগৰ পৰামৰ্শ দিছিল। তামিলনাডুত কোঠাৰি আয়োগৰ ত্ৰিভাষিক পদ্ধতিৰ পৰিবৰ্তে সদায়েই দ্বি-ভাষিক পদ্ধতিহে প্ৰয়োগ কৰি অহা হৈছে। ইয়াত কোনো বাহিৰৰ ছাত্ৰ-ছাত্ৰীয়েই তামিল নজনাকৈ স্কুলৰ দেওনা পাৰ হ'ব নোৱাৰে।

আমি কেইজনমান অসমীয়া বন্ধুৱে পাছপ'ৰ্ট উলিয়াবৰ কাৰণে মাদ্ৰাজত থকা ৰিজিঅনেল পাছপ'ৰ্ট অফিছলৈ যোৱাত আমাক প্ৰশ্ন কৰা হ'ল— আমি তামিল ভাষা জানো নে নাজানো। নাজানো বুলি কোৱাত তেওঁলোকে একমাত্ৰ তামিল ভাষা নজনাৰ কাৰণে পাছপ'ৰ্ট দিবলৈ অমান্তি হয় আৰু তাৰেই পৰিপ্ৰেক্ষিতত এক অবাঞ্চনীয় পৰিস্থিতিৰ সৃষ্টি হয়। ইয়াৰ মানুহবিলাক নিজৰ ভাষাৰ ক্ষেত্ৰত কিমান সচেতন তাকেই এই কথাটোৱে প্ৰমাণ কৰে। কিন্তু অসমত অসমীয়া নজনাকৈ স্থায়ীভাৱে বাস কৰি থকাসকলৰ কাৰণে কোনো চিন্তা নাই। তেওঁলোকে অসমীয়া ভাষাৰ বাহিৰে আন যিকোনো ভাষাকে ব্যৱহাৰ কৰি তেওঁলোকৰ উদ্দেশ্যৰ কথা কৈ কাৰ্যসিদ্ধি কৰিব পাৰে। তাৰবাবে অসমত মাতেতা কোনো নাই, কিন্তু অসমত যদি তামিলনাডুৰ নিচিনা কৰা হ'লহেঁতেন, তেনেহলে অসমীয়াক সংকীৰ্ণ মনোবৃত্তিৰ, বিচ্ছিন্নতাবাদী, জাতীয়তাবাদী আদি আখ্যা দিয়া হ'লহেঁতেন। আনহাতে মাদ্ৰাজত এখন বাংলা ভাষাৰ স্কুল খোলাৰ কাৰণে তামিলনাডু চৰকাৰৰ লগত বহুবছৰৰ পৰা লাগি থকা সত্বেও চৰকাৰে স্কুল খোলাৰ অনুমতি দিয়া নাই। কিন্তু অসমত যেতিয়াই যাৰ মন যায় সেয়েই নিজা নিজা ভাষাৰ স্কুল খোলাৰ অনুমতি পায়। কিন্তু কিয়? এইয়া সম্ভৱ হৈছে সেইসকল "উদাৰ মনোবৃত্তিৰ" অসমীয়া ক'লাচাহাবৰ কাৰণে যিয়ে নিজৰ ল'ৰা-ছোৱালীক ইংৰাজী মাধ্যমৰ যোগেদি শিক্ষা দিয়াই আৰু তাকেই জহাই ফুৰি তেওঁলোকৰ ল'ৰা-ছোৱালীয়ে অসমীয়া নাজানে বুলি গৌৰৱবোধ কৰে। সেইসকল অসমীয়া চাহাবে চাই যাওকহি আন ৰাজ্যবোৰে নিজৰ ভাষাৰ উন্নতিৰ কাৰণে কি কৰি আছে?

সদৌ শেষত বৰ্তমান চলি থকা ব্যৱস্থাৰ আমূল পৰিবৰ্তন ঘটাই সময় উকলি নাযাওঁতেই অসমীয়া ভাষাক সকলোৰে বাবে বাধ্যতামূলক কৰাৰ কাৰণে চৰকাৰক হেঁচা দিবলৈ আৰু সংশ্লিষ্ট বিষয়-ববীয়াসকলক এইক্ষেত্ৰত কৰিব পৰা কামখিনি কৰিবলৈ আমি অনুৰোধ জনালো।

—দীপক হাজৰিকা, কিৰণজীৱ বায়ন, নৃপেন শৰ্মা, অৱনী কলিতা, মাদ্ৰাজ-৯৪

১০ পৃষ্ঠাৰ পিছৰ পৰা

নেতাগৰাকীৰ হত্যাকাণ্ডৰ ক্ষেত্ৰত প্ৰেছিডেণ্ট মাৰকছ আৰু সৈন্যবাহিনীৰ মাজত অবৈধ যোগাযোগ আছে। কিছু দিনৰ পূৰ্বে একুইন'-হত্যাৰ লগত জড়িত ২৫ জন লোকক ফিলিপাইনৰ বিশেষ আদালতে নিৰ্দোষী বুলি মুকলি কৰি দিয়াত এই সন্দেহ পৰিষ্কাৰ হৈ পৰিল।

নিৰ্বাচিত চাৰি বছৰীয়া প্ৰথম দুটা ম্যাদ পাৰ কৰাৰ পাছত তৃতীয় বাৰৰ বাবে ক্ষমতাত অধিষ্ঠিত হ'বলৈ মাৰকছে ১৯৭২ চনত ফিলিপাইনত সামৰিক শাসন জাৰি কৰে। উল্লেখযোগ্য যে ফিলিপাইনত সংবিধান মতে কোনো প্ৰেছিডেণ্ট তৃতীয়বাৰৰ বাবে নিৰ্বাচিত হ'ব নোৱাৰে। দক্ষিণ-পূব এছিয়াত সাম্যবাদৰ প্ৰতিৰোধক হিচাপে প্ৰেছিডেণ্ট মাৰকছ ইমান দিনে মাৰ্কিন প্ৰশাসনৰ পৃষ্ঠপোষকতাত ক্ষমতাত অবৈধভাৱে অধিষ্ঠিত আছিল। কিন্তু শেহতীয়াভাৱে ৱাশ্বিংটনে উপলব্ধি কৰিছে যে মাৰকছ যিমানে বেছিদিন ক্ষমতাত থাকিব, তেওঁ পতনৰ লগতে তেওঁৰ সহযোগীসকলকো বিপদত পেলোৱাৰ সম্ভাৱনা সিমানে বেছি হৈ পৰিব। কিন্তু মাৰ্কিন মহলৰ দুৰ্বলতাৰ সুযোগ লৈ নানা চল-চাতুৰীৰে দেশত সামাজিক আৰু ৰাজনৈতিক সংস্কাৰৰ প্ৰস্তাৱ মাৰকছ প্ৰশাসনে আঁতৰাই ৰাখিছিল। অৱশেষত প্ৰেছিডেণ্ট ৰেগানৰ ফিলিপাইন-নীতিৰ তীব্ৰ সমালোচনা হোৱাত মাৰ্কিন অৰ্থ সাহায্য হ্ৰাস কৰাৰ ভাবুকি দিয়া হ'ল। ইতিমধ্যে ফিলিপাইনলৈ আন্তঃৰাষ্ট্ৰীয় বিত্তীয় পুঁজিয়েও ৪৫৩ নিযুত ডলাৰৰ ঋণ প্ৰত্যাহাৰ কৰিছে। তাৰে প্ৰত্যক্ষ ফল হৈছে ৭ ফেব্ৰুৱাৰীত প্ৰেছিডেণ্ট নিৰ্বাচনৰ দিন ঘোষণা। অৱশ্যে শেষ মুহূৰ্তলৈকে যাতে তেওঁ ক্ষমতাত থাকিব পাৰে, তাৰ বাবে মাৰকছে সকলো প্ৰকাৰ চেষ্টা চলাইছে। সৈন্য বাহিনীৰ ওপৰতো তেওঁ বহু পৰিমাণে নিৰ্ভৰ কৰিব। নিৰ্বাচন যাতে ন্যায় সংগতভাৱে অনুষ্ঠিত হয়, সেই বিষয়ে চকু ৰাখিবলৈ ইতিমধ্যে মাৰ্কিন কংগ্ৰেছত ফিলিপাইনলৈ পৰ্যবেক্ষক প্ৰেৰণ কৰাৰ ওপৰতো গুৰুত্ব দিয়া হৈছে। কিন্তু নিৰ্বাচনত জালিয়াতি অথবা বিৰোধীপক্ষৰ ভুলৰ বাবে যদি প্ৰেছিডেণ্ট মাৰকছ নিৰ্বাচিত হয়, তেনেহলে ৱাশ্বিংটনৰ বিনা সাহায্যই তেওঁ তিষ্ঠিব পাৰিবনে? ফিলিপাইনৰ নিৰ্বাচনৰ সময়ত এতিয়া সেইটোৱেই হৈছে মূল প্ৰশ্ন।



OKDISCD

# অসমীয়া সমাজ আৰু মুছলমান

চহিৰুদ্দিন আলি আহমেদ

বিগত নিৰ্বাচনত অসম গণ পৰিষদৰ অভূতপূৰ্ব সাফল্যই অসমপ্ৰেমী ৰাইজৰ মাজত আনন্দ উল্লাস কঢ়িয়াই অনাৰ লগে লগে আন এটা দিশত বিষাদৰ ছায়ায়ো আমাৰ লগতে বহুতো অসমীয়াৰ মন ঢাকি ৰাখিছে। সমন্বয়ৰ ভেটিত গঠিত, বৈচিত্ৰ আৰু অনৈক্যৰ মাজতো ঐক্যৰ প্ৰতীক অসমীয়া সমাজখনত যেন কৰবাত কেনা লাগিছে, ফাট মেলিছে, আৰু তাৰ প্ৰতিফলন আমি দেখিবলৈ পালো বিগত নিৰ্বাচনটোত। বিশেষকৈ অসম চুক্তি বিৰোধিতাৰ মাধ্যমত বাঙালী জাতীয়তাবোধেৰে সংগঠিত "সংযুক্ত সংখ্যালঘু মৰ্চা"ক (ইউ. এম. এফ) এক বুজন সংখ্যক অসমীয়া মুছলমানে (বিশেষকৈ নামনি অসমত) ভোট দান কৰা কাৰ্য বহুতৰে বাবে অত্যন্ত দুৰ্ভাগ্যজনক বুলি বিবেচিত হৈছে। সেয়েহে আজি সেই কথা পৰ্যালোচনাৰ প্ৰয়োজন হৈছে।

বহুতো কষ্টস্বীকাৰ আৰু ত্যাগৰ অন্তত সুদীৰ্ঘ ছবছৰীয়া আন্দোলনটোৰ ফল হিচাপে এৰা-ধৰা আৰু বুজাবুজিৰ মাজেৰে সমাজৰ সকলো শ্ৰেণীৰ জনসাধাৰণৰ গ্ৰহণযোগ্য হোৱাকৈ (কোনো নহবা, কোনো নিজিকা?) এখন চুক্তি কৰা হ'ল। এই চুক্তি মতে প্ৰধানতঃ '৭১ চনৰ পাছৰ অনুপ্ৰবেশকাৰীকহে বহিষ্কাৰৰ দিহা কৰা হৈছে। উল্লেখযোগ্য যে বহিষ্কৰণৰ ভিত্তি বছৰ ৭১ চন হব লাগে বুলি সকলো সংখ্যালঘু সংগঠনকে ধৰি অন্যান্য আন্দোলন-বিৰোধী সংগঠনেও দাবী কৰি আহিছিল। '৬১-'৭১ চনৰ সময়ছোৱাৰ অনুপ্ৰবেশকাৰীক চৰ্ত সাপেক্ষে আৰু তাৰো আগৰসকলক চৰ্তহীনভাৱে অসমতে নাগৰিক হিচাপে ৰখাৰ দিহা ৰাখিছে অসম চুক্তিয়ে। লগতে অন্যান্য উন্নয়নমূলক আৰু গঠনমূলক দফা সন্নিবিষ্ট, সকলোৰে গ্ৰহণযোগ্য হোৱা এনে চুক্তিতকৈ আৰু ভাল চুক্তি আশা কৰাটো টান। এনে এখন চুক্তিৰ বিৰোধিতাৰ অৰ্থ হল— অসমলৈ '৭১ চনৰ পাছত অহা বিদেশীখিনিকো বহিষ্কৰণত বাধা দিয়া, বৃহত্তৰ অসমীয়া জাতিৰ অস্তিত্বক অস্বীকাৰ কৰা, অসমৰ অৰ্থনৈতিক উন্নয়নত বাধা আৰোপ কৰা, অসমৰ শান্তি শৃংখলা স্থাপনত অন্তৰায় হোৱা ইত্যাদি। গতিকে অসম চুক্তি বিৰোধী কোনো দল বা সংগঠনক শান্তিকামী অসমবাসীয়ে সমৰ্থন বা সহ্য কৰাটো সম্ভৱ নহয় বা উচিতো নহয়। সেয়েহে অসম চুক্তি বিৰোধী "সংযুক্ত সংখ্যালঘু মৰ্চা" কোনো অসমীয়া তথা অসমবাসীৰ সমৰ্থনযোগ্য হ'ব নোৱাৰে।

আনহাতে ৩৮ বছৰীয়া সৰ্বভাৰতীয় দলৰ কুশাসনে অৱহেলাৰ থলী আৰু সমস্যাবহুল ৰাজ্য হিচাপে গঢ় দিয়া অসমৰ জনসাধাৰণে চুক্তি ৰূপায়ণৰ বাবে আৰু অসমক দুৰ্নীতি মুক্ত কৰি ইয়াৰ সৰ্বাংগীন উন্নতি সাধনৰ বাবে এটা পৰিবৰ্তন বিচাৰি সৰ্বভাৰতীয় দলৰ পৰিবৰ্তে আন্দোলনৰ নেতৃবৰ্গৰ উদ্যোগত গঢ়ি উঠা ৰাজনৈতিক আঞ্চলিক দল "অসম গণ পৰিষদ"ক জাতীয় মঞ্চ হিচাপে আকোৱালি লোৱা পৰিলক্ষিত হৈছে। অসমৰ জনসাধাৰণে সাম্প্ৰতিক কালত ইয়াক কেৱল মাত্ৰ ৰাজনৈতিক দল হিচাপে বিবেচনা কৰিবলৈ টান পাইছে। ই যেন জাতীয় জীৱনত সাঙোৰ খাই পৰা এক জাতীয় অনুষ্ঠান।

আনহাতে ইউ. এম. এফ ৰ নিৰ্বাচনী প্ৰাৰ্থী তালিকাত আমি দুই-এক অসমীয়া মুছলমানৰ নাম দেখি চিন্তিত হৈছিলো। আৰু ইয়ে নিৰ্বাচনত ধৰ্মীয় ভাবাবেগেৰে অসমীয়া মুছলমানকো গোড়া বাঙালী গোলাম ওচমানিয়ে অসমীয়া সমাজত ভাঙোন আনিবলৈ, বিপথে নিবলৈ অভিনৱ প্ৰচেষ্টা চলাব বুলি আমি সন্দেহ প্ৰকাশ কৰিছিলো। আৰু কেইবাজনো বন্ধুসহ বাতৰি কাকত-যোগে ইয়াৰপৰা সাৱধান থাকিবলৈ অসমীয়া মুছলমানক সকিয়াই দিছিলো। আৰু কৈছিলো— অসমীয়া হিচাপে অসমীয়া মুছলমানসকল কাহানিও সংখ্যালঘু নহয়। ডিচেম্বৰ মাহৰ প্ৰথম সপ্তাহতে যেতিয়া নিৰ্বাচনত কৰ্তব্য পালনৰ অৰ্থে গুৱাহাটীৰ শিক্ষানুষ্ঠান এৰি নিজ অঞ্চললৈ গৈছিলো, তেতিয়া সম্পূৰ্ণ দূষিত পৰিবেশ এটা পাইছিলো। সংখ্যালঘু মৰ্চাৰ অপপ্ৰচাৰে ভালদৰে শিপাইছে। সম্পূৰ্ণ ধৰ্মীয় ভাবাবেগ। মৰ্চাৰ অপ-প্ৰচাৰসমূহৰ ভিতৰত আছিল —গণ পৰিষদে ক্ষমতালৈ আহিলে হিন্দু ৰাজ্য স্থাপন কৰিব, গো-মাংস খোৱা বন্ধ কৰিব, আজান দিয়া, নামাজ পঢ়া, টুপী পিন্ধা বন্ধ হ'ব, মুছলিম ল'ৰাই চাকৰি নাপাব ইত্যাদি। এই অপ-প্ৰচাৰবোৰৰ সম্মুখীন হব লগাত পৰিছিলো আমি। আমাৰ কামৰ সহযোগী আছিল —ইঞ্জিনীয়াৰিং কলেজৰ ছাত্ৰ বুলবুল হুছেইন, গুৱাহাটী বিশ্ববিদ্যালয়ৰ ছাত্ৰ নৌছাদ আলি, আমাৰ সহপাঠী জয়নুল হক, স্থানীয় যুৱক মোস্তাফা হুছেইন, তালেব আলি, মইনুল হক, চাদেক আলি, আজিমুদ্দিন আহমেদ (শিক্ষক), ছইফুৰ ৰহমান (শিক্ষক), যতুৰাম চহৰীয়া আদি। এইসকল লোক মঙ্গলদৈ বিধান সভা সমষ্টিৰ অন্তৰ্গত। আমাৰ বিপৰীতে এক বুজন পৰিমাণৰ ছাত্ৰ বা অন্য লোক মৰ্চা, কংগ্ৰেছ আদি দলৰ হৈ সমৰত নামি পৰাত আমি যথেষ্ট অসুবিধাৰ সম্মুখীন হৈছিলো। কিছুমান যুৱকে ১০ টকা বা ২০ টকাৰ বিনিময়ত কংগ্ৰেছ আদি দলৰ বেনাৰ লৈ একোএকোটা অফিছ খুলি বহি গৈছিল। গাঁও অঞ্চলৰ বৰমূৰীয়া বুলি খ্যাত কিছুমানে ই-কংগ্ৰেছ প্ৰাৰ্থীৰ মোটা অংকৰ টকা বিলাই সাধাৰণ ৰাইজক বিপথে নিবলৈ চেষ্টা কৰিছিল। ইউ.এম.এফৰ হৈ অসমীয়া মুছলমান প্ৰাৰ্থীৰ অঙহী-বঙহীসকল অপপ্ৰচাৰত মুখৰ হৈ পৰিছিল। শুকুৰবাৰে জুম্মাৰ নামাজত সমবেত সাধাৰণ ৰাইজক কোনো কোনো মোল্লা-মৌলবীৰ হতুৱাই উক্ত অপপ্ৰচাৰেৰে ভীতিগ্ৰস্ত কৰি তুলিছিল। কোনো কোনো বলবান বুলি খ্যাত অসমীয়া মুছলমান যুৱকক মটৰ ছাইকেলেৰে কলাইগাঁও, ছিপাঝাৰ, মঙলদৈ বিধান সভা সমষ্টিৰ বিভিন্ন অসমীয়া মুছলমান গাঁৱলৈ পঠিওৱা হৈছিল আৰু ভীতি প্ৰদৰ্শনেৰে উক্ত ধৰণৰ অপপ্ৰচাৰৰ কথাবোৰ সাধাৰণ ৰাইজৰ মনত বেয়াকৈ সুমুৱাই দিয়া হৈছিল। আমাৰ বিৰুদ্ধে কোৱা হৈছিল চহিৰ, নৌছাদ, বুলবুল, জয়নুল, আইনুল (কলাইগাঁও)হঁতে বাহিৰত পঢ়ে, "আছু" কৰে। নিজৰ নিৰাপত্তাৰ বাবেহে "এ.জি.পি"ত লাগিছে ইত্যাদি। সাধাৰণ মোল্লা মৌলবী কিছুমানে আমাক ইমান নোহোৱা "কাফেৰ" বুলি গালি পাৰিছিল। সাধাৰণ ৰাইজৰ ওচৰলৈ আমি দিনত গ'লে এই মহলটো ৰাতি গৈছিল। কোনো কোনোৰ লগত আমাৰ তৰ্ক হৈছিল। আমি ভাবুকিৰ সম্মুখীন হৈছিলো। সাধাৰণ ৰাইজে কাৰ কথা শুনিব এই লৈ উৱাদিহ নাপাইছিল। সময়ত কিছু সংখ্যকে সিটো পক্ষ লৈছিল আৰু এটা অংশই আমাৰ পক্ষ লৈছিল। ছিপাঝাৰ সমষ্টিত জয়নাথ শৰ্মাৰ নিজস্ব বিচক্ষণতাৰ বাবে অপপ্ৰচাৰবোৰে বিশেষ গা কৰিব নোৱাৰিলে। তাত সন্তোষজনক সংখ্যক অসমীয়া মুছলমানে শ্ৰীশৰ্মাক, কিছু সংখ্যকে জনতা-প্ৰাৰ্থীক, ই-কংগ্ৰেছ প্ৰাৰ্থীক আৰু অতি কম সংখ্যকেহে মৰ্চাৰ প্ৰাৰ্থীক ভোট দিয়ে। কলাইগাঁও সমষ্টিতো অপপ্ৰচাৰৰ বলি হৈ এটা অংশ অসমীয়া মুছলমানে মৰ্চাৰ প্ৰাৰ্থীক আৰু এটা অংশই গণ পৰিষদকে ধৰি অন্যান্য দলক ভোট দিয়ে। কলাইগাঁৱত আমাৰ সহপাঠী বন্ধু আইনুল হক একেই পৰিবেশৰ সম্মুখীন হৈছিল। সংখ্যালঘু মৰ্চাৰ হৈ কাম কৰা কিছুমান যুৱকক আমি এই দলটোৰ সভাপতি কোন, দলৰ নীতি, কাৰ্যসূচী আদিৰ বিষয়ে কিছুমান প্ৰশ্ন কৰিছিলো। তেওঁলোকে এই বিষয়ে একোকে নাজানে।

মঙলদৈ বিধান সভা সমষ্টিৰ অন্তৰ্গত বেছিমাৰী গাঁৱলৈ যাওঁতে এজন যুৱকে আমাক অকলে মাতি নি কৈছিল,— "জোনাব, আন্দোলনটোত মুছলমানেই বেয়াকৈ ক্ষতিগ্ৰস্ত হ'ল। ইমান দিনে আমি অসমীয়া অসমীয়া কৰোঁতেই গ'ল। আমাক জানো অসমীয়াৰ মৰ্যাদা কোনোবাই দিয়ে? এতিয়া আন কথা বাদ দি মিঞা মুছলমান আৰু অসমীয়া মুছলমান এক হ'ব লাগে।" অৰ্থাৎ যুৱকজনৰ মতে অসমীয়া মুছলমানে ইউ. এম. এফক সমৰ্থন কৰিব লাগে। তেওঁক তেতিয়া উক্ত দলটোৰ নীতি, কাৰ্যসূচী তথা জন্মৰ আদি কথা সম্পৰ্কে কিছু অৱগত কৰোৱাৰ পাছত কৈছিলো,— "চোৱা ভাই, এইখন দেশ হিন্দু-মুছলমানকে ধৰি নানা ধৰ্ম, জাতি-উপজাতিৰ দেশ। ইয়াত হিন্দুৱে মুছলমানক বা মুছলমানে হিন্দুক বাদ দি, বা ইটো সম্প্ৰদায়ে সিটো সম্প্ৰদায়ক বাদ দি জীয়াই থকাটো সম্ভৱ নহয়। আমি যুগ যুগ ধৰি মিলাপ্ৰীতিৰে বাস কৰি আছোঁ আৰু থাকিব লাগিব। স্বাধীনতা আন্দোলন অহিংস বুলি কোৱা হয় যদিও ভাৰতৰ অন্যান্য প্ৰান্তত সেই সময়ছোৱাত সাম্প্ৰদায়িক জুই জ্বলিছিল; কিন্তু অসমত তেতিয়াও সকলো লোক সুখে-শান্তিৰে আছিল। মুছলমান হিচাপে এক হ'ব লাগে বুলি কোৱা কথাষাৰ তোমাৰ সাংঘাতিক ভুল। মুছলমান দেশ হিচাপে বাংলাদেশ, পাকিস্তান আদিত নিতে হিংসাত্মক ঘটনা ঘটি আছে। ইৰান-ইৰাকে যুদ্ধ কৰি মৰিব লাগিছে। আনহাতে য'ত হিন্দু মুছলমান একেলগে আছে, তাতে মিলাপ্ৰীতিৰ বান্ধোন আছে, শান্তি-সম্প্ৰীতি আছে। আন্দোলনটোত অশুভ শক্তিৰ দ্বাৰা যদি কিবা অঘটন হোৱা বুলি ভাবিছা, তেনেহলে এতিয়া সেয়া দূৰ কৰাৰহে সময়। বেমাৰ হলে আৰোগ্যৰহে চিন্তা কৰিব লাগে; বঢ়োৱাৰ চিন্তা কৰা অনুচিত। আমি সকলোৱে অসমীয়া জাতিৰ বিভিন্ন সম্প্ৰদায়ৰ মাজত মিলাপ্ৰীতি আৰু ঐক্যৰ প্ৰতীক হিচাপে কাম কৰা উচিত। এতিয়া আমি এনেকুৱা এখন জাতীয় মঞ্চ তৈয়াৰ কৰা উচিত য'ত অসমীয়া জাতিৰ সকলো জনগোষ্ঠীক একত্ৰিত কৰি সোণৰ অসম গঢ়িব পৰা হ'ব। আমি ৩৮ বছৰে সৰ্বভাৰতীয় দলক চোৱাৰ পাছত এবাৰ আঞ্চলিক শক্তি গণ পৰিষদকো নিশ্চয় চাব পাৰোঁ। সম্প্ৰতি আমি অসম গণ পৰিষদত অসমীয়া জাতিৰ এটি প্ৰতিবিম্ব দেখিবলৈ পাইছোঁ। আৰু ইয়াৰ যোগেদি আমি সকলোৰে সহযোগত ন-অসমীয়া পমুৱা মুছলমানসকলকো বুজাই-বঢ়াই ঘাই সূঁতিলৈ অনাৰ দায়িত্বহে লব লাগে। ধৰ্মীয় আৰু সাম্প্ৰদায়িক চিন্তাই শান্তিৰ পৰিৱৰ্তে অশান্তি আনে।"— কথাখিনি নিৰবে শুনাৰ পাছত যুৱকজনে মোৰে সৈতে "হেণ্ডশ্বেক" কৰি কৈছিল,— "জোনাব, মই এতিয়া আচল কথাটো বুজি পাইছোঁ। এতিয়াৰে পৰা মই গণ পৰিষদৰ হৈ কাম কৰিম।"

ৰঙীয়া বিধান সভা সমষ্টিৰ সহপাঠী বন্ধু আমজেদ আলম আৰু হাজো বিধান সভা সমষ্টিৰ সহপাঠী বন্ধু খচিৰুদ্দিন আহমেদে গণ পৰিষদৰ প্ৰচাৰ কাৰ্যত—একে ধৰণৰ অপপ্ৰচাৰ আৰু বাধাৰ সম্মুখীন হোৱা বুলি আমাক জনাইছে। অৱশ্যে সমষ্টি দুটাত মৰ্চাৰ সলনি ক্ৰমে ছি. পি. এম আৰু ই-কংগ্ৰেছে কিছু অসমীয়া মুছলমানক প্ৰভাৱান্বিত কৰা বুলি কোৱা হৈছে। আৰু এটা অংশই গণ পৰিষদতে ভোট দান কৰে।

উক্ত অপপ্ৰচাৰসমূহৰ উপৰিও নামনি অসমৰ বিভিন্ন অঞ্চলত লগ পোৱা অসমীয়া মুছলমান ভোটাৰৰ



OKDISCD

গণ পৰিষদৰ বিৰুদ্ধে উমৈহতীয়া গুৰুতৰ অভিযোগ সমূহৰ ভিতৰত কেইটামান হ'ল এনে ধৰণৰ ঃ

১। আন্দোলনকাৰী ছাত্ৰকৰ্মীৰ দ্বাৰা অসমীয়া মুছলমানকে ধৰি বহুতো ভাৰতীয় নাগৰিকৰ নাম ভোটাৰ তালিকাৰ পৰা যধে মধে কটা হ'ল।

২। গণ পৰিষদৰ কেন্দ্ৰীয় কমিটিত মুছলমানৰ প্ৰতিনিধিত্ব সন্তোষজনক নহয়।

৩। সামগ্ৰিকভাৱে নিৰ্বাচনত মুছলমানৰ প্ৰাৰ্থীত্ব সন্তোষজনক নহয়। প্ৰাৰ্থীত্ব দিয়াসকলকো পৰিষদৰ প্ৰভাৰ-মুক্ত, "ইউ. এম. এফ"ৰ প্ৰভাৱাধীন সমষ্টিত দিয়া হল কেৱল দেখুউৱাৰ বাবে।

৪। সুদীৰ্ঘ আন্দোলনৰ কাল ছোৱাত লাগি থকা ছাত্ৰ নেতা হবিবৰ ৰহমান, মহম্মদ মতিউৰ ৰহমান আদিক নিৰ্বাচনত প্ৰাৰ্থীত্ব দিয়া নহ'ল।

৫। অধিবক্তা হবিবৰ ৰহমানক সকলোৱে ৰহমানৰ ঘৰুৱা সমষ্টি হাজোত বিচৰা সত্বেও তেওঁক তাত প্ৰাৰ্থী নিদি মৰ্চাৰ প্ৰভাৱশীল সমষ্টি চেঙাত দিয়া হ'ল।

৬। "সদৌ অসম গণ সংগ্ৰাম পৰিষদ"ৰ পৰা বহিষ্কৃত অতুল বৰাক গণ পৰিষদত আদৰি লোৱা হল; কিন্তু "আছু"ৰ পৰা বহিষ্কৃত "মুকুল হুঁত"ক অনাৰ ব্যৱস্থা কৰা নহ'ল।

মুষ্টিমেয় পৰিমাণৰ অসমীয়া মুছলমান কিছুমান পালো—যিসকলে এইবাৰ ভোটদানৰ পৰা বিৰত থাকিল। তেওঁলোকৰ মতে সৰ্বভাৰতীয় দলো গ্ৰহণ যোগ্য নহয়, গণ পৰিষদো সাম্প্ৰদায়িক মনোভাবৰ, "সংযুক্ত সংখ্যালঘু মৰ্চাও" কোনো ৰকমে গ্ৰহণযোগ্য নহয়। কিছুমানে ভৱিষ্যত বাণীয়েই কৰিছিল এই বুলি—ময়িহুল ইছলাম বৰাৰ বাহিৰে গণ পৰিষদৰ কোনো এজন মুছলমান প্ৰাৰ্থীয়েই জয়ী হ'ব নোৱাৰে।

আঞ্চলিক ৰাজনৈতিক শক্তি অসম গণ পৰিষদৰ সপক্ষে অভিযানত নমা আমি অসমীয়া মুছলমান যুৱকসকল উক্ত অপপ্ৰচাৰ আৰু অভিযোগসমূহৰ সম্মুখীন হৈছিলো আৰু পাৰ্যমানে সিবিলাকৰ উত্তৰ দিছিলো। ইমানবোৰ বাধা বিঘিনি নেওচিও যিসকল অসমীয়া মুছলমানে অসম গণ পৰিষদক ভোটদান কৰিলে, সেই সকলক আমি আন্তৰিক কৃতজ্ঞতা জনাইছোঁ। আঞ্চলিক ৰাজনৈতিক শক্তিৰ আজি জয় হ'ল যদিও সমাজখনৰ ভাঙোন মুখী বাতাবৰণ দেখি আমি আশাৰ মাজতো হতাশ হ'ব লগাত পৰিছো। কোনে কাক ভোট দিলে নিদিলে তাৰ হিচাপ-নিকাচত লাগি ইজনে সিজনক সন্দেহৰ চকুৰে চাইছোঁ। উলুৰ লগত বগৰী পোৰা যোৱা লেখিয়াও কথা হৈছে।

গতিকে উক্ত অভিযোগসমূহ পৰ্যালোচনা কৰি চাব লাগে আৰু সেইবোৰ নিৰাময়ৰ ব্যৱস্থা কৰিব লাগে। প্ৰকৃততে, সেই অপপ্ৰচাৰ আৰু অভিযোগসমূহৰ বিৰুদ্ধে কাম কৰিবলৈ আমাক এতিয়া এটা ভেটি লাগে, আৰু সেই ভেটি তৈয়াৰ কৰিব লাগিব নতুন চৰকাৰে ইয়াৰ কাম-কাজেৰে। প্ৰমাণ কৰিব লাগিব যে সেইবোৰ অভিযোগ ভিত্তিহীন আৰু অমূলক।

চুক্তি মতে বিদেশীৰ শাৰীত নপৰা ন-অসমীয়া পমুৱা মুছলমান আৰু হিন্দু বাঙালীসকলক আন্তৰিকতাৰে আদৰি লব লাগে। চৰ অঞ্চলত এটা অভিযান চলাব লাগে। এতিয়াৰ চৰকাৰৰ গুৰি ধৰোঁতাসকলে স. অ. ছাত্ৰ সন্থাৰ নেতৃত্বত থাকোঁতে যিটো কৰিবলৈ নিৰাপত্তাহীনতা বোধ কৰিছিল, এতিয়া চৰকাৰ হিচাপে নিশ্চয় সেই অসুবিধাৰ প্ৰশ্ন নুঠে। লগতে ছাত্ৰসন্থাৰ কৰ্মীসকলেও সেই কামত সহযোগ কৰিব পাৰে। চৰ অঞ্চলৰ শিক্ষিত যুৱকসকলক প্ৰথমে বুজাব লাগে। আওহতীয়া অঞ্চলবোৰৰ উন্নতি সাধন কৰি তাত অসমীয়া স্কুল স্থাপন কৰিব লাগে। অসমীয়া ভাষা-সংস্কৃতি-সমাজৰ প্ৰতি তেওঁলোকৰ মনত এটা আপোন ভাব, মৰমৰ ভাব জগাই তোলাৰ ব্যৱস্থা কৰিব লাগে। সাহসী আৰু কৰ্মী অসমীয়া জীয়াৰী-বোৱাৰীকো এই কামত লব পৰা যায়। প্ৰকৃতাৰ্থত চৰ অঞ্চলত পৰিকল্পনাৰ ভিত্তিত "বৃহত্তৰ অসমীয়া জাতি গঠনৰ অভিযান" এটাৰ ব্যৱস্থা কৰিব লাগে। এনেকৈ আন্তৰিকতাৰে আগ বাঢ়িলে নিশ্চয় আমি প্ৰকৃত ভাৰতীয় অসমবাসীক লৈ এখন সোণৰ অসম গঢ়াত সফল হ'ব পাৰিম। আমি ভাবোঁ এই কাম কৰিব পাৰিলে অশুভ শক্তি "সংযুক্ত সংখ্যালঘু মৰ্চা"ৰ কবলৰ পৰা এই মানুহখিনিক আমি উদ্ধাৰ কৰিব পাৰিম আৰু লগে লগে মৰ্চাৰ ঘাই শিপা ডালো উঘালিব পাৰিম। অন্যথাই বাঙালী জাতিস্বতাবোধেৰে সংগঠিত দলটোৱে বাঙালী হিন্দু আৰু ন-অসমীয়া পমুৱা মুছলমানসকলৰ নেতৃত্ব বহন কৰি আগন্তুক লোক পিয়লত অসমক এক বিপৰ্যয়ৰ সন্মুখীন কৰাব পাৰে। এই ঘটনা কেতিয়াও ঘটিবলৈ দিব নোৱাৰি। নতুন চৰকাৰে এইবোৰ নিশ্চয় ভাবি চাব।


নীলমণি ফুকনৰ
নতুন কাব্য সংকলন

নৃত্যৰতা পৃথিৱী

লগতে এখন আন্তৰ্জাতিক কবি সম্মিলনত হোৱা কবিৰ উপলব্ধি আৰু অনুভূতিৰে স্পন্দিত ভ্ৰমণ অভিজ্ঞতা

স্ট্ৰুগা কবিতা গোধূলিৰ পোহৰ
মূল্য ঃ পোন্ধৰ টকা

বৰুৱা বুক এজেঞ্চি, গুৱাহাটী-১




# বিজয়ী দলটোৰ নিৰ্বাচনী-যুদ্ধৰ আঁৰৰ মানুহকেইজন আৰু কিছু আঁৰৰ কথা

ইমৰান হুছেইন

নিৰ্বাচনী যুদ্ধত বিজয় লাভ কৰা একোটা ৰাজনৈতিক দলৰ সমগ্ৰ নিৰ্বাচনী অভিযানটো কেন্দ্ৰীয়ভাৱে ত্ৰুটি নোহোৱাকৈ বা ন্যূনতম ত্ৰুটিৰে পৰিচালনা কৰাৰ ক্ষেত্ৰত কিছু লোকৰ নিঃস্বাৰ্থ তথা আশাশুধীয়া সেৱাৰ অতীব প্ৰয়োজন। অসমৰ সদ্যসমাপ্ত নিৰ্বাচনত বিজয়মাল্য পৰিধান কৰা অসম গণ পৰিষদৰ কেন্দ্ৰীয় কাৰ্যালয়তো আমি নিৰ্বাচনটো সুচাৰুৰূপে পৰিচালনা কৰা তেনে কেইজনমান লোকক লগ পাওঁ।



এনেদৰেই, বিনিময়ত একো নিবিচৰাকৈ, নেপথ্যত থাকি কাৰ্য-নিৰ্বাহ কৰা বহুকেইজন লোকৰ নিষ্ঠা আৰু ঐকান্তিকতাৰ বাবেই নিৰ্বাচনী-যুদ্ধখনৰ কৃতকাৰ্যতাৰে আৰু সফলতাৰে পৰিসমাপ্তি ঘটোৱাটো সম্ভৱপৰ হ'ল।

আমাৰ প্ৰশ্নৰ উত্তৰত বসন্ত ডেকাই কয় যে কামটোক প্ৰত্যাহ্বান হিচাপেই লোৱা হৈছিল। এনেহৰো কম সময়ৰ ভিতৰতে কামখিনি কৰিব লগীয়া হোৱা বাবে বিভিন্ন কামৰ দায়িত্ব দি একোখনকৈ সমিতি গঠন কৰি দিয়া হৈছিল। সেইমতে, কেন্দ্ৰীয় নিৰ্বাচনী সমিতিখনৰ দায়িত্বত আছিল—ড° কৃষ্ণগোপাল ভট্টাচাৰ্য (কাৰ্যাধ্যক্ষ আৰু মুখপাত্ৰ), বসন্ত ডেকা (কাৰ্যাধ্যক্ষ), ড° দেৱদত্ত বৰকটকী, দীনেশ বৰুৱা আৰু সতীশ ভট্টাচাৰ্য। প্ৰচাৰ বিভাগৰ দায়িত্বত আছিল—ডা° নাৰায়ণ শৰ্মা (আহ্বায়ক), সঞ্জীৱ শৰ্মা ঠাকুৰ (আহ্বায়ক), ভূপেন চক্ৰৱৰ্তী. বসন্ত বৰুৱা, পৰেশ পাঠক আৰু ধনেশ্বৰ বৰ্মন। বিত্ত বিভাগত আছিল—জগদীশ বৰুৱা (আহ্বায়ক), ইন্দ্ৰজিৎ বৰুৱা, প্ৰদীপ ভূঞা আৰু শৈলেন তালুকদাৰ। পৰিবহন সমিতিখনত আছিল—কৃষ্ণ বৰুৱা, বীৰেন শৰ্মা, ব্ৰজেন মৃদৈ আৰু অনংগ নাথ। আনহাতে কাৰ্যালয় সম্পাদক ৰূপে কাৰ্যনিৰ্বাহ কৰে প্ৰহ্লাদ বৰঠাকুৰে।

নিৰ্বাচনটো পৰিচালনা কৰাৰ ক্ষেত্ৰত প্ৰধান অন্তৰায় আছিল পুঁজি। বসন্ত ডেকাৰ মতে,—"ৰাইজৰ সহায়-সহযোগ ডাঙৰ সম্পদ আছিল। সেয়ে নোহোৱা হলে ই-কংগ্ৰেছৰ বিৰাট ধনবলৰ তুল-



OKDISCD

নাত মাত্ৰ দহ লাখমান টকাৰে আমি কেইজনমান ইয়াত বহি সমগ্ৰ অসমৰে নিৰ্বাচনী কাম-কাজবোৰ সম্পাদন কৰিবলৈ সক্ষম নহলোহেঁতেন। সেয়েহে আমাৰ বিশ্বাস, য'ত জনগণৰ সমৰ্থন আছে তাত আচলতে ধনৰ কথাটো গৌণহে, মুখ্য নহয়।"

বিত্ত সমিতিৰ আহ্বায়ক জগদীশ বৰুৱাই শুভাকাংক্ষী বিভিন্নজনৰ ওচৰলৈ গৈ দান বৰঙণি সংগ্ৰহ কৰিছিল। অনেকে স্বেচ্ছায়ো দান-বৰঙণি আগবঢ়াইছিল। এই ধনেৰেই নিৰ্বাচনটো পৰিচালনা কৰা হৈছিল। বহু ক্ষেত্ৰত ৰাইজে স্থানীয়ভাৰে নিজৰ ফালৰ পৰাও ধন খৰচ কৰিছিল। এই ধনৰ কেন্দ্ৰীয় সমিতিৰ সৈতে সম্পৰ্ক নাই।

কেন্দ্ৰীয়ভাৰে সংগৃহীত ধনেৰে বিধান সভাৰ প্ৰতিজন প্ৰাৰ্থীকে পাঁচ হাজাৰকৈ আৰু লোকসভাৰ প্ৰতিজন প্ৰাৰ্থীকে দহ হাজাৰকৈ টকা দিয়া হৈছিল। অৰশ্যে পুঁজিৰ অভাৰতে দুই এজন প্ৰাৰ্থী বাদ পৰিছিল। ইয়াৰ উপৰিও প্ৰাৰ্থীসকলৰ সুবিধাৰ্থে ১০, ২০, ৫০ আৰু ১০০ টকাৰ কিছুমান কুপন ছপা কৰা হৈছিল। প্ৰত্যেকজন প্ৰাৰ্থীকে প্ৰথমতে দহ হাজাৰ টকা মূল্যৰ কুপন দিয়া হৈছিল। শ্ৰীডেকাৰ মতে ডাঙৰ পুঁজিপতিয়ে ধন দিয়া ব্যৱস্থাটো নিবিচৰা বাবেই ৰাইজৰ ওপৰত অধিক নিৰ্ভৰ কৰা হৈছিল।

শদিয়াৰপৰা ধুবুৰীলৈকে প্ৰায় সকলো সমষ্টিতে প্ৰাৰ্থী থকা সত্ত্বেও কেন্দ্ৰীয়ভাৰে তেওঁলোকৰ সকলোৰে লগতে সুচাৰুৰূপেই যোগাযোগ ৰক্ষা কৰা হৈছিল। যোগাযোগৰ প্ৰধান মাধ্যম আছিল টেলিফোন। মাত্ৰ দুটা টেলিফোনেৰে (প্ৰথম অৱস্থাত এটাৰে) সমগ্ৰ অসমৰ সৈতে যোগাযোগ ৰক্ষা কৰা হৈছিল। নিজা টেলিফোন নথকা ঠাইবিলাকৰ এক্সচেঞ্জবিলাকক, সেই ঠাইৰ যিকোনো এটা নম্বৰ দিবলৈ অথবা তেওঁলোকক খবৰটো স্থানীয় গণ পৰিষদৰ কাৰ্যালয়ত দিবলৈ অনুৰোধ কৰা হৈছিল।

প্ৰচাৰৰ ক্ষেত্ৰত ই-কংগ্ৰেছে ৰিডিফিউশ্যনৰ দৰে বৃহৎ বিজ্ঞাপন সংস্থাক কামত লগোৱাৰ বিপৰীতে গণ পৰিষদৰ প্ৰচাৰ সমিতিৰ সদস্যসকলে নিজৰ মাজত আলোচনাৰ মাজেৰেই বিজ্ঞাপনৰ বিষয় বস্তু তথা শ্লোগানবোৰ যুগুতাই উলিয়াইছিল। পাছত তাক মুখ্য সভাপতি প্ৰফুল্ল কুমাৰ মহন্তৰ দ্বাৰা অনুমোদন কৰাই লোৱা হৈছিল। প্ৰচাৰৰ ক্ষেত্ৰত ঐক্য সম্প্ৰীতিৰ ওপৰত অধিক গুৰুত্ব দিয়াৰ লগতে কোনো সম্প্ৰদায় তথা বিৰোধী পক্ষৰ প্ৰতি বিৰূপ মন্তব্য দিয়াৰপৰা বিৰত থকাৰ ওপৰত জোৰ দিয়া হৈছিল।

প্ৰাৰ্থীসকলক নিৰ্বাচন কৰা দিনৰ পৰা নিৰ্বাচনৰ দিনলৈকে প্ৰতিখন ঠাইৰ ৰাইজে কি কি কৰিব লাগিব, কি কি শ্লগান দিব লাগিব, কেনেদৰে হিচাপ ৰাখিব লাগিব আদি বিষয়ে স্পষ্ট নিৰ্দেশনামা কেন্দ্ৰীয় কাৰ্যালয়ৰ পৰা যোগান ধৰা হৈছিল। কিছু ক্ষেত্ৰত, যেনে সভাৰ মঞ্চ কেনে হোৱা উচিত ছবি আঁকিও বুজাই দিয়া হৈছিল। গণ পৰিষদৰ প্ৰাৰ্থীসকল নতুন হোৱা বাবে তেওঁলোকে যাতে একো ভুল কৰিব নোৱাৰে তাৰ বাবে বিভিন্ন ধৰণৰ পৰামৰ্শ সম্বলিত নিৰ্দেশনামা উলিওৱা হৈছিল। তদুপৰি প'লিং এজেণ্ট কেনেকৈ নিয়োগ কৰিব লাগে; নিয়োগৰ পাছত তেওঁলোকে কেনে দিশত চকু ৰাখিব লাগে এই সম্পৰ্কত একেৰাহে তিনিদিন ধৰি বাতৰি কাকতত বিজ্ঞাপন দি জনোৱা হৈছিল।

ইয়াৰ উপৰিও ভোটাৰসকলক সচেতন কৰি তুলিবলৈও বিশেষ ব্যৱস্থা গ্ৰহণ কৰা হৈছিল। এই সম্পৰ্কত এখন লিফলেট উলিওৱা হৈছিল।

প্ৰচাৰকসকলে বিভিন্ন সভাত কি কি বিষয়ে কব, কি কি বিষয়ে নক'ব, এই সম্পৰ্কে স্পষ্ট নিৰ্দেশ দিয়া হৈছিল। প্ৰাৰ্থীসকলক নিজ সমষ্টিৰ বাবে "অমুকটো কৰিম, অমুকটো কৰিম— জাতীয়" বক্তব্য প্ৰকাশ কৰিবলৈ মানা কৰা হৈছিল। তাৰ সলনি জাতিটোক পুনৰ নিৰ্মাণৰ বাবে সমূহীয়া দায়িত্ববোধেৰে কাম কৰাৰ ওপৰত জোৰ দিবলৈ কোৱা হৈছিল। তদুপৰি সকলো ঠাইতে প্ৰচাৰকসকলক একেবিলাক কথাকে কবলৈ নিৰ্দেশ দিয়া হৈছিল,— যাতে সকলো ঠাইৰে ৰাইজে একেখিনি কথাই শুনিবলৈ পায়। সকলো ঠাইতে কেন্দ্ৰীয় কাৰ্যালয়ৰপৰা যুগুতাই দিয়া মতে শ্ল'গান আৰু বেনাৰ লিখনিসমূহো একে ৰখা হৈছিল। সেয়েহে গুৱাহাটীত শুনা আৰু দেখা শ্ল'গান আৰু বেনাৰ লিখনি চকুৰাখনা বা শদিয়াতো পোৱা গৈছিল।

প্ৰচাৰৰ অন্যতম মাধ্যম হিচাপে প্ৰচাৰ সমিতিৰ তৰফৰপৰা এটা অডিঅ' কেছেট আৰু এটা ভিডিঅ' কেছেট উলিওৱা হৈছিল। যিবিলাক ঠাইলৈ মুখ্য সভাপতি প্ৰফুল্ল কুমাৰ মহন্ত আৰু সাধাৰণ সম্পাদক ভৃগু কুমাৰ ফুকন যাব নোৱাৰিলে, সেইবিলাক ঠাইত তেওঁলোকৰ ভাষণ সম্বলিত কেছেটটোৱে প্ৰচাৰৰ ক্ষেত্ৰত যথেষ্ট সহায় কৰিছিল। কেছেট দুটাৰ পৰিকল্পনা আছিল জগদীশ বৰুৱা আৰু ভুপেন চক্ৰৱৰ্তীৰ।

নিৰ্বাচনী সমিতিখনক মুখ্য সভাপতি আৰু সাধাৰণ সম্পাদকৰ অনুপস্থিতিত (নীতি সম্বন্ধীয়) যিকোনো সিদ্ধান্ত গ্ৰহণৰ কৰ্তৃত্ব দিয়া হৈছিল। সেয়েহে বিভিন্ন ক্ষেত্ৰত ক্ষিপ্ৰ সিদ্ধান্ত গ্ৰহণত বিশেষ অসুবিধা নহৈছিল।

এন. টি. ৰামাৰাও আৰু তেলুগু দেশমৰ সংসদী সদস্যসকলকে ধৰি বাহিৰৰপৰা অহা নেতাসকলৰ ভ্ৰমণ সম্পৰ্কে নিশ্চিত হোৱাৰ পাছত তেওঁলোকৰ প্ৰত্যেকৰে বাবে পৃথক পৃথক ভ্ৰমণসূচী আগতীয়াকৈ তৈয়াৰ কৰা হৈছিল। সেইমতে বিভিন্ন ঠাইলৈ টেলিফোনেৰে খবৰ দিয়া হৈছিল।

আটাইকেইখন সমিতিৰ এখন উমৈহতীয়া বৈঠক অনুষ্ঠিত কৰি ভ্ৰমণসূচীসমূহ তৈয়াৰ কৰা হৈছিল। ভ্ৰমণ সূচীত তেওঁলোকে কাত কাত সভা পাতিব, কাত ৰাতি থাকিব এই সম্পৰ্কে স্পষ্ট নিৰ্দেশ দিয়া আছিল। প্ৰতিজন নেতাৰ লগত এজনকৈ স্থানীয় লোক দিয়া হৈছিল।



লোকজনৰ বিষয়ে সবিশেষ বিৰৱণ নেতাসকলক লিখিত ৰূপত দিয়া হৈছিল। লগতে পৰিবহন সমিতিক বাহিৰৰ প্ৰতিজন নেতাকে এখনকৈ গাড়ী দিবলৈ আৰু বিত্ত সমিতিক টকা দিবলৈ কোৱা হৈছিল। সকলোবোৰ ঠিকমতে পোৱা বাবে সভাবোৰো সুকলমে হৈ গৈছিল।

ইন্দ্ৰজিৎ বৰুৱাৰ মতে নিৰ্বাচন পৰিচালনা কৰাৰ লগতে তেওঁলোকে হঠাতে আবিৰ্ভাৱ ঘটা দুই এটা উপকৰা সমস্যাৰো সমাধান কৰিব লগীয়া হৈছিল। উদাহৰণস্বৰূপে, কেইখনমান জিলাৰ উপায়ুক্তই শান্তি শৃংখলা ভংগ হোৱাৰ আশংকাত ভোট গণনা বুথ হিচাপে নকৰি সকলোবিলাক মিলাই কৰাৰ সিদ্ধান্ত লৈছিল। কেন্দ্ৰীয় কাৰ্যালয়ে এই সিদ্ধান্ত সলনি কৰাৰ অৰ্থে দিছপুৰৰ ৰাজ্যিক নিৰ্বাচনী কাৰ্যালয়ৰ লগতে নতুন দিল্লীত থকা উপ নিৰ্বাচনী আয়ুক্ত ৰামকৃষ্ণনৰ সৈতেও যোগাযোগ কৰে ফলত এই সিদ্ধান্ত সলনি কৰিবলৈ নিৰ্বাচনী আয়োগ বাধ্য হয়।

নিৰ্বাচনী আয়োগৰ আন এটা নীতি নিৰ্দেশনাত এটা বুথত এজন প্ৰাৰ্থীৰ সপক্ষে শতকৰা ৯০ ভাগৰ অধিক ভোট পালে সেইটো বুথৰ গণনা স্থগিত ৰাখি মুখ্য নিৰ্বাচনী আয়ুক্তৰ বিবেচনাৰ্থে প্ৰেৰণ কৰাৰ এটা নিয়ম আছিল। বৰপেটা জিলাৰ নিৰ্বাচনী বিষয়াই এই নিৰ্দেশ অনুসৰি শতকৰা ৯০ ভাগৰ অধিক ভোট পৰা কেন্দ্ৰৰ গণনা বাতিল কৰা হ'ব বুলি এখন চাকুলাৰ জাৰি কৰে। শ্ৰীবসন্ত ডেকাৰ মতে, "এইবাৰ আমাৰ প্ৰাৰ্থীৰ সপক্ষে শতকৰা ৯০ ভাগৰ অধিক ভোট পৰাৰ আশা দেখি এই চাকুলাৰখন হাতত পৰাৰ লগে লগে দিছপুৰৰ নিৰ্বাচনী কাৰ্যালয় তথা নতুন দিল্লীৰ মুখ্য নিৰ্বাচনী আয়ুক্তৰ লগত যোগাযোগ কৰাত তেওঁলোকে চাকুলাৰখনৰ কিছু সাল সলনি কৰি ভোটগ্ৰহণ কেন্দ্ৰ বলেৰে অধিগ্ৰহণৰ ঘটনা ঘটিলেহে গণনা স্থগিত ৰখাৰ সিদ্ধান্ত লয়। এনেদৰেই এক্‌টা সমস্যা ওলালেই এক মুহূর্তও পলম নকৰাকৈ কাম কৰা হৈছিল।

কেন্দ্ৰীয় কাৰ্যালয়ে সততে মুখ্য নিৰ্বাচনী আয়ুক্ত, দিছপুৰৰ ৰাজ্যিক নিৰ্বাচনী বিষয়া আৰু জিলা নিৰ্বাচনী বিষয়াসকলৰ সৈতে সমন্বয় ৰক্ষা কৰি চলিছিল। ইন্দ্ৰজিৎ বৰুৱাৰ মতে, আইন শৃংখলা পৰিস্থিতি সম্পৰ্কেও সততে আৰক্ষী সঞ্চালক-প্ৰধানৰ দৃষ্টি আকৰ্ষণ কৰা হৈছিল। কিছুমান ঠাইত বিশেষকৈ নাজিৰাৰ লগতে ডিব্ৰুগড় আৰু শিৱসাগৰ জিলাৰ কিছুমান সমষ্টিত চৰকাৰী প্ৰশাসন যন্ত্ৰৰ অপব্যৱহাৰ কৰা হৈছিল। এই সম্পৰ্কে সঘনে দৃষ্টি আকৰ্ষণ কৰাৰ ফলত, চৰকাৰেও [illegible] পাইছিল যে গণ পৰিষদ [illegible] থকা নাই। জগদীশ বৰুৱাৰ মতে, নাজিৰা সমষ্টিৰ দৰে দুই-এঠাইত [illegible] লোকক মাৰধৰ কৰা বা মানুহৰ মাজত মদ বিলোৱাৰ বাতৰি পোৱাৰ লগে লগে আৰক্ষী বিভাগৰ লগত যোগাযোগ কৰা হৈছিল। সেইকাৰণেই বোধহয় এইবাৰৰ নিৰ্বাচনত মদ বিতৰণ বা অন্যান্য অবাঞ্চনীয় কামবোৰে আগৰ দৰে প্ৰভাৱ বিস্তাৰ কৰিব নোৱাৰিলে।" উপ নিৰ্বাচনী আয়ুক্ত ৰামকৃষ্ণণ গুৱাহাটীলৈ আহি সকলো ৰাজনৈতিক দলকে তেওঁক সাক্ষাৎ কৰিবলৈ মাতিছিল যদিও একমাত্ৰ অ.গ.প.ৰ বাহিৰে কোনো [illegible]। তৰফৰপৰা মদ বিতৰণ বন্ধ কৰিবলৈ তেওঁক অনুৰোধ কৰাত তেওঁ আৰক্ষী আয়ুক্তজনক মাতি আনি এই সম্পৰ্কত কাৰ্যকৰী ব্যৱস্থা লবলৈ নিৰ্দেশ দিয়ে।

বিভিন্ন ঠাইত নিৰ্বাচনী প্ৰচাৰ কেনেকৈ চলিছে, প্ৰাৰ্থীসকলে কিবা অসুবিধা পাইছে নেকি বা তেওঁলোক কিবা সমস্যাৰ সন্মুখীন হৈছে নেকি— সেইবোৰ জানিবৰ বাবে কেন্দ্ৰীয় কাৰ্যালয়ৰপৰা গোপন পৰ্যবেক্ষক নিয়োগ কৰা হৈছিল। এই ব্যক্তিসকলৰ বিষয়ে কেন্দ্ৰীয় কাৰ্যালয়ৰ দুই-এজনৰ বাহিৰে কোনেও জনা নাছিল। তেওঁলোকে বিভিন্ন ঠাইলৈ গৈ সেই ঠাইৰ আচল অৱস্থা জনাইছিল। সেইমতে ব্যৱস্থা গ্ৰহণ কৰা হৈছিল।

নিৰ্বাচনৰ ফলাফল ৰাইজক জনোৱাৰ উদ্দেশ্যে কেন্দ্ৰীয় কাৰ্যালয়ত এটা কম্পিউটাৰাইজড টেলিভিশ্যন ডিছপ্লে'ৰ ব্যৱস্থা কৰা হৈছিল। টেলিভিশ্যনৰ পৰ্দাখন সৰু হোৱা বাবে তেওঁলোকে নিজাকৈ মাইকযোগে ফলাফল সম্পৰ্কীয় বাতৰি জনোৱাৰো ব্যৱস্থা কৰিছিল। বসন্ত ডেকাৰ মতে, এই সকলোখিনিৰ বাবে নিঃসন্দেহে ইন্দ্ৰজিৎ বৰুৱা ধন্যবাদৰ পাত্ৰ। এনেদৰেই, বিনিময়ত একো নিবিচৰাকৈ, নেপথ্যত থাকি কাৰ্য-নিৰ্বাহ কৰা এইকেইজন লোকৰ নিষ্ঠা আৰু ঐকান্তিকতাৰ বাবেই নিৰ্বাচনী যুদ্ধখনৰ কৃতকাৰ্যতাৰে আৰু সফলতাৰে পৰিসমাপ্তি ঘটোৱাটো সম্ভৱপৰ হ'ল।

**ছপাহৈ ওলাল**

**অসমীয়া ভাষাত ক্ৰিকেট-কুইজৰ একমাত্ৰ কিতাপ**

পুলক লাহিড়ীৰ

**ক্ৰিকেটৰ সাঁথৰ**

মূল্য—৬.৭৭ টকা

ক্ৰিকেটৰ বিভিন্ন প্ৰশ্ন আৰু ইয়াৰ উত্তৰ লগতে ব্ৰেডমেন, গাভাস্কাৰ, হ'বাৰ্ছ, কপিলদেব, লিলি, গ্ৰেগচেপেল আৰু আজাহাৰউদ্দীনৰ ৰেকৰ্ড আৰু চমুজীৱনী।

প্ৰকাশক :

***এলবিএছ পাব্লিকেশ্যন***

জি. এন. বৰদলৈ ৰ'ড

আমবাৰী : গুৱাহাটী-১

# মেণ্ডেলিভ ইনষ্টিটিউটত কেইদিনমান

পবিত্ৰ কুমাৰ শৰ্মা

১৯৮৫ চনৰ জুলাই মাহৰ প্ৰথম সপ্তাহত মস্কোত থকা ভাৰতীয় দূতাবাসৰ বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ উপদেষ্টা ড° এ. পি. কুলশ্ৰেষ্ঠৰপৰা এখন চিঠি পালো। তেখেতে চিঠিখনত লিখিছিল-ছোভিয়েট ৰাছিয়াৰ উচ্চ আৰু বিশেষ শিক্ষা মন্ত্ৰালয়ে মস্কোৰ মেণ্ডেলিভ ইনষ্টিটিউটত এখন আলোচনা চক্ৰত অংশ গ্ৰহণ কৰিবলৈ আপোনাক নিৰ্বাচন কৰিছে। এই আলোচনা চক্ৰত উচ্চ আণবিক ওজনৰ জৈৱযৌগসমূহৰ সৰ্বাধুনিক গৱেষণা আৰু প্লাষ্টিক দ্ৰব্য ব্যৱহাৰৰ ন-ন কৌশল সম্পৰ্কে ছোভিয়েট ৰাছিয়াৰ বিশিষ্ট একাডেমিছিয়ান, প্ৰখ্যাত প্ৰফেছৰ প্ৰমুখ্যে বিশেষজ্ঞসকলে তেখেতসকলৰ গৱেষণাৰ ভিত্তি আলোচনাসমূহত দাঙি ধৰিব। আপুনি মেণ্ডেলিভ ইনষ্টিউটটৰ লগত জড়িত কাৰণেই এই সুবিধা পাইছে। ছোভিয়েট ৰাছিয়াত থকা-খোৱা আৰু মস্কোৰ পৰা দিল্লীলৈ বিমানত অহা খৰচ ছোভিয়েট চৰকাৰে বহন কৰিব। ভাৰতৰ পৰা মস্কোলৈ অহাৰ ব্যৱস্থা আপুনি কৰিব লাগিব। আশাকৰোঁ আপুনি এই সুযোগ গ্ৰহণ কৰিব।

চিঠিখন পায়েই মই যাম বুলি তেখেতলৈ জনালো।

১৬ ছেপ্টেম্বৰৰপৰা ৫ অক্টোবৰলৈ মেণ্ডেলিভ ইনষ্টিটিউটত আলোচনাচক্ৰ চলিছিল। মই 'এয়াৰ ইণ্ডিয়া'ত টিকট কৰাৰ কাৰণে ১৭ ছেপ্টেম্বৰতহে মস্কো পালোগৈ। মোৰ ভিছা ১৬ ছেপ্টেম্বৰতহে দিয়া হ'ল।

আলোচনা চক্ৰলৈ মেণ্ডেলিভ ইনষ্টিটিউটত গৱেষণা কৰা, ঘাইকৈ ডক্টৰেট ডিগ্ৰিৰ পিছৰ পৰ্যায়ৰ (post doctoral) গৱেষণা কৰাসকলৰ ১০০ জন বিদেশী গৱেষণাকাৰীক নিমন্ত্ৰণ কৰা হৈছিল। ১৯৫১ চনৰ পৰা ১৯৮৪ চনলৈ এই ইনষ্টিটিউটত ৩১২ জন বিদেশী শিক্ষাৰ্থীয়ে এই পৰ্যায়ৰ গৱেষণা কৰিছে। তাৰে ১৯৬৬ চনৰ পৰা গৱেষণা কৰা ১০০ জনক আলোচনা-চক্ৰত অংশ গ্ৰহণ কৰিবলৈ মতা হৈছিল। পোলেণ্ড, জেকোশ্ল'ভাকিয়া, হাংগেৰি, ৰোমানিয়া, বুলগেৰিয়া, ইৰাক, আলজেৰিয়া, ভাৰত আদি দেশৰপৰা বিজ্ঞানীসকল আহি মস্কোৰ মেণ্ডেলিভ ইনষ্টিউটৰ ছাত্ৰাবাসত আছিলহি। এই ছাত্ৰাবাস কেইটা নতুনকৈ নিৰ্মিত ১৯ মহলীয়া। মস্কোৰ ভিলিছা লাট ছিট ছা পথত ছাত্ৰাবাস কেইটা অৱস্থিত "এই ঠাইলৈ আহিবলৈ ওচৰত থকা মেট্ৰ ষ্টেশ্যন 'প্লানিয়ৰ নায়া'। সম্পূৰ্ণ নতুনকৈ গঢ়ি উঠা মস্কোৰ এই বৰ্ধিত অঞ্চল মই ১৫ বছৰৰ আগতে আহোঁতে নাছিল। এই ১৫ বছৰৰ ভিতৰত মস্কোত বহুতো পৰিবৰ্তন ঘটিছে। এতিয়া মেট্ৰ ষ্টেশ্যনৰ সংখ্যা ১২০টা। দিনে দিনে নতুন নতুন অঞ্চল নিৰ্মাণ কৰা হৈছে। তাৰ উপৰি এতিয়া মস্কোত সকলো বস্তুৰেই পোৱা যায়। ভাৰতীয় বস্তুৱে মস্কোৰ বজাৰ ভৰি পৰিছে।

আলোচনা চক্ৰ আৰম্ভ হৈছিল পুৰা দহবজাত। দহৰ পৰা একলৈ তিনিঘণ্টা তিনিজন বিশিষ্ট বিজ্ঞানীয়ে বক্তৃতা দিছিল। প্ৰতিঘণ্টাৰ বক্তৃতা শেষ হোৱাৰ লগে লগে প্ৰশ্নোত্তৰৰ ব্যৱস্থা কৰা হৈছে। দুদিন আমাকো আমাৰ গৱেষণাৰ বিষয়ে কবলৈ দিয়া হৈছিল। এই সকলোবোৰ আলোচনা কেৱল ৰুছভাষাতহে হৈছিল। মুঠতে সেই-কেইদিনত ৩০ জন বিশিষ্ট বিজ্ঞানীয়ে আমাৰ আলোচ্য বিষয়ৰ বিভিন্ন দিশ দাঙি ধৰিছিল। ১৮ আৰু ২৫ ছেপ্টেম্বৰত কেৱল শিক্ষামূলক ভ্ৰমণ হৈছিল। বাকী কেইদিন দুপৰীয়াৰ আহাৰ বিৰতিৰ পাছত কেতিয়াবা শিক্ষামূলক ভ্ৰমণ আৰু কেতিয়াবা কোনো উদ্যোগলৈ নিয়া হৈছিল। অৱশ্যে দেওবাৰ কেইটা ছুটিৰ দিন আছিল।

উচ্চ আণবিক ওজনৰ জৈৱযৌগৰ গৱেষণা অতি ব্যাপক। এনে ধৰণৰ জৈৱ যৌগসমূহক পলিছেকেৰাইড (ষ্টাৰ্চ, ছেলুল'জ আদি), প্ৰটিন, নিউক্লিক এছিড আৰু বহুযোগী (পলিমাৰ) আদি শ্ৰেণীভুক্ত কৰা হয়। ইয়াৰে বহুযোগীৰ ব্যৱহাৰ কম বেছি পৰিমাণে আজিকালি সকলোৱেই কৰিব লগা হয়। পলিমাৰসমূহক আমি প্লাষ্টিক বুলিয়েই জানো। আজিকালি প্লাষ্টিকৰ সা-সজুঁলি, আচবাব ব্যৱহাৰ নকৰাকৈ থকা সম্ভৱ নহয়। এতিয়াৰ যুগটোক প্লাষ্টিক যুগ বুলিব পাৰি। প্লাষ্টিকৰ খেল পথাৰতহে আজিকালি হকি খেল হয়। প্লাষ্টিকৰ ঘৰ, মটৰ গাড়ীৰ অংশ আদিও তৈয়াৰ কৰা হৈছে। প্লাষ্টিক বা বহুযোগীসমূহ অতি সৰল যৌগৰ পৰা বহুযোগীকৰণ প্ৰথাৰে প্ৰস্তুত কৰা হয়। ইথিলিনৰ পৰা পলিথিলিন (পলিথিন), ষ্টাইৰিনৰ পৰা পলিষ্টাইৰিন, ভিনাইল ক্লৰাইডৰ পৰা পলিভিনাইল ক্ল'ৰাইড আদি প্লাষ্টিক প্ৰস্তুত কৰা হয়। প্লাষ্টিক তৈয়াৰীৰ কাৰণে নতুন নতুন কেচা মাল গৱেষণাৰ ফলত ওলাই আছে। নাইলন, ডেক্ৰন, পলিষ্টাৰ আদি আমি সঘনাই ব্যৱহাৰ কৰা কৃত্ৰিম আঁহসমূহো বহুযোগী। আজিকালি উনৰ সলনি গৰম কাপোৰ, ছুৱেটাৰ আদিও প্লাষ্টিকৰ পৰাই তৈয়াৰ কৰা হয়। সাধাৰণতে পেট্ৰ'ৰাসায়নিক উদ্যোগচক্ৰবিলাকত প্লাষ্টিক তৈয়াৰীৰ সস্তীয়া কেঁচামাল অৰ্থাৎ আৰম্ভণি-যোগ পোৱা যায়। ইয়াৰ বাহিৰেও পণ্য সংশ্লেষণৰ দ্বাৰাও প্লাষ্টিক তৈয়াৰ কৰা হয়।

আলোচনা চক্ৰত আলোচিত বিষয়-সমূহ বিশেষজ্ঞই বুজিবপৰা ধৰণৰহে। এই বিলাকৰ প্ৰয়োগহে জনসাধাৰণে দেখা পায়। গৱেষণাৰ ফলত প্ৰতি-দিনেই উন্নতমানৰ আৰু নতুন নতুন কামত লগা বিশেষ গুণবিশিষ্ট প্লাষ্টিক তৈয়াৰ কৰা সম্ভৱ হৈছে।

আলোচনা চক্ৰৰ লগত সংগতি নথকা দুটা বিষয়ো এই আলোচনাত অন্তৰ্ভুক্ত কৰা হৈছিল। এই বিষয় দুটা আছিল: (ক) ৰুছভাষাক বিদেশী ভাষা হিচাপে শিকোৱাৰ সমসাময়িক সমস্যা, আৰু (খ) আধুনিক জীৱনত সাহিত্য আৰু যাত্ৰাভিনয়ৰ প্ৰভাৱ। এই বিষয় দুটাৰ অন্তৰ্ভুক্ত আমাৰ সকলোৰে সমালোচনাৰ বিষয় হৈ পৰিছিল আৰু বেছিভাগেই এই সময়ত বক্তৃতামঞ্চৰ পৰা ওলাই গৈছিল। বিজ্ঞানৰ গৱেষক, শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীৰ কাৰণেও মাৰ্ক্সীয় দৰ্শনৰ অধ্যয়ন ছোভিয়েট ৰাছিয়াত অপৰিহাৰ্য বুলি গণ্য কৰা হয়। বিদেশী ছাত্ৰ-ছাত্ৰীয়ে এইবিলাক বিষয়ত আগ্ৰহ নেদেখুৱালেও ৰুছ ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক-গৱেষকে এইবিলাকত ভাগ লয়। মই আগৰবাৰো এনে আলোচনা বিলাকত ভাগ লোৱাৰ প্ৰয়োজন বোধ কৰা নাছিলো কিন্তু বিভাগৰ সকলো ৰুছশিক্ষক এই বিলাকলৈ গৈছিল। বোধহয় কৰ্ম-কৰ্তা সকলৰো এনে বিষয় অন্তৰ্ভুক্ত নকৰিবলৈ কোৱাৰ অধিকাৰ নাই। আমাক এজন শিক্ষকে কৈছিল—আমাৰ দেশত ব্যক্তিৰ কাৰণে কি ভাল বা কি বেয়া সেইটো দেশেহে চিন্তা কৰে। আমি কেৱল তাক মানি চলাটোৱেই নিয়ম। এনে ধৰণৰ মতামত আগতে মুকলিভাৱে ব্যক্ত কৰা শুনা নাছিলো। এগৰাকী কাৰিকৰী কৌশলৰ টেকনলিজিষ্ট লগ পাইছিলো। তেখেতৰ উদ্ভাৱিত প্ৰথাৰ ভিত্তিত ছোভিয়েট ৰাছিয়াৰ বাহিৰতো উদ্যোগ স্থাপিত হৈছে। তেখেতে কৈছিল,— "মোৰ গৱেষণাৰ ফলত বিদেশতো অৰ্থনৈতিক প্ৰগতি হৈছে; কিন্তু মই এই চোলাটো কিনিবলৈও ভাবিব লাগে।" পিন্ধি থকা পাতল চোলাটোলৈ আঙুলিয়াই তেওঁ এই মন্তব্য কৰিছিল। এনে মতামতৰ কিবামূল্য ছোভিয়েট ৰাছিয়াত আছেনে নাই নাজানো। কিন্তু আগেয়ে এনে ধৰণৰ মতামত প্ৰকাশ কৰিবলৈ কোনেও সাহস নকৰিছিল।

এনে ধৰণৰ বাধ্যবাধকতা থকাৰ বাবেই ছোভিয়েট ৰাছিয়াও মদ নিবাৰণী অভিযানত অভূতপূৰ্ব কৃতকাৰ্যতা দেখিবলৈ পোৱা গৈছে। ছোভিয়েট কৰ্মীৰ সৰহ সংখ্যকেই মদ বহুলভাৱে ব্যৱহাৰ কৰাৰ ফলত উদ্যোগবিলাকত কৰ্মীৰ অনুপস্থিতিৰ হাৰ লক্ষ্য কৰি কিছুদিনৰ আগতে মদ খোৱা নিয়ন্ত্ৰণ কৰাৰ ব্যাপক ব্যৱস্থা হাতত লোৱা হয়। সেই অনুসৰি পুৱাবেলা মদ বিক্ৰি সম্পূৰ্ণ বন্ধ কৰা হয়। কেৱল আবেলি দুই বজাৰ পৰাহে মদ বিক্ৰি কৰিবলৈ দিয়া হয়। সমগ্ৰ ছোভিয়েট ৰাছিয়াতে এক পঞ্চ-মাংশ মদৰ দোকান উঠাই দিয়া হয়। ছোভিয়েট-বাসীয়ে কোটিকলীয়া এই অভ্যাসৰ ওপৰত কৰা বাধা নিষেধো নিৰৱে মানি লৈছে। মই, ড° দীনেশ গোৱেল আৰু হাংগেৰিৰ ড° মিছ'ল' তিনিও এদিন দেওবাৰে মস্কোৰ ইন-টুৰিষ্ট হোটেলত দুপৰীয়াৰ আহাৰ খাবলৈ গৈছিলো। আমাৰ হাংগে-ৰিয়ান বন্ধুৰ আকৌ ৰাতিপুৱা উঠিয়েই এবটল ভডকা খাই লৈহে মুখ ধোৱাৰ অভ্যাস। দুপৰীয়াৰ আহাৰৰ লগত মদ নথকা তেওঁৰ ধাৰণাৰ অতীত। তেওঁ গৈ বাৰে বাৰে মদৰ কাৰণে বিক্ৰিদাৰক তাগাদা দিবলৈ ধৰিলে। কিন্তু দুই বজালৈ তেওঁৰ অনুৰোধ প্ৰত্যাখান কৰা হ'ল। দুই বাজিবলৈ পাঁচ মিনিট থাকোঁতে ভডকাৰ বটল খোলা হ'ল যদিও ঠিক দুই বজাৰ লগে লগেহে তেওঁক গিলাছত ঢালি দিয়া হ'ল। নিয়মৰ প্ৰতি এনে আস্থা থকাৰ বাবেই মদ-নিয়ন্ত্ৰণত কৃতকাৰ্যতা লাভ কৰা ৰাছিয়াত সম্ভৱ হ'ব।

মেণ্ডেলিভ ইনষ্টিটিউট ছোভিয়েট ৰাছিয়াৰ প্ৰখ্যাত ৰাসায়নিক কাৰিকৰী শিক্ষানুষ্ঠান। এই ইনষ্টিউটত ৰসায়ন সংক্ৰান্ত কাৰিকৰী বিজ্ঞানৰ বিভিন্ন দিশত শিক্ষা দান কৰা হয়। ৰাসায়-নিক উদ্যোগ প্ৰতিষ্ঠা কৰাৰ যাবতীয় কাৰিকৰী কৌশল ইয়াতেই উদ্ভাৱন কৰা হয়। এই ইনষ্টিটিউটত ছ হাজাৰ ছাত্ৰ-ছাত্ৰীয়ে অধ্যয়ন কৰে। ৰাসা-য়নিক উদ্যোগত প্ৰয়োজনীয় অৰ্হতা-সম্পন্ন লোক এই প্ৰতিষ্ঠানে যোগান ধৰে। পাঁচ বছৰীয়া পাঠ্যক্ৰমৰ অন্তত ডিপ্লমা দিয়া হয়। ছোভিয়েট ৰাছিয়াত গৱেষণাৰ প্ৰয়োগ লগে লগেই কাৰ্যকৰী কৰিবলৈ প্ৰয়োজনীয় উদ্যোগ-গঢ়ি তোলা হয়। আমাৰ দেশত গৱেষণাৰ লগত উদ্যোগৰ যোগাযোগ নাই বুলিলেই হয়। আমি উদ্যোগ প্ৰতিষ্ঠা কৰিবৰ কাৰণে বিদেশৰপৰা কাৰিকৰী কৌশল লৈ সৰহ ধন বিদেশলৈ পঠিয়াওঁ। আমাৰ গৱেষণাগাৰসমূহত হোৱা গৱেষণাৰ সফল প্ৰয়োগ নোহোৱাত আমি সদায় পৰনিৰ্ভৰশীল হৈ থাকিব লগা হৈছে। গৱেষণাও সেই কাৰণে উচ্চ পৰ্যায়লৈ নোযোৱা হৈছে। ষষ্ঠ পঞ্চবাৰ্ষিক পৰিকল্পনাত নতুন দিশত গৱেষণা কৰিবলৈ আৰ্থিক অনুদানৰ ব্যৱস্থা কৰা সত্ত্বেও আমি বিশেষ সফল হব পৰা নাই। উদ্যোগৰ লগত সম্পৰ্ক নহলে আমাৰ সম্পূৰ্ণ নিজস্ব উদ্যোগ গঢ়ি উঠাৰ সম্ভাৱনা নাই। অথচ যি যি ক্ষেত্ৰত এনে প্ৰচেষ্টা লোৱা হৈছে তাত কৃতকাৰ্য হোৱা দেখা গৈছে। প্ৰধান মন্ত্ৰী তথা দেশৰ কৰ্ণধাৰসকলে আমি একবিংশ শতিকাও খোজ মিলাবলৈ কি ব্যৱস্থা কৰিব লাগিব সেই বিষয়ে সঘনাই আলোচনা কৰিছে। ভাৰতীয় প্ৰখ্যাত বিজ্ঞানীসকলৰপৰা কি কি বিষয়ত গৱেষণাত গুৰুত্ব দিয়া উচিত সেইবোৰ বিষয়ে পৰামৰ্শ বিচাৰিছে। দেশত এক নতুন আৰু যুগোপযোগী শিক্ষাব্যৱস্থা প্ৰবৰ্তন কৰিবলৈ শিক্ষাবিদ, অভিভাৱক, ছাত্ৰ. নাগৰিক সকলোৰে পৰামৰ্শ বিচাৰিছে "শিক্ষাৰ প্ৰত্যাহ্বান" নামে এখন পুথিত শিক্ষা মন্ত্ৰালয়ে আমাৰ বৰ্তমানলৈকে লোৱা শিক্ষা ব্যৱস্থাৰ সকলো দিশ ফহিয়াই দেখুৱাবলৈ চেষ্টা কৰিছে এই পুথি প্ৰচাৰ কৰি জনসাধাৰণক ইয়াৰ ভিত্তিত পৰামৰ্শ আগবঢ়াবলৈ আহ্বান জনাইছে। স্বাধীন ভাৰতত এনে ব্যৱস্থা প্ৰথম আগেয়ে মুষ্টিমেয় শিক্ষাবিদৰ চিন্তাধাৰাকে ওপৰৰপৰা জাপি দিয়া হৈছিল।

কিন্তু আমি এতিয়া এনে এটা পদ্ধতি গঢ়ি তুলিছোঁ য'ত এনে গঠনমূলক কাৰ্যপ্ৰণালী কাগজ কলম আৰু মুখৰোচক পৰ্যায়ৰপৰা প্ৰকৃতাৰ্থত কাৰ্য-

২২ পৃষ্ঠাত চাওক

# আঞ্চলিক গাঁৱলীয়া বেংক আৰু অসম

ভুবন চন্দ্ৰ বৰা

১৯৮১ চনৰ প্ৰিয়লমতে ভাৰতৰ প্ৰায় শতকৰা ৭৬ ভাগ লোকেই বাস কৰে গাঁও অঞ্চলত। গাঁৱৰ সংখ্যাও হ'ল ৫,৭৫,৯৩৬। ৰাষ্ট্ৰীয়কৰণৰ প্ৰথম কেইবছৰতে ১৪টা ৰাষ্ট্ৰীয়কৃত বেংকে উন্নয়নৰ ক্ষেত্ৰত অভূতপূৰ্ব অগ্ৰগতি লাভ কৰিলেও চৰকাৰে উপ-লব্ধি কৰিলে যে বিশেষকৈ গ্ৰামাঞ্চলৰ চাহিদা পূৰণ কৰিবলৈ কেৱল ৰাষ্ট্ৰীয়-কৃত বেংক আৰু আগৰেপৰা থকা সমবায় অনুষ্ঠানবোৰেই যথেষ্ট নহয়।

সেয়েহে ১৯৭৩ চনৰ ১ জুলাইত ভাৰত চৰকাৰে শ্ৰী এম. নৰসিংহমৰ সভাপতিত্বত এটা কাৰ্যকৰী থূল (working group) নিয়োগ কৰে। গাঁৱলীয়া ৰাইজৰ ক্ৰমবৰ্ধমান ঋণৰ চাহিদাৰ পৰিপ্ৰেক্ষিতত ৰাজহুৱা খণ্ডৰ (public sector) বেংকৰ অনুবৰ্তী (subsidiary) এটা নতুন ধৰণৰ গাঁৱ-লীয়া বেংক স্থাপনৰ সাৰ্থকতা আছেনে —এইটোৱেই আছিল কাৰ্যকৰী থূল-টোৰ মূল বিচাৰ্য বিষয়। ১৯৭৫ চনৰ ৩০ জুলাইত এই থূলটোৱে তেওঁলোকৰ প্ৰতিবেদন দাখিল কৰে। এই প্ৰতি-বেদনত প্ৰতিপন্ন কৰা হ'ল যে আঞ্চলিক বৈষম্য আৰু আমাৰ এই বৈচিত্ৰপূৰ্ণ, বিশাল দেশত একোটা মাথোন আৰ্থিক অনুষ্ঠানে, তেহেলে সেইটো বাণিজ্যিক বেংকেই হওক বা সমবায়েই হওক, সকলোবোৰ অঞ্চলৰে ঋণ সৰবৰাহৰ দায়িত্ব সমাপন কৰাটো আশা কৰিব নোৱাৰি। ৰাষ্ট্ৰীয়কৃত ১৪টা প্ৰধান বাণিজ্যিক বেংক গ্ৰামাঞ্চলত শাখা-প্ৰসাৰণত যথেষ্ট আগ বাঢ়িলেও এই বেংকবোৰে সন্মুখীন হোৱা দুটা প্ৰধান প্ৰতিবন্ধকৰ কথা থূলটোৱে আঙুলিয়াই দিয়ে। সেই দুটা হ'ল (১) গাঁৱলীয়া বেংকবোৰৰ শাখাবোৰৰ কাৰণে আনু-পাতিক হিচাপে এই বেংকবোৰৰ খৰচ অধিক। (২) গাঁৱৰ পৰিবেশৰ লগত খাপখোৱা দৃষ্টিভংগীৰ অভাৱ। থূল-টোৱে সিদ্ধান্ত কৰে যে গ্ৰামাঞ্চলৰ ক্ৰমবৰ্ধমান চাহিদা পূৰণাৰ্থে এটা নতুন ধৰণৰ অনুষ্ঠানৰ প্ৰয়োজন। সেয়েহে অঞ্চলবিশেষক সামৰি চৰকাৰী তত্ত্বা-বধানত আৰু গাঁৱলীয়া পৰিবেশৰ লগত খাপ খোৱাকৈ "আঞ্চলিক গাঁৱ-লীয়া বেংক" (Regional Rural Bank) আখ্যাৰে এটা নতুন ধৰণৰ বাণিজ্যিক বেংক স্থাপন কৰিবলৈ তেওঁলোকে অনুমোদন জনায়। থূল-টোৱে আশা কৰে যে এই নতুন অনুষ্ঠানটোত বাণিজ্যিক বেংকৰ কৰ্ম-দক্ষতা আৰু সমবায়ে আহৰণ কৰা গ্ৰাম্য পৰিবেশ আৰু সমস্যাৰ সম্যক ধাৰণা — দুয়োটাৰে সংযোগ ঘটিব। থূলটোৰ এই অনুমোদনাৱলী গ্ৰহণ কৰি ভাৰত চৰকাৰে ১৯৭৫ চনৰ ২৬ ছেপ্টেম্বৰ তাৰিখে আঞ্চলিক গাঁৱলীয়া বেংক অধ্যাদেশ (Regional Rural Bank Ordinance) জাৰি কৰে। পাছত আঞ্চলিক গাঁৱলীয়া বেংক আইন, ১৯৭৬ (R. R. B. Act 1976) পাৰ্লিয়ামেণ্টত গৃহীত হোৱাত এই অধ্যাদেশখন আইনত পৰিণত হয়।

এই আইন অনুসৰি, বিশেষকৈ গ্ৰাম্য অৰ্থনীতি বিকাশৰ অৰ্থে, কোনো এটা নিৰ্দিষ্ট এলেকা সামৰি প্ৰত্যেকটো আঞ্চলিক গাঁৱলীয়া বেংকক বিশেষ বাণিজ্যিক বেংক এটাই আৰম্ভ (spon-sor) কৰি দিব। বেংকটোৰ অনুমোদিত মূলধন (authorised capital) হ'ব ১ কোটি টকা। কেন্দ্ৰীয় চৰকাৰে ৰিজাৰ্ভ বেংক আৰু উদ্যোক্তা বেংকৰ (sponsor bank) সৈতে আলোচনা কৰি অনুমোদিত মূলধনৰ পৰিমাণ ২৫ লাখ টকালৈকে কমাব পাৰে। মূলধনৰ আধা ভাৰত চৰকাৰে, শতকৰা ১৫ ভাগ ৰাজ্য চৰকাৰে আৰু শতকৰা ৩৫ ভাগ উদ্যোক্তা বেংকে আগবঢ়াব।

আমাৰ দেশৰ সকলো বেংকৰ ক্ষেত্ৰতে যিখন অধিনিয়ম প্ৰযোজ্য সেই বেংকিং ৰেগুলেশ্যন এক্টৰ (Banking Regulation Act 1949) ষষ্ঠ অনুচ্ছেদত (section 6) থকা বেংকৰ স্বাভাৱিক কামকাজ সকলোবোৰেই এই আঞ্চলিক বেংকবোৰে কৰিব পাৰে। এই বেংকবোৰকো ৰিজাৰ্ভ বেংক অৱ ইণ্ডিয়াই অনুসূচীভুক্ত (scheduled) বেংকৰ মৰ্যাদা দিছে। এই বেংকবোৰক আয়কৰৰ পৰাও ৰেহাই দিয়া হৈছে। ৰিজাৰ্ভ বেংক অৱ ইণ্ডিয়াৰ নিৰ্দেশানুযায়ীয়েই এই বেংকবোৰৰ ছেভিংছ আৰু তিনি বছৰতকৈ কম ম্যাদী জমা (fixed deposit) একাউণ্টত শতকৰা ০.৫০ পইচা অধিক সুত দিয়াৰো ব্যৱস্থা আছে।

আঞ্চলিক গাঁৱলীয়া বেংকবোৰে নিজৰ মুঠ আমানতৰ ধনতকৈ ঋণ আগবঢ়াবলৈকো সক্ষম, কিয়নো এই বেংকবোৰে জাতীয় কৃষি আৰু গ্ৰাম্যোন্নয়ন বেংক (National Bank of Agriculture & Rural Development) উদ্যোক্তা বেংক আৰু ভাৰতীয় শিল্পোন্নয়ন বেংকৰ (Industrial Development Bank of India) পৰা বিভিন্ন পৰ্যায়ৰ ঋণৰ কাৰণে, পুনঃ ঋণ (refinance) লোৱাৰ ব্যৱস্থা আছে। এই বেংকবোৰেও মুঠ জমা টকাৰ Demand and Time liability)ৰ কমেও শতকৰা ২৫ ভাগ লাগ বুলিলেই পোৱাকৈ (Statutory Liquidity Ratio) বেংকত জমা থব লাগে। তদুপৰি মুঠ জমা টকাৰ শতকৰা ৩ ভাগ ভাৰত ৰিজাৰ্ভ বেংক অৱ ইণ্ডিয়াৰ কাৰণে একাউণ্টত আছুতীয়া নগদ জমা (Cash Reserve Ratio) স্বৰূপে এই বেংকবোৰেও ৰাখিব লাগে। জনসাধাৰণৰ জমাধনৰ নিৰাপত্তা দিয়াৰ উদ্দেশ্যে এই বেংকবোৰেও ভাৰত চৰকাৰৰ Deposit Insurance and Credit Guarantee Corporationত গ্ৰাহকসকলৰ প্ৰত্যেকটো জমা একাউণ্টৰেই বীমা কৰি থয়।



তালিকা ১

দেশৰ আঞ্চলিক গাঁৱলীয়া বেংকৰ অগ্ৰগতি

(টকাৰ পৰিমাণ লাখৰ হিচাপত)

| বছৰ আৰু মহ | আঞ্চলিক গাঁৱলীয়া বেংকৰ সংখ্যা | বেংকে সামৰা জিলাৰ সংখ্যা | বেংকৰ শাখাৰ সংখ্যা | জমাধনৰ পৰিমাণ | অপ্ৰাপ্ত (outstanding) ঋণৰ পৰিমাণ | ঋণ জমাৰ শতাংশ অনুপাত | প্ৰত্যেক বেংকৰ গড় হিচাপে জমাধন | প্ৰত্যেক বেংকৰ গড় হিচাপে অপ্ৰাপ্ত ঋণৰ পৰিমাণ | প্ৰত্যেক বেংক-শাখাৰ গড় হিচাপে জমাধন | প্ৰত্যেক বেংক-শাখাৰ গড় হিচাপে ঋণৰ পৰিমাণ |
|---|---|---|---|---|---|---|---|---|---|---|
| ডিছেম্বৰ ১৯৮০ | ৮৫ | ১৪৪ | ৩২৭৯ | ১৯৯৮৩ | ২৪৩৩৮ | ১২২ | ২৩৫.০৯ | ২৮৬.৩৩ | ৬.০৯ | ৭.৪২ |
| ডিছেম্বৰ ১৯৮১ | ১০৭ | ১৮২ | ৪৭৯৫ | ৩৩৬০০ | ৪০৬৫৯ | ১২১ | ৩১৪.০২ | ৩৭৯.৯৯ | ৭.০১ | ৮.৪৮ |
| ডিছেম্বৰ ১৯৮২ | ১২৪ | ২১৪ | ৬১৯১ | ৫০২২৬ | ৫৭৭৫১ | ১১৫ | ৪০৫.০৫ | ৪৬৫.৭১ | ৮.১১ | ৯.৩২ |
| ডিছেম্বৰ ১৯৮৩ | ১৫০ | ২৬৫ | ৭৭৯৫ | ৬৭৭৮৫ | ৭৫০৮৪ | ১১১ | ৪৫১.৯০ | ৫০০.৫৬ | ৮.৭০ | ৯.৬৩ |
| ডিছেম্বৰ ১৯৮৪ | ১৭৩ | ৩০৭ | ১০২৪৫ | ৯৫৯৯৫ | ১০৮০৭৭ | ১১৩ | ৫৫৪.৮৮ | ৬২৪.৭২ | ৯.৩৭ | ১০.৫৫ |

তালিকা-২

অসমত আঞ্চলিক গাঁৱলীয়া বেংকৰ অগ্ৰগতি (১৯৮৪ চনৰ ২৮ ডিছেম্বৰত লোৱা হিচাপ মতে)

(টকাৰ পৰিমাণ লাখৰ হিচাপত)

| আঞ্চলিক গাঁৱলীয়া বেংকৰ নাম | স্থাপন কৰা তাৰিখ | স্থাপন কৰোঁতে সামৰা জিলাৰ সংখ্যা | শাখাৰ সংখ্যা | জমাধন: একাউণ্টৰ সংখ্যা | জমাধন: টকাৰ পৰিমাণ | অপ্ৰাপ্ত (outstanding) ঋণৰ পৰিমাণ: একাউণ্টৰ সংখ্যা | অপ্ৰাপ্ত (outstanding) ঋণৰ পৰিমাণ: টকাৰ পৰিমাণ | ঋণ-জমাৰ শতাংশ অনুপাত | উদ্যোক্তা বেংকৰ নাম |
|---|---|---|---|---|---|---|---|---|---|
| প্ৰাগজ্যোতিষ গাঁৱলীয়া বেংক | ০৬-০৭-৭৬ | ৩ | ৯৪ | ২৩১৩৫৯ | ১৬৮২.০৭ | ৩৭৯৯১ | ৮৫৬.০১ | ৫১ | ইউনাইটেড বেংক অৱ ইণ্ডিয়া |
| লখিমী গাঁৱলীয়া বেংক | ২৯-০৭-৮০ | ২ | ৫৬ | ৬৩৩৪৬ | ৩৯৬.৫৪ | ১৫৩৪৪ | ৩৪৯.৪৬ | ৮৮ | ইউনাইটেড বেংক অৱ ইণ্ডিয়া |
| কাছাৰ গ্ৰামীণ বেংক | ৩১-০৩-৮১ | [illegible] | ২০ | ১৬৯২৩ | ১১৩.৮২ | ৪৪২৩ | ৯৭.৬৩ | ৮৬ | ইউনাইটেড বেংক অৱ ইণ্ডিয়া |
| লাংপি দেহাংগি ৰুৰেল বেংক | ২৭-০১-৮২ | [illegible] | ৩৫ | ১৩২২৬ | ১১৫.০০ | ৬৫০৬ | ৯১.৪০ | ৭৯ | ষ্টেট বেংক অৱ ইণ্ডিয়া |
| সোৱণশিৰী গাঁৱলীয়া বেংক | ৩১-০৩-৮২ | [illegible] | ১৮ | ৯৩৮৯ | ৫৩.৫০ | ৬৬২ | ৩০.৬৯ | ৩৯ | ইউনাইটেড বেংক অৱ ইণ্ডিয়া |

উৎস : Statistics on Regional Rural Banks, December 1984, প্ৰকাশক : National Bank For Agriculture And Rural Development, Institutional Development Department (Regional Rural Banks Division) Bombay.

### আৰম্ভণি আৰু অগ্ৰগতিঃ

১৯৭৫ চনৰ ২ অক্টোবৰত পাঁচোটা বেংকেৰে আৰম্ভ কৰাৰ পাছত ১৯৮৪ চনৰ ৩১ ডিছেম্বৰলৈকে ভাৰতৰ বিভিন্ন ঠাইত ১৭৩ টা আঞ্চলিক গাঁৱলীয়া বেংক স্থাপন কৰা হৈছে। দেশৰ ২৩ খন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ ৩০৭ খন জিলাত স্থাপন কৰা এই ১৭৩ টা বেংকৰ শাখাৰ সংখ্যা ১০,২৪৫। এই শাখাবোৰৰ মুঠ জমাধন আৰু ঋণৰ পৰিমাণ একে তাৰিখতে লোৱা হিচাপ মতে হ'ল যথাক্ৰমে ৯৫৯ কোটি ৯৫ লক্ষ ৪৪ হাজাৰ টকা আৰু ১,০৮০ কোটি ৭৭ লক্ষ ১৬ হাজাৰ টকা। সৰ্বভাৰতীয় পৰ্যায়ত ঋণ জমাধনৰ অনুপাত ১১৩ শতাংশ (তালিকা-১)।

**অসমত আঞ্চলিক গাঁৱলীয়া বেংক**

অসমত এতিয়ালৈকে ৫ টা আঞ্চলিক গাঁৱলীয়া বেংক স্থাপিত হৈছে। সেইকেইটা হ'ল :(১) প্ৰাগজ্যোতিষ গাঁৱলীয়া বেংক (২) লখিমী গাঁৱলীয়া বেংক। (৩) কাছাৰ গ্ৰামীণ বেংক (৪) লাংপি দেহাংগি ৰুৰেল বেংক। আৰু (৫) সোৱনশিৰি গাঁৱলীয়া বেংক।

এই বেংকবোৰে ১৯৮৪ চনৰ ডিছেম্বৰ মাহলৈকে ২২৩ টা শাখা খুলি অসমৰ গাঁৱে-ভূঁয়ে বেংকিংসেৱা বিস্তৃত কৰিছে। তথাপি বিশেষকৈ জমা অনুপাতে ঋণ আগবঢ়োৱাৰ ক্ষেত্ৰত এই বেংক সমূহ এতিয়াও সৰ্বভাৰতীয় নিৰিখতকৈ বহুত পিছ পৰি আছে (তালিকা ২)। অৱশ্যে সকলো দিশতে এই বেংকসমূহৰ ক্ৰমবৰ্ধমান অগ্ৰগতি অতিশয় আশাব্যঞ্জক। আশা কৰিব পাৰি যে অদূৰ ভৱিষ্যতে গাঁৱলীয়া বেংকবোৰে অসমৰ অৰ্থনৈতিক প্ৰগতিত এক বিশিষ্ট ভূমিকা গ্ৰহণ কৰিব।

---

১৯ পৃষ্ঠাৰ পিছৰ পৰা

কৰী কৰা স্তৰ নাপায়গৈ। আমি মস্কোত থাকোঁতে ভাৰতীয় গৱেষণা বিকাশ নিগমে (N.R.D.C.) মস্কোৰ 'প্ৰগতি মৈদানত' পতা বিজ্ঞান আৰু প্ৰয়োগবিজ্ঞানৰ প্ৰদৰ্শনীত হোৱা অভিজ্ঞতাই আমাক বৰ উৎসাহিত নকৰিলে। মস্কোৰ প্ৰগতি মৈদানত ভাৰতীয় গৱেষণা আৰু ঔদ্যোগিক বিকাশ পৰিষদৰ (C.S.I.R.) যুটীয়া উদ্যোগত ভাৰতৰ বিজ্ঞান আৰু প্ৰযুক্তি বিজ্ঞানৰ এখন প্ৰদৰ্শনীৰ আয়োজন কৰা হৈছিল। ছেপ্টেম্বৰৰ ২১ তাৰিখলৈ এই প্ৰদৰ্শনী খোলা আছিল। জনামতে এই প্ৰদৰ্শনীৰ কাৰণে ভাৰতে পাঁচ কোটি টকা খৰচ কৰিছে। এই প্ৰদৰ্শনীত ভাৰতৰ বৈজ্ঞানিক গৱেষণা আৰু প্ৰযুক্তি বিজ্ঞানৰ এটা সম্যক ধাৰণা দিবলৈ চেষ্টা কৰা হৈছিল। প্ৰদৰ্শনীখনত অৱশ্যে বিজ্ঞানীতকৈ বিষয়াসকলৰ আধিপত্যহে অধিক লক্ষ্য কৰিছিলো। সেই প্ৰদৰ্শনীত ভাগ লবলৈ যোৱা ভাৰতীয় বিজ্ঞানীসকলেও ইয়াত অসন্তুষ্টি প্ৰকাশ কৰিছিল। মই ২০ আৰু ২১ ছেপ্টেম্বৰত এই প্ৰদৰ্শনীলৈ গৈছিলো। ২০ ছেপ্টেম্বৰত আমাক ইনষ্টিটিউটৰপৰা লৈ যোৱা হৈছিল। ২১ তাৰিখে দেওবাৰ কাৰণে ৰাতিপুৱাই তালৈ গৈ গোটেই দিন তাতে কটাইছিলো। সেইদিনা ছোভিয়েট ৰাছিয়াৰ দুজন মন্ত্ৰী সেই প্ৰদৰ্শনী চাবলৈ আহিছিল। মন্ত্ৰী দুজন অহা বুলি কোৱাতহে গম পাইছিলো। কাৰণ আমাৰ দেশৰ দৰে পুলিছ পহৰা প্ৰতিৰক্ষাৰ মাজত তেখেতসকল অহা নাছিল। মন্ত্ৰীসকলক প্ৰদৰ্শনীৰ বিভিন্ন ষ্টল দেখুৱাই বুজাই দিয়াত বিশেষজ্ঞ সকলতকৈও বিষয়াসকলেহে আগভাগ লোৱা দেখা গৈছিল। ইয়াৰ কাৰণে অভিজ্ঞ মন্ত্ৰীৰ প্ৰশ্নত বিষয়াসকল থতমত খোৱাও দেখা পাইছিলো। বিষয়াৰ এনে প্ৰাধান্যই বিজ্ঞানীসকলক গতানুগতিক ভাৱে কাম কৰাত আবদ্ধ কৰি ৰাখিছিল। তেওঁলোকৰ প্ৰদৰ্শনীৰ কৃতকাৰ্যতাত বিশেষ উদ্যম দেখা নাপালো। প্ৰদৰ্শনীলৈ খুব বেছি দৰ্শক অহা নাছিল। সম্ভৱ খুব বেছি প্ৰচাৰো হোৱা নাছিল। যি দুই এজন অনিসন্ধিৎসু দৰ্শক আহিছিল তেওঁলোককো সহাৰি দিওঁতা কম আছিল। সেইদিনা অহা ৰুছলোকক ভাৰতৰ 'যন্তৰ মন্তৰ'ৰ আৰ্হিটোৱে বেছি আকৰ্ষিত কৰিছিল। সেইখিনি চাই বহুতে টোকা লোৱা দেখিছিলো। এগৰাকী ৰুছ মহিলাই আণবিক শক্তি ষ্টলত প্ৰশ্ন কৰিছিল— আপোনালোকৰ ভূ তাপ শক্তি গৱেষণা সম্পৰ্কে মই জানিব খোজোঁ। কিন্তু তাত থকা কোনেও এই সম্পৰ্কে কোৱা প্ৰয়োজন বোধ নকৰিলে। প্ৰদৰ্শনীত থকা সকলো ষ্টলতে একে অৱস্থা নহলেও বিজ্ঞানীৰ নিৰ্লিপ্ততা বৰ সুখদায়ক হোৱা নাছিল। প্ৰকৃত বিজ্ঞানসেৱী আৰু প্ৰশাসনৰ মেৰ পাকত আবদ্ধ নোহোৱা গৱেষকসকলে সুবিধা নাপালে বিজ্ঞানৰ গৱেষণাৰ সামগ্ৰিক সফলতাত ভাৰতত বিশেষ পৰিবৰ্তন আশা কৰিব নোৱাৰি।

মেণ্ডেলিভ ইনষ্টিটিউটত অনুষ্ঠিত আলোচনা চক্ৰত প্লাষ্টিকৰ গৱেষণাৰ গুৰুত্বপূৰ্ণ দিশ কিছুমান দাঙি ধৰা হৈছিল। আমাক এদিন মস্কোৰ এটা প্লাষ্টিক উদ্যোগলৈও নিয়া হৈছিল। এই উদ্যোগ প্ৰতিষ্ঠানৰ নাম 'প্লাষ্টনিক'। এই উদ্যোগত ঘাইকৈ পলিথিনৰে তৈয়াৰী বিভিন্ন ব্যৱহাৰিক সামগ্ৰী, পাইপ্ আদি তৈয়াৰ কৰা হয়। এই উদ্যোগৰ বিশেষ আকৰ্ষণ ইয়াৰ গৱেষণা বিভাগ। এই বিভাগত প্লাষ্টিক উদ্যোগৰ বিভিন্ন সমস্যা লৈ আৰু ন-ন কৌশল উদ্ভাৱন সম্পৰ্কে গৱেষণা কৰা হয়। অন্যান্য দেশৰ প্লাষ্টিক উদ্যোগৰ সমস্যা সম্পৰ্কেও ইয়াত গৱেষণা কৰি দিহা পৰামৰ্শ দিয়া হয়। এই গৱেষণাগাৰৰ অধ্যক্ষ ড° মিখাইল লাডাভিয়েৰিছ ফ্ৰিডমেন এজন পৃথিৱী বিখ্যাত প্লাষ্টিক গৱেষণাকাৰী। তেখেতে এই প্ৰতিষ্ঠানত ব্যৱহাৰ কৰা সৰ্বাধুনিক যন্ত্ৰপাতি আৰু গৱেষণা সম্পৰ্কে খৰচি মাৰি বুজাইছিল। উদ্যোগ আৰু গৱেষণাৰ এনে সমন্বয়ৰ ফলতে উন্নত দেশত তৈয়াৰী বস্তুৰ-মান দিনে দিনে উন্নত হৈ পৰে।



# সংযুক্ত সংখ্যালঘু মৰ্চাৰ ৰাজনীতি আৰু "সংখ্যালঘু"ৰ সমস্যা

পৰাগ কুমাৰ দাস

"সংযুক্ত সংখ্যালঘু মৰ্চাই বিশ্বাস কৰে যে জাতিগত, ধৰ্মীয় বা ভাষাগত,— কোনো দিশৰ পৰাই কোনো সম্প্ৰদায় অসমত পৰম (absolute) সংখ্যাগৰিষ্ঠ নহয়। কিন্তু অসমত এটা প্ৰভাৱশালী সংখ্যালঘু সমষ্টিৰ নেতাসকলৰ আক্ৰমণাত্মক (aggressive), উৎকট স্বদেশভক্তি সম্পন্ন (chauvinist) ভাগটোৱে, নিজৰ সাম্প্ৰদায়িকতাপূৰ্ণ (sectarian) উদ্দেশ্য পূৰণৰ বাবে সময়ে-সময়ে কুফলদায়ক ধ্বনি (mischievous slogans) তুলি, মানুহক ঐক্যহানিকৰ আৰু অপ্ৰয়োজনীয় দ্বন্দ্বৰ মাজলৈ বিপথে পৰিচালিত কৰি, ৰাজ্যৰ শাসন ক্ষমতা দখল আৰু আয়ত্তত ৰাখিবলৈ মৰোঁ-জীওঁ-সো আধিকৈ (desperately) চেষ্টা কৰিছে।...... এওঁলোকৰ খেলৰ স্বৰূপ উদঙাই দিয়াৰ, আৰু এওঁলোকৰ পৰা নেতৃত্ব কাঢ়ি অনাৰ সময় উপস্থিত হৈছে; —যাতে সকলোৱে কাৰণে শান্তি আৰু উন্নতি অৰ্জন কৰিব পাৰি।"

—সংযুক্ত সংখ্যালঘু মৰ্চাৰ নিৰ্বাচনী ইস্তাহাৰ, পৃষ্ঠা ১।

অসমীয়া মানুহৰ অৱচেতন মনত আজি ইমান দিন ধৰি এক শংকাৰ ভাবে খেলা কৰি আহিছিল; সেই শংকাৰ ভাবটো হ'ল,— সম্পূৰ্ণৰূপে ভাষাৰ ভিত্তিত স্থাপিত হোৱা ৰাজ্যখনতো আনকি এদিন তেওঁলোকৰ অস্তিত্ব অস্বীকাৰ কৰাৰ চক্ৰান্ত চলিব পাৰে; —সেই শংকাৰ ভাবটোকে আজি স্পষ্টভাৱে উদঙাই দি, পোন প্ৰথম বাৰৰ বাবে অসমৰ মাটিত, অসমীয়াৰ বিৰুদ্ধে ৰাজনৈতিক দল এটা ৰাজনৈতিক সংগ্ৰামত অৱতীৰ্ণ হৈছে। অসমৰ মাটিত, অসমীয়াৰ বিৰুদ্ধে সংঘবদ্ধ চক্ৰান্ত আগতেও কেইবাবাৰো চলিছে; কিন্তু দুটা স্পষ্ট ধাৰাই এইবাৰৰ চক্ৰান্তটোক এটা সম্পূৰ্ণ বেলেগ ৰূপ দিছে। এইবাৰেই পোন প্ৰথমবাৰৰ বাবে অসমীয়া মানুহক এঘৰীয়া কৰিবলৈ ৰাজনৈতিক চেলেঞ্জ দিয়াৰ প্ৰচেষ্টা চলিছে; আৰু তাতোকৈ ডাঙৰ কথা, ৰাজনীতিক লৈ ব্যৱসায় কৰা কাছাৰ আৰু ব্ৰহ্মপুত্ৰ উপত্যকাৰ ৰাজনৈতিক ব্যৱসায়ী কেইজনমানে এইবাৰ ব্যক্তিগত ৰাজনৈতিক লাভৰ নিমিত্তেই অসমীয়া জাতি গঠন প্ৰক্ৰিয়াটোত আঘাত হানিবলৈকো আনকি সাহস কৰিছে। কাছাৰ উপত্যকাত আজি ইমান দিন ধৰি যি সাম্প্ৰদায়িক ৰাজনীতি চলি আহিছে, তাক আজি সংখ্যালঘুৰ ৰাজনীতিৰ নামত ব্ৰহ্মপুত্ৰ উপত্যকালৈ আমদানি কৰাৰ প্ৰচেষ্টা চলিছে, ধৰ্ম নিৰপেক্ষ অসমীয়া জাতিটোৰ মাজত বিভেদ আনিবলৈ প্ৰয়াস কৰা হৈছে। হাড়ে-হিমজুৱে অসমীয়া হৈ যোৱা যিসকলক আমি 'ন-অসমীয়া' বুলিকওঁ, সেই অসমীয়া মুছলমান মানুহখিনিক আজি নিজস্ব বেলেগ এটা পৰিচয় দিয়াবৰ প্ৰচেষ্টা চলিছে। অকল সেয়ে নহয়, সংখ্যালঘুৰ নামত, অসমৰ আদিবাসী, অসমীয়া জাতিৰ মেৰুদণ্ড স্বৰূপ বড়ো ভাইজনক, কেইবা পুৰুষো ধৰি অসমীয়া বুলি পৰিচিত মুছলমানজনক আজি হঠাতে অবৈধ বাংলাদেশী এজনৰ সমপৰ্যায়লৈ নি কেইজনমান ৰাজনৈতিক ব্যৱসায়ীয়ে অসমত এক জঘন্য ৰাজনৈতিক ব্যৱসায় আৰম্ভ কৰিছে, যাক আৰম্ভণিতেই পুলিয়ে পোখাই উভালি নেপেলালে অচিৰেই গোটেই অসমীয়া জাতিটোৱেই খণ্ডবিখণ্ড হৈ যোৱাৰ সম্ভাৱনা।

যোৱা ৩৮ বছৰে দিল্লীৰ শাসকবৰ্গই অসমত বিভাজন আৰু শাসনৰ (divide and rule) যি ৰাজনীতি খেলিলে, সিয়েই দৰাচলতে অসমৰ জাতিগঠন প্ৰক্ৰিয়াটোক কিছু পৰিমাণে দুৰ্বল কৰি পেলালে। এইটো সঁচা কথা যে, পমুৱা অসমীয়া মুছলমানখিনি অৰ্থনৈতিক দিশত তুলনামূলকভাৱে কিছু পিছপৰা হোৱাৰ নিমিত্তেই শাসকদলে তেওঁলোকক কিছু অনুগ্ৰহৰ আশ্বাস দি ভোটবেংকৰ সৃষ্টি কৰি ৰাজনৈতিকভাৱে ইমান দিনে শোষণ কৰি আহিছিল। আৰু সেই শোষণ প্ৰক্ৰিয়াটোৱে উপজাত দ্ৰব্য (by product) হিচাপে ইমান দিন ধৰি আমাৰ মাজত কিছু ভুল বুজাবুজিৰ সৃষ্টি হৈ আহিছিল যাৰ প্ৰতিফলনো হয়তো যোৱা আন্দোলনটোৰ সময়তো কেইবাবাৰো দেখিবলৈ পাইছিলো। কিন্তু সেইবোৰ ভুল বুজাবুজি আছিল সম্পূৰ্ণ সাময়িক; —উভয় পক্ষয়েই লাহে লাহে এই কথাটো ভালদৰে উপলব্ধি কৰিছিল যে, কংগ্ৰেছী সংস্কৃতিৰ বিভাজন নীতিয়ে পুৰণি অসমীয়া জাতিটোক কেতিয়াও খণ্ড-

বিখণ্ড কৰি পেলাব নোৱাৰে। নতুন দিল্লীৰ দীৰ্ঘদিনীয়া বিভাজনৰ ৰাজনীতিৰ বিকল্প হিচাপে অসম গণ পৰিষদৰ জন্ম হোৱাৰ মুহূৰ্তত আমি সকলোৱে এইটো আশা কৰিছিলো যে এইবাৰলৈ নিশ্চয় অসমৰ জাতি গঠন প্ৰক্ৰিয়াটোক উলাই কৰি চলি অহা ৰাজনৈতিক শোষণ প্ৰক্ৰিয়াটোৰো ওৰ পৰিব। কিন্তু সেইটো নহ'লগৈ। ইমান দিন ধৰি কংগ্ৰেছ দলৰ কুশাসন আৰু শোষণৰ ফলস্বৰূপে তেওঁলোকৰ প্ৰচলিত ভোটবেংকসমূহো নিশ্চিহ্ন হৈ যোৱাৰ উপক্ৰম দেখিয়েই সেই ভোটবেংকসমূহৰ ওপৰতে ৰাজনৈতিক ব্যৱসায় কৰি থকা এটা চামে এইবাৰ মোট সলালে। ইমান দিনে শাসনত থাকিও নিজৰ মানুহখিনিৰ নিমিত্তে একোৱেই কৰিব নোৱৰা এই ৰাজনৈতিক ব্যৱসায়ী কেইজনে এইবাৰ আকৌ জাতি-ধৰ্মৰ নামত চক্ৰান্তমূলক খেল খেলি নিজকে সংখ্যালঘুৰ ত্ৰাণকৰ্তা হিচাপে মিছাকৈ পুনৰায় প্ৰতিষ্ঠা কৰিলে। যোৱা নিৰ্বাচনৰ সময়ছোৱাত গণ পৰিষদক কেন্দ্ৰ কৰি অসমত, ৰাজনৈতিক পৰিবৰ্তনৰ যি এক অভূতপূৰ্ব ঢৌ আহিল, পৰিকল্পিত চক্ৰান্তৰে এচাম অসমীয়াক সেই ঢৌৰ প্ৰভাবৰ পৰা বঞ্চিত কৰা হ'ল। উদাহৰণ স্বৰূপে আমি অসম বিধান সভাৰ ৯১ নং হোজাই সমষ্টিৰ কথাকে ক'ব পাৰোঁ। ন-অসমীয়া মুছলমান বসতিপ্ৰধান এই ঠাইখিনি সদায় 'অসমীয়া' অঞ্চল ৰূপেই খ্যাত; —ভাষা আন্দোলনৰ সময়ত এই ন-অসমীয়া খিনিয়ে নিজৰ বৰ্বীয়াকৈ আন্দোলন চলাইছিল, হোজাইৰ সবাতোকৈ পুৰণি স্কুলখনত এতিয়াও অসমীয়া চলে। কিন্তু, ৰাজনীতিৰ ক্ষেত্ৰত অসমৰ অইন ঠাইৰ দৰেই এওঁলোকেও শাসক দলৰ ভোটবেংক ৰূপেই কাৰ্য নিৰ্বাহ কৰি আহিছিল। অৰ্থাৎ, ভাষা-সংস্কৃতিৰ ক্ষেত্ৰত এওঁলোকৰ মেৰুপ্ৰৱণতা অসমীয়া হ'লেও ৰাজনীতিৰ ক্ষেত্ৰত অসচেতন এই মানুহখিনিক ইমান দিন ধৰি শাসকদলে ৰাজনৈতিকভাৱে পৃথক গোট হিচাপে স্বীকৃতি দি অপব্যৱহাৰ কৰি আহিছিল— যিটো সত্য অসমৰ প্ৰায় সকলো ঠাইতে দৰাচলতে প্ৰযোজ্য। কিন্তু যোৱাবেলি নিৰ্বাচনত গোটেই অসম জুৰি যি এক ৰাজনৈতিক সচেতনতাবোধৰ ঢৌ আহিল, যাক সম্বল কৰি অসমীয়া মানুহ নিজৰ স্বাধীনচিতীয়া ৰাজনৈতিক অধিকাৰ সাব্যস্ত কৰিবলৈ সক্ষম হ'ল, সেই ঢৌক হোজাইৰ ন-অসমীয়া মানুহখিনিৰ মাজত প্ৰতিফলিত হ'বলৈ দিয়া নহ'ল। অসম চুক্তিখনৰ নামত অপপ্ৰচাৰ চলাই, কোনোবা এজন মুছলমান প্ৰাৰ্থীয়ে গণ পৰিষদৰ টিকট নোপোৱা কথাটোকে বিকৃত ৰূপে ব্যাখ্যা কৰি মানুহখিনিৰ মাজত এনেকুৱা এটা ভয়ৰ ভাব সুমুৱাই দিয়া হ'ল যে, তেওঁলোকে আকৌ সেই মন্ত্ৰিত্বৰ আশাত দল বাগৰি থকা তথাকথিত ৰাজনীতিবিদ এজনকে পুনৰাই নিজৰ প্ৰতিনিধি হিচাপে নিৰ্বাচিত কৰি পঠিয়ালে; —মাত্ৰ নতুন বটলত পুৰণি মদৰ নিচিনাকৈ ইমান দিন ধৰি কংগ্ৰেছ, জনতা, কংগ্ৰেছ এইদৰে দল বাগৰি মন্ত্ৰী হৈ ৰাইজৰ সেৱা কৰি থকা ব্যক্তি গৰাকী এইবাৰ সংখ্যালঘুৰ ত্ৰাণকৰ্তা সংযুক্ত সংখ্যালঘু মৰ্চাৰ নেতা ৰূপে পৰিচিত হ'ল!

সংখ্যালঘু দৰাচলতে কোন? শ্ৰীগোলাম ওচমানিৰ্ক সোধা এই প্ৰশ্নৰ উত্তৰত তেওঁ কৈছিল যে, অসমীয়াসকল নিজেই সংখ্যালঘু! মাত্ৰ ইমান দিনে মুছলমান খিনিয়ে নিজকে অসমীয়া বুলি পৰিচয় দি অহাৰ নিমিত্তেহে হেনো লোক-পিয়লসমূহত অসমীয়াক সংখ্যাগৰিষ্ঠ বুলি দেখুৱাব পৰা গৈছিল! ওৰে জীৱন ধৰ্মৰ নামত, সাম্প্ৰদায়িকতাবাদৰ নামত ৰাজনীতি কৰি অহা ব্যক্তি এগৰাকীৰ পৰা তাতকৈ ভাল উত্তৰ আমি আশাও কৰা নাছিলো। কিন্তু, শ শ বছৰ ধৰি ব্ৰহ্মপুত্ৰ উপত্যকাত বতি অহা ধৰ্মনিৰপেক্ষ জাতি গঠন প্ৰক্ৰিয়াটোক সঁচাকৈয়ে জানো এনেদৰে টিলিকিতে উকুৰাই দিব পৰা যাব? ধৰ্মৰ ভিত্তিত জাতি গঠন হোৱা কথাটোক অন্ততঃ অসমীয়া মুছলমানখিনিয়ে কেতিয়াও সমৰ্থন কৰিব নোৱাৰে; —তেওঁলোক প্ৰথমতে অসমীয়া, তাৰ পাছতহে মুছলমান। সাময়িক ভুল বুজাবুজি আৰু আবেগৰ ভিত্তিত যোৱা নিৰ্বাচনটোত ব্ৰহ্মপুত্ৰ উপত্যকাৰ ঠাই বিশেষে সংখ্যালঘু মৰ্চাই অসমীয়া মুছলমানৰ সমৰ্থন পাইছে যদিও তাকেই কোনোবাই ঐতিহ্যময়ী অসমীয়া জাতি গঠন প্ৰক্ৰিয়াটোক খণ্ড-বিখণ্ড কৰি পেলোৱা বুলি তৃপ্তি লাভ কৰিব নালাগে; এইয়া মাত্ৰ দুই ভাইৰ মাজত কিছু ঘৰুৱা ভুল বুজাবুজি, কিছু অভিমান,— আজি আছে, হয়তো কাইলৈ নাথাকিব। হোজাইত লগ পোৱা সংখ্যালঘু মৰ্চাৰ যুৱনেতা শ্ৰীআব্দুল হাছিবে আমাক কৈছিল "আপোনাক লগ পোৱা আধা ঘণ্টাহে হৈছে মাত্ৰ, অথচ আমি ইমান নিবিড়ভাৱে কথা পাতিব পাৰিছোঁ। কিন্তু সৰুৰে পৰা একেলগে ডাঙৰ হোৱা বঙালী ল'ৰাজনৰ সৈতে মই কিন্তু একেলগে এইবাৰ ইলেকছন কেমপেইন চলোৱাৰ সময়তো ইমান নিবিড়, ইমান সহজ হ'ব পৰা নাছিলো।" ধৰ্মনিৰপেক্ষ অসমীয়া জাতি গঠন প্ৰক্ৰিয়াটোৰ এয়াই এক নিদৰ্শন।

এইটো সঁচা কথা যে, যোৱা ৩৮ বছৰ ধৰি চলা শাসক দলৰ বিভাজন নীতিৰ নিমিত্তেই হওক, বা আমাৰ জাতিগঠন প্ৰক্ৰিয়াটো এতিয়াও শেষ নোহোৱাৰ নিমিত্তেই হওক, আমাৰ অসমীয়া মানুহখিনিৰ ('অসমীয়া' শব্দটো গোটেই প্ৰবন্ধটোতে আমি বহল অৰ্থতহে ব্যৱহাৰ কৰিছোঁ— ভাষা-ধৰ্ম নিৰ্বিশেষে) মাজতে কিছু ভুল বুজাবুজি আছে, অথবা, অৰ্থনৈতিক দিশত তুলনামূলকভাৱে আমাৰ মাজৰে কিছুমান পিছপৰি আছে। কিন্তু এওঁলোকৰ যিবোৰ সমস্যা, সেইবোৰৰ সমাধান সংখ্যালঘু মৰ্চাৰ নেতৃবৰ্গই দিব পাৰিব জানো? ঠাইবিশেষে 'অসমীয়া' জনজাতীয় ভাইজনে, অথবা অসমীয়া মুছলমানজনে সংখ্যালঘু মৰ্চাৰ প্ৰতি কিয় সমৰ্থন আগবঢ়ালে? সংখ্যালঘু মৰ্চাই অসম চুক্তিখনক অসমৰ সংখ্যালঘুসকলৰ স্বাৰ্থৰ বিপৰীতে যোৱা বুলি দাবী কৰিছে; কিন্তু 'সংখ্যালঘু' বোলা শব্দটোৰ কোনো উল্লেখেই নথকা অসম চুক্তিখনৰ কোনটো দফাই অসমৰ প্ৰকৃত সংখ্যালঘুসকলৰ স্বাৰ্থত আঘাত হানিছে, তাক কিন্তু তেওঁলোকে স্পষ্টকৈ কৈ দিব পৰা নাই বা ক'ব খোজাও নাই। গতিকে, আমি তেওঁলোকৰ বক্তব্যসমূহৰ পৰাই অসম চুক্তিখন বিৰোধিতাৰ আচল কাৰণটো অনুমান কৰি ল'ব লাগিব। যিহেতু সংখ্যালঘু মৰ্চাই ১৯৭১ চনৰ ২৫ মাৰ্চৰ পাছত অহা বিদেশীসকলক বহিষ্কাৰৰ সিদ্ধান্তৰ বিৰোধিতা কৰা নাই, তাৰমানে, কেৱলমাত্ৰ ১৯৬৬ চনৰ পৰা ১৯৭১ চনৰ ভিতৰত অসমলৈ অহা বিদেশীখিনিক দহ বছৰৰ বাবে ভোটাধিকাৰৰ পৰা বঞ্চিত কৰাৰ নিমিত্তেই আজি সংযুক্ত সংখ্যালঘু মৰ্চাৰ জন্ম হ'ল! যদি সেয়ে হয়, কেইলাখমান বিদেশীৰ স্বাৰ্থ ৰক্ষাৰ নিমিত্তেই জন্ম হোৱা দল এটাই অসমৰ প্ৰকৃত সংখ্যালঘুখিনিক প্ৰতিনিধিত্ব কৰিব পাৰে জানো?

অসম আন্দোলনটো বা অসম চুক্তিখন দৰাচলতে তেওঁলোকৰ বাবে এটা অজুহাতহে আছিল। সংযুক্ত সংখ্যালঘু মৰ্চা প্ৰকৃততে হৈছে, স্বাধীনতা লাভৰ পাছৰে পৰা অসমত চলি অহা সংখ্যালঘুৰ ৰাজনীতিৰ এটা পৰিৱৰ্তিত সংস্কৰণহে। তেনেদৰেই, সংখ্যালঘু মৰ্চাই কংগ্ৰেছৰ দীৰ্ঘদিনীয়া ভোটবেংকবোৰ ভাঙি দিলে বুলি ব্যাখ্যা দি তৃপ্তি লভাৰো কোনো প্ৰশ্ন নুঠে;— দৰাচলতে ভোটবেংকসমূহ একেই থাকিল, মাত্ৰ তাৰ গৰাকীৰহে নাম সলনি হ'ল। ইমান বছৰ ধৰি কংগ্ৰেছ চৰকাৰে দি অহা মিছা আশ্বাসবোৰে ভোটবেংকসমূহত সৃষ্টি কৰা বিতুষ্টিকে মূলধন কৰি অসম চুক্তিখনৰ আলমত এচাম ৰাজনৈতিক ব্যৱসায়ীয়ে এইবাৰ ভোটবেংকসমূহ নিজৰ হাতলৈ আনিলে। কিন্তু তাকে কৰিবলৈ লৈ সংখ্যালঘুৰ নামত স্বদেশী, বিদেশী সকলোকে একগোট কৰি অসমীয়াৰ বিৰুদ্ধে সমূহীয়াভাৱে তেওঁলোকে যিদৰে জেহাদ ঘোষণা কৰিছে, তাৰ ফল হয়তো কংগ্ৰেছৰ বিভাজন নীতিতকৈও অধিক ধ্বংসমুখী হ'ব। আনহাতে, ভাৰতবৰ্ষৰ সংবিধান আৰু সৌ সিদিনা সংসদে অনুমোদন জনোৱা অসম চুক্তিখনক উলাই কৰি অবৈধ বিদেশী নাগৰিকৰ স্বাৰ্থৰ হকে মাত মাতি নিৰ্বাচনত জয়ী হৈ অহা দল এটাৰ নিৰ্বাচনী আয়োগৰ দ্বাৰা ৰাজনৈতিক দল হিচাপে স্বীকৃতি পোৱাৰ অধিকাৰ আছে জানো? ইয়াৰ দ্বাৰা আমি অবৈধ বিদেশী নাগৰিকৰ ভাৰতবৰ্ষত ৰাজনীতি কৰাৰ অধিকাৰ সাংবিধানিকভাৱে সাব্যস্ত কৰাৰ নিচিনা নহ'ব জানো? হ্ৰস্বকালীন লাভালাভৰ পিনৰ পৰা সংযুক্ত সংখ্যালঘু মৰ্চাই ঠাইবিশেষে কংগ্ৰেছক শলঠেকত পেলাই গণ পৰিষদৰ জয়ৰ বাট কিছু সুগম কৰি দিলে যদিও, অসমৰ দীৰ্ঘকালীন স্বাৰ্থৰ খাতিৰত অসমৰ ৰাইজে, স্বদেশী আৰু বিদেশীৰ মাজত কোনো প্ৰভেদ নৰখা, আৰু ধৰ্মৰ ভিত্তিত জাতিগঠনৰ পোষকতা কৰা এই দলৰ নেতৃবৰ্গক নাকচ কৰি দিবই লাগিব। অন্যথাই বিহাৰ আৰু কাছাৰৰ যি সাম্প্ৰদায়িক ৰাজনীতি দেখি আমি ইমান দিনে নাক কোঁচাই আহিছোঁ, তাতোকৈ অধিক জঘন্য ৰাজনীতিক অসমৰ মাটিত পোখা মেলিবলৈ সুবিধা কৰি দিয়াৰ নিচিনাহে হ'ব।

সংযুক্ত সংখ্যালঘু মৰ্চাক নাকচ কৰি দি আমি কিন্তু এইটো ক'ব খোজা নাই যে, অসমত সংখ্যালঘু বুলি কোনো এটা সম্প্ৰদায়ে নাই, বা সংখ্যালঘুৰ সমস্যা বুলি কোনো এটা সমস্যায়েই নাই। এখন গণতান্ত্ৰিক ৰাষ্ট্ৰত প্ৰতিজন নাগৰিকৰে নিজ নিজ ভাষা-সংস্কৃতি, ধৰ্ম বিশ্বাস বজাই ৰখাৰ অধিকাৰৰ পৰিপ্ৰেক্ষিততে সংখ্যালঘু সম্প্ৰদায়ক লৈ সমস্যাৰ সৃষ্টি হ'বই, আৰু অসমতো সেই সমস্যা আছে। কিন্তু যোৱা ৩৮ বছৰে আমাৰ শাসকবৰ্গই সেই সমস্যাবোৰৰ স্থায়ী সমাধানৰ কোনো প্ৰচেষ্টাতো নচলালেই, বৰঞ্চ নিজৰ ৰাজনৈতিক লাভালাভৰ নিমিত্তে সেইবোৰকে অধিক প্ৰকট কৰিহে ৰাখিলে; আৰু তাৰ ওপৰতে ভিত্তি কৰি কোনোবাই আজি অসমত সমূহীয়াভাৱে সাম্প্ৰদায়িকতাৰ বীজ সিঁচিবলৈ সাহস কৰিছে। অসমৰ ৰাজনৈতিক মঞ্চ নিকা কৰিবলৈ সংকল্পবদ্ধ হৈ ওলাই অহা নতুন চামে সেয়েহে দুগুণ উদ্যম আৰু ক্ষিপ্ৰতাৰে প্ৰকৃত সংখ্যালঘুৰ প্ৰকৃত সমস্যাবোৰ উপলব্ধি কৰি তাৰ সমাধান আগবঢ়াব লাগিব। আৰু সেইটো কৰিব পাৰিলেই সংখ্যালঘু মৰ্চাৰ নামত চলোৱা ৰাজনৈতিক ব্যৱসায়ৰো আপোনা আপুনি অন্ত পৰিব।

এতিয়া কথা হৈছে, এই সমস্যাৰ সমাধানৰ নিমিত্তে আমি আগবাঢ়িম কেনেকৈ? এইটো সঁচা কথা যে, ইমান বছৰ ধৰি শাসক বৰ্গই চলাই অহা বিভাজন নীতিৰ বলি হৈ আমিও অনেক সময়ত প্ৰকৃত সংখ্যালঘুক ক্ষুণ্ণ কৰিব পৰা অনেক ভুল কৰিছিলো বা অইনৰ প্ৰৰোচনাত পৰিয়েই হওক, অসমীয়া মুছলমানখিনিৰ সামূহিক অনগ্ৰসৰতাৰ নিমিত্তেই অৱচেতন মনত হ'লেও তেওঁলোকক যথোপযুক্ত দৃষ্টিৰে নাচাইছিলো। এইবোৰ ভুল এতিয়া সুস্পষ্টভাৱে উপলব্ধি কৰিব লাগিব, আৰু সেইবোৰৰ পুনৰাবৃত্তি হ'বলৈ দিব নালাগিব। আমাৰ অসাৱধানতাৰ নিমিত্তেই, বা, প্ৰতিপক্ষৰ মিছা প্ৰচাৰক সফলতাৰে প্ৰতিহত কৰিব নোৱৰাৰ নিমিত্তেই যোৱা ছবছৰীয়া আন্দোলনটোৰ গাতো দুই এটা চেকা পৰিছিল। সেইবোৰ আমি যিমান সহজভাৱে লৈছোঁ, সদায়ে নিৰাপত্তাহীনতাৰ মানসিক ৰোগত ভোগা সংখ্যালঘু সম্প্ৰদায়ে কিন্তু সিমান সহজভাৱে ল'ব পৰা নাই। নেলীৰ হত্যাকাণ্ডৰ প্ৰকৃত তদন্ত কৰিবলৈ কংগ্ৰেছ চৰকাৰে যোৱা দুটা বছৰে সাহস গোটাব নোৱাৰিলে; অথচ তাকে লৈ



OKDISCD

অপপ্ৰচাৰ কিন্তু সদায় চলালে। গোলাম ওচমানিয়ে মুছলমানসকল দৰাচলতে অসমীয়া নহয় বুলি কৰা মন্তব্যৰ প্ৰতিবাদ জনাওঁতে তেওঁ ওলোটাই আমাক প্ৰশ্ন কৰিছিল: "But did you distinguish them in the Nellie massacre? Where was your Assamese fraternity then?" নেলীৰ হত্যাকাণ্ড দৰাচলতে শাসকবৰ্গৰে চক্ৰান্তৰ ফল নহয়নে? নতুন চৰকাৰলৈ আমাৰ অনুৰোধ, ৮৩ৰ নিৰ্বাচনৰ সময়ত হোৱা হত্যাকাণ্ডৰ এটা প্ৰকৃত তদন্ত হওক, যাতে আমি ভ্ৰাতৃহন্তাৰ মিছা অপবাদ লৈ থাকিবলগীয়া নহওঁ। হোজাইত কেইবা পুৰুষো ধৰি বাস কৰা, হাড়ে-হিমজুৱে অসমীয়া হৈ পৰা মুছলমানখিনিক সুধিছিলো, আপোনালোক এইবাৰ নিৰ্বাচনত অসমীয়া মানুহখিনিৰ পৰা এনেদৰে আঁতৰি কিয় আছিল? তাৰ উত্তৰত প্ৰত্যেকেই আৰম্ভ কৰিছিল ১৯৮৩ চনৰ নিৰ্বাচনৰপৰা। নেলী, বৰবৰি আদি ঠাইত অনাথ হোৱা শিশুবিলাকৰ নিমিত্তে হোজাইত স্থাপন কৰা অনাথ আশ্ৰমখনৰ কথা আমাক কৈছিল; সেই সময়ত হোজাইত আশ্ৰয় লোৱা ৪৫ হাজাৰ শৰণাৰ্থীৰ দুৰ্দশাৰ বৰ্ণনা দিছিল। কিন্তু, শাসকবৰ্গৰ বিভাজন আৰু শাসন নীতিয়েই যে এই আটাইবোৰৰ মূল, সেই কথাটোকে এই সৰলচিতীয়া মানুহখিনিক বুজাব নোৱাৰিলো। যোৱা দুবছৰ ধৰি আমাৰ মাজত চলি অহা ভুল-বুজাবুজিবোৰৰ অন্ত পেলাবৰ নিমিত্তেই আমাক আজি '৮৩ৰ হত্যাকাণ্ডৰ প্ৰকৃত তদন্ত এটা লাগে।

এই মানুহখিনিয়ে মাত্ৰ অলপমান নিৰাপত্তা বিচাৰে; তেওঁলোকৰ অস্বাভাৱিক উচ্চ আশাও নাই: "আমাৰ

**নেলীৰ হত্যাকাণ্ড দৰাচলতে শাসকবৰ্গৰে চক্ৰান্তৰ ফল নহয়নে? নতুন চৰকাৰলৈ আমাৰ অনুৰোধ, ৮৩ৰ নিৰ্বাচনৰ সময়ত হোৱা হত্যাকাণ্ডৰ এটা প্ৰকৃত তদন্ত হওক, যাতে আমি ভ্ৰাতৃহন্তাৰ মিছা অপবাদ লৈ থাকিবলগীয়া নহওঁ।**

গাঁৱৰ এই সাধাৰণ মানুহখিনিক কোনো চাকৰি নালাগে, পাৰমিটৰ কাৰণেও তেওঁলোকে দৌৰাদৌৰি নকৰে, মাত্ৰ তেওঁলোকে যদি প্ৰাণৰ নিৰাপত্তাৰ অভয়বাণী এটা পায়, তাতেই তেওঁলোক সন্তুষ্ট হ'ব। গণ পৰিষদে আমাক সেইখিনি অভয়বাণী দিলে আমাৰতো ইউ. এম. এফ কৰাৰ কোনো প্ৰয়োজনেই নাই।" অসম চুক্তিখনৰো দৰাচলতে এই মানুহখিনিয়ে বিৰোধিতা কৰা নাই। হোজাইৰপৰা উভতিবৰ সময়ত আব্দুল হাছিবে বাৰে বাৰে আমাক কৈছিল: "গুৱাহাটীত গণ পৰিষদক ক'ব যে, অসম চুক্তিখন তেওঁলোকে ইমপ্লিমেণ্ট কৰাত আমাৰ কোনো আপত্তি নাই। কিন্তু চুক্তিখন ইমপ্লিমেণ্ট কৰাৰ নামত আমাক যাতে হাৰাশাস্তি কৰা নহয়। যোৱা বাৰ ভোটাৰ তালিকা তৈয়াৰ কৰাৰ সময়ত কেইবাপুৰুষো ধৰি অসমত থকা মানুহখিনিকো চৰকাৰে যি হাৰাশাস্তি কৰিলে সেইবোৰেই দৰাচলতে আমাক ইউ. এম. এফ. কৰিবলৈ বাধ্য কৰালে। তিনিমাহ আমি চৰকাৰী অফিছত লাইন দিব লগীয়া হৈছিল, আৰু অফিছাৰসকলৰ যি ব্যৱহাৰ— অমুক যে তোমাৰ স্বামী, প্ৰমাণ কি? ল'ৰা-ছোৱালী কেইটা? এইটো যে তোমাৰ ল'ৰা তাৰ প্ৰমাণ কি?—এই ধৰণৰ প্ৰশ্ন। হিউমিলিয়েশ্যন ৷ এইবিলাকেই আমাৰ মানুহবিলাকক ক্ষুব্ধ কৰি তুলিলে।" অসম চুক্তিখন ৰূপায়ণৰ ক্ষেত্ৰত এইবোৰ ভুলৰ যাতে পুনৰাবৃত্তি নহয় আৰু প্ৰকৃত ভাৰতীয় নাগৰিকসকলক যাতে হাৰাশাস্তি কৰা নহয়, অসমৰ বৃহত্তৰ স্বাৰ্থৰ খাতিৰতে নতুন চৰকাৰে সজাগ দৃষ্টিৰে এইখিনি সাৱধানতা অৱলম্বন কৰিব লাগিব। আৰু তাৰ বাবে প্ৰথমেই প্ৰয়োজন হ'ব, বিদেশী অধ্যুষিত অঞ্চলৰূপে সন্দেহযুক্ত ঠাইবিলাকৰ পুৰণি মানুহখিনিক আমাৰ আস্থালৈ অনাৰ। ইয়াৰ অন্যথাই বিদেশী নাগৰিকৰ চিনাক্তকৰণতো সম্ভৱ নহ'বই, বৰঞ্চ আমাৰ মাজতে ভুল বুজাবুজিৰ সৃষ্টি কৰি অইন কোনোবা তৃতীয় পক্ষৰ বাবে ৰাজনৈতিক সুবিধা আদায়ৰ পথ সুগম কৰি দিয়াহে হ'ব। যোৱা নিৰ্বাচনটোত সংযুক্ত সংখ্যালঘু মৰ্চাই যিবোৰ ঠাইত নিজৰ আধিপত্য বিস্তাৰ কৰিবলৈ সক্ষম হ'ল, দৰাচলতে সিয়েই আওপাকে অসমৰ বিদেশী অধ্যুষিত অঞ্চলৰ থুলমূল আভাস এটা দিব পাৰে; আৰু সেয়েহে, কাৰোবাৰ ব্যৱহাৰত ক্ষুব্ধ হৈ বা অভিমান কৰি সংখ্যালঘু মৰ্চাত যোগ দিয়া 'অসমীয়া' সকলক পুনৰায় আমাৰ আস্থালৈ আনিব পাৰিলেই অসম চুক্তিৰ বিদেশী নাগৰিকৰ সন্দৰ্ভত দফাটো অনায়াসে ৰূপায়িত কৰিবপৰা যাব। নতুন চৰকাৰৰ এই ক্ষেত্ৰত প্ৰথম দায়িত্ব হ'ব, এই মানুহখিনিৰ প্ৰকৃত ক্ষোভ, প্ৰকৃত দাবীবোৰ গুৰুত্ব সহকাৰে বিবেচনা কৰি তেওঁলোকৰ মাজত এনেকুৱা এটা বিশ্বাসৰ ভাব জগাই তুলিব লাগিব যাতে গৰিষ্ঠসংখ্যক মানুহৰ লগত থাকিও তেওঁলোকৰ

**অসমৰ জনজীৱন আৰু ভাষা-সংস্কৃতিৰ এক ওতপ্ৰোত অংগৰূপে পৰিগণিত হৈ অহা গোৱালপাৰা জিলাখন (অবিভক্ত) লাহে লাহে বাৰু দ্বিতীয় এখন কাছাৰলৈ পৰিণত হৈ গৈ আছে নেকি?**



আশা-আকাংক্ষাবোৰ পূৰণ কৰিব পৰা যায়। বা, যিটো অভয়ৰ বাণী তেওঁলোকে বিচাৰে, সেইটো বিশ্বাস যোগ্য ধৰণেৰে আমি দিব পাৰিব লাগিব। আৰু তাকে কৰিবলৈ হ'লে সংখ্যালঘু সম্প্ৰদায়ৰ যি ভীতিসুলভ মনোবিকাৰ (fear-psychosis) তাক হৃদয়ংগম কৰিব লাগিব।

যোৱা নিৰ্বাচনটোৰ ফলাফল আৰু ভোটদানৰ নমুনাৰ অঞ্চলভিত্তিক বিশ্লেষণ এটা কৰোঁতে এটা কথাই আমাৰ মনলৈ বাৰে বাৰে শংকাৰ তাৰ আনিছে; —সেইটো হৈছে, অসমৰ জনজীৱন আৰু ভাষা-সংস্কৃতিৰ এক ওতপ্ৰোত অংগৰূপে পৰিগণিত হৈ অহা গোৱালপাৰা জিলাখন (অবিভক্ত) লাহে লাহে বাৰু দ্বিতীয় এখন কাছাৰলৈ পৰিণত হৈ গৈ আছে নেকি? কাছাৰখন আদিৰে পৰাই কাহানিও অসমৰ অংগ নাছিল, আৰু তাত আমি আমাৰ আমাৰ আধিপত্য বজাবলৈ যোৱাৰ প্ৰশ্নও কেতিয়াও উঠা নাছিল। কিন্তু হাড়ে-হিমজুৱে 'অসমীয়া' এই গোৱালপাৰাখন আমাৰ চকুৰ আগতে বিদেশীয়ে নিৰবে যিদৰে গ্ৰাস কৰিবলৈ ধৰিছে, তাক এতিয়াই সমূহীয়াভাৱে প্ৰতিৰোধ কৰিব নোৱাৰিলে কাইলৈ হয়তো বহু পলম হৈ যাব। পুৰণি স্থায়ী বাসিন্দাখিনিক আমি এতিয়া বাহিৰৰ পৰা চেষ্টা কৰি হ'লেও একত্ৰিত কৰিব লাগিব; অসম চুক্তিখন ৰূপায়ণৰ আলমতে স্বদেশী আৰু বিদেশীৰ মাজত স্পষ্ট প্ৰভেদ আনি যিমান পাৰি সোনকালে আটাইখিনি স্বদেশী মানুহকে মূলসুঁতিলৈ আনিব লাগিব। এইটো আজি আমি স্বীকাৰ কৰিবই লাগিব যে, আমাৰ অৱহেলাৰ নিমিত্তেই দৰাচলতে যোৱা নিৰ্বাচনটোত সংযুক্ত সংখ্যালঘু মৰ্চাই গোৱালপাৰাৰ অনেক ঠাইত আনকি খিলঞ্জীয়া লোকৰ সমৰ্থন লাভ কৰিবলৈকো সক্ষম হ'ল। এই ভুলৰ যাতে পুনৰাবৃত্তি নহয় তালৈ লক্ষ্য ৰাখি নতুন ৰাজনৈতিক দল গণ পৰিষদে গোৱালপাৰাক বিশেষ প্ৰাধান্য দি গাঁৱে-ভূঁয়ে ক্ষিপ্ৰতাৰে তেওঁলোকৰ সংগঠন সুদৃঢ় কৰি তোলা উচিত বুলি ভাবোঁ।

এইটো ঠিক যে, ভৱিষ্যতে যাতে সংখ্যালঘুৰ নামত কোনেও সাম্প্ৰদায়িক বা অবৈধ বিদেশী নাগৰিকৰ ৰাজনীতি খেলিব নোৱাৰে, সেইটো নিশ্চিত কৰিবলৈ হ'লে আমি প্ৰকৃত সংখ্যালঘুসকলক তেওঁলোকৰ প্ৰাপ্য মৰ্যাদা দিব লাগিব আৰু তাৰ বাবেই অচিৰেই আমাক সংখ্যালঘুৰ সমস্যাৰ স্থায়ী সমাধান এটা লাগে। আৰু, অসমত সংখ্যালঘুৰ সমস্যাৰ স্থায়ী সমাধানৰ প্ৰথম পদক্ষেপ হ'ব কাছাৰৰ পৃথকীকৰণ। অসমৰ জীৱন যাত্ৰাৰ সৈতে কাহানিও কোনো সম্পৰ্ক নথকা কাছাৰখনক অসমৰ সৈতে সাঙুৰি দিয়াৰ কাৰণ এটাই আছিল: কাছাৰে যাতে ব্ৰহ্মপুত্ৰ উপত্যকাৰ প্ৰৱল জনমতক নিস্তেজ কৰি ৰাখিব পাৰে। এইটো আজি আমি স্বীকাৰ কৰিবই লাগিব যে, একমাত্ৰ বাঙালী বসতিপ্ৰধান কাছাৰখনৰ উপস্থিতিৰ নিমিত্তেই ইমান দিনে আমি ব্ৰহ্মপুত্ৰ উপত্যকাৰ ভাষীক সংখ্যালঘুসকলৰ প্ৰাপ্য দাবীবোৰকো সন্দেহৰ চকুৰে, ভয়ৰ ভাবেৰে চাই আহিব লগীয়া হৈছিল। আৰু কাছাৰখন পৃথক নোহোৱা পৰ্যন্ত অসমীয়া মানুহে হয়তো কেতিয়াও ব্ৰহ্মপুত্ৰ উপত্যকাৰ ভাষিক সংখ্যালঘুসকলৰ প্ৰাপ্য মৰ্যাদাক সহজভাৱে ল'ব নোৱাৰিব। সেয়েহে, কেৱল অসমীয়া ভাষীসকলৰ স্বাৰ্থৰক্ষাৰ নিমিত্তেই নহয়, ব্ৰহ্মপুত্ৰ উপত্যকাৰ ভাষীক সংখ্যালঘুসকলৰ স্বাৰ্থৰ নিমিত্তেও অচিৰেই আমি কাছাৰৰ পৃথকীকৰণ বিচাৰোঁ।


অসমৰ স্বকীয় ধৰ্মনিৰপেক্ষ জাতিগঠন প্ৰক্ৰিয়াটোৰ পৰিপ্ৰেক্ষিতত সংখ্যালঘু বুলিলে অসমত আমি সদায় ভাষীক সংখ্যালঘুৰ কথাহে বুজি আহিছিলো। মুছলমান ব্যক্তি এজনে ধৰ্মৰ ভিত্তিতে ভাৰতবৰ্ষৰ অন্য ঠাইত সংখ্যালঘুৰ মৰ্যাদা হয়তো দাবী কৰিব পাৰে, কিন্তু অসমৰ ইতিহাসে ক'ব অসমত সেইটো সঁচা নহয়। ধৰ্মৰ ভিত্তিত কাছাৰত বা ভাৰতবৰ্ষৰ অনা ঠাইত যি ৰাজনীতি চলি আহিছে, সি অসমত তেতিয়াও প্ৰযোজ্য হ'ব নোৱাৰে। ব্ৰহ্মপুত্ৰ উপত্যকাৰ পমুৱা মুছলমানখিনি অসমীয়া। এইটো সঁচা কথা যে, ইমান বছৰ ধৰি চলি অহা নতুন দিল্লীৰ বিভাজন আৰু শোষণ নীতিৰ ফলস্বৰূপে প্ৰধানকৈ শোষিত আৰু অৱহেলিত হ'ল অসমীয়া পমুৱা মুছলমানখিনি আৰু অসমত নতুন ৰাজনৈতিক জীৱনৰ সঞ্চাৰ কৰিব বিচৰাসকলেই এতিয়া নিজৰ বৰীয়াকৈ চেষ্টা কৰি সেইবোৰ আঁতৰ কৰিব লাগিব। যোৱা নিৰ্বাচনটোৰ সময়ত জানি-শুনিও বিভেদকামী শক্তিৰ সৈতে হাত মিলোৱাৰ বাহিৰে এইখিনি অসমীয়া পমুৱা মুছলমানৰ হয়তো অইন কোনো বিকল্পও নাছিল; কাৰণ তেতিয়া তেওঁলোকৰ মূল উদ্দেশ্যই আছিল কেৱল, ইমান দিন ধৰি শাসক বৰ্গই চলাই অহা শোষণ নীতিৰ প্ৰতিশোধ লোৱা। সদায় বিভাজন নীতিৰ বলি হৈ অহা এওঁলোক হয়তো সেই সময়ত এবাতিৰ ভিত্তৰতে গণ পৰিষদক আকোঁৱালি ল'বলৈ মানসিক ভাবেও প্ৰস্তুত নাছিল। এতিয়া নতুন চৰকাৰে এওঁলোকৰ প্ৰতি থকা দায়িত্বখিনি সুচাৰুৰূপে পালন কৰিলে, আৰু আগৰ শাসকবৰ্গৰ অৱহেলাসূচক মনোবৃত্তিবোৰ ত্যাগ কৰিলে, অসমীয়া পমুৱা

**কেৱল অসমীয়া ভাষীসকলৰ স্বাৰ্থ ৰক্ষাৰ নিমিত্তেই নহয়, ব্ৰহ্মপুত্ৰ উপত্যকাৰ ভাষীক সংখ্যালঘুসকলৰ স্বাৰ্থৰ নিমিত্তেও অচিৰেই আমি কাছাৰৰ পৃথকীকৰণ বিচাৰোঁ।**

মুছলমানখিনিক লৈ সৃষ্টি হোৱা এই সাময়িক সমস্যা অতি সহজে সমাধান কৰিব পৰা যাব। ধৰ্মৰ ভিত্তিত জাতি গঠন হোৱা কথাটোক কেতিয়াও সমৰ্থন নকৰা আমি আজি অসমীয়া মুছলমানসকলৰ বিষয়ে এনেদৰে পৃথক্-ভাৱে আলোচনা কৰিব লগীয়া হোৱা বাবে সঁচাকৈয়ে মৰ্মাহত হৈছোঁ আৰু আশা ৰাখিছোঁ, ভৱিষ্যতে যাতে এনে অবাঞ্ছিত কথা আলোচনা কৰিবলগীয়া পৰিবেশ এটাৰ কেতিয়াও সৃষ্টি নহয়।

ভাষিক সংখ্যালঘুখিনিৰ ক্ষেত্ৰত আমাৰ মতামত স্পষ্ট : —প্ৰথমতে স্বদেশী আৰু বিদেশীৰ মাজত পাৰ্থক্য অনা হওক, আৰু স্বদেশীসকলৰ ভিতৰত, আমি আগতে দিয়া সূত্ৰৰ (প্ৰান্তিক '১।৩।৮৪) দ্বিতীয় শ্ৰেণীৰ বাঙালীখিনিক আকোঁৱালি ল'বলৈ আমি সদায়ে প্ৰস্তুত। কিন্তু সংখ্যা লঘুৰ অধিকাৰৰ নামত, সংখ্যালঘুৰ ৰাজনীতিৰ নামত বিদেশী নাগৰিকক অসমৰ ৰাজনৈতিক ভৱিষ্যত নিৰূপণৰ অধিকাৰ দিবলৈ বিচৰা কাৰ্যক, অথবা অসমৰ স্বকীয়–জাতিগঠন প্ৰক্ৰিয়াটোক অৱমাননা কৰিবলৈ বিচৰা কাৰ্যক আমি কেতিয়াও সমৰ্থন কৰিব নোৱাৰোঁ আৰু তেনে মনোবৃত্তিক কঠোৰভাৱেৰে দমন কৰিবলৈ নতুন চৰকাৰ সদা সক্ষম হৈ থাকিব লাগিব। আমি আনকি 'অসমীয়া'ৰ সংজ্ঞা আৰু অধিক উদাৰ কৰিবলৈকো প্ৰস্তুত আছোঁ, কিন্তু তাৰ বাবে সংখ্যালঘুসকলে প্ৰথমতে সংখ্যা-লঘু হিচাপে থকা তেওঁলোকৰ দায়িত্ব সুচাৰুৰূপে পালন কৰিব পাৰিব লাগিব।

## সাক্ষাৎকাৰ



ফটো : দীপক বেজবৰুৱা

**শ্ৰীকালিপদ সেন,**
সভাপতি, সংযুক্ত সংখ্যালঘু মৰ্চা

☐ এটা অতি চালুকীয়া দল হোৱা সত্ত্বেও যোৱা নিৰ্বাচনটোত আপোনাৰ দলে যি সফলতা দেখুৱালে, তাৰ মূলতে আপুনি কি বুলি ভাবে?

* ফলাফল দেখি মোৰ ভাব হৈছে যে, সংখ্যালঘু মানুহবোৰে সঁচাকৈয়ে একৰ্ডৰ (অসম চুক্তিৰ) বিৰোধিতা কৰিছে। আৰু যিসকলে কৰা নাই, তেওঁলোকে এতিয়া অনুতাপ কৰিছে।

☐ বহুতেই ক'ব খোজে যে, আপোনালোকে মূলতঃ সাম্প্ৰদায়িক ৰাজনীতি খেলি জিকি আহিল। এই সন্দৰ্ভত আপোনাৰ মত কি?

* কথাটো বাহিৰৰ পৰা কমিউনেল যেনেই লাগে। কিন্তু এইটো মই দৃঢ় ভাৱে ক'ব পাৰোঁ যে, আমাৰ মাজত কমিউনেল ভাব মুঠেই নাই। আমি অসমীয়া মানুহখিনিকো ভাই-ভনী বুলিয়েই ভাবোঁ। কিন্তু এখন আপত্তিজনক একৰ্ডৰ বাবেহে আমি এনেকুৱা এটা ষ্টেণ্ড ল'ব লগীয়া হ'ল। আমাৰ সংখ্যালঘুসকলৰ আৰু যাতে কোনো বিশেষ ক্ষতি নহয়, তাৰ বাবেই আমি এই মৰ্চা গঠন কৰিছোঁ। কোনো বিশেষ কমিউনেল কাৰণৰ বাবে কৰা নাই। মোৰ বিশ্বাস, বাহিৰৰ পৰা মানুহে কমিউনেলিজমৰ যি ভাব আমাৰ ওপৰত লৈছে, সেই ভাব লাহে লাহে আঁতৰি যাব। ইয়াৰ আকাৰ আৰু বৃহত্তৰ হ'ব।

☐ গুৱাহাটীত যেতিয়া আমি অসমীয়া-বাঙালীৰ সম্পৰ্কৰ কথা আলোচনা কৰোঁ, তেতিয়া সদায়ে আপোনাক এজন বিতৰ্কিত ব্যক্তি ৰূপে গ্ৰহণ কৰা যেন লাগে। আপুনি নিজে এই কথাটো উপলব্ধি কৰিছেনে?

* মই তেনে বিশেষ একো উপলব্ধি কৰা নাই। কাৰণ মোৰ সামাজিক জীৱনত অসংখ্য অসমীয়া বন্ধু আছে। মোৰ জন্মস্থান গোৱালপাৰালৈ গ'লেও সকলোৱে মোক মাতে, কথা-বতৰা পাতে। মাত্ৰ মই এই মৰ্চা গঠন কৰাৰ ক্ষেত্ৰত, বা আগতে C. R. P. C. আদি কাৰোঁতে তেওঁলোকে মোক কৈছিল যে—ইমানখিনি কৰাৰ দৰকাৰ নাছিল।

☐ অসমৰ বৃহত্তৰ স্বাৰ্থৰ খাতিৰত আপোনাৰ দৰে নেতৃস্থানীয় বাঙালীখিনিৰ দায়িত্ব কেনে হোৱা উচিত বুলি ভাবে?

* এইটো আপুনি বৰ ভাল প্ৰশ্ন কৰিছে। কিয়নো মই জানো যে, অসমৰ বাঙালী মানুহখিনিয়ে সঁচাকৈয়ে অসমৰ উন্নতিৰ বাবে বৰ কম কাম কৰে। তেওঁলোক একেবাৰেই পিছপৰি আছে; তেওঁলোকৰ কোনো অনু-প্ৰেৰণাও নাই;—মানুহখিনিয়ে খাই লৈ থাকে আৰু একো নাজানে। আৰু জানিলেও তেওঁলোকৰ একো স্পষ্ট ধাৰণা নাই যে, কি কৰিব পাৰে। কিছুমানে অৱশ্যে কয় যে, তেওঁলোক পশ্চিমবংগ মুখী; সেইটোও কিন্তু নহয়। পুৰণি বাঙালী খিনি পশ্চিমবংগৰ মিতিৰো নহয় আৰু অথচ, ইয়াৰ মূল সোঁতৰ সৈতে মিলি যাবও পৰা নাই। আৰু মিলিলেও একো কাম কৰিব পৰা নাই। মই নিজে ভাবোঁ যে অসমৰ শিক্ষা, অৰ্থনীতিৰ ক্ষেত্ৰত এতিয়াও বহুত কৰিব লগীয়া আছে আৰু এই ক্ষেত্ৰত বাঙালীসকলৰো দায়িত্ব আছে।

☐ সাধাৰণতে অসমীয়া মানুহে এইবুলি অভিযোগ কৰে যে, বাঙালী নেতৃস্থানীয় মানুহখিনিয়ে অসমত অসমীয়াৰ সংখ্যাগৰিষ্ঠৰ মৰ্যাদা স্বীকাৰ কৰি ল'বলৈ টান পায় আৰু সেয়েহে, অসমীয়া মানুহখিনিয়ে তেওঁ-লোকক সন্দেহৰ চকুৰে চাবলৈ বাধ্য হয়। আপোনাৰ এই সন্দৰ্ভত মত কি?

* এই সন্দৰ্ভত মোৰ ক'বলগীয়া এইটোৱে যে, দুখন জিলাত—গোৱালপাৰা আৰু কাছাৰ জিলাত, এই দুখন জিলাত বাঙালীৰ আধিক্য দেখা যায়। আনবিলাক জিলাত তেনেকুৱা আধিক্য আছে বুলি মই নাভাবোঁ। আৰু এই কথা প্ৰমাণ হ'ব যদিহে সোনকালে এটা পিয়ল হয়। পিয়ল নহ'লে এই সন্দৰ্ভত কাৰো সন্দেহ নুগুচিব। ব্যক্তিগতভাৱে মই অসমত অসমীয়া মানুহৰে প্ৰাধান্য আছে বুলি ভাবোঁ।

☐ ইউ.এম.এফ. সন্দৰ্ভত অনেকেই সন্দেহ কৰে যে এনে ধৰণৰ সংখ্যালঘুৰ ৰাজনীতিৰ আৱৰ্তণিয়ে অসমৰ জাতি গঠন প্ৰক্ৰিয়াত বাধা জন্মাব পাৰে। আপোনাৰ এই সম্পৰ্কত মত কি?

* মোৰ ব্যক্তিগত মতামত এয়ে যে, **যদিহে সংখ্যালঘুৰ ৰাজনীতিয়ে সচাঁকৈয়ে তেনেকুৱা এটা অনিষ্ট কৰে, তেন্তে মই অন্ততঃ সেই সংগঠনত নাথাকোঁ।** মই জানো যে অসমীয়া মানুহ বা জন-জাতিৰ মানুহৰ লগত লগ নালাগিলে সংখ্যালঘু শ্ৰেণীৰ কোনো উন্নতি হ'ব নোৱাৰে।

☐ সংখ্যালঘু মৰ্চাৰ ভৱিষ্যত সন্দৰ্ভত আপোনাৰ মতামত কি?

* বোধকৰোঁ আজি যিদৰে সংখ্যালঘুসকলক সংগঠিত কৰা হৈছে, এইটো কিছুদিনলৈ চলিব লাগিব। এইটো নকৰিলে কোনেও এওঁলোকৰ গুৰুত্ব অনুভৱ নকৰে। পাছলৈ নিশ্চয় কোনো বৃহত্তৰ অংশৰ লগত ই মিলি যাব লাগিব।

☐ আপুনি অসমতে জন্ম গ্ৰহণ কৰি ডাঙৰ-দীঘল হৈছে। আপুনি নিজকে অসমীয়া বুলি ভাবেনে?

* মনে-প্ৰাণে মই নিজকে কেতিয়াও অসমীয়াৰ বাহিৰে বুলি নাভাবোঁ। অসমীয়া বুলি নাভাবিলেও মই অসমীয়া নহওঁ বুলিও নাভাবোঁ। কিন্তু দৰাচলতে অসমীয়া মানুহে আমাক আঁতৰাই ৰাখে; তেওঁলোকৰ যি সামা-জিক প্ৰক্ৰিয়া, আমাক তাৰপৰা আঁতৰাই ৰাখে; তেওঁলোকৰ আমাৰ ওপৰত কিবা যেন আক্ষেপ। সেইটো মই ভাল পোৱা নাই।

☐ সমন্বয়ৰ আহ্বান দুয়োপিনৰ পৰাই আহিব লাগিব। আপোনাৰ পিনৰ পৰা চেষ্টা কৰিছেনে?

* আমাৰ পিনৰ পৰা যদি কৰাও নাই, মই চেষ্টা কৰিম— এইটো আপোনাক কথা দিছোঁ। এইটো নহ'লে দেশৰ উন্নতি নহয়, অসমৰ উন্নতি নহয়। অসম বেছিভাগ অসমীয়াৰ; অসমীয়াৰ লগত মিলি নাথাকিলে আৰু অসমীয়াই আমাৰ লগত হাত নিমিলালে এই অসমৰ উন্নতি হ'ব নোৱাৰে। কেন্দ্ৰীয় চৰকাৰে ইমান দিনে সকলো দিশতে আমাক পিছপেলাই ৰাখিছে। তাৰ প্ৰতিবাদ কৰিবলৈ অসমীয়া আৰু অনা অসমীয়া একলগ হ'ব লাগিব। ইউ. এম. এফ ভৱিষ্যতে এনে-কুৱা কামত আগ নাবাঢ়িলে, ইউ. এম. এফৰ অধঃ-পতন হ'ব।



ফটো : দীপক বেজবৰুৱা

**এ. এফ. গোলাম ওচমানি,**
সাধাৰণ সম্পাদক (General Secretary)
[ইংৰাজী কথোপকথনৰ অনুবাদ]

☐ যদি সংখ্যালঘুসকলক গণতান্ত্ৰিক অধিকাৰৰ পৰা বঞ্চিত কৰা হয়, তেনেহলে তাৰ বাবে ঐক্যবদ্ধ হৈ সংগ্ৰাম কৰাৰ অধিকাৰ তেওঁলোকৰ আছে,— সেইটো মানি লোৱা কথা। কিন্তু অভিযোগ কৰা হৈছে যে যোৱা নিৰ্বাচনত সংযুক্ত সংখ্যালঘু মৰ্চাই ভাৰতীয় সং-খ্যালঘু আৰু বিদেশীৰ মাজত কোনো পাৰ্থক্যই আনি-বলৈ চেষ্টা নকৰিলে। এই বিষয়ে আপোনাৰ মতামত কি?

* নহয়, সেইটো সম্পূৰ্ণ ভুল কথা। It is only to give the dog a bad name and hang it. আমি সদায় কৈছিলো যে—১৯৭১ চনৰ পাছত অহা সকলৰ কাৰণে এটা মেছিনেৰি আছেই; —Illegal

Migrants Act (Determination by Tribunals) of 1983 আছে। সেই ট্ৰিবিউনেল আমি মানি লৈছোঁ। আমি কওঁ,—মিছেছ গান্ধীৰ চৰকাৰে দিয়া উৎকৃষ্টতম বস্তুবোৰৰ ভিতৰত সেইটোও এটা। বিক্ষোভকাৰী-সকলেহে (agitationists) এটা ট্ৰিবিউনেলৰ যুক্তিযুক্ততা সম্পৰ্কে প্ৰশ্ন তুলিছে। তেওঁলোকে কয়— সেইবোৰ তেওঁলোকৰ কাৰণে সন্তোষজনক নহয়। তেওঁলোকক লাগে কি ? অসমীয়া বুৰ'ক্ৰেটৰ দ্বাৰা পৰিচালিত প্ৰশাসনিক (administrative) ট্ৰিবিউনেল— যাতে যি কোনো ভাৰতীয় নাগৰিকক বহিষ্কাৰ কৰিব পৰা যায় ? আমি ট্ৰিবিউনেল সম্পৰ্কে বেচ সন্তুষ্ট; সেইবোৰক কাম কৰিবলৈ দিয়া হওক। তাত তিনিজন বিচাৰপতি (Judge) থাকিব,—এজন অসমৰ, দুজন বাহিৰৰ। এইবোৰ (ট্ৰিবিউনেলবোৰ) পৰিচালিত হ'ব CPC আৰু সাক্ষ্য প্ৰমাণৰ দ্বাৰা। ইয়াতকৈ বেছি আৰু কি লাগে ? কিমান লাগে বিদেশী উলিয়াই থাকক।

☐ যোৱা নিৰ্বাচনত দেখিলো—জনজাতীয় লোকেও কোনো কোনো সমষ্টিত ইউ. এম. এফৰ প্ৰাৰ্থী হিচাপে প্ৰতিদ্বন্দ্বিতা কৰিছে। এই জনজাতীয় লোকসকল আৰু ইমিগ্ৰেণ্টসকল সংখ্যালঘুৰ দৃষ্টিকোণৰ পৰা একে পৰ্যায়ৰ বুলি ভাবে নে কি ?

* নিশ্চয়। অসম হ'ল এখন সংখ্যালঘুৰ ৰাজ্য (land of minorities)। কৃত্ৰিমভাৱে সৃষ্টি কৰা সংখ্যাগুৰুৱেই যত মানে গণ্ডগোল (mischief) কৰিছে। আমি কওঁ— ভাৰত যেনেকুৱা, অসমো তেনেকুৱা এখন সংখ্যালঘুৰ ঠাই। দুৰ্ভাগ্যক্ৰমে আমাৰ সংবিধানখনৰ সংখ্যাগুৰুৰ প্ৰতি এটা পক্ষপাতপূৰ্ণ আসক্তি (majority bias) আছে ;— আৰু মই ভাবোঁ—সেইটোৱেই হ'ল সকলো অশান্তিৰ উৎস। আমাৰ দৃষ্টিভংগী হল : আমি সকলো সংখ্যালঘু লোকে যদি সমান অধিকাৰেৰে বাস কৰোঁ, তেনেহলে অসমখন সঁচাকৈয়ে শান্তি আৰু প্ৰগতিৰ ৰাজ্য হৈ উঠিব,—যিটো অসম গণ পৰিষদে কৰিম বুলি ঘোষণা কৰিছে।

☐ কিন্তু মহাশয়, আপুনি অসমত অসমীয়া মানুহৰ সংখ্যাগৰিষ্ঠ মৰ্যদা (majority status) স্বীকাৰ কৰে নে নকৰে ?

* নকৰোঁ। আমি সেইটো স্বীকাৰ নকৰোঁ।

☐ তেনেহলে অসমখন যে মূলতঃ ভাষাৰ ভিত্তিত গঠন কৰা হৈছিল, সেইটো কথা আপুনি আপোনাৰ মতৰ লগত কেনেকৈ খাপ খুৱায় ?

* চাওক, এইবোৰ হ'ল ভুল অৰ্থত কৰা শব্দৰ ব্যৱহাৰ (misnomers)। কথাবোৰ এতিয়া বহুত আঁতৰা-আঁতৰি হ'ল। এইযে ইমিগ্ৰেণ্টসকল,— যাক আপোনালোকে অসমীয়া বুলি কৈছিল,—নেলীৰ পথাৰত আপোনালোকে তেওঁলোকক যেলেগ কৰিছিল নে ?

☐ আপুনি ইউ. এম. এফ এটা আঞ্চলিক দল হৈ থকাটো বিচাৰে নে কি ?

* নহয়, আমাৰ কোনো আঞ্চলিক আকাংক্ষা-অভিলাষ নাই। আমি এই মূল প্ৰশ্নটো ভাৰতৰ মানুহৰ আগলৈ আনিব খোজোঁ : এই সংখ্যাগুৰুৰ প্ৰতি পক্ষপাতপূৰ্ণ আসক্তি,— এইটো আপোনালোকে পৰীক্ষা কৰক। এইটোৱেই গোটেই দেশখন ধ্বংস কৰিছে। ১৯৭৯ চনত যেতিয়া আন্দোলন আৰম্ভ হ'ল, তেতিয়া দুই-একৰ বাহিৰে প্ৰায় সকলো সৰ্বভাৰতীয় ৰাজনৈতিক দলে আন্দোলনটো সমৰ্থন কৰিছিল ; কোনেও ইয়াৰ বিৰোধিতা নকৰিছিল। জনতা দলৰ নেতা মি. হেগড়েই কি কলে ? কলে— "আপোনালোকে যদি আমাৰ প্ৰাৰ্থীক ভোট দিব নোৱাৰে, তেন্তেহলে অসম গণ পৰিষদক ভোট দিব।"— সৰ্বভাৰতীয় নেতা এজনে এনে কথা কোৱাটো আপুনি কল্পনা কৰিব পাৰেনে ? এতিয়া আপোনালোকে (জনতা দলে) এনে এটা বস্তু সৃষ্টি কৰিলে— যিটোৱে স্ৰষ্টাৰেই চৰম বিপদ ঘটায় (Now you had created a Frankenstein),— আৰু আপোনালোক অসমৰ ৰাজনৈতিক দৃশ্যৰপৰা অহা দশকটোৰ কাৰণে অপসাৰিত হ'ল। এতিয়া আপোনালোকে কৈছে,— আমি সম্প্ৰদায়বাদী। মিছেছ গান্ধী জীয়াই থাকোঁতে সকলো সংখ্যালঘু লোক ই-কংগ্ৰেছত আছিল। কিন্তু যিদিনাই মি. ৰাজীৱ গান্ধীয়ে তেওঁলোকৰ প্ৰতি বিশ্বাসঘাতকতা কৰিলে, সেইদিনাৰ-পৰা নিজৰ ভৰিত থিয় দিয়াৰ বাহিৰে তেওঁলোকৰ আৰু বাছি লবলৈ একো নাথাকিল।

☐ মুখ্যমন্ত্ৰী প্ৰফুল্ল কুমাৰ মহন্তই সংখ্যালঘুসকলক দিয়া আশ্বাস সম্পৰ্কে আপোনাৰ মন্তব্য কি ?

* সেই আশ্বাসক মই স্বাগতম জনাওঁ। চাওক, তেওঁলোক আছিল বিক্ষোভকাৰী (agitationist), তেওঁলোক আছিল ৰাজপথৰ ৰাজনীতিত ; এতিয়া তেওঁলোকে ক্ষমতাৰ গাদী পালে। এফালৰপৰা চাবলৈ গলে, তেওঁলোক এতিয়া ক্ষমতালৈ অহাত মই সুখী। কংগ্ৰেছে চুক্তিখনৰ বাবে কৃতিত্ব (credit) দাবী কৰিছে ; কিন্তু এই চুক্তি সম্ভৱপৰ হ'ল এই বিক্ষোভ-কাৰীসকলৰ বাবেহে। এই চুক্তিত কেন্দ্ৰীয় চৰকাৰৰ অনুমোদন আছে। এতিয়া ন্যায়সম্মত (rightful) দলে চুক্তিখন কাৰ্যকৰী কৰক আৰু তেওঁলোক কাৰ্যকৰী কৰাৰ পৰিণামৰ সম্মুখীন হওক। তেওঁলোক যদি ক্ষমতালৈ নাহিলহেঁতেন, তেনেহলে তেওঁলোকে চুক্তিখন কাৰ্যকৰী কৰাৰ পৰিণামৰ কথা উপলব্ধি নকৰি সেইখন কাৰ্যকৰী কৰিবলৈ বাহিৰৰ পৰা বিক্ষোভ প্ৰদৰ্শন কৰি থাকিলহেঁতেন। এতিয়া তেওঁলোকে ক্ষমতাৰ গাদী পালে ; তেওঁলোকে সেইখন কাৰ্যকৰী কৰক আৰু লগতে কওক যে অসমত আমি শান্তি, সমৃদ্ধি আৰু প্ৰগতিৰ প্ৰতিশ্ৰুতি দিব খোজোঁ। তেওঁলোকলৈ আমাৰ একমাত্ৰ অনুৰোধ হ'ল— অসমৰ আধাখিনি মানুহক,— এই সংখ্যালঘুসকলক (অৱহেলিত কৰি) এৰি আপোনালোকে এখন শান্তিপূৰ্ণ আৰু সুখী অসম পাব নোৱাৰে। সংখ্যালঘুসকলৰ কথা কবলৈ হলে,— তেওঁলোকে চুক্তিখনৰ মুখামুখি হৈ নিজৰ অৱস্থাৰ কথা পুনৰ বিবেচনা কৰিব লাগিব।

☐ বৰ্তমানে ই-কংগ্ৰেছ হ'ল সংযুক্ত সংখ্যালঘু মৰ্চা আৰু অসম গণ পৰিষদ উভয়ৰে উমৈহতীয়া শত্ৰু। এই কথাটোৱে এই দুয়োটা দলক এখন উমৈহতীয়া মঞ্চৰ সুবিধা দিব বুলি আপুনি ভাবে নে কি ?

* নহয়, আপোনাৰ ভুল হৈছে মহাশয়। চাওক, তেওঁলোক হ'ল উমৈহতীয়া বন্ধু। কংগ্ৰেছ আৰু অসম গণ পৰিষদ উমৈহতীয়া বন্ধু ; সেই দুয়ো পক্ষ চুক্তিখনৰ সমৰ্থক। আগতে আমাক কংগ্ৰেছৰ বি-টিম বোলা হৈছিল ; এতিয়া আমি কওঁ,—আপোনালোক (কংগ্ৰেছ) অসম গণ পৰিষদৰ বি-টিম।

☐ যোৱা ৩৮ বছৰত আমি দেখিলো যে সংখ্যালঘুসকল বৰ্তি থাকিবলৈ হ'লে তেওঁলোকে ইষ্টাব্লিছমেণ্ট বা ক্ষমতাত থকা দলৰ ওপৰত ভাৰসা কৰিব লাগিব। গতিকে, বিৰোধীপক্ষত থাকি সংখ্যালঘুৰ আশা-আকাংক্ষা পূৰণ কৰাৰ আঁচনি কেনেকৈ কৰিছে ?

* হয়। বৰ্তমানে আমাৰ লগত কোনো নাই ; আমাক কোনেও আশ্ৰয় নিদিয়ে। মিছেছ গান্ধীৰ চৰকাৰে দিছিল। জৰুৰীকালীন অৱস্থাৰ সময়ত আমি তেওঁৰ বহু নীতিৰ বিৰোধী আছিলো ;—যুবকসকলক দুৰ্নীতিগ্ৰস্ত কৰা,— আৰু কিমান কত কথা ! আৰু বিশেষকৈ এই শেষৰ মন্ত্ৰীসভাখন ;—আপুনি ভাবেনে কি—আমি সুখী আছিলো ? অসমত গঠিত হোৱা মন্ত্ৰী সভাবোৰৰ আটাইতকৈ বেছি দুৰ্নীতিগ্ৰস্ত আছিল এই মন্ত্ৰীসভা ;— ই সকলো স্তৰতে সামাজিক জীৱন দুৰ্নীতিগ্ৰস্ত কৰিলে। তথাপি, আমি অসহায় আছিলো আৰু আমি কংগ্ৰেছৰ লগতে আছিলো। কিন্তু যিহেতু এতিয়া আমি অসহায়, গতিকে নিজে নিজৰ ভৰিত থিয় হোৱাৰ বাহিৰে আমাৰ আৰু অইন উপায় নাই।

---

**শান্তিৰঞ্জন দাসগুপ্ত**

হোজাই সমষ্টিৰ বিধায়ক, সং. সং. মৰ্চাৰ উপসভাপতি

☐ আপোনাৰ ৰাজনৈতিক জীৱনত আপুনি প্ৰায় সদায়ে শাসক দলত আছিল, মন্ত্ৰী হৈ আছিল। শাসনত থকা সত্ত্বেও আপোনালোকে সংখ্যালঘুসকলক নিৰাপত্তা দিব নোৱাৰিলে— যাৰ বাবে আপোনালোকে এতিয়া এনেদৰে ওলাই আহিব লগীয়া হ'ল। এইটো আপোনালোকৰে বিফলতা বুলি নাভাবে জানো ?



ফটো : দীপক বেজবৰুৱা

* নহয়, সেইটো আমাৰ বিফলতা নহয়। দল এটা থাকিলেও তাৰ নেতা গৰাকীৰ ইচ্ছা, মত আদিহে শেষত matter কৰেগৈ। দলৰ সুন্দৰ নিৰ্বাচনী ইস্তাহাৰ এখন থাকে, তাত অনেক সুন্দৰ কথা লিখা থাকে আৰু আমি পুৰণি কলীয়া মানুহখিনিয়ে তাকে সঁচা বুলি ভাবি লওঁ। কিন্তু যেতিয়া দেখোঁ যে এইবোৰ ৰাইজৰ মন ভুলুৱা কথাহে, তেতিয়া উপায় নাথাকে ; —বিদ্ৰোহ কৰিবলগীয়া হয়।

☐ ভাৰতবৰ্ষত আমি দেখি আহিছোঁ যে, প্ৰত্যেক ৰাজ্যতে সংখ্যালঘুসকলে দিল্লীৰ পৰা সহায় সুবিধা নাপালে চলিব নোৱাৰে। এতিয়া আপোনালোকে দিল্লীৰ বিৰুদ্ধে বিদ্ৰোহ কৰি থাকি সংখ্যালঘুসকলৰ স্বাৰ্থ কিমান দূৰ বজাই ৰাখিব পাৰিব বুলি ভাবে ?

* দৰাচলতে দিল্লী বা অসমৰ বিৰুদ্ধে আমাৰ বিদ্ৰোহ নহয় ; আগতে সংখ্যালঘুখিনি consolidated হ'ব পৰা নাছিল, তেওঁলোক ৰাজনৈতিকভাৱে সচেতন নাছিল। তেওঁলোকে ভাবি আছিল যে, ৰাজা যি আছে, তেওঁ আমাক ৰক্ষা কৰিব। কিন্তু ৰাজাই আমাক প্ৰতাৰণা কৰাৰ ফলত আমাৰ অন্য উপায় নোহোৱা হ'ল। ৰাজাৰপৰা আঁতৰি আহি জীয়াই থাকিবৰ নিমিত্তেই ইউ. এম. এফৰ জন্ম হ'ল।

☐ সংখ্যালঘুৰ ৰাজনীতিৰ আবিৰ্ভাৱে অসমৰ ভৱিষ্যত অন্ধকাৰ কৰি পেলাব পাৰে বুলি অনেকৰে মনত যি সংশয়ৰ ভাব হৈছে আপোনাৰ সেই সন্দৰ্ভত মত কি ?

* অসমীয়া সমাজৰ লগত মই মোৰ গোটেই জীৱনটোৱেই জড়িত হৈ আছোঁ। অসমৰ কিবা বেয়া হওক, এনেকুৱা কাম কেতিয়াও কৰা নাই। নতুন যিটো চৰকাৰ হৈছে, এওঁলোকে চিন্তাধাৰাতো অলপ বহল কৰিব লাগিব। ভাষিক সংখ্যালঘু বা ধৰ্মীয় সংখ্যালঘুৰ বিৰুদ্ধে





OKDISCD

যিবোৰ লেখা-মেলা হৈ থাকে, সেই চিন্তাধাৰাবোৰ যদি অলপ বহল নকৰে, তেতিয়া সংখ্যালঘু মানুহখিনিৰ উপায় নাথাকে। আৰু এতিয়া সংখ্যালঘুৰ মাজত যি ঢৌ আহিছে যে, We must get together and we must stay together, এই চিন্তাধাৰাটো নতুন চৰকাৰে নতুন পৰিবেশ সৃষ্টি কৰি, বহল দৃষ্টি এটা লৈ বহুখিনি দূৰ কৰি পেলাব পাৰে। আমি আঁতৰি আহিছিলো যেতিয়া আমাৰ অইন কোনো উপায় নাছিল। আমাক বচাবৰ নিমিত্তেই আমাৰ নিজৰ মঞ্চ এটা লাগিছিল। **এতিয়া সেই মঞ্চৰ ওপৰত থিয় হৈ আমাক বচোৱাৰ কথাটো কাক ক'ম? এতিয়া আমি আৰু দিল্লীক নকওঁ; —গণ পৰিষদক ক'ম। এতিয়া প্ৰফুল্ল কুমাৰ মহন্তক আমি কম, অসম চুক্তিখনৰ নৱ মূল্যায়ন কৰিব লাগে।**

☐ নতুন চৰকাৰৰ সংখ্যাগৰিষ্ঠতা খুব বেছি নোহোৱাৰ পৰিপ্ৰেক্ষিতত সোতৰজন বিধায়কৰ এটা গোট হিচাপে আপোনালোকৰ ক্ষমতা নিশ্চয় বৃদ্ধি পাইছে। এই ক্ষমতা আপোনালোকে কেনেদৰে ব্যৱহাৰ কৰিব?

* আমাৰ দলে সেইটো ঠিক কৰিব। পাৰ্টিয়ে ঠিক কৰিব— কেনেকুৱাভাৱে নতুন চৰকাৰৰ লগত আমাৰ dealings হোৱা উচিত। মোৰ ব্যক্তিগত মত এয়ে যে, তেওঁলোকে যদি অসম চুক্তিখনৰ নৱ মূল্যায়ণ কৰিব বুলি প্ৰতিশ্ৰুতি দিয়ে, তেন্তে আমি দলক অনুৰোধ কৰিম যাতে এই চৰকাৰৰ ওপৰত কোনো pressure নপৰে। অসম চুক্তিখন হৈছিল এটা আন্দোলনকাৰী পক্ষ আৰু ভাৰত চৰকাৰৰ মাজত; কিন্তু এতিয়া চুক্তিখনৰ ৰূপায়ণৰ দায়িত্ব পৰিছে অসমৰ ৰাইজৰ দ্বাৰা নিৰ্বাচিত চৰকাৰ এটাৰ ওপৰত। প্ৰফুল্ল মহন্ত আৰু ভৃগু ফুকনৰ status এতিয়া সলনি হৈছে; —তেওঁলোকে সেইটো এতিয়া মন কৰা উচিত। আমাৰ কথা হ'ল The whole minority is in danger from the 'every' section of the accord; গতিকে তেওঁলোকে যদি চুক্তিখনৰ নৱ মূল্যায়নৰ প্ৰতিশ্ৰুতি দিয়ে, তেনেহ'লে আমি নিশ্চয় সহায় কৰিম।

☐ যোৱা ৩৮ বছৰে কংগ্ৰেছে বিদেশীৰ ভোটেৰে অসমত ৰাজনীতি খেলিলে। এইবাৰ সেই ৰাজনীতি আপোনালোকে খেলাৰ দৰে নহ'ল জানো?

* নহয়, কংগ্ৰেছে সংখ্যালঘুৰ সমৰ্থন পাইছিল, বিদেশীৰ ভোট পোৱা বুলি নকওঁ। মই ৰাজীৱ গান্ধীলৈ এখন চিঠি দিছিলো যে, Census Report of India 1961-71-অৰ পৰা এইটো দেখা যায়, যিসকলক বিদেশী বুলি কোৱা হৈছে, তেওঁলোক আচলতে বিদেশী নহয়। বিদেশীৰ সংখ্যা কিমান সেইটো দৰাচলতে ভোটাৰ তালিকাৰ পৰা নিৰূপণ কৰিব পৰা নাযায়, মাত্ৰ ছেন্‌ছাছ ৰিপ'ৰ্টৰ পৰাহে সেইটো উলিয়াব পৰা যাব। গোলমাল হৈছে চৰকাৰৰ বিভিন্ন বিভাগৰ মাজত সমন্বয় নথকা বাবেহে। ছেন্‌ছাছ ডিপাৰ্টমেণ্টৰ লগত ইলেকশ্যন ডিপাৰ্টমেণ্টৰ সমন্বয় থকাহেঁতেন আজিৰ এই অৱস্থা নহ'লহেঁতেন।



ফটো : দীপক বেজবৰুৱা

**মজহৰুল লতিফ**
সহ সাধাৰণ সম্পাদক, সং· সং· মৰ্চা

☐ যোৱা নিৰ্বাচনত আপোনালোকৰ মৰ্চাৰ মূল সফলতা কি বুলি ভাবে?

* শাসক যন্ত্ৰৰ যি শোষণ ব্যৱস্থা এই ৩৮ বছৰে চলি আহিছিল, তাক সঁচাকৈয়ে আমি চূৰমাৰ কৰি দিলো। অকল অসমতে বুলি নহয়, সমগ্ৰ পূৰ্বাঞ্চলতেই তেওঁলোকৰ আশা আমি বহুদিনলৈ মষিমূৰ কৰি পেলালো। তেখেতসকলে বিগত ৩৮ বছৰে বৃটিছৰ দৰে divide and rule policy লৈ আমাৰ মাজত সোমাই যিখিনি প্ৰতাৰণা কৰিলে, সেইখিনি আমি ৰাইজৰ আগত উদঙাই দিলো। তেওঁলোকক এনেকুৱা এটা শিক্ষা দিলো যাতে ভৱিষ্যতে আৰু আমাৰ মাজত সোমাই তেওঁলোকে বিভেদ সৃষ্টি কৰিব নোৱাৰে।

☐ আপুনি নিজকে অসমীয়া বুলি ভাবেনে?

*** মই যদি অসমীয়া নহওঁ, তেনেহ'লে কি হ'ম? এহেজাৰ এশবাৰ মই অসমীয়া। প্ৰথমে মই অসমীয়া, তাৰ পাছতহে মুছলমান।**

☐ এজন অসমীয়া হৈয়ো যোৱা নিৰ্বাচনত সংযুক্ত সংখ্যালঘু মৰ্চাৰ প্ৰাৰ্থী ৰূপে থিয় দি আপোনাৰ কেনে লাগিছিল?

* আমাৰ সংগ্ৰাম অন্যায়ৰ বিৰুদ্ধেহে আছিল, গণ পৰিষদ বা অসমীয়াৰ বিৰুদ্ধে নাছিল। যোৱা ৩৮ বছৰে কংগ্ৰেছে আমাৰ সৈতে যি অন্যায় কৰিলে, তাৰ বিৰুদ্ধেহে আমি সংগ্ৰাম কৰিছিলো।

☐ যদিওবা আপোনালোকৰ অসমীয়াত্বৰ ওপৰত কোনো সন্দেহ নাই, কিন্তু যোৱা নিৰ্বাচনৰ সময়ত আমাৰ ভাব হ'ল, আপোনালোকে যেন অসমীয়াখিনিতকৈ বাঙালীখিনিৰ সৈতেহে অধিক সহৃদয়তা প্ৰকাশ কৰিলে। আপোনাৰ মতামত কি?

* এইটো কেতিয়াও নহয়। যদিও এক শ্ৰেণীয়ে সেইটো সুবিধা লৈছে, কিন্তু তাত ভুল বুজিব নালাগে। কাৰণ আমাৰ মূল উদ্দেশ্য আছিল চুক্তিখনৰ বিৰোধিতা কৰাহে।

মই আগতেই কৈছোঁ যে প্ৰথমতে মই অসমীয়া, তাৰ পাছতহে মুছলমান। পমুৱা মুছলমানখিনিয়ে 'আমৰা অসমীয়া' বুলি লিখি দি অসমৰ ভাষা-সংস্কৃতিৰ লগত মিলি অসমক উন্নতিৰ পথত আগুৱাই লৈ গৈছিল। আৰু এতিয়াও তেওঁলোক এই হিচাপেই আছে। কংগ্ৰেছৰ দালালিৰ ফলতে অসমৰ লগত আমাৰ যিটো চিৰকলীয়া সম্বন্ধ আছে, সেইটো বেয়াকৈ ক্ষতিগ্ৰস্ত হ'ল। **আৰু ইউ· এম· এফৰ দ্বাৰাই আমি হয়তো গণ পৰিষদৰ লগত নিবিড় সম্বন্ধ গঢ়ি তুলি অদূৰ ভৱিষ্যতে অসমত এটা ৰিজিঅ'নেল পাৰ্টি হিচাপে থাকি অসমক উন্নতিৰ পথত আগুৱাই লৈ যাব পাৰিম।**

☐ আপুনি যোৱা নিৰ্বাচনত কলিয়াবৰৰ লোকসভাৰ সমষ্টিৰপৰা প্ৰতিদ্বন্দ্বিতা কৰোঁতে বা নিৰ্বাচনী অভিযান চলাওঁতে, গণ পৰিষদৰ সৈতে কিবা মুখামুখি সংগ্ৰামলৈ আহিবলগীয়া হৈছিল নেকি?

* মইতো গণ পৰিষদৰ কেম্পত থাকিয়েই নিৰ্বাচনী অভিযান চলালো। যেনে ধৰক, মই যিখন হোটেলত আছিলো, তালৈ প্ৰফুল্ল মহন্তও যায়, গণ পৰিষদৰ মানুহো তাত ২৪ ঘণ্টাই থাকে। তেওঁলোকৰ লগত কথা পাতিছোঁ, তেওঁলোকৰ লগত ভাই-ককাইৰ দৰে থাকিয়েই মই নিৰ্বাচনী অভিযান চলাইছিলো। আৰু মই কোনো ছিকিউৰিটিও লোৱা নাছিলো।

☐ অসম গণ পৰিষদৰ প্ৰতি এতিয়া আপোনালোকৰ মনোভাব কেনে ধৰণৰ?

* খুবেই ভাল। মই ভাবোঁ যে, তেওঁলোকে ৰাইজৰ মাজত থাকি যোৱা সাত বছৰে যি আন্দোলন চলালে, সেই আন্দোলনৰ মাজেৰে যি অভিজ্ঞতা হ'ল, তাৰপৰা ক'ব পাৰি, তেওঁলোকে নিশ্চয় ৰাইজৰ চকুলো দেখিছে, সুখ-দুখ বুজিব পাৰিছে। মই ভাবোঁ, তেওঁলোকে এখন খুব ভাল ministry চলাব পাৰিব।



ফটো : দীপক বেজবৰুৱা

**ডঃ অৰ্দ্ধেন্দু কুমাৰ দে,**
লামডিঙৰ বিধায়ক, সং· সং· মৰ্চাৰ নেতা।

☐ এমাহ আগলৈকে আপুনি এজন চৰকাৰী চিকিৎসক আছিল। হঠাতে আপুনি এনেদৰে সংখ্যালঘু মৰ্চাত যোগ দিলে কিয়?

* পৰিস্থিতিয়েই মোক বাধ্য কৰিলে। আমাৰ অঞ্চলত এদিন ভোটাৰ তালিকাৰ অবজেকশ্যনৰ নিমিত্তে পপিয়া নামৰ মাইকী মানুহ এগৰাকী চৰকাৰী কাৰ্যালয়ৰ সমুখত লাইনত থিয় দিব লগীয়া হ'ল। তেখেতৰ advanced stage of pregnancy চলি আছিল। গিৰিয়েকে অফিছাৰৰ আগত অনেক অনুনয় বিনয় কৰাৰ পাছতো তেখেতৰ কামটো আগতে কৰি দিয়া নহ'ল। লাইনত থাকোঁতেই ৰাস্তাৰ ওপৰতে শ শ মানুহৰ আগত মানুহ জনীয়ে প্ৰসৱ কৰিলে; কেইজনমানে লাজতে ছাতিৰে তেওঁক ঢাকি ধৰিলে। মই তেতিয়া হছপিটালত ডিউটিত আছিলো বাবে মোক মতা হ'ল। গোটেই অৱস্থাটো দেখি ভাব হ'ল, আজি পপিয়াৰ যিটো অৱস্থা হ'ল, কাইলৈ অইন কোনোবা এজনী মাইকী মানুহৰ হ'ব। মাতৃজাতিৰ প্ৰতি অৱমাননা দেখিয়েই মই ৰেজিগনেশ্যন দি ৰাজনীতি কৰিবলৈ ঠিক কৰিলো। লাহে লাহে উপলব্ধি কৰিলো, অসম চুক্তিখনে যেন আমাক ভৰিৰ তলত মাটি নথকা পৰ্যায়লৈ লৈ গ'ল।

☐ অসমীয়া মানুহৰ সাধাৰণতে ক্ষোভ যে, বাঙালী মানুহখিনিয়ে অসমত অসমীয়াৰ majority status মানি নলয়। বাঙালী সম্প্ৰদায়ৰ এজন নেতা হিচাপে আপোনাৰ অভিমত কি?

* সেইটো মই মানি নলওঁ। মই নিজে চাকৰিৰ অধিকাংশ সময় অসমীয়াৰ মাজতে আছোঁ, তেওঁলোকৰ আচাৰ ব্যৱহাৰো লৈছোঁ, —মই আনকি বিহু মাৰিবও জানো। হোজাইত থাকোঁতে এইচ. এছ· এল· ছিত প্ৰতি-



OKDISCD

বছৰে অসমীয়াত হায়েষ্ট মাৰ্ক পোৱাজনক দুশ টকাকৈ পুৰস্কাৰ দিছিলো। অসম সাহিত্য সভাই আনকি তেনে কাম এটো কৰা নাই।

☐ ইমানখিনি চেষ্টা চলোৱা সত্ত্বেও অসমীয়া আৰু বাঙালীখিনিৰ মাজত এটা অবিশ্বাসৰ ভাব থাকি যোৱাৰ কাৰণ কি ?

* খুব সম্ভৱ প্ৰচাৰৰ অভাৱ হৈছে। আৰু আমি ইজনে সিজনে প্ৰত্যেকেই ভাবোঁ যে আমাৰ সংস্কৃতি বিপদাপন্ন হৈছে। সেইটো হ'বলৈ দিব নালাগে। ইয়াত সাম্প্ৰদায়িক ৰহণ সনা উচিত নহয়।

☐ আমি দেখিছোঁ যে, অসম চুক্তিখনৰ বাহিৰে বাকী অইন ক্ষেত্ৰত গণ পৰিষদৰ কোনো নীতি সম্বন্ধেই আপোনালোকৰ বিৰোধিতা কৰিবলৈ একো নাই। গতিকে, অসমৰ বৃহত্তৰ স্বাৰ্থৰ খাতিৰত অসম চুক্তিখনৰ ক্ষেত্ৰত আপোনালোক কিছু flexible হ'ব পাৰে নেকি ?

* দৰাচলতে আমাৰ quota তো এতিয়া zero ; — আমাৰ এৰি দিবলগীয়া একোৱেই নাই। গণ পৰিষদৰ হাততে সকলো আছে। গতিকে, তেখেত সকলে যদি কিছু এৰি দিয়ে, তেনেহলে মই ভাবোঁ আমাৰো ভাল হ'ব, অসমৰো ভাল হ'ব।

☐ যদি গণ পৰিষদ অসম চুক্তিখন সম্পৰ্ভত কোনো এৰা-ধৰা কৰিবলৈ সন্মত নহয়, তেতিয়া আপোনালোকে কি মত ল'ব ?

* এই বিষয়ে এতিয়া একো ক'ব নোৱাৰিম।



**আব্দুল হাছিব,**
যুৱনেতা, সংযুক্ত সংখ্যালঘু মৰ্চা, হোজাই

☐ আপোনালোকে হঠাতে ইমান কি বিপদাপন্ন বুলি অনুভৱ কৰিলে, যাৰ বাবে এনেদৰে সংখ্যালঘু মৰ্চা গঠন কৰিব লগীয়া হ'ল ?

* চাওক, যোৱা বিধানসভাখনত কেইবাজনো মুছলমান এম. এল. এ. আৰু বাঙালী হিন্দু এম. এল. এ. আছিল আৰু এওঁলোকে অসম চুক্তিখন স্বাক্ষৰিত হোৱাৰ সময়ত, যিখনত দেখ দেখ কৈ সংখ্যালঘুৰ প্ৰতি অবিচাৰ কৰা হৈছে, কোনো মাত নামাতিলে। কংগ্ৰেছৰ যিটো গাইডলাইন আছে, তাৰ বাহিৰত মাত মাতিবৰ সাহস কৰা নাই, ৰাজীৱ গান্ধীয়ে কৈছে, তহঁতে হাত দাং, সিহঁতে হাত দাঙি দিছে। এওঁলোকে নিজৰ মানুহ-খিনিৰ একো ছে'ফগাৰ্ড দিবতো নোৱাৰিলেই, আনকি মুখেৰেও একো মতা নাই। এইটোৱেই আছিল আমাৰ মানুহৰ আটাইতকৈ ডাঙৰ ক্ষোভ।

☐ আমি মানি ল'লো যে, কংগ্ৰেছ চৰকাৰে প্ৰতাৰণা কৰা বাবে আপোনালোক ওলাই আহিব লগীয়া হ'ল। তাৰ পৰিপ্ৰেক্ষিতত, কংগ্ৰেছৰ বিকল্প হিচাপে নতুন আশাৰ দল গণ পৰিষদৰ সৈতে হাত মিলোৱাহেঁতেন আপোনালোকৰ অধিক লাভ নহ'লহেঁতেন জানো ?

* গণ পৰিষদৰ আটাইবোৰ নেতাৰে সংখ্যালঘু সম্বন্ধীয় stand clear নহয়। আৰু গণ পৰিষদ গঠন হোৱাৰ সময়তো তেওঁলোকে ভুল কিছুমান কৰিলে। আমাৰ হোজাইত প্ৰথম যেতিয়া গণ পৰিষদৰ কমিটি গঠন কৰা হ'ল, তেতিয়া মুছলমানক প্ৰতিনিধিত্ব কৰা বুলি তেওঁলোকে আমাৰ সমাজৰ এনেকুৱা দুই-চাৰিজন মানুহক নিছে, যাক মুছলমান কমিউনিটিয়ে আউটৰাইট ৰিজেক্ট কৰি থৈছিল। আপুনি মন কৰিব যে, যোৱা আন্দোলনটোৰ আৰম্ভণিতে অসমীয়া মুছলমানখিনিৰ আন্দোলনটোৰ প্ৰতি সম্পূৰ্ণ সমৰ্থন আছিল, কিন্তু লাহে লাহে আমি অনুভৱ কৰিলো যে আন্দোলনটোৰ গতি পৰিবৰ্তন হৈছে, কেইবাজনো আগশাৰীৰ মুছলমান নেতাক বহিষ্কাৰ কৰা হ'ল। অৱশ্যে সেই যি এটা দুষ্ট গ্ৰহৰ ছাপ অসম আন্দোলনত পৰিছিল, সেইটো বৰ্তমানে নাই। সেইটো থকাহেঁতেন AGPৰ alliance আজি BJPৰ সৈতে হ'লহেঁতেন।

☐ সংখ্যালঘু বুলি কওঁতে আমি সদায়ে পমুৱা মুছলমানখিনি আৰু বাঙালীখিনিৰ মাজত প্ৰভেদ আনিব খোজো এই কাৰণেই যে, মুছলমানখিনি অসমীয়াৰ সৈতে ইমান সুন্দৰভাৱে মিলি গ'ল যে, তেওঁলোকক আকৌ সংখ্যালঘু বুলি কৈ পৃথক কৰিব আমি নোৱাৰোঁ। কিন্তু যোৱা নিৰ্বাচনৰ সময়ত দেখিলো, আপোনালোকে নিজেই যেন এটা পৃথক ভাব বজাই ৰাখিব খোজে এইটো কিয় হ'ল ?

* এইটো সঁচা কথা যে, অসমীয়া জাতিসত্তাৰ এটা মূলধাৰা হ'ল অসমীয়া মুছলমান ; তেওঁলোকক বাদ দি অসমীয়া জাতি সম্পূৰ্ণ নহয়। আমি আগতে নিজকে অসমীয়াতকৈ বেলেগ বুলি কেতিয়াও ভবা নাছিলো। চাওক, এই অঞ্চলৰ আটাইতকৈ পুৰণা স্কুল হৈছে হাছিব হাইস্কুল ; — এইখন ১৯৪৬ চনত স্থাপন হৈছিল আৰু তেতিয়াৰে পৰা ইয়াত অসমীয়া চলি আহিছে। ইমান বছৰ আগেয়েই মানুহখিনিয়ে কোনো হেঁচাত পৰিতো অসমীয়া স্কুল স্থাপন কৰা নাছিল, স্বতঃস্ফূৰ্তভাৱে কৰিছিল। আমি নিজে অসমীয়া মাধ্যমত পঢ়া। ৭২ ৰ ভাষা আন্দোলনত অনিল বৰা যেতিয়া শ্বহীদ হ'ল, তেতিয়া আমি নিজৰ বয়ীয়াকৈ হোজাইত আন্দোলন কৰিছিলো; আমাকতো কোনেও বাধ্য কৰোৱা নাছিল ! কিন্তু আজি নতুন পুৰুষে ভাবিবলৈ বাধ্য হৈছে যে, অসমীয়া লৈ আমি কিবা ভুল কৰিছিলো নেকি ? আমাৰ কোনো পৰিচয়েই নাইকিয়া হৈ গ'ল। ধুবুৰীৰ পৰা শদিয়ালৈ আমাৰ এটাই পৰিচয় — যে আমি বিদেশী। মোৰ দাদা (ককা) এই গোপালনগৰত বাস কৰিছিল, মোৰ বাবাৰ জন্ম ইয়াতে, মই ইয়াত ডাঙৰ-দীঘল হৈছোঁ, অথচ আপুনি ছেটলমেণ্ট অফিছলৈ গৈ মেপ চালে দেখিব, আমাৰ গোপালনগৰ অঞ্চলটোক immigrants area বুলি এতিয়াও স্পষ্টকৈ দেখুওৱা হয়। সৰু উদাহৰণ এটা কিন্তু এইবোৰে আমাৰ মনত কষ্ট দিয়ে, অনিচ্ছা সত্ত্বেও আমি যে বেলেগ, সেইটো ভাবিবলৈ বাধ্য হওঁ।

☐ পুৰণি ভুলবোৰ সংশোধনৰ নিমিত্তেই গণ পৰিষদৰ জন্ম হোৱা বুলি কোৱা হৈছে। আপোনালোকৰ ক্ষেত্ৰত গণ পৰিষদে কি ভূমিকা লোৱা উচিত বুলি ভাবে ?

* আমি ভাবোঁ যে, গণ পৰিষদে আকৌ যদি আমাক আকোঁৱালি লয়, তেতিয়াতো আমাৰ ইউ. এম. এফ কৰাৰ কোনো দৰকাৰেই নাই। আমাৰ সংখ্যালঘু মানুহখিনিক তেওঁলোকে এটা নিৰাপত্তা দিব লাগে, ইমান দিনে কংগ্ৰেছে যিটো নিৰাপত্তা দিব পৰা নাই। কংগ্ৰেছে ইমান দিনে আমাৰ মাজত এটা ভয়ৰ ৰাজনীতি কৰি আছিল, — যেন এই আহিব, এই কাটিব, এই মাৰিব ! তেনেকৈয়ে শংকাৰ ভাব এটা আমাৰ মনত সুমুৱাই দি আমাক ৰাজনৈতিকভাৱে শোষণ কৰি আছিল। গণ পৰিষদেও যদি আকৌ তেনে এটা ভয়ৰ ৰাজনীতি আৰম্ভ কৰে, তেন্তে মানুহখিনি হয় কংগ্ৰেছলৈ যাব, নহয় তেওঁলোকে ইউ. এম. এফ কৰিব। গণ পৰিষদে এই ভয়ৰ ৰাজনীতিটো আঁতৰ কৰিব পাৰিলেই মোৰ নিচিনা সাধাৰণ মানুহখিনিয়ে, যাৰ কোনো ৰাজনৈতিক স্বাৰ্থ নাই, গণ পৰিষদক সমৰ্থন নিশ্চয় কৰিব। আমাৰ গাঁৱৰ এই সাধাৰণ মানুহখিনিক কোনো চাকৰি নালাগে ; পাৰমিটৰ কাৰণেও তেওঁলোকে দৌৰাদৌৰি নকৰে ; মাত্ৰ তেওঁলোকে যদি প্ৰাণৰ নিৰাপত্তাৰ অভয় বাণী এটা পায়, তাতেই তেওঁলোক সন্তুষ্ট হ'ব। গণ পৰিষদে আমাক সেইখিনি অভয়বাণী দিলে আমাৰতো ইউ. এম. এফ কৰাৰ কোনো প্ৰয়োজনেই নাই।

**সংখ্যালঘু মৰ্চাৰ প্ৰাৰ্থী নিৰ্বাচিত হোৱা সমষ্টিসমূহৰ ভোটৰ ধৰণটো**

| সমষ্টি | স.স.ম. | অ.গ.প. | ই.কং | জনতা | ছি.পি.এম. | ছি.পি.আই. | এছ.কং | নিৰ্দলীয় (ঠুঠ) |
|---|---|---|---|---|---|---|---|---|
| পশ্চিম বিলাসীপাৰা | ২২,১৩৩ | ৬,০৩৬ | ৬,৭৩৮ | ১,০০৬ | — | ১৪,৪৭৪ | ১,৪০৫ | ১৮৪ |
| উত্তৰ অভয়াপুৰী | ২২,৫২৬ | ১৬,৬৯৮ | ১,৬৯০ | ৫০৮ | ৯,৩৮৯ | — | ৪৩৪ | ২,৫৪৩ |
| দক্ষিণ অভয়াপুৰী (অনু. জ.) | ২৯,৭৪২ | ২৫,২৩৫ | ৬,১১৭ | — | — | — | — | ১,৩০৯ |
| পূব গোৱালপাৰা | ২৭,৮৬২ | ২৫,৯৯৪ | ৭,২৪২ | ২০৮ | ৩৪৪২ | — | — | ২,৮৭৪ |
| পশ্চিম গোৱালপাৰা | ২৭,০১৮ | ২১,১৮১ | ৯,২৯৭ | — | — | — | — | ৬,৫৯৩ |
| জলেশ্বৰ | ৩৩,৬৬৩ | ৬,০৭৯ | ১১,৩৯৪ | — | — | — | — | ৪,১২৪ |
| জনিয়া | ৪৭,৬৯৩ | ৫,৪৩৮ | ১,৩২৩ | ৩১৭ | ৫,১৫৯ | — | ২৯৮ | ২,৮৭৯ |
| বাঘবৰ | ৩০,৭৪৭ | ৭৭৮ | ২,৬১৮ | — | — | — | — | ১৮,৬৩৯ |
| চেঙা | ১৯,৪১২ | ১৪,৯৪৫ | ৯৯২ | ৩৫৫ | — | — | ২২৫ | ১৬,১৫৮ |
| বকো (অনু. জ.) | ৩০,৫৬৪ | ২৬,৩৮৩ | ৭,৭৬০ | — | ৩,২৪৬ | — | ৪৬৭ | ১,৩৪৮ |
| দলগাঁও | ৩৬,০০১ | ১২,৯৩৬ | ৮,৫৩৯ | ১,৩৬৯ | — | — | ৩০৩ | ১,২৫৩ |
| ধিং | ৩৫,৪৮৩ | ৬,০১৩ | ৯,০১০ | — | ২,৬০৩ | — | ৬০৮ | ৬,৬১৯ |
| ৰূপহীহাট | ২৮,৯০২ | ১০,২৫৬ | ২২,৬৯২ | ৪০০ | — | — | — | ২,০৪২ |
| চাপৰুৱি | ২২,৬৩১ | ১২,৬৯১ | ৫,৬২১ | ৪৯২ | — | — | — | ৯,৮৭২ |
| যমুনামুখ | ৪১,৬২৩ | ৩,৪০১ | ৪,৬৬৭ | ৭৫৪ | — | ১০১৬ | ১৯৫৫ | ১০,২৩১ |
| হোজাই | ২৫,৩৪৩ | ৮,২৬৫ | ১৯,৫৮৮ | ৭০৫ | ৮,৭০৯ | — | — | ১,১৩৩ |
| লামডিং | ২১,১৩১ | ১১,৮৩৬ | ৬,০০২ | — | ১৬,৭৬৫ | — | ৪,৯৩৯ | ৮৩৯ |





OKDISCD

# মুখ্যমন্ত্ৰী প্ৰফুল্ল কুমাৰ মহন্ত


## আঁৰত থকা অন্তৰংগ কথা

ছাত্ৰাবাসৰ কোঠালি এটাৰপৰা ওলাই গৈ অলপ পাছতে এখন সমস্যা-বহুল ৰাজ্যৰ মুখ্যমন্ত্ৰী হিচাপে শপত গ্ৰহণ ! এজন নাগৰিকে সিদিনা কৈছিল —এনেকুৱা ঘটনা সমগ্ৰ পৃথিৱীতে ঘটাই নাই হবলা। সঠিককৈ নাজানো।

এটা সময়ত এখন বাতৰি-কাকতত এগৰাকী সাংবাদিকে লিখিছিল— প্ৰফুল্ল কুমাৰ মহন্ত হয়তো অলপ ভাগ্যবান। সদৌ অসম ছাত্ৰ সন্থাৰ সভাপতি আহিলহেঁতেন, গলহেঁতেন ; কিন্তু এই আন্দোলনটোৱে মহন্তক ধৰি ৰাখিলে। তেওঁ সভাপতি হৈ থকা কালতে যে আন্দোলনটো হ'ল, সেই ঘটনাটোতে ভাগ্যৰ প্ৰশ্নটো জড়িত আছে।

কিন্তু কথাটো ইমান সঁচা আৰু ইমান সহজ নে ? নহয়। ছটা বছৰৰ অতি কঠিন দিনৰ, সহস্ৰ ঘটনা, ভয়-ভীতি, নিষ্পেষণ, প্ৰলোভন, কষ্ট আদিয়ে মহন্তক উটুৱাই লৈ নগ'ল কিয় ? তেওঁ এসময়ত আন্দোলন এৰি নপলাল কিয় ? আন্দোলনটো তেওঁৰ কাৰণে এজন অনন্যোপায় মানুহৰ দৰমহা খোৱা চাকৰিৰ নিচিনা আছিল নে কি ? এইবোৰ কথা বিচাৰ কৰিলে ভাগ্যৰ প্ৰশ্নটো তল পৰে। উল্লেখযোগ্য কথা, —আন্দোলনটোৰ আৰম্ভণিতে অন্য এজন যুবক স· অ· ছাত্ৰসন্থাৰ সভাপতি থকা হ'লে শেষত তেওঁৰ কি হ'লহেঁতেন সেইটো ৰিজাই চোৱাৰ কোনো উপায় আমাৰ হাতত নাই। তদুপৰি পৰিবেশ, সমস্যা আৰু ঘটনাই পৃথিৱীত বহু নায়ক সৃষ্টি কৰাৰ নজীৰ আছে। সেইবোৰক ভাগ্যলিপি নুবুলি ইতিহাস বোলা হয়।

মুখ্যমন্ত্ৰী হোৱাৰ দহদিনৰ ভিতৰত সৰ্বভাৰতীয় কাকত-আলোচনীৰ সংবাদ-সেৱীৰ লগত আছুতীয়া সাক্ষাৎকাৰ



মনোনয়ন পত্ৰ দাখিল কৰাৰ দুদিন আগেয়েও প্ৰফুল্ল মহন্তই ৰাতি এজন নাগৰিকলৈ টেলিফোন কৰিবলৈ কোঠালি এৰি ভালেমান দূৰলৈ যাব লগীয়া হৈছিল। এতিয়া বেছি নালাগে—এইখন ছবিতে তেওঁৰ কাষত এঘাৰটা টেলিফোন দেখা গৈছে। বক্তাৰ কণ্ঠস্বৰ আৰু সুৰ চিনি পাই চম্ভালাহে কথা !

প্ৰসংগত, সংবাদসেৱীৰ স্থানীয় সভাত, ৰাজহুৱা সভাত মহন্তই ভালেমান কথা কৈছে। কথাবোৰত তেওঁৰ চিন্তাৰ পুৰঠ চৰিত্ৰ এটা ধৰা পৰি আহিছে। অন্য এটা লক্ষ্যণীয় কথা হৈছে, বিচিত্ৰধৰ্মী বিৰোধীপক্ষৰ অভিজ্ঞ নেতাসকলৰ কথা-বতৰাত মহন্তৰ প্ৰতি এটা সদিচ্ছা-সমৰ্থনৰ ভাব প্ৰকাশ পাইছে। এইবোৰ কেৱল তেওঁ মুখ্যমন্ত্ৰীৰ আসনত বহাৰ কাৰণেই আচম্বিতে হৈছে নে ? নে এওঁৰ জীৱনটোত, মানুহটোৰ ভিতৰত আৰম্ভণিৰেপৰা এই অৱস্থাৰ বাবে প্ৰয়োজনীয় কিছুমান লক্ষণ বা উপাদান আছিলেই ?

যি কোনো মানুহৰ ক্ষেত্ৰত এইবোৰ বিচাৰ কৰিবলৈ বহুত তথ্য-পাতি লাগে ; বিশ্লেষণৰ বাবে সময় লাগে। সিমান তথ্য-পাতি সদ্যহতে আমাৰ হাতত নাই কাৰণে আমি এতিয়া "কম ছিৰিয়াছ" হ'ব লাগিব আৰু এতিয়ালৈকে যি যি তথ্য-পাতি হাতত পৰিছে, সেইবোৰকে চাই এটা প্ৰাথমিক ধাৰণা লব লাগিব।

কুঁৰৰীটোল উচ্চ ইংৰাজী বিদ্যালয়ত পঢ়ি থাকোঁতে প্ৰফুল্ল মহন্তই কবিতা লিখিছিল ; বৰগীত, তৰ্ক-প্ৰতিযোগিতা আদিত পুৰস্কাৰ পাইছিল। নৱম মানত থাকোঁতে তেওঁ সেই বিদ্যালয়ৰ সাধাৰণ সম্পাদক (ছাত্ৰ-সভাৰ) হৈছিল, আৰু কলিয়াবৰ কেন্দ্ৰীয় ছাত্ৰ-সন্থাৰ সম্পাদক হৈছিল।

পাঠশালাৰ পঢ়া-শুনা আৰম্ভ কৰাৰ পৰা স্নাতক হোৱালৈকে এই কাল-ছোৱাত মহন্তৰ শিক্ষা বছৰৰ হানি হোৱা নাই। এই কালছোৱা এনে ধৰণৰ : পাঠশালাৰ শিক্ষা— কস্তুৰবা আশ্ৰম বুনিয়াদী বিদ্যালয়ত (১৯৫৬-৬১), মাজ ছোৱাৰ শিক্ষা— কুঁৰৰীটোল উচ্চ ইংৰাজী বিদ্যালয়ত (১৯৬১-৬৭), তাৰ পাছৰ শিক্ষা নগাঁও কলেজত (১৯৬৮-৭১)।

নগাওঁ কলেজত পঢ়োতে তেওঁ এগৰাকী সহপাঠী শ্ৰী হৰেশ্বৰ শৰ্মাৰ লগত 'মেছ' পাতি আছিল। কলেজত তেওঁ ছাত্ৰসভাৰ কামত লাগিছিল আৰু নগাঁও জিলাৰ ছাত্ৰ সন্থাৰ সভাপতি হৈছিল। সেই সময়ত জিলা ছাত্ৰসন্থাৰ সাধাৰণ সম্পাদক আছিল এতিয়াৰ এগৰাকী কেবিনেট মন্ত্ৰী শ্ৰী দিগেন বৰা।



বি· এছ. ছি পাছ কৰাৰ পাছতে মহন্ত ৰেইটছ এণ্ড মেজাৰ বা কৰ বিভাগৰ চাকৰিয়াল হৈ যোৱাৰো সম্ভাৱনা আছিল। সেই সময়ত ঘৰৰ খৰচৰ ওপৰত নিৰ্ভৰ কৰিবলৈ তেওঁৰ এটা অনিচ্ছাই দেখা দিছিল ; গতিকে এই বিভাগ কেইটালৈ দৰখাস্ত কৰি তেওঁ ইণ্টাৰভিউৰ চিঠিও পাইছিল ; কিন্তু তেওঁৰ সামাজিক-ৰাজনৈতিক কাম কৰাৰ ইচ্ছাও আছিল প্ৰবল। শেষ পৰ্যন্ত তেওঁৰ চাকৰিৰ বাবে ইণ্টাৰভিউ দিয়া নহ'ল ; ১৯৭২ চনত নগাঁৱৰ বি· টি· কলেজত নাম লগাই, ১৯৭৫ চনত তেওঁ বি· টি· পাছ কৰে। ১৯৭৬ চনত তেওঁ নগাঁও আইন মহাবিদ্যালয়ত নাম লগায়। কিন্তু তেওঁ যেতিয়া এল· এল· বি· পাছ কৰে, তেতিয়া অসমৰ বিদেশী-সংক্ৰান্ত-আন্দোলন অতি সংগীন অৱস্থাত। তেতিয়া ১৯৮২ চন। তাৰ পাছৰপৰা তেওঁ এল· এল· এম মহলাৰ ছাত্ৰ। এতিয়াও।




সুদীৰ্ঘ কাল প্ৰফুল্ল মহন্তই গুৱাহাটী বিশ্ববিদ্যালয়ৰ এইটো কোঠাতে কটালে। এইটো কোঠাৰ পৰাই তেওঁ ওলাই আহিছিল নেহেৰু ষ্টেডিয়ামত মুখ্যমন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰিবলৈ। ফটো : দীপক বেজবৰুৱা

১৯৭৯ চনত তেওঁ সদৌ অসম ছাত্ৰ সন্থাৰ সভাপতি হয়। শিৱসাগৰ অধিবেশনৰপৰা আহি ৰাতি দুই আঢ়ৈ বজা মানত তেওঁ ঘৰ পাইছিলহি। মাকে সুধিছিল— "আহিলি ? মিটিং ভালে ভালে হ'লনে ?" দেউতাকেও খবৰ ললে— মিটিঙত কি কি হ'ল ? ভায়েক এজনে নতুনকৈ কোনে কোনে কি বাব পালে সেই বিষয়ে খৰচি মাৰি সোধাতহে প্ৰফুল্লই লাহেকৈ কৈ থলে— নতুন সভাপতি ময়েই হলো।

সেইদিনাৰপৰা ঘৰখনৰ কোনো

প্ৰফুল্ল মহন্তৰ দেউতাক শ্ৰীদেৱকান্ত মহন্ত পৰিয়ালৰ এজনৰ মতেই— ভাল অৰ্থত— "একাচেকা" মানুহ। স্কুলত থকা সময়খিনিৰ বাহিৰে বাকীসময়তো তেখেতে কাম ভাল পায়। মহন্তৰ সময় জ্ঞান সৎসাহসৰ উৎস হ'ল দেউতাক ফটো : দীপক বেজবৰুৱা



দায়িত্ব কোনেও প্ৰফুল্লৰ কান্ধত দিয়া নাই। তেওঁৰ ভাগৰ দায়িত্ব দ্বিতীয়জন ভায়েকেই কান্ধ পাতি ললে।

প্ৰফুল্ল মহন্তৰ জন্ম হৈছিল উলুৱনী গাঁৱৰ ৰূপনাৰায়ণ সত্ৰত ১৯৫২ চনৰ ডিছেম্বৰ মাহত। (মুখ্যমন্ত্ৰী হোৱা মাহটোতে।) ১৯৬০-৬১ চন মানত উলুৱনী গাঁৱৰ (স্বৰ্গীয়) যোগেশ্বৰ বৰা নামৰ এগৰাকী কৃতী শিক্ষকে এটা ৰেডিঅ' কিনিছিল। অনুমান কৰা হৈছে— সেইটোৱেই বোধকৰোঁ গাঁওখনৰ প্ৰথম ৰেডিঅ' আছিল। প্ৰথম কেইদিন ৰেডিঅ' শুনিবলৈ অহা গাঁৱৰ ল'ৰাবে বৰা চাৰৰ ঘৰ ভৰি আছিল ; এসময়ত সেই ভিৰ পাতলিল, এদিন নাইকিয়াই হ'ল। কিন্তু নিয়মীয়াকৈ ৰেডিঅ' শুনা এজন ল'ৰা বহু দিনলৈকে থাকি গৈছিল। প্ৰফুল্ল মহন্ত। (অৱশ্যে তাৰ কিছুদিনৰ পাছতে প্ৰফুল্লহঁতৰ ঘৰলৈ ৰেডিঅ' এটা আহিছিল।) আখৰ চিনি পোৱাৰেপৰা প্ৰফুল্লই নিজৰ ঘৰতে বাতৰি-কাকত নিয়মীয়াকৈ পাই আছিল।

মহন্তই কিতাপ পঢ়ি ভাল পায়। বুৰঞ্জী, ৰাজনীতি আৰু সাহিত্য সম্পৰ্কীয় কিতাপ তেওঁ সকৰেপৰাই

পঢ়ি আহিছে। কিন্তু বন্ধু-বান্ধৱৰ আগত তেওঁ এষাৰ কথা কৈ থোৱা আছে,— "মই ছায়ন্স পঢ়ি ভুল কৰিলো।" (তেওঁ ছায়ন্স পঢ়ি ভুল কৰিলে নে এই কথাষাৰহে ভুলতে কলে, সেইটো সময়েহে কব।) তেওঁ এলভিন টোদাৰ কিতাপ আগ্ৰহেৰে পঢ়ে।

প্ৰাক বিশ্ববিদ্যালয় শ্ৰেণীত পঢ়ি থাকোঁতে তেওঁ একাংক নাটকো লিখিছিল। গাঁৱৰ স্কুলঘৰত পতা মঞ্চত অভিনয়ো কৰিছিল!

১৯৭৯ চনৰ ৮ অক্টোবৰৰ প্ৰথম অসম বন্ধৰ দিনা নগাঁও কলেজ চৌহদত পুলিছে লাঠী চালনা কৰিছিল। লাঠীৰ আগৰপৰা কেইগৰাকীমান ছাত্ৰীক বচাবলৈ যাওঁতে লাঠীৰ কোব খাই মহন্ত প্ৰায় এমাহ নগাঁও ছিভিল হস্পিটেলত পৰি আছিল। তেতিয়াই হেনো নগাঁৱৰ ৰাইজৰ কোনো-কোনোৱে কোৱা-মেলা কৰিছিল— এনে ল'ৰাহে ছাত্ৰ নেতা হোৱাৰ যোগ্য!

পুলিছৰ গুলীত নৰেন্দ্ৰ নাথ মহন্তৰ মৃত্যুৰ পাছত কলিয়াবৰত সান্ধ্য আইন জাৰি কৰা হৈছিল। ৯ নৱেম্বৰৰ ৰাতি মৰণোত্তৰ পৰীক্ষা নহ'ল। ১০ তাৰিখে আবেলিলৈকে পুলিছৰ বেষ্টনীত থকা মৃতদেহৰ কাষত দুজন ল'ৰা অনবৰতে বহি আছিল। তেওঁলোকৰ এজন আছিল প্ৰফুল্ল মহন্ত।

খোৱা-বোৱাত মহন্তৰ বাচ-বিচাৰ নাই; যি পায় তাকে খায়। কিন্তু বাচ-বিচাৰ নকৰাৰো সদ্যহতে তেওঁৰ উপায় নাই। স্বাস্থ্যৰ বাবে (বোধকৰোঁ দিল্লীত অসুস্থ হোৱাৰ পাছৰেপৰা) এতিয়াও তেওঁ "সিজোৱাহে" খায়। সৰুতে মাকে চাহ আৰু তামোল খাবলৈ নিদিছিল; সেই নিষেধ তেওঁ এতিয়াও মানি আছে।

বিয়া বাৰু? মাক-দেউতাকৰ মতে ছোৱালীজনী মহন্তৰ বন্ধু-বান্ধৱে পছন্দ কৰি দিলেও তেওঁলোকৰ আপত্তি নাই। ভায়েকহঁতে বিচাৰে— দেখিবলৈ ধুনীয়া নহলেও হ'ব, কিন্তু বোৱেকৰ অন্তৰত মহত্ব থাকিব লাগিব। বিয়াৰ কথা এতিয়াও ঠিৰাং হোৱা নাই। মাক-দেউতাকৰ মতে— প্ৰথমে সি ৰাইজৰ কাম কৰক; দুই-এবছৰ দেৰিকৈহে সেই বিষয়ে চিন্তা কৰা ভাল। মহন্তই সেই বিষয়ে নিজে কিবা কোৱা কোনেও শুনা নাই। বৰ্তমানে সেইবোৰ ভবাৰ সময়ো নাই বোলে (লগে লগে থকা মানুহৰ মতে।) এতিয়া নিচেই পুৱাৰপৰা নিশা ১১-৪৫ বজালৈকে তেওঁ অফিছৰ কাম কৰাত লাগিছে।



মাক লক্ষ্মীপ্ৰভা মহন্তই প্ৰফুল্ল মহন্তক এতিয়াও ঘৰত মতা নাম—"পুতলা" বুলিয়েই মাতে। মানুহ গৰাকী অসুখীয়া, কিন্তু মাজনিশাও তেখেতে আলহীক নিজ হাতে ৰান্ধি-বাঢ়ি খুৱাই ভাল পায়। বেছি ৰাতি হ'লে, শুই থাকিবলৈ কলে তেখেতে কয় "ৰচোন, তেওঁলোকৰ ভোক লাগিছে নহয়!" পৰিয়ালৰ মানুহৰ মতে প্ৰফুল্ল মহন্তই ধৈৰ্য গুণটো মাকৰ পৰাই পাইছে।

ফটো: দীপক ৰেজবৰুৱা

**প্ৰফুল্ল-ভৃগু:** বহুদিন ধৰি এই দুটা নাম এনেদৰেই একেলগে উচ্চাৰিত হৈ আহিছে। কিন্তু তেওঁলোকৰ মাজৰ সম্পৰ্কতো কেনেকুৱা?

ঘনিষ্ঠতম এজনৰ মতে: দেখাত দুয়োজনৰ ব্যৱহাৰ, চলন-ফুৰণ, কথা-বতৰাত পাৰ্থক্য আছে, কিন্তু তেওঁলোকৰ ব্যক্তিগত সম্বন্ধ ভাই-ককাই, বন্ধুৰ নিচিনা। অতি জটিল সমস্যাবিলাক দুয়ো বহি আলোচনা কৰে। ব্যক্তিগত বিষয়বিলাকো দুয়োৰে মাজত আলোচনা হয় বুলিয়েই ধাৰণা। দুয়োৰে মাজৰ এই প্ৰীতিৰ সম্বন্ধ ভাঙিবলৈ সময়ে-সময়ে বহুতে বহু চেষ্টা কৰিলে, কিন্তু এওঁলোক দুয়োৰে মাজত থকা বিশ্বাস আৰু একাত্মবোধৰ বাবেই মানুহবোৰ সফল নহ'ল।

"এই চেষ্টা এতিয়াও বা আগলৈকে চলিব;— কিন্তু সেইবোৰ যেন ব্যৰ্থ অপচেষ্টাত পৰিণত হয়,— এয়ে অসমবাসীৰ কামনা।"— মহন্তৰ ভায়েক এজনে কলে। —প্ৰতিনিধি


* অসমীয়া লেখক কোনে কেনেকৈ লিখে * দুৰাৰোগ্য 'এইডছ' * মুছলিম ব্যক্তিগত আইনৰ 'কবলত নাৰী * আপোনাৰ বৈবাহিক সুখ জুখি চাওক * ৰাইজ আৰু ৰজা * দুখন সম্পূৰ্ণ উপন্যাসিকা, গল্প-কবিতা আদি। ২য় বছৰ, ২য় সংখ্যা

যাত্ৰিক

পঢ়ক



অসম সাংস্কৃতিক সংগঠনৰ

নিবেদন—

আমাৰ দেশতে
এইবেলি বিহুতে
হেনো বিহুঢোল নাবাজে
বাজিব জয়ঢোলটি······

এনেদৰেই মুঠতে দহটা গীতৰ
নতুন গীত সংকলনৰ
ঝংকাৰ কেছেট—

**নৱৰঙ**

প্ৰযোজনাত: গুৰুপ্ৰসাদ শৰ্মা
সংগীত: কুন্তল দাস
পৰিচালনা: শৈলেশ বয়
পৰিবেশনাত: ৰয় চাইকেল মাৰ্ট
(বৰ্তমান অসমৰ সকলো কেছেটৰ দোকানত বিচাৰিলেই পাব)
কেছেট নং A 0014









(যোৱা সংখ্যাৰ পিছৰ পৰা)

বৰুৱাই শেষত নতুন কাকতখনৰ ষ্টাফ ৰিডাৰ হিচাপে দত্তক লবলৈ ইচ্ছা প্ৰকাশ কৰিলে। তেওঁ আৰু একো চিন্তা নকৰি নতুন কামত জইন কৰিলেগৈ।

এসপ্তাহ পাছতে জনা গ'ল যে [illegible]ভনাক জোৰ কৰি নগাঁৱৰ পৰা [illegible]য়া দি পেলোৱা হৈছে। দৰাৰ বয়স [illegible]প বেছি, কিন্তু হাকিমৰ চাকৰি [illegible]টো এটা ডাঙৰ গুণ। চুভীয়ে [illegible] দিছিলনে নাই জানিবপৰা নগ'ল। [illegible]ৰ্তীৰ পৰিয়ালটোনো বিয়ালৈ [illegible]তিয়া গৈছিল তাকো কোনেও কব [illegible]ৰাৰে। আনকি বিয়াখন যে পতা [illegible] তাকো ইয়াত কোনেও নাজানিলে। [illegible] ছোৱালী বিয়া দি যেতিয়া তেওঁ[illegible]ক উভতি আহিল তেতিয়া সক[illegible]ৰে দেখিলে প্ৰাচীন ঘৰখনৰ সমুখত [illegible] শকত-আৱত দাৰোৱান নিযুক্তি [illegible] হৈছে—সি হেনো গেটতে সকলো [illegible]হকে বাধা দি ৰাখে, ভিতৰলৈ গৈ [illegible]-পুছি আহিহে যাবলৈ দিয়ে— বা নিদিয়ে।

* * *

"অৱশ্যে আমি সেইখন ঘৰত সোমাবলৈ চেষ্টা কৰা নাছিলোঁ—" পলাশ দত্তই আত্মকথা শেষ কৰি হাঁহি কলে। তেওঁ গা পেলাই দি থকা অৱস্থাৰ পৰা পোন হৈ বহি আকৌ এটা ছিগাৰেট জ্বলাই ললে।

ওচৰতে মুঢ়া এটাত বহি একান্ত মনে শুনি থকা সুশীলাই সুধিলে, "তাৰ পাছত?'

"তাৰ পাছত বিশেষ আৰু একো নাই। দেউতাই চাকৰি এটা পোৱাত মোৰ সুবিধা হ'ল। ৰান্ধনি ল'ৰা এটা যোগাৰ কৰি দি ঘূৰি আহোঁ বুলি মই এদিন কলিকতালৈ গুচি গলো। তাতে আৰ্মিত জইন কৰি পেলালোঁ। পাছত চিঠিৰে দেউতাই জনাইছিল যে চৰকাৰে তেখেতক চাকৰিত জইন কৰিবলৈ কোৱাইছিল— ট্ৰেন্সফাৰ বাতিল হৈ গৈছিল। আচল কথা তেতিয়া গোটেইখনতে গণ্ডগোল। যুদ্ধতো যুদ্ধই। দেশৰ আন্দোলনো সশস্ত্ৰ বিদ্ৰোহৰ ফালে ঢাল খাইছে। একাচেকা মানুহ বিকাশ দত্তয়ো টেৰৰিষ্ট-চেৰৰিষ্ট হৈ যাব পাৰে বুলি ইংৰাজ চৰকাৰে ভয় খালে। পিছে দেউতাই হেনো ছুটী লোৱা দিন ধৰি ইস্তফা দিছে বুলি চিঠি এখন পঠিয়াই দি নতুন কামতে থাকি গ'ল। দেউতাক মই আৰু দেখা নাপালোঁ।"

তলমূৰকৈ চিন্তা কৰি থাকি শেষত সুশীলাই সুধিলে, "সেই কাৰণেই তুমি ঘৰ-সংসাৰ নকৰিলা?"

"কি কাৰণে?" পলাশে তীক্ষ্ণ দৃষ্টিৰে সুশীলালৈ চাই পঠিয়াই ঘূৰাই প্ৰশ্ন কৰিলে।

সুশীলাই তৎক্ষণাত চকু নমাই ল'লে। সেই দুটা শব্দত এনে এটা কঠোৰতা আছিল যে তাক তেওঁ সহ্য কৰিব নোৱাৰিলে।

পলাশ দত্তয়ো কথাটো বুজি পালে। তেওঁ ছিগাৰেটৰ ধোঁৱা এসোপা উৰুৱাই এটা হাঁহি মাৰিলে। হাত এখন আগবঢ়াই সুশীলাৰ কান্ধত ধৰি কলে, "মইনো সংসাৰ নাই কৰা এইবোৰ কি কৰিছোঁ? হিয়াক দেখিছই। তই আমাৰ ছোৱালী নাইকিয়া বংশত ভনী হৈ আছহি। আলবাৰ্ট আছে, আগেনেছ আছে, নমিতা আছে— ৰেন্দাঙো জানো আমাৰ এই পৰিয়ালটোৰে এজন হৈ যোৱা নাই? মইচোন ঘোৰ সংসাৰী।"

সুশীলাই হঠাৎ উচুপি উঠিল।

"নাকান্দিবি," দত্তই কলে, "বুজিছোঁ মোৰ নিয়মীয়া ঘৰ-সংসাৰ হোৱা সম্ভৱ নহ'ল কাৰণে তই দুখ পাইছ। চুভীক মই বিচাৰিছিলোঁ ঠিকেই। কিন্তু কি হৈ গ'ল শুনিলিয়েইতো। নগাঁৱলৈ আঁতৰাই নি জোৰ কৰি বিয়া দি পেলালে। তাৰ পাছতনো কি কৰিব পাৰিলোহেঁতেন? ময়ো জোৰ কৰি গিৰিয়েকৰ ঘৰৰপৰা ধৰি লৈ আহিব লাগিছিলনেকি?"

"তুমি ইমান তললৈ কেতিয়াও যাব নোৱাৰা।"

"নিজৰ কথা লৈ বৰাই নকৰোঁ। কিন্তু ময়োতো তেতিয়া যুদ্ধলৈ গুচি গলোঁ। দেশ-দেশান্তৰে ঘূৰি-পকি

ফুৰিলোঁ। কিমান বাৰ যে কথমপি মৰাৰ পৰা বাচিছোঁ। ঈশ্বৰেহে জানে। এৰি থৈ অহা জীৱনটোৰ কথা ভাবিবৰ অৱসৰেই নাছিল। যুদ্ধৰ পাছত প্ৰাণ লৈ কোনোমতে ঘূৰি আহিলোঁ। হয়, পিছে পেটৰ চিন্তাও কৰিব লগা হ'ল। গাড়ীৰ কাম মই মিলিটেৰিতে শিকিলোঁ। সেই কাৰণে গেৰেজ খুলি নতুন এখন যুদ্ধত নামি গলোঁ— জীৱন-যুদ্ধত।

পাছদিনাৰ পৰা এইবিলাক কথা আৰু ওলাব নালাগিছিল। কাৰণ আকৌ এটা ব্যস্ততাপূৰ্ণ সপ্তাহ আৰম্ভ হৈ গ'ল। কিন্তু ওলাল।

গেৰেজ খোলে পুৰা আঠ বজাত। মাজতে এঘণ্টা জিৰণি। আবেলি তিনি বজাত ছুটী হৈ যায়। পলাশ দত্তই এইটো নিয়ম কৰি দিছে। তেওঁৰ মতে সোনকালেই দিনটো আৰম্ভ কৰি দিব লাগে। দহ বজাৰপৰা অফিছ হক কাৰখানা হক কাম আৰম্ভ কৰিলে ৰাতিপুৱাৰ বহুত সময় অবাৰতে যায়। সিবেলা সোনকালে ছুটী হলে নিজৰ বহুত কাম কৰিব পাৰি— বজাৰ কৰা ছিনেমা চোৱা, আড্ডা মৰা, অঙহি বঙহিৰ ঘৰত ফুৰিবলৈ যোৱা ইত্যাদি। নিয়মটো গেৰেজত কোনেও বেয়া নাপায়। বিশেষকৈ অনিল মহন্তই, কাৰণ তেওঁ বৰ ধীৰে শাঁতে গধূলি কমাৰ্চ কলেজৰ ক্লাছ কৰিবলৈ যাব পাৰে। আৰু বিশেষ ভাল পায় মকবুল হুছেইনে, কাৰণ তেওঁ খুব ছিনেমা চায়। আজিকালি খৰালি কালত ভ্ৰাম্যমান থিয়েটাৰ চোৱাতো ধৰিছে। অসময়ত মকবুলক ঘৰত বিচাৰি গলে প্ৰায়েই পোৱা নাযায়— ছিনেমা বা ভ্ৰাম্যমানলৈ গৈছে। এইটো নিচা কেনেকৈ হ'বলৈ পালে এবাৰ দত্তই ধেমালি কৰি সুধিছিল। মকবুলেও ধেমালিৰ কৰাৰ সুৰতে উত্তৰ দিছিল, "সৰুতে নিজৰ মটৰ তৈয়াৰ কৰা কাৰখানা এটা খুলিম বুলি ভাবিছিলোঁ। পিছে প্ৰথমে হেণ্ডিমেন, তাৰ পাছত ড্ৰাইভাৰ শেষত মেকানিক হৈ যি বুজিলোঁ ভাৰতত এতিয়ালৈকে অকল এই মকবুল হুছেইনেহে মটৰ কাৰখানা খোলাৰ কথা ভাবিছে। গতিকে সেইবোৰ এৰি পেলাই ছিনেমাহলতে সোমাই থকা কৰিলোঁ— হাতে-কামে একো কৰিব নোৱাৰিলোঁ যেতিয়া নোহোৱা নোপজা কথাতে ধৰিলোঁ।"

সেই মকবুলে গেৰেজতে পাছ দিনা কামত ধৰি শোভনা বৰুৱাৰ কথা উলিয়ালে। কলে যে মানুহ গৰাকী বৰ সাদৰী, মকবুলক বাটত নমাই থওঁতে ঘৰতো ক্ষন্তেক সোমাই গ'ল —চালেহাৰপৰা তামোল এখন খাই অলপ বহিও গ'ল। "মোক মোৰ কাজিয়াৰ কথাটোনো কি বুলি সুধিছিল —থোৰতে কিবাকিবি কৈ থলোঁ আৰু কিন্তু আচল কথা দাদা আপোনাৰ কথাহে বহুত সুধিলে। সৰুতে ওচৰা-ওচৰিকৈ থকাৰ কথা কলে— এতিয়া বহুত বছৰৰ মূৰত লগ পাই যোৱাৰ কথাও কলে। মই আপোনাৰ লগত ইমান বছৰ থকা শুনি বহুত কথাই সুধি সুধি ল'লে।"

"কি বহুত কথা ?

"তেনেকৈ নজনা কথাও একো নহয়। আপোনাৰ ঘৰৰ মানুহবোৰৰ কথাকে সুধিছিল— সুশীলা বাইদেউ-হঁতৰ কথা— আপুনি বিয়া কৰালেনে নাই, হিয়ামাৰ মাক কোন— এই বিলাক—।"

"তুমি কি কলা ?

"যি যি জানো তাকে কলোঁ। মানে মই যে সেইবোৰ বিশেষ একো নাজানো তাকে কলোঁ।"

এনেতে অনিল মহন্ত আৰু কাথ হাজৰিকা দিহা-পোহা লবলৈ ওচৰ চাপি অহাত তেওঁলোকৰ কথা তাতে বন্ধ হৈ গ'ল। দুয়ো শনিবাৰে গাঁৱলৈ গৈছিল আজি সোমবাৰে ৰাতিপুৱা আহিছে।

ইতিমধ্যে কাৰখানা সৰৱ হৈ উঠিছে। লোহা পিটাৰ খুটুংখাটাংবোৰতো আছেই, তাৰ উপৰি গাড়ী ষ্টাৰ্ট দিয়াৰ বিকট আৱাজ, কৰ্মীবিলাকৰ চিঞৰ-বাখৰ কাজিয়া-পেচালো আছে। মকবুল ব্যস্ত হৈ গ'ল। তেওঁৰ দিহা মতেই বাকীবিলাকে কাম কৰে। গাড়ী কেইখনমান নতুনকৈ আহিল। মকবুলে মেৰামতিৰ কাৰণে অনা সেইকেইখন গাড়ী চমজি লবলৈ গ'ল। দত্ত অফিছত ব্যস্ত হৈ পৰিছিল।

"অফিছ" হৈছে বেলেগ চালি এখনৰ এটা কোঠা। অলপ চাক-চিকুণ। টেবুল এখন আৰু চকী চাৰিখন আছে। টেলিফোন এটাও। কাথহাজৰিকা আৰু অনিলৰ লগত তাতে বহি আলোচনা কৰি থাকোঁতে বাহিৰৰ কোম্পানি এটাৰ এজন প্ৰতিনিধি আহিল। ই দুজনক লৰালৰিকৈ বিদায় দি দত্তই ধুনীয়াকৈ সাজ পাৰ কৰি অহা প্ৰতিনিধিজনৰ লগত কথা পাতিবলৈ ধৰিলে —মহাব্যস্ত বেল্দাং নিজে নিজেই ঘৰলৈ দৌৰিল চাহ কৰি পঠিয়াই দিবলৈ সুশীলাক কবৰ কাৰণে। পলাশ দত্তই পুৰণা গাড়ীত ৰং স্প্ৰে' কৰাৰ কামো নতুনকৈ কৰিবলৈ লৈছে। কলিকতাৰ সংশ্লিষ্ট কোম্পানি এটাৰ লগত চিঠিৰে যোগাযোগ কৰাত আজি মানুহজন আহিছে— ৰং, স্প্ৰে'কৰা মেচিন, লাগিলে মানুহো দি সহায় কৰিবৰ কাৰণে।

এই সকলোবোৰৰ মাজতো মকবুলে হাঁহি হাঁহি কোৱা কথাখিনিহে দত্তৰ মনত জাগি থাকিল। তাতে কালি সুশীলাৰ আগত বহুতো পুৰণা কথা কৈ নিজৰ মনলৈকো অতীতৰ বহুত সুখ-দুখৰ স্মৃতি আহিছিল। চুভীৰ ভীষণ কৌতূহল হোৱা স্বাভাৱিক। ছোৱালী মানুহে বোধকৰোঁ কথা পাহৰিব নোৱাৰে। ছোৱালীয়ে পাহৰিব নোৱাৰে ? তেওঁ নিজেনো পাৰিলে ক'ত ? ঠিক চুভীৰ কথা ভাবি তেওঁ জীৱন কটোৱা নাই। অন্য তিৰোতাক মনত ঠাই নাই দিয়া বুলিও কব নোৱাৰে। মাজে সময়ে চুভীলৈ মনত পৰি আহিছে নিশ্চয়। কিন্তু চুভীতে মন বহুৱাই কেতিয়াও বিৰহী যক্ষ হৈ থকা নাই। তথাপি কালিৰেপৰা মনটোৱে পুৰণা কথাবোৰকে পাগুলি থকা হৈছে। মকবুলে জানি-শুনি চুভীক নিশ্চয় কিবাকিবি কৈ পঠোৱা নাই। কিন্তু কিমান দূৰ কৌতূহল দূৰ কৰিলে ?

শোভনাক তেওঁৰ আকৌ এবাৰ [illegible]গ পাৰৰ মন গ'ল। কিন্তু সেইটো [illegible]কাশ্যে হৈ পৰিব নালাগিব। [illegible]লৰ হয়তো একো সন্দেহ নহ'ব। [illegible]ন্দাঙে সিমান দূৰলৈ ভাবিব পৰা [illegible]ন। কিন্তু সুশীলাই নিশ্চয় বহুত কিবাকিবি ভাবি লব।

এদিনতো গোটেই ঘৰখনেই বিমান [illegible]কৰাৰ তালৈ যোৱাৰ কথা আছে। [illegible]াভনা বৰুৱাই মাতি থৈ গৈছে। [illegible]লাশেও কথা দিছে যে যাব। কিন্তু [illegible]সই যোৱা আৰু দত্তৰ নিজাকৈ যাবলৈ [illegible]ন যোৱা, এই দুটাৰ মাজত পাৰ্থক্য [illegible]াছে। এই পাৰ্থক্য বজাই ৰাখি [illegible]কনেকৈ যোৱাটো কৰিব পাৰি তেওঁ [illegible]াকেই মাজে মাজে ভাবিবলৈ ধৰিলে।

শেষত পলাশ দত্তই এটা অজু[illegible]াত বিচাৰি উলিয়ালে। কিন্তু দুদিন-[illegible]ান সময় লাগিল। এই দুই-তিনি [illegible]ন অৱশ্যে বৰ বেছি নহয়। সক-[illegible]াকে শোভনাৰ ঘৰলৈ নিয়াৰ আগতে [illegible]ত্তই এবাৰ অকলে গৈ আহিবলৈ [illegible]চ্ছা কৰিছিল। অৱশ্যে মকবুল [illegible]াক বেল্দাঙক লগত নিব লগা হ'ল। [illegible]কবুল হ'ল অজুহাতটোৰ অৱলম্বন। [illegible]ন্দাঙে গাড়ী চলাব লাগে। আজি-[illegible]ালি দত্তই প্ৰায়েই নিজে গাড়ী চলায়। কাৰণ নানান কথা চিন্তা [illegible]ৰি থাকে। প্ৰায়েই অন্যমনস্ক হৈ পৰে। [illegible]তে ৰাস্তাত আজিকালি গাড়ীৰ [illegible]খ্যাও অত্যন্ত বাঢ়ি গৈছে।

তেওঁলোক তিনিও সোণাপুৰলৈ [illegible] কিন্তু সোণাপুৰো [illegible] যাব। [illegible] যোৱা [illegible] ৰাস্তাত [illegible] লাগিব [illegible] গাড়ী অৱশ্যে মকবুলেই [illegible] খৃষ্টানবস্তিৰ [illegible] মকবুলক নমাই দিব লাগিব। [illegible] বেল্দাঙে গাড়ী চলাব। [illegible] দত্তই [illegible] আজিকালি [illegible] কৰে। সোণাপুৰৰ [illegible] দত্তই [illegible] মাটি ৰাখিছে। [illegible] তেওঁ কৰি আহিছে।

[illegible] বধা আৰু তাত খেতি কৰোৱা, নতুনকৈ গাড়ী ৰং কৰা আদি অন্যান্য কিছুমান উপকৰা কাম তেওঁ হাতত লৈছে। সেই মাটিৰ ধান ভালেখিনি প্ৰায়। ওচৰতে পাঁচ বিঘা মাটি মকবুলকো লৈ দিছে। এতিয়া দুয়োই মাছ পুহিবলৈ আয়োজন কৰিছে। মাটি চাবলৈকে তেওঁলোকৰ এই যাত্ৰা।

মকবুলৰ মাটি-বাৰীত টথ নাই। খৃষ্টানবস্তিত যো ডেৰকঠা মাটিৰ ওপৰত ঘৰ এটা হৈছে, আৰু এতিয়া খেতিৰ মাটিও হৈছে, এইবিলাক দেখি চালেহা কিন্তু বৰ সন্তুষ্ট। বৰ সুখীণ গিৰিয়েকক ঠেলি ঠেলিও মাটি চাবলৈ পঠিয়াব নোৱাৰে। চালেহা কেতিয়াবা নিজেই বাছত উঠি গৈ আহে। তেওঁ গাঁৱৰ ছোৱালী। পথাৰৰ বোকা লেটি লৈয়েই ডাঙৰ হৈছে। গতিকে মাটি-বাৰী ভাল পায়। যিটো দেছুৱালী পৰিয়াল দত্তই তাত ৰাখিছে সিহঁতেই মকবুলৰ মাটিৰো তদাৰক কৰে। পৰিয়ালটোৱে ডাঙৰকৈ শাক পাছলিৰ খেতি কৰি বেপাৰ কৰে। দত্ত আৰু মকবুলৰ মাটিৰ ধানেৰেই সিহঁতৰো চলে। এতিয়ালৈকে এই বন্দবস্তত একো গোলমাল হোৱা নাই।

মাটিৰ প্ৰতি মকবুলৰ বিশেষ মোহ হব কেনেকৈ ? তেওঁৰ তেজতেই মাটিৰ চিনচাব একো নাই। বাপেক গোলাম হুছেইন আছিল অস্ত-ভৰ্ত্ত [illegible] বাচন বৰ্তন মেৰামতি কৰি ফুৰা মিস্ত্ৰি। পূৰ্বে কিন্তু কহাঁৰ বা মৰিয়া নাছিল। পুৰণিগুদামত কিবা স্বত্ত্বপত গোলাম হুছেইন মাটিহীন হৈ পৰি তেনে কামত ধৰিব লগা হ'ল। চটকাপোৰৰ আও-পুৰণি বেগ এটাত কেইপদমান সজুঁলি আৰু লা-চা লৈ ঘূৰি ফুৰা গোলামক মগাঁও চহৰৰ বহুত গৃহিণীয়েই চিনি পায়। ফুটা বাল্টি, পিতলৰ ছিগি পৰা কৰাহি, কেৰাচিন স্তোভ, কৰিত পানী দিয়া জাবণী ইত্যাদি জালাই কৰি দিয়া কামত গোলামৰ বৰ প্ৰয়োজন। বৰ জিৰৰ মানুহ। কিন্তু যি কেইঘৰ কথা গৃহিণীৰ আটাই গ্ৰাহিকাৰ হাতৰপৰা চাহ বাটি লৈ খাওঁতে কম ইমান গুৱলা অসমীয়াও কয় যে শুনি থাকিবৰ মন যায়। পইচা বৰ বেছি নিবিচাৰে। যি বিচাৰে বাইজে তাকে দি দিয়ে— কেতিয়াবা এটকি-দুটকি বেছিকৈয়ে দিয়ে। গোলাম হুছেইনে মকবুলহঁতক তেনেকৈয়ে পোহপাল দিছিল।

চাৰিটা ল'ৰা-ছোৱালী। ঘৰটো উৰংলি গৈ আছে। মাকজনী খিং খিঙীয়া। মকবুল দুই নং। গোলাম মানুহটো তেনেই নিমাত-নিবোল। প্ৰাণপাত পৰিশ্ৰম কৰি ঘৰখন কোনোমতে চলাই আছিল। মকবুলহঁতক স্কুললৈ পঠিয়াই আছিল। মকবুলে আনকি ইংৰাজী স্কুলতো তিনি বছৰমান পঢ়িছিলগৈ।

সৰুৰে পৰাই মকবুলৰ এটা অদ্ভুত নিচা গাড়ী-মটৰ লোহা-লক্কৰৰ কামৰ প্ৰতি। ৰবাকৰে প্ৰভাৱ নেকি কোৱা টান। গোলামে প্ৰায়েই ভালেখিনি ৰাতিলৈকে ঘৰতে জালাইৰ কাম কৰি থাকে—বাহিৰৰ পৰা গোটাই পিটাই অনা বা গাঁৱৰে কোনোবাই দিয়া মেৰামতিৰ কাম মকবুলে একান্ত মনে বৰাকৰ কাম চাই থাকে। বহুত ৰাতিলৈকে।

পুৰা-গধূলি মকবুল ৰাস্তাত থকা ঘাইকৈ বাছ বা মটৰ মেৰামতি কৰা ঠাইত। ড্ৰাইভাৰ-হেণ্ডীমেনে যেদি দিলেও নাযায়। কেতিয়াবা নিজেই কৰ নোৱৰাকৈ হাত দি সহায় কৰিব পেলায়। কৰ্কশ ড্ৰাইভাৰেও কেতিয়াবা ল'ৰাটোক মৰম কৰি চাহ এগিলাচ খুৱায়। ঘৰৰ খা-খবৰ সোধে। মকবুলে কম বয়সতে মটৰগাড়ীৰ বহুত কথা জানিব পৰা হৈ যায়।

ৰাতি বাপেকৰ লগত শুই শুই সি মটৰ কাৰখানা খোলাৰ সপোন দেখে।

এদিন স্কুল এৰি, ঘৰ এৰি সি কামপুৰ লাইনত চলা প্ৰাইভেট বাছ এখনত হেণ্ডীমেন হৈ গুচি গ'ল। মকবুল পোৱালিয়ে ড্ৰাইভাৰ, হেণ্ডীমেন, গেৰেজৰ মেকানিক, বাছৰ মালিক সকলোকে আলপৈচান ধৰি, গালি খাই মাৰ খাই গাড়ীৰে জীৱনত নিজক

মিলাই দিলে। সি আৰু উলটি চোৱা নাই। উলটি যোৱাও নাই।

তেনেকৈয়ে লাহে লাহে মকবুলে গাড়ী চলাবলৈ শিকি ললে। শেষত এদিন লাইচেন্সো ললে—যদিও গাড়ী ভালদৰেই চলাব পাৰিছিল, চলোৱাৰ পৰীক্ষাও দিলে, তথাপি ডাক্তৰৰ চাৰ্টি-ফিকেট কিনাৰ পৰা ডি-টি-অ' অফিচত দিয়ালৈকে বহুত টকা খৰচ কৰিব লগা হ'ল। তাৰ পাছত মকবুল ড্ৰাইভাৰ হ'ল। এখন গাড়ী এৰি আন এখনলৈ গ'ল। বাছ, টেক্সী, প্ৰাইভেট কাৰ আদি চলালে। শেষত পলাশ দত্তৰ গেৰেজত কাম লৈ আজি ইমান বছৰে থিতাপি লৈছে। পলাশক ভাল পোৱাৰ উপৰি মকবুলৰ এটা ধাৰণা হৈছে যে কোনোবা এদিন তাৰ নিজাকৈ এখন গাড়ী হবগৈ— দত্ত দাদাৰ লগত যদি থাকি যায়। সোণাপুৰত যে মাটি লৈছে তাৰো কাৰণ সেইটোৱেই। দত্তই সৈমান কৰাইছে যে দুয়ো এটা এটা মাছ পোহা পুখুৰী খন্দাব। তিনি কি চাৰি বছৰতে গোটেই পুখুৰী 'মাছ বেছিলে ৩০/৩৫ হাজাৰ টকা পাই যাব। ২/৩ বাৰমান পুখুৰী বেচিলে মকবুলে ট্ৰাক কিনে, বাছ কিনে ইচ্ছা মতে কিনি থাকিব পাৰিব।

দত্তৰ ফুচুলনি শুনি মকবুলে খুব হাঁহিছিল। সেইদিনা ঘৰলৈ গৈ চালে-হাৰ আগত কথাটো কৈ কৈও সি খুব হাঁহিলে। কিন্তু কথাটো মনৰপৰা বাহিৰ কৰি দিব নোৱাৰিলে। ভাবোঁতে কথাটো সম্ভৱ হবও পাৰে বুলি ভাব হ'ল। গতিকে প্ৰস্তাৱটো সি মানি ললে।

গাড়ীখন চিনি পাই পথাৰৰ মাজত কাম কৰি থকা পুলকিত সিং দৌৰি আহিলে। হাত যোৰ কৰি 'জোহাৰ' জনাই সি খা-খবৰ ললে। ওৰণিখন দীঘলকৈ টানি লৈ তাৰ ঘৈণীয়েকো লাহে লাহে ঘৰৰ ফালে আহিল। এটা দুচলীয়া খেৰীঘৰ। গাতে লগা দীঘলীয়া গোহালি ঘৰৰ চালি এখন— মজিয়াখন চফা—গোবৰৰ ভেবটোহে লিচেই ওচৰতে।

পুলকিত সিঙে হাত ননমোৱাকৈ দত্ত আৰু মকবুলৰ লগতহে কথা পাতিছিল। সেই দেখি বেন্দাঙে ওচৰলৈ আহি সিঙৰ গাত ধৰি নিজেই নমস্কাৰ জনালে। পুলকিতে নিজৰ ভুলটো ধৰিব পাৰি কেবাবাৰো হাত দুখন কপালত লগালে। বেন্দাং সন্তুষ্ট হৈ পথাৰৰ ফালে আগবাঢ়ি গ'ল। পুলকিতৰ ল'ৰা-ছোৱালী হালক পথাৰৰ মাজত সি দেখিবলৈ পাইছিল।

পুলকিতে খেতিৰ খা-খবৰ দি কলে যে ধান ভালেই হব লাগে। অৱশ্যে এতিয়াই একো কব পৰা হোৱা নাই। পুখুৰী খনাৰ কামহে বৰ বেছি আগবঢ়া নাই। মানুহ পাবলৈ বৰ টান হৈছে। সি এই সপ্তাহতে এবাৰ জাগীৰোডৰ ফালে পাক এটা মাৰি অহাৰ কথা ভাবিছে। তাৰ 'দেশৰ' মানুহ কিছুমান তাত আছে বুলি শুনিছে।

দত্তই কলে, "আমি পিছে পুখুৰীৰ কাম চাবলৈহে আহিছিলোঁ। তুমি অলপ নজৰ ৰাখিবা। বাৰু ব'লাচোন কি খেতি হৈছে চাওঁগৈ।"

ধাননি কেইডৰা চাই তেওঁলোকে শাক-পাচলিবোৰ চালেহি। মকবুলৰ মাটি অলপতে কিনা। গতিকে তাত ধান বেছি ৰোৱা নাই। অলপ শুকান কাৰণে মটৰমাহ ছটিয়াই দিছে— পুলকিতহঁত তাতে লাগি আছিল। পুখুৰী খনা সামান্যহে হৈছে। পলাশ দত্তৰ ভালেখিনি বৰি মাটি—তাতে পুলকিতে ঘৰ সাজি লৈছে— বাকী গোটেই খিনিতে শাক-পাচলি। লাই-পালেঙৰ বাহিৰে বাকীবোৰ ডাঙৰেই হোৱা নাই— সময়ো হোৱা নাই অৱশ্যে। কবিৰ পুলি এবাৰ বৰষুণে মাৰিলে।

চোতালতে এখন চকি, এখুন টুল আৰু এটা মূঢ়া পাৰি দি তেওঁলোকক বিস্কুটেৰে চাহ খাবলৈ দিলে। পুলকিতে বেন্দাঙক মাতিবলৈ গ'ল। ঘূৰি আহোঁতে সি লাই আৰু পালেং শ্যাক ভালেখিনি উঘালি লৈ আহিল— দি পঠিয়াবলৈ। বেন্দাঙে আহি মূঢ়া-টোত বহি কলে, "পুলকিত ভাই, তুমাৰা তালাব কা কাম একদম নাই হুৱা হাই। হাম মছলী কব খায়েগা?"

পুলকিতে হাঁহি এটা মাৰি ভিতৰ সোমাই গ'ল। অলপ পাছতে প্ৰকাণ্ড মাটিৰ কাটা এটা কথমপি দাঙি লৈ ওলাই আহিল। ঘৈণীয়েকে পাচে পাচে দুটা ক'লা টেকেলী লৈ আহিল। গাখীৰ জমোৱা কাটাটোত এগাল জীয়ন দিয়া কাৱৈ আৰু মাগুৰ মাছ। পুলকিতে ঘৈণীয়েকৰ সহায়ত টেকেলী দুটাত মাছ ভৰাবলৈ লৈ বেন্দাঙক উদ্দেশ্য কৰি কলে, "আজ ছোটা মাছ হী লে যাও। বৌ-ভোকাকে লিয়ে কুছ টাইম লাগে গা।"

দত্তই প্ৰতিবাদ কৰিলে, "এইবোৰ কি কৰিছা? আমাক মাছ নালাগে পুল্কিত। বজাৰত এই মাছৰ কি দাম জানা? ধৰমতুলৰ দলঙত কেতিয়াব মাছ দৰাই পাইছা?"

পুলকিত সিঙে হাঁহি কলে যে সি কাৱৈ-মাগুৰৰ দামৰ কথা জানে। কিন্তু এইবোৰ মাছ কিনি অনা নহয়। ল'ৰাটোৱে ক'ৰবাৰ খাল সিঁচি ধৰি আনিছে। ভালেখিনি পাইছিল—অলপ অলপ লৈ যাওক চাহেব।

"তুমিতো কুমাৰ মানুহ পুল্কিত," দত্তই কাটাটোলৈ চাই কলে, "এই দৈ গাখীৰ কৰা মস্ত মলাটো তুমিয়ে কৰিছা নেকি?"

"নাই চাহেব, এইটো অসমীয়া কুমাৰে কৰা কাটা। মই কিনি আনিছোঁ। টাইম পোৱা নাই। এই কলহ দুটা অৱশ্যে আমিয়ে বনাইছোঁ। আজিকালি মাটিৰ কামলৈ টাইমেই নাপাওঁ। চিনাকি মিঠাই দোকানী কেইজনে অৰ্ডাৰ দিলে কিছুমান কাম কৰি দিওঁ। কি দি পঠিয়াম চাহেব— অলপ তৰকাৰী আৰু দুটামান মাছকে লৈ যাওক। এমাহমান পিছত বাই-দেউ আৰু ল'ৰা-ছোৱালী সকলোকে লৈ এবাৰ আহিব। জোঙালবলহুৰ পৰা কিবা ডাঙৰ মাছ আনিব পাৰি নেকি চাম বাৰু।"



দত্তহঁত আহিবলৈ ওলাল। দত্তই আকৌ এবাৰ মাটি কটাৰ কামটোত জোৰ দি লাগিবলৈ সঁকিয়াই দিলে। বৰষুণৰ দিন পৰিলে কাম কৰিব পৰা নহব। তাৰ আগতেই কাম হৈ যাব লাগিব। ভাবি-চিন্তি এমাহ পাছৰ তাৰিখ এটা দি কলে যে তেতিয়া আহিলে কাম বহুত আগবাঢ়িব লাগিব। টকা লাগিলে গৈ লৈ আহিব। বেছি মানুহ লগাই দিব। পিছৰ বাৰ আহিলে সৌ দক্ষিণ ফালৰ পাহাৰটো চাবগৈ— তাৰ সামনিতে অলপ মাটি কটামেলা কৰি সহজে পুখুৰী এটা কৰিব পাৰি-নেকি চাবগৈ। আজি সময় নহব।

আজি সময় নহব কাৰণ আজি অহাটো দত্তৰ এটা অজুহাত মাত্ৰ আছিল। পোনে পোনে বিমান বৰুৱাৰ ঘৰলৈ গলে মকবুলহঁতে সন্দেহ কৰিব পাৰে। এতিয়া ঘূৰি যাওঁতে খবৰ এটা কৰি যোৱাৰ ছলেৰে যাব।

পুলকিত সিঙে বেন্দাঙৰ সহায়ত শাক কেইমুঠা আৰু মাছৰ টেকেলী দুটা গাড়ীত তুলি দিলে। বেন্দাঙে ৰিং এটা মাৰি তেতিয়াও পথাৰত বন নিৰাই থকা পুলকিতৰ ল'ৰা-ছোৱালী দুটাৰ পৰা বিদায় মাগিলে। সিহঁতেও দূৰৰ পৰাই হাত জোকাৰি জোকাৰি বিদায় দিলে।

ট্ৰেকাৰখন খানাপাৰালৈ নামি অহাৰ লগে লগে দত্তই মকবুলক বেলতলাৰ ফালে যাবলৈ নিৰ্দেশ দিলে। তেতিয়া প্ৰায় গধূলি হৈছিলেই। বাটে বাটে বজাৰ কৰা মানুহৰ ভিৰ। ঠায়ে ঠায়ে শাক-পাছলি বা কণী আৰু কুকুৰা-পাৰচৰাইৰ পোহাৰ।

দত্তই বিমান বৰুৱাৰ ঘৰটো দেখিছিল; যদিও তালৈ কাহানিও যোৱা নাই। বশিষ্ঠ পথৰ পৰা কেচা বাট এটাৰে অলপ সোমাই গৈ এটা বেছ আহল-বহল চৌহদৰ ভিতৰত উকা হৈ ওলাই থকা নতুন প্ৰকাণ্ড দুচলীয়া ঘৰটো। নতুনকৈ মাটি পুতি, পকা দেৱালেৰে ঘেৰা কম্পাউণ্ড। গছ-গছনি ডাঙৰ হোৱা নাই। ফুলৰ গছ অৱশ্যে হৈছে, কিন্তু গধূলিৰ আন্ধাৰত ভালকৈ মনিব পৰা নগ'ল।

দীঘলীয়া ঘৰটোৰ সোঁমাজেদি ঘাই দুৱাৰ। তাতে অকমানি এডোখৰ প'ৰ্চ। লোহাৰ ৰেলিং এডালৰ দুয়ো মুৰেদি উঠি যাব পাৰি। মজেইক কৰা। বেৰ, ফ্লাছ ডোৰ, ধুনীয়া লেম্পশ্বেড আদিৰে গোটেই ঘৰটো চিকমিকীয়া। ভিতৰখনতো নতুন ফাৰ্নিচাৰ আৰু সুসজ্জিত বস্তুৰে এটা নতুন যুগৰ নতুন মনৰ পৰিচয় পোৱা যায়। ডেকা ইঞ্জিনীয়াৰ বিমান বৰুৱাই নিজৰ কাৰিকৰী জ্ঞানৰ লগত সুৰুচিৰ সংমিশ্ৰন কৰি যেন ঘৰটো কৰি লৈছে।

তেওঁ ইমান ডাঙৰ ঘৰটোত অকলেই আছিল। অৱশ্যে ৰান্ধনি ঘৰত ঠাকুৰ-জন আছে। দুৱাৰ খুলি ওলাই অহা বিমান অবাক হ'ল। তেওঁ তথাপি আথবেথকৈ তেওঁলোকক নি ভিতৰত বহুৱালেগৈ। কলে, "মা নাই গোলা-ঘাটলৈ গৈছে। আজিমানে অহাৰ কথা আছিল, কিন্তু এতিয়ালৈকে দেখোন পাত্তাই নাই।"

"গোলাঘাটলৈ?"

"হয়। বহক দাদা। গোলাঘাট-তেইতো আমাৰ ঘৰ। মকবুল বহা তোমাক মই বিচাৰিয়ে আছিলোঁ। তুমিও বহা।"

বেন্দাঙে কলে, "মোৰ নাম বেন্দাং আও।"

পলাশে কলে, "হয়নেকি? মোৰ জানো কিয় নগাৰ তহে তোমালোকৰ ঘৰ বুলি ধাৰণা এটা হৈ আছিল।"

"নাই নহয়।"

"ঘৰত পিছে কোন কোন থাকে?"

"আমি ককাই-ভাই দুজনহে— মাজত এজনী ছোৱালী—বাইদেউৰ বিয়া হৈছে শিৱসাগৰলৈ। দাদাই তাৰে কলেজত কাম কৰে—সিয়েই এতিয়া আমাৰ ঘৰৰ গৃহস্থ।"

"তুমিতো ইয়াতেই ঘৰ কৰিলা?"

"হয়! সেই কাৰণেই মাক অল-পতে লৈ আহিছোঁ। দাদাই বিয়া-বাৰু কৰাইছে।"

হঠাৎ পলাশ দত্তই মন কৰিলে যে বিমান বৰুৱাক তুমি-তুমি কৰি আছে। আগতে কিন্তু আপুনি বুলিহে মাতি আহিছে। "মই কিন্তু আজি তোমাক তুমি কৈ পেলালোঁ ভাই!"

"নিশ্চয় কব দাদা। মই আগতেই কওঁ-কওঁ বুলি আছিলোঁও। সিদিনা মায়ে আপোনাৰ কথা যেতিয়া কলেহি তেতিয়াতো আৰু কথাই নাথাকিলে। আপুনি আজি যদি মোক আপুনি বুলিলেহেঁতেন—"

"বাৰু হব হব।"

বিমানে চাহ দিবলৈ কব খুজিছিল। দত্তই বাধা দি কলে যে তেওঁলোক আচলতে সোণাপুৰৰ পৰাহে আহিছে। ভাগৰ লাগি আহিছে। আজি এনেই ঘৰটো চাইহে গ'ল। এদিন দলবল লৈ অহাৰ কথা আছে।

"মায়ে কৈছে।"

"তেতিয়া চাহো খাম, ভালকৈ কথাও পাতিম। তুমি মকবুলক কি কব খুজিছিলা কৈ লোৱা। আমি যাওঁৱেই।"

বিমানে কলে যে শিখ ব্যৱসায়ী এজনে দুখন পুৰণা ট্ৰাক বিক্ৰি কৰি দিবলৈ ওলাইছে। তেওঁ কিনি থব খুজিছে। নিজৰ কাৰবাৰত ভাল কামত আহিব। মকবুলে এদিন আহি গাড়ী দুখন ভালকৈ পৰীক্ষা কৰি দিবহি লাগে। মকবুলে কথা দিলে যে কাইলৈ নহলে পৰহিলৈকে আহি গাড়ী দুখন চাই দিব।

দত্তহঁত ওলাই যোৱাৰ পোন্ধৰ মিনিটমান পাছতে শোভনা বৰুৱা ঘূৰি আহি ঘৰ সোমালহি। ৰামলালে চলোৱা সেই বগা এম্বেছেডৰ খনকে গোলা-ঘাটলৈ লৈ গৈছিল।

তেওঁ যেতিয়া শুনিলে যে পলাশ অলপমান আগতে গ'লহি, তেতিয়া ইচইচ কৰিবলৈ ধৰিলে। নগাৰৰ মোমায়েকহঁতৰ ঘৰত মাত লগাই আহি-বলৈ সোমাওঁতেই পলম হ'ল। নহলে 'পলুদাক' লগ পালোহেঁতেন।

তেওঁৰ হাতত এজাপ পুৰণা পকা-ৰন্ধা বহী। সেইবোৰ কি বিমানে সুধিলে। মাকে কলে যে পলুদাৰ

দেউতাকৰ কিছুমান পাণ্ডুলিপি। তেওঁৰ হাতিতে আছিল। পলুদাই সিদিনা তাৰ খবৰ লৈছিল। সেই কাৰণে এইবাৰ লৈয়ে আহিছে— বোধহয় পুথিকে ছপাবলৈ দিব। বহী জাপ বুকুত হেঁচা মাৰি ধৰি সেই ফালে শোভনাই একেথৰে চাই থাকিল। সযতনে সংৰক্ষণ কৰি এই সম্পদটি আনিবলৈকে চুভী বিশেষভাৱে এইবাৰ গোলাঘাটলৈ গৈছিল।

ঘৰৰ ওচৰ আহি পাই গাড়ী ৰখাই মকবুল নামিল। তেওঁ বিশেষ একো নকৈ "দাদা যাওঁ—বেন্দাং" —এই বুলি মাত লগাই পকা ৰাস্তাৰ পৰা নামি সৰু কেঁচা বাট এটাইদি গুজুং-গুজুংকৈ খোজ ললে। শাক মুঠি আৰু মাছ কিটা লৈ যাবলৈ পলাশে চিঞৰি কলে, মকবুলৰ যেন কাণতেই নোসোমাল। গতিকে বস্তু কেইটা লৈ বেন্দাঙেই যাব লগা হ'ল। দত্তই গাড়ীৰ পৰা নামি এটা চিগাৰেট জ্বলাই ললে। খৃষ্টান বস্তিৰ এই ঠাই ডোখৰ অলপ আন্ধাৰ। ঘৰো বৰ বেছি হৈ উঠা নাই। বহুত দুখীয়া মানুহে মাটি এক দেৰকঠাকৈ কিনি থৈছে। কিছুমানে খেৰীঘৰ এটাকে কৰি মূৰ গুজিছেহি। দত্তই ইয়াতে মকবুলক মাটি দেৰকঠা কিনি দিবৰ আজি পাঁচ বছৰমান হ'ল।

পোন্ধৰ মিনিটমানৰ পাছত বেন্দাঙে কাৰোবাৰ লগত কথা পাতি ঘূৰি অহা দত্তই গম পালে। তাৰ পাচে পাচে চালেহা। বেন্দাঙে কলে, "দাদা চালেহা বৌ আহিছে—মকবুল ভাইটো ঠিক মানুহ নহয়, সি নাহিল।"

"দাদা, "আন্ধাৰতে অলপ আঁতৰৰ পৰা চালেহাই মাত লগালে, "অলপ বহি নাযায়?"

"আজি নবহোঁ চালেহা," দত্তই ওচৰ চাপি মৰম লগাই কলে, "তুমিনো কিয় আহিলা? আমি অথনি দুপৰীয়াতে সোণাপুৰলৈ গৈছিলোঁ। বহুত পলম হৈ গ'ল।"

"বুজিছোঁ। আহিব বুলিয়ে তামোল এখনকে লৈ আহিছোঁ। থাওক দাদা।"

"ঐ দিয়া দিয়া," খেপিয়াই খেপিয়াই দত্তই বটাটো নিজৰ হাতলৈ আনিলে—মকবুলটো এনেকুৱা পগলা। কিয়? পুলিকতে দুয়ো ঘৰলৈকে বস্তুবোৰ দি পঠাইছো আৰু সি নোলোৱাকৈ গুচি গ'ল।

"পগলা মইহে দাদা," চালেহাই কলে, "আপোনাৰ ঘৰখন ইমান ডাঙৰ —গোটেইখিনি আপোনালোকেই লৈ যাব লাগিছিল— সেই দেখিহে এওঁ নোলোৱাকৈ গৈছিল।

ক্ষন্তেক মনে মনে থাকি দত্তই, কলে, "বাৰু তুমি যোৱাগৈ চালেহা। বেন্দাঙে থৈ আহকগৈ।"

"নালাগে দাদা পাৰিম, বাট এই-কণহে। যাব। এদিন বাইদেউ-হঁতক লৈ আহিব।"

"বাৰু। তুমি যোৱা আমি চাই আছোঁ।"

চালেহা আন্ধাৰত মিলি গ'ল। কিছু সময় গাড়ীৰ ওচৰতে পলাশ আৰু বেন্দাং ৰৈ থাকিল। দূৰত মকবুলৰ ঘৰটোত পোহৰৰ আভাস দেখা গৈছিল।

বেন্দাং!

"দাদা যাব? গাড়ী মই চলাম।

চলাবি ব'। মাইকী মানুহবিলাক বৰ আচৰিত নহয়নে? পুলিকতৰ ঘৈণীয়েকক দেখিলি— আমাক লগত আহাৰ কথাও নকলে। কিন্তু মনে মনে আমাৰো কাৰণে কিমান কামেই কৰি গ'ল। মকবুলক মই পগলা বুলিলোঁ—সি মাটি চাবলৈ আযায় বুলি এই চালেহায়েই খংকৰে —কিন্তু চালেহাক দেখিলি নহয় মকবুলৰ মনটো কিমান ঠিকমতে বুজিব পাৰিছে।

বেন্দাঙে একো মন্তব্য নকৰিলে। দাদাক ঠিক কিহে খুজিছে সি ধৰিব নোৱাৰি মিৰৱে গৈ স্টিয়েৰিং ধৰিলে। ঘৰলৈকে বাকী ছোৱা বাট দুয়ো মনে মনেই বহি থাকিল।

তাৰ তিনিদিন পাছত এদিন আবেলি দত্ত গোটেই ঘৰখনকে ট্ৰেকাৰত তুলি শোভনাৰ ওচৰলৈ আহিল। এনেকোৱাটো বাকীবিলাকৰ কাৰণে নতুন। ল'ৰা-ছোৱালী কেইটাই এইফালে আহিয়ে লোৱা নাই। সিহঁতৰ বৰ আনন্দ লাগিল। সুশীলাই আগতে দুবাৰমান এইফালে আহিছে যদিও নতুন নতুন ঘৰ হৈ উঠাত ঠাইবোৰ তেওঁ প্ৰায় চিনিকে নোপোৱা যেন হ'ল। মুকলিবোৰ প্ৰায় নোহোৱা হৈ আহিছে। বিহ-মেটেকা আৰু বন্ধ পানী থকা ঠাই অ'ত-ত'তহে দুই এচমকা আছেগৈ।

—ট্ৰেকাৰখন বিমান বৰুৱাৰ নতুন ঘৰৰ চৌহদত সোমালগৈ। দত্ত আৰু বেন্দাঙে আজিহে দিনৰ পোহৰত মন কৰিলে যে ঘাইঘৰটো পোৱাৰ আগতে দুখন গাড়ী থব পৰা গেৰেজটো— আৰু তাৰ পৰাই হাঁহি হাঁহি ওলাই আহিল ড্ৰাইভাৰ ৰামলাল। সি কলে, "চাহেব আৰু মাইজী আপোনালোকলৈ অপেক্ষা কৰি আছে।"

আহল-বহল চৌহদটোত বিমানে নানান ফুল আৰু গছ ৰুইছে। গছবোৰ বৰ নাই। নাৰিকলৰ পুলিবোৰ ৪।৫ ফুটমানহে ওখ হৈছে। কিছুমান দুষ্প্ৰাপ্য পুলি এতিয়াও বাঁহৰ ঘেৰৰ ভিতৰতে আছে। খৰালিৰ ফুলবোৰো ফুলিবৰ হোৱা নাই। ঠন ধৰি উঠি আহিছেহে। ঘাই দুৱাৰমুখৰ দুয়ো কাষে দিয়া বগেনবিলিয়া দুডাল মাত্ৰ এফুটমানহে হৈছে— বোধহয় অলপতে পুতি দিছেহে।

আহল-বহল চোতালখন পকী। ৰামলালৰ লগত কথা পাতি পিছপৰা বেন্দাঙে গাড়ীখন চোতালতে ঘুৰাই বাটলৈ মুখকৈ থলে।

গাড়ীৰ মাত শুনিয়েই শোভনা আৰু বিমান বৰুৱা ভিতৰৰপৰা ওলাই আহিছিল। গোটেই দলটো গৈ বাৰান্দাত উঠিলত তেওঁলোকে ভিতৰলৈ আদৰ কৰি লৈ গ'ল। বেন্দাঙে ৰামলালৰ লগত আকৌ অলপ কথা পাতি পাছতহে ভিতৰলৈ গৈছিল। কিন্তু সেই বুলি সি তাৰ গুৰুত্ব কমিবলৈ নিদিলে।

যেনে ভিতৰত সকলোকে বহুওৱাৰ পাছত বিমানৰ লগত পৰিচয় কৰি দিয়াৰ পৰ্ব চলিছিল। বন্দনা (হিয়া), আগনেছ, আলবাৰ্ট, অমিতা, সুশীলা প্ৰত্যেকৰে নাম কৈ কৈ—কোনে ক'ত পঢ়িছে তাকো জনাই— পৰিচয় দিওঁতে বেছ সময় লাগিল। আলবাৰ্ট-হঁতৰ দৰে নমস্কাৰৰ ভংগী কৰি বিমানে কলে, "মোৰ নাম ঢুলু। পঢ়িবলৈ এৰিলো কাৰণে আজি কালি বিমান বৰুৱা বোলে। এতিয়া সো পলাশ দাদাৰ দৰে লোহা পিটাৰ কাম কৰাৰ পিছত খালী গল্প কিতাপ পঢ়োঁ। তোমালোকে গল্প কিতাপ পঢ়ানে?"

ল'ৰা-ছোৱালী কেইটাই লাজ-লাজকৈ মূৰ দুপিয়ালে। বিমানে কলে, "মই বহুত কিতাপ এতিয়াই আনি দিম— কমিক্স, মেগেজিন—"

"দাদা"— এনেতে সাউৎকৰে সোমাই আহিল বেন্দাং। সি কৈ আহিছে, "বেন্দাং আওৰ কথা মনত আছে নহয়? সিদিনা গধূলি যে আহিছিলোঁ? মণিপুৰত মইভী পঢ়িছিলো। এতিয়া গাড়ী-চাড়ী অলপ-চলপ মেৰামতি কৰোঁ, বেছি নোৱাৰোঁ।"

"আছে আছে," বিমানে আশ্বাস দিলে। বেন্দাঙৰ বহুৱালিত সকলোৱে মিচিক-মিচিক হাঁহিছিল। এনেতে আলবাৰ্টে মাত লগালে, "সি গাড়ী-চাড়ী ৰেয়া কৰিব আৰু বেছিকৈ ঠেলিব পাৰে।" সকলোৱে হোহোকৰে হাঁহিবলৈ ধৰিলে।

শোভনা বৰুৱাই কলে, "পলুদা, তোমালোক সিদিনা আহি গুচি গ'লা —শুনি মই ইমান দুখ পালোঁ— তোমালোক যোৱাৰ অলপ পাছতে মই আহি পাইছিলোঁ।"

"গোলাঘাটলৈ গৈছিলা বোলে?"

"অঁ এটা বিশেষ দৰকাৰ আছিল। ডাঙৰটো ল'ৰা তাতে থাকে নহয়, পাছদিনাহে আহিবলৈ নিদিলে। নহলে তোমালোকক নিশ্চয় লগ পালোহেঁতেন।"

"বাৰু কোনো কথা নাই," দত্তই কলে, "আমি ঘৰখন অহা নাছিলোঁ— খবৰ দিওঁ অহা নাছিলোঁ— আমি এফালে গৈছিলোঁ, ঘূৰি আহোঁতে এনেয়ে সোমাই গৈছিলোঁ।"

সুশীলাই কৌতূহল দমাব নোৱাৰি কেৱল বাৰে তীক্ষ্ণ দৃষ্টিৰে পলাশ আৰু শোভনাক লক্ষ্য কৰি আছিল। শোভনাই বোধহয় কথাটো মন কৰিলে। তেওঁ ঘূৰি সুশীলাৰ লগত কথা পাতিবলৈ ধৰিলে। শেষত কলে, "মই চাহৰ যোগাৰ কৰোঁগৈ। ঢুলু আহিব।"

সুশীলাই কলে, "ৰলক বাইদেউ ময়ো আপোনাক সহায় কৰি দিব পাৰিম— যদিহে আপুনি আপত্তি নকৰে।"

"আপত্তি?"

"একালত বামুণৰ জীয়ৰী আছিলোঁ। এতিয়া খৃষ্টান।"

"যোৱা যোৱা মোক জোকাব নালাগে, এই বুলি শোভনাই সুশীলাক সাৰটি ধৰি পাকঘৰলৈ লৈ গ'ল। এনেতে বেন্দাঙে সুধিলে, "বাইদেউ মইভী কিবা হেল্প কৰিম নেকি?"

আলবাৰ্টে মন্তব্য কৰিলে, "হয় বেন্দাঙে কাপ-প্লেট, বটল-গিলাচ ভাঙিব পাৰিব।" আকৌ সকলোৱে হাঁহিলে।

বেন্দাং ভিতৰলৈ নগ'ল। কাৰণ এজাপ কিতাপ-পত্ৰ লৈ সেই সময়তে সোঁফালৰ কোঠা এটাৰপৰা বিমান ওলাই আহিল। ল'ৰা-ছোৱালী কেইটাই বাছি বাছি এখন-দুখনকৈ আলোচনী লৈ পঢ়ি চাবলৈ ধৰিলে। বেন্দাঙেও ডেনিচৰ গল্প কিতাপ এখন লৈ চাবলৈ ধৰিলে। দত্তই মেগাজিন এখন হাতত তুলি ললে।

চাহ খোৱাৰ আগতে বিমানে পলাশ দত্তক নতুনকৈ কৰা ঘৰটো ঘুৰাই-পকাই দেখুৱালে। নিৰ্মাণ কৌশল আৰু সকলো আচবাব নতুন। কিছুমান কাঠৰ কিছুমান ষ্টীলৰ। ইঞ্জিনীয়াৰ বিমান বৰুৱাই নিজৰ ধাৰণা আৰু কল্পনা মতে সকলোখিনিৰে আয়োজন আৰু যোগাৰ কৰিছে। সকলো বস্তুৰেই চিকমিকাই আছে।

ডাইনিং ৰুমটো সৰু। গাতে লগা পাকঘৰ কোঠাটোও সৰু। হেঁচা-ঠেলাকৈ বহাৰ দৰেহে সকলোৱে বহিব লগা হ'ল। বেন্দাঙে বহিবলৈ ঠাই নাপাই পাকঘৰৰ দুৱাৰমুখ পালেগৈ— ভিতৰলৈ ভুমুকি মাৰি চাই সি কৈ উঠিল, "অ' কুক ভায়া আছা? মোক ভিতৰতে দিয়া। ইয়াত জাগা নাই।"

—চাহ খাবলৈ দত্তই কলে, "চুভী, তোমাৰ ল'ৰা-ঢুলু নতুন পুৰুষ। তেওঁৰ ঘৰ নতুন কায়দাৰ, সকলো নতুন। নতুন কইনা এজনী আনি এতিয়া ঘৰ সুমুৱালেহে কথাটো সম্পূৰ্ণ হ'ব!" কৈ নিজৰ ৰসিকতাত নিজেই হাঁহিবলৈ ধৰিলে। সুশীলাই কৌতুহলেৰে বিমানলৈ চাই পঠিয়ালে।

শোভনাই কলে, "তুমি ইয়াৰ বাবে ভাল ছোৱালী এজনী চাই দিয়াচোন পলুদা। মই এইবাৰ ইয়ালৈ আহিছো ইয়াৰ ঘৰখন পাতি দিওঁ বুলিয়ে। নহলে ঢুলুৱে—"

ঢুলুৱে বাধা দিলে, "মা—"

মাকে কাণ নিদিলে, "নহলে ই ইটো-সিটো অজুহাত উলিয়াই নাই-নুই কৰি আছে।"

সুশীলাই নোকোৱাকৈ আৰু থাকিব নোৱাৰিলে, "বিমান ক'ৰবাত কিবা আছে যদি কৈ পেলোৱা আমি আটায়ে মিলি যা-যোগাৰ কৰি পেলাওঁ।"

"নাই বাইদেউ—"

পলাশে কলে, "এইবিলাক কথাত লাজ কৰিব নালাগে ঢুলু।"

"পলুদা," শোভনাই কলে, "লাজ অৱশ্যে সি নকৰে। কি কয় শুনা—" এই বুলি ঢুলুৰ ক্ষীণ বাধা আওকাণ কৰি তেওঁ কিছু দিন আগৰ দৃশ্য এটা বৰ্ণনা কৰিলে:

[সেই দিনা ড্ৰয়িংৰুমত। শোভনা চোফা এখনত বহি আছে। বিমানে কাৰ্পেটৰ ওপৰতে বহি, কেতিয়াবা আঠুকাঢ়ি, টীপয় এখনত খুলি লোৱা টু-ইন-ওৱান এটা পৰীক্ষা কৰি আছে।

"তহঁতে এইবোৰ কথা উলিয়ালে উকৰাই দিবিয়েই কিন্তু দেউতাৰ নথকাত তহঁতৰ প্ৰতি মোৰ জানো এটা দায়িত্ব নাই?"

যন্ত্ৰটোৰ ভিতৰলৈ চাই পঠিয়াই বিমানে অন্যমনস্কভাৱে উত্তৰ দিলে, "বিয়াৰ কথা কৈছতো? উলিয়ায়েতো

আছ। আকৌ উলিয়া। উকৰাই নিদিওঁ বাৰু।”

“বুলু থানথিত লাগিল— সি ঘাই ঘৰতে থাকিব। দুইটাকে সন্তুষ্ট যেন লাগিল। ভণ্টীৰ ঘৰখনো বেয়া নহয়। এতিয়া তোৰ প্ৰতি মোৰ দায়িত্ব পালন কৰিব পাৰিলে মই শান্তি পাওঁ।”

“শুনিলোঁ।”

“ধেমালি নকৰিবি ডুলু,” মাকৰ অলপ খং উঠি গ’ল— “তোৰ সদায়ে এনেকুৱা। কিবা কলে কথাবোৰ আওপাকে লৈ যাৱ। মাক হিচাপে মই কোৱা কথাৰ কোনো মূল্য নাই ?”

কাৰ্পেটৰ ওপৰতে লেপেটি কাঢ়ি বহি মাকৰ ফালে ঘূৰি লৈ বিমানে কলে, “মই তোৰ কথা উকৰাই দিয়া নাই। কিন্তু তয়েইচোন দাং খাই উঠিলি ? বিয়া কৰাবলৈ কমচে কম প্ৰথমে ছোৱালী এজনী লাগিল। ক’তা তই কোনোবা ছোৱালীৰ কথা কোৱাতো মোৰ মনত নপৰে ?”

শোভনা অলপ জব্দ হ’ল। ছোৱালী আজিলৈকে আঙুলীয়াই দিয়া নাই। ছোৱালী চকুত নপৰা নহয়। কিন্তু ক’তো তেওঁ নিৰ্বাচন কৰা নাই। ডাঙৰ ল’ৰা বুলু আৰু একেজনী মাত্ৰ জীয়েক ভণ্টীৰ (নন্দিতা) বেলিকা দুয়োকো ভালদৰে সুধিয়েইহে বিয়া বন্দবস্ত কৰিছিল। নিজৰ জীৱনত যি ক্ষতি হ’ল তাৰ ভাগ নিজৰ সন্তানক তেওঁ দিব খোজা নাই।

শোভনাই কথা জুকিয়াই লৈ উত্তৰ দিলে, “তহঁতক আগতে নোসোধাকৈ মই এই বিষয়ত আগবাঢ়িবলৈ ভাল নাপাওঁ। মোক তহঁতে বন্ধুভাৱে লব পাৰ। তোৰ মনত কিবা আছে যদি ক।”

স্ক্ৰুড্ৰাইভাৰটো যন্ত্ৰৰ ভিতৰলৈ ভৰাই দি বিমানে লাহেকৈ কলে, “মোৰ এনে এঠাইত চকু পৰিছে যে নাম কলেই তই জাপ মাৰি উঠিবি— কবি যে হ’ব নোৱাৰে।”

“জাত-পাতৰ কথা যদি ভাবিছ তেনেহলে জানি থ যে মই পৰোৱাই নকৰোঁ— ছোৱালী ভাল হ’লেই হয়— শিক্ষিত, নম্ৰ, ভদ্ৰ— মোৰ পৈত্ৰিক ঘৰখন বৰ গোড়া আছিল, কিন্তু মোৰ মনে কোনো দিনেই সেই অৰ্থহীন গোড়ামি মানি লোৱা নাছিল।”

মাকৰ উথা দেখি স্ক্ৰুড্ৰাইভাৰ লোৱা হাতখন বিমানে ঠাইতে ৰখাবলৈ বাধ্য হ’ল। তেওঁ ঘূৰি মাকলৈ পূৰ্ণ দৃষ্টিৰে চাই পঠিয়ালে। সেই চাৱনিত শোভনাৰ বুকু কঁপি উঠিল। ডুলুৱে কিবা সন্দেহ কৰে নেকি ? অলপ বেছি কোৱা হ’ল নেকি।

বিমানেও গম্ভীৰতাটো অনুভৱ কৰি তাক পাতলাই কৰি দিবৰ মনেৰে কলে, “তেনেকুৱা একো নহয় মা। কিন্তু তথাপি অন্য বাধা থাকিব পাৰে দেচোন।”

“আৰু কি বাধা ? কৈছোঁৱেইতো তই মোক বন্ধুভাৱে লব পাৰ।”

আকৌ যন্ত্ৰটোত মনোনিবেশ কৰি বিমানে কবলৈ ধৰিলে, “বাধা ঠিক নহয়। কিন্তু কথাটো এনেকুৱা যে তহঁতৰ আগত একো কবগৈ পৰা হোৱাই নাই।”

“তোৰ খালী আকাৰে-ইংগিতে কথা কোৱা” মাকে ক্ষোভেৰে কলে, “তাৰে আমাৰ গা হুজুৰায় বোপাই।”

“মা, আকাৰ-ইংগিতক মূল্যহীন বুলি নাভাবিবি। ধৰ মই ওখ-পাখ ছোৱালী এজনী বিচাৰিছোঁ— তেনে হাইটৰ পাইছোঁও, কিন্তু মুখখন মই ভৰামতে নহয়। ধৰ কাৰোবাৰ মুখখনে ঠিক মিলিছে, কিন্তু ছোৱালীজনী মোৰ ককালতে পৰে। ধৰ মুখ আৰু হাইট দুইটা মিলিছে, কিন্তু কথা পতাই হোৱা নাই— ছেণ্ডেল খুলি লৈ যদি খেদা মাৰি আহে ? আকৌ ধৰ— তোৰ দৰে মোক বুজা তিৰোতা মানুহ মই আজিলৈকে দ্বিতীয় এজনী দেখাই নাই। খৰখেদা লগাই যেই-সেই ছোৱালী এজনীক আনি ঘৰ সুমুৱালে যদি সকলো ওলট-পালট হৈ যায় ?”

শোভনাই ল’ৰাৰ কথাত ইতিমধ্যেই হাঁহিবলৈ আৰম্ভ কৰিছিল। সেই দিনা বিয়াৰ আলোচনা তাতেই স্থগিত হৈ ৰৈ গৈছিল।]

বৰ্ণনাটো শুনি চাহ খাই থকা সকলোৱে বৰ আমোদ পালে। বিশেষকৈ ডিঙিৰ পিছফালটো মোহাৰি মোহাৰি ৰৈ থকা বিমানৰ অৱস্থাটো সকলোৱে উপভোগ কৰিলে। সুশীলাই তপৰাই কলে, “এই ধৰ-ধৰৰ মাজতে মাজতে কিবা এটা আছে বাইদেউ— আকাৰ ইংগিতৰ তাতেই মূল্য, তাতেই অৰ্থ। আমি সেইখিনিৰ পৰাই আৰম্ভ কৰিলে উৰহীগছৰ ওৰ ওলাই পৰিব।”

হাত দাঙি বাধা দি পলাশ দত্তই কলে, “ৰ ৰ সুশীলা, তই আজিকালি বৰকৈ থ্ৰীলাৰ পঢ়া কৰিছ হবলা— সেই বাবে প্ৰাইভেট ডিটেক্টিভৰ দৰে অনুসন্ধান আৰম্ভ কৰি দিবই খুজিছ। কিন্তু মোৰ মতটো শুন— বিমানে বোধহয় ভুল কৰা নাই চুভী, তুমি অধৈৰ্য হ’ব নালাগে। সমস্যাটো এতিয়া আমাৰ সকলোৰে সমস্যা হ’ল। আস্তে-ধীৰে সকলো কাম কৰিব লাগিব। আমি গাড়ী এখনকে মৰিয়াই-টঙিয়াই পাঁচ মিনিটতে ভাল কৰি দিব নোৱাৰোঁ। এই ধৰণৰ এটা ঘৰো একেদিনাই তৈয়াৰ নহয়। এইটোতো এখন সংসাৰ পাতি দিয়াৰ কথা। বহুত বেছি সময় লাগিব।”

“আপুনি ঠিক কৈছে দাদা,” বিমানে কৈ উঠিল, “কাম— সকলো কাম আস্তে ধীৰে কৰিলে ভাল হয়। খৰখেদা লগালে ফাংফুং হয়— তেনেকৈয়ে পি-ডব্লিউ-ডিৰ ঘৰত এমাহতে ফাঁট মেলে, দলং প্ৰথম বাৰিষাতে উটি যায়।”

“এজেক্টলী,” দত্তই জোৰ দি কলে, “মই বুঢ়া হৈছোঁ যদিও, ইঞ্জিনীয়াৰ নহওঁ যদিও— প্ৰেক্টিকেল এক্সপেৰিন্সৰ পৰাই কৈছোঁ— এজেক্টলী। বিয়া এখন দলঙৰ নিচিনা। ইপাৰৰ পৰা সিপাৰলৈ যোৱাৰ দৰে এজনৰ পৰা আন এজনৰ জীৱনলৈ যাব লাগে। বিয়াক ঘৰপতা বুলি কয়েই। গতিকে এমাহতে ফাঁট নেমেলিবলৈ হলে, প্ৰথম বাৰিষাতে দলং উটি নাযাবলৈ হলে ভাবি-চিন্তি, প্লেন কৰি, আস্তে-ধীৰে আগবাঢ়িব লাগিব।”

চাহ খোৱা শেষ হৈ আহিছিল। এনেতে পাকঘৰত ঠনৰকৈ কিবা এটা পৰাৰ শব্দ উঠিল। সকলোৱে মূৰ দাঙি চালে। বেন্দাং চুচুক-চামাককৈ ওলাই আহিল। ষ্টীলৰ গিলাচ এটা দেখুৱাই সি কলে, “এইটো পৰি গৈছিল আলবাৰ্ট। ভঙা নাই।” আলবাৰ্টে কলে, “বাৰু যোৱা। ভাঙিলে আহিবা।”

চাহ খাই ল’ৰা-ছোৱালী কেইটাক লৈ বেন্দাং আৰু বিমান ড্ৰয়িংৰুমৰ ফালে ওলাই গ’ল। পলাশ, সুশীলা আৰু শোভনাই তামোলৰ বটা এটা সমুখত লৈ বহি থাকিল। দত্তই চিগাৰেট হুপি হুপি মস্ত পেপাৰবেক এখনৰ পাত লুটিয়াই গ’ল।

“পলুদা,” শোভনাই কলে, “তোমালোক অহা কাৰণে বৰ ভাল পালোঁ। কিন্তু এইটো যেন আৰম্ভণিহে হয়।”

সুশীলাই আকৌ ই দুজনৰ কথাৰ অৰ্থ উলিয়াবলৈ চেষ্টা কৰি লক্ষ্য কৰি থাকিল।

দত্তই কলে, “মোৰ কথা ৰাখিলোঁ। আকৌ আহিমো। তোমালোকে গৈ থাকিলেই হয়।”

“যাম যাম চাই থাকিবা।”

আগফালে চোতাল আৰু ফুলনিত আলবাৰ্টহঁতে দৌৰি ফুৰিছে। সিহঁতক নিয়ন্ত্ৰণ কৰাৰ চেষ্টাত বেন্দাঙেও পিছে পিছে দৌৰিব লাগিছে। বন্দনাই প্ৰথমে সিহঁতক সংযত কৰি ৰাখিবলৈ মুখেৰে কিবাকিবি কৈ আছিল। বেন্দাং অহাত তাই সেই চেষ্টা এৰি দি ফুলগছবোৰ চাবলৈ ধৰিলে।

ঘৰৰ পৰা ওলাই বিমান বন্দনাৰ ফালে আহিল। দুয়ো ঘূৰি-পকি ফুলৰ বিষয়ে আলোচনা কৰিবলৈ ধৰিলে। বিমানে মন কৰিলে যে বন্দনাই ফুলৰ বেছ খবৰ ৰাখে।

দত্ত ওলাই আহি বাৰান্দাত থিয় হ’ল। হাতত সেই ডাঠ কিতাপখন। তেওঁ নামি নাহিল। সমুখৰ দৃশ্যটো চাই থাকিল। সুশীলাও ওলাই আহিল। কিন্তু তেওঁ নামি গ’ল। সুশীলাৰ পিছে পিছে শেষত আহিল শোভনা বৰুৱা। দুয়ো ৰেলিঙৰ কাষতে থিয় হৈ সমুখলৈ নিৰৱে চাই থাকিল। বন্দনা আৰু বিমানে তেতিয়াও ইজোপা ফুলৰ পৰা সিজোপাৰ ওচৰলৈ গৈ কথা পাতি আছে। পলাশৰ কাণত বাজি উঠিল, ‘কিছুমান মানুহে ফুল ছিঙি ছিঙি নিয়ে। মই বৰ বেয়া পাওঁ।’ ‘ফুলে দিয়েই ভাল পায়।’ ‘ধৰা তুমিও এপাহ ফুল।’ শোভনাই দৃশ্যটো চাই কি কৰিছে চাবলৈ দত্তই তেওঁৰ ফালে মুখ ঘূৰালে। ঠিক সেই সময়তে শোভনায়ো ঘূৰি তেওঁলৈ চালে। দুয়ো হাঁহি চকু নমাই ললে।

সুশীলাই ল’ৰা-ছোৱালী কেইটাক গোটাই পিটাই গাড়ীৰ ওচৰলৈ আনিলে। বেন্দাঙে ড্ৰাইভাৰৰ আসনত বহি লৈ হৰ্ণ বজাই দিলে। ৰামলাল ক’ৰবাৰ পৰা ওচৰ চাপি আহিল।

দত্ত আৰু শোভনাও নামি গ’ল।

দত্তই বিমানক কিতাপখন দেখুৱাই কলে, “এইখন মই নিওঁনে ডুলু ? ইন্টাৰেষ্টিং হব যেন লাগিছে।”

বিমানে “ফিউচাৰ শ্বক” খনৰ ওপৰত চকু ফুৰায়েই কলে, “নিয়ক দাদা। ভাল কিতাপ।” লগে লগেই তেওঁ কিবা মনত পৰাত “অ’ ৰ’ব” বুলি দৌৰি ঘৰলৈ গ’ল। অলপ পিছত ৪।৫ খন ইংৰাজী পেপাৰবেক আনি সুশীলাৰ হাতত দি কলে, “পাহৰিছিলোৱেই মাহী।” সুশীলাই আগ্ৰহেৰে কিতাপ জাপ লৈ হাঁহি এটাৰে শলাগ জনালে।

তেতিয়াও পোহৰ আছিল। সকলোৱে আকৌ এবাৰ ঘূৰি ঘূৰি নতুন এলেকাটো চাই যাবলৈ ধৰিলে।

কেপিটেল কমপ্লেক্সৰ কিনাৰেদি গাড়ী ঘূৰাই জি-এছ ৰোড ওলালত বেন্দাঙে স্পীড বঢ়াই দিলে।

বন্দনালৈ ঘূৰি চাই দত্তই সুধিলে, “বিমানৰ ঘৰখন কেনে লাগিল হিয়া ?”

“ভালেই লাগিল। গোটেই ঠাই ডোখৰেই নতুন। আমাৰ নিচিনা নহয়।”

“অঁ নতুনকৈ খোলা।” অলপ পৰ মনে মনে থাকি দত্তই সুধিলে, “ডুলুৰ লগত কি কথা পাতিলা ?”

“মোক হেনো ডিষ্ট্ৰিক্ট লাইব্ৰেৰীত নচা দেখিছে। যোৱা বাৰ যে সত্ৰীয়া নাচ দিছিলোঁ— তাৰ কথাই কৈছে হবলা।”

“হব পাৰে।”

“এইবিলাকত ইন্টাৰেষ্ট আছে যেন লাগে।”

সুশীলাই কলে, “ল’ৰাটোক মোৰ ভাল লাগিল। বেছ কিতাপ-পত্ৰ পঢ়ে।” এই বুলি মৰমেৰে হাতৰ কিতাপ জাপলৈ এবাৰ চালে।

কিছু সময় সকলোটি নিৰৱ।

গণেশগুৰি পোৱাৰ আগতে হঠাৎ বেক্ কৰি ওলাই অহা ফিয়েট এখনৰ লগত বেন্দাঙে খুন্দা লগাবই খুজিছিল— কথমপি ব্ৰেক মাৰি ৰৈ গ’ল। সকলোৱে হাত-ভৰি যি পাৰে মেলি, পৰস্পৰৰ গাত খুন্দা-খুন্দলি খাই ভাগ্যে কাৰো একো নোহোৱাকৈ ৰ’ল। সুশীলাৰ গাৰ পৰা উঠি আলবাৰ্টে কলে, “আমাৰ চৰকে বেন্দাঙে ভাঙিছিলেই আৰু !”

“ধেৎ !” বেন্দাঙে গাড়ীখন লাহে লাহে আকৌ চলাবলৈ ধৰি কলে, “মানুহ ভাঙে নেকি ?”

নমিতাই টিপ্পনী দিলে, “মানুহৰ একো নহ’লহেঁতেন যদিও খুন্দা লগা হলে ফিয়েটখন টুকুৰা-টুকুৰ হ’লহেঁতেন। বেন্দাং দাদাৰ কম জোৰ নেকি ?”

“ধুৰ ! মই জোৰ দি মাৰিলোহেঁতেন নেকি ?”

পলাশ দত্তই তাৰ গাত থপৰিয়াই থপৰিয়াই কলে, “বাৰু ব’ল। লাহে লাহে গলেও হব। দোষটো ফিয়েটখনৰেই। …সুশীলা, মকবুলৰ তাত অলপ সোমাই গলে বেয়া হবনে ? সিদিনা বাটলৈকে আহি চালেহাই কৈ থৈছিল। তহঁত সকলোকে লৈ সদায় অহাও নপৰে।”

আগনেছে বিশেষ কাকো উদ্দেশ্য নকৰাকৈয়ে প্ৰশ্ন কৰিলে, “মকবুল দাদাইনো চিনেমা চাবলৈ নোযোৱাকৈ ঘৰতে থাকিবনে ?”

“থাকিব থাকিব,” বেন্দাঙে জোৰ দি কলে, “আজি আমি আহিব পাৰোঁ বুলি তাক কৈছিলোঁ।”

অলপ বিৰক্ত হৈ দত্তই কলে, “কলৈ যাওঁ কি কৰোঁ তোৰনো যাকে-তাকে কৈ ফুৰিবৰ দৰকাৰ কি ?” বেন্দাঙে একো নামাতিলে। শোভনাৰ ওচৰলৈ যোৱাটো প্ৰচাৰ নহওক, এয়ে গুৰি কাৰণ। (আগলৈ)





OKDISCD



# অৰণ্য

কুমুদ গোস্বামী

আজি সন্ধিয়া টিভিত কি ওলাব ৰুবুলে কালিয়েই জানি থৈছে। গতিকে সময় হোৱাৰ লগে লগে ৰুবুল আহি ককাকৰ সৈতে একেলগে টিভিৰ সন্মুখত বহিল।

হঠাৎ টিভিৰ পৰ্দাৰে এজাক হৰিণ দৌৰি পাৰ হৈ গ'ল। ৰুবুলৰ ককাকে চচমাৰ ফ্ৰে'মটো নাকৰ ওপৰত ভালদৰে বহুৱাই ল'লে। ককাকৰ কোঁচখোৱা কপাল আৰু জোঙা নাকৰ মাজত দুটুকুৰা ডাঠ বৰফৰ দৰে ওপঙি থকা চচমাৰ গ্লাছ দুখনলৈ থৰ লাগি চাই ৰুবুলে প্ৰশ্ন কৰিলে, "এইবোৰয়ে গ'ল, হৰিণ নহয় ?"

ককাকে পৰ্দাত চকু ৰাখি মূৰ দুপিয়ালে।

"ক'লৈ গ'ল ?" সি আকৌ সুধিলে।

"হাবিলৈ।" ইতিমধ্যে এখন বিশাল অৰণ্য আহি দুয়োৰে সন্মুখত উপস্থিত হ'ল, "এইখন হাবি।".

ৰুবুলে চকুৰ নিমিষ নমৰাকৈ হাবিখন চাবলৈ ধৰিলে। হাবিত শাৰী শাৰী ওখ ওখ গছ; মাজে মাজে জোপোহা বননি। ৰুবুলৰ চকুৱে তাৰ মাজত হৰিণৰ জাকটো বিচাৰিবলৈ ধৰিলে। এডাল ওখ গছৰ পৰা এটা ডাঙৰ চৰাই উৰি আহি মাটিত পৰিল।

"হৰিণবোৰ ক'লৈ গ'ল ?" আকৌ একেটাই প্ৰশ্ন। ৰুবুলে লক্ষ্য কৰিলে ককাকৰ ওঁঠ দুটা সামান্যভাৱে কঁপি উঠিছে। তেওঁ বিৰক্ত হৈছে।

তথাপি তাৰ প্ৰশ্নৰ উত্তৰ নিদিলে নহ'ব।

"হাবিলৈ।" তেওঁ লাহেকৈ কৈ থলে।

"নাই দেখোন !" এতিয়া ৰুবুলৰ সন্মুখত অকাই-পকাই ঘূৰি থকা হাবিখনত এটাও হৰিণ নাই।

"হাবিবোৰ খুব ডাঙৰ। হৰিণৰ জাকটো তাত হেৰাই গ'ল।"

"হাবিখন কিমান ডাঙৰ, ককা ?"

"বহুত ডাঙৰ।" শব্দ দুটা উচ্চাৰণ কৰোতে ওঁঠ আৰু চকুৰে তেওঁ হাবিখনৰ এটা আকাৰ ৰুবুলৰ চকুত দাঙি ধৰিবলৈ যত্ন কৰিলে। সি বুজিলে, হাবিখন খুব ডাঙৰ। গৈ গৈ শেষ কৰিব নোৱাৰি।

"হাবিত কি কি আছে ?"

ইতিমধ্যে হাবিখনৰ ওচৰত দুই ফালৰপৰা দুজন চিকাৰী আহি উপস্থিত হৈছিল। টিভিৰ পৰ্দাত চিকাৰী দুজনৰ দুটা ঘোঁৰা, দুটা বন্দুক আৰু দুখন ভয়লগা মুখ।

ৰুবুলৰ প্ৰশ্নৰ উত্তৰ নাহিল। ককাকৰ দৃষ্টি পৰ্দাত নিবদ্ধ। তেওঁৰ কাষত বহি থকা ৰুবুল আৰু বাহিৰৰ পৃথিৱীৰ সকলো অস্তিত্ব তেওঁ যেন পাহৰি গৈছে।

দেখিবৰেপৰা সি ককাকক বেছিভাগ এই কোঠাতে দেখিছে। কোঠাত সোমাই দিনৰ দিনটো তেওঁ কিতাপ পঢ়ি থাকে। কেতিয়াবা কাকত-আলোচনীৰ ছবি চায়। কেতিয়াবাহে ওচৰৰ দুই এঘৰ মানুহৰ বাৰাণ্ডালৈ যায়। গৰম কালি খুব পুৱাতে উঠি তেওঁ ৰুবুলৰ সৈতে ঘৰৰ সন্মুখৰ বাটত খোজ কাঢ়ে। হাতত লাখুটি, ভৰিত কেনভাছৰ জোতা। ৰুবুলৰ দেউতাকে এবাৰ কলিকতাৰপৰা বস্তুকেইটা আনি দিছিল। পুৱা-গধূলি তেওঁৰ একমাত্ৰ সংগী ৰুবুল। সি নানান প্ৰশ্ন সুধি তেওঁক ব্যতিব্যস্ত কৰি তোলে। সকলো প্ৰশ্নৰ উত্তৰ তেওঁৰ মগজুত মজুত নাথাকে। কেতিয়াবা সি এনে একোটা প্ৰশ্ন সুধি পেলায় যে তেওঁ থতমত খাই যায়

কিন্তু, ৰুবুলৰ মনৰ ভাব— ককাকে বহুত কথা জানে; বহুত ঠাই, বহুত ডাঙৰ ডাঙৰ হাবি দেখা পাইছে এনেকুৱা সৰু-সুৰা হাবিৰতো কথাই নাই।

চিকাৰীদুজন ইতিমধ্যে হাবিৰ মাজত লুকাই পৰিছে।

এতিয়াহে ৰুবুলৰ প্ৰশ্নৰ উত্তৰটে তেওঁৰ ডিঙিলৈ উঠি আহিল, "বহুত চৰাই, জন্তু, পোক-পৰুৱা, সাপ — এইবোৰ হাবিত ভৰ্তি হৈ আছে।"

ৰুবুলে কথাটো প্ৰায় পাহৰিয়েই গৈছিল। ককাকৰ কথা শুনিহে তাৰ স্মৃতি ঘূৰি আহিল। টিভিৰ হাবিখন লাহে লাহে পৰ্দাৰ এচুকত জীণ যাবলৈ ধৰিছে।

ৰুবুলে সুধিলে, "ককা, তুমি হাবি দেখিছানে ?"

এনেকুৱা প্ৰশ্ন কৰিলেই তেওঁৰ হাহাকাৰ লাগে। কি কব কি নকব ভাবি থাকোঁতেই তেওঁৰ নিজকে ৰুবুলৰ ওচৰত খুব সৰু হৈ যোৱা যেন লাগে। এটা অকণমান ল'ৰাৰ ওচৰত তেওঁৰ প্ৰায় চাৰিকুৰি বছৰীয়া জীৱনটো যেন লেতুসেতু হৈ পৰে।

পৰ্দাত দৃশ্যৰ সলনি ঘটিল। দুটা মানুহে কথা পতা আৰম্ভ কৰি দিলে। ৰুবুলৰ এইবোৰ ভাল নালাগে। সি একেজাপে আহি ককাকৰ কোঁচত উঠিল; ককাকৰ নাকৰপৰা চচমাযোৰ খুলি আনি পিটিকিবলৈ ধৰিলে। এবাৰ পিন্ধিও চালে। দুখন কংক্ৰিট ৱাল তাৰ চকুৰ আগত থিয় হোৱা যেন লাগিল। ককাকে থাপ মাৰি চচমাযোৰ তাৰ চকুৰপৰা কাঢ়ি নিলে।

ৰুবুলে নাজানে, তাৰ ককাকে গোটেই জীৱনত পূবে গুৱাহাটী আৰু পশ্চিমে মাথোন গোৱালপাৰালৈহে গৈছে। তাৰ সিফালে কি আছে তেওঁ দেখা নাই। মাথোন শুনিছেহে; কেতিয়াবা কিতাপ-আলোচনীত পঢ়িছে। অৱশ্যে দুবাৰ দুটা সুযোগ ওলাইছিল। এবাৰ ধুবুৰীলৈ আৰু এবাৰ ডিব্ৰুগড়লৈ। ৰুবুলৰ মাক-দেউতাক তেতিয়া সেইবোৰ ঠাইত আছিল। অৱশ্যে প্ৰস্তাৱটো আহিছিল ৰুবুলৰ মাকৰপৰা— মণিৰপৰা। এবাৰ তেওঁ ডিব্ৰুগড়লৈ প্লে'নৰ টিকট এটাও কৰি পঠিয়াইছিল। কিন্তু, শেষ মুহূৰ্তত অজিতে— ৰুবুলৰ দেউতাকে —সকলো পণ্ড কৰি দিলে। কি কাৰণত কব নোৱাৰি, অজিতে দেউতাক বাহিৰলৈ যোৱাত সদায় বাধা দিয়ে। মণিৰ টিকটো ফিৰাই দিয়া হ'ল। ৰুবুলৰ ককাকৰ কলৈকো যোৱা নহ'ল— ধুবুৰী, ডিব্ৰুগড় কলৈকো। মণিয়ে নিব খোজে, অথচ অজিতে আপত্তি কৰে— কথাটো ভাবি ভাবি কেতিয়াবা ৰুবুলৰ ককাক বিমোৰত পৰে। কিয় ? কি কাৰণত ? মাজে মাজে ভাব হয়, অজিতে বোধহয় তাৰ লগৰ অফিছাৰ কেইজনৰ আগত তেওঁক দেউতাক বুলি চিনাকি দিবলৈ লাজ পায়। কিন্তু,— মণিৰ কথাটো ভাবিলে তেওঁৰ চিন্তাত জোঁটপোত লাগে। মণিয়েতো শহুৰেকক সেইখন সমাজলৈ নিবই খোজে, তেৰেঁতো অজিতৰ দৰে একে আদব কায়দাতে থাকে। মণিয়ে লাজ নাপায়, অথচ অজিতে পায় !

ৰুবুলে ককাকৰ কোলাৰপৰা জাঁপ মাৰি গৈ টিভিৰ চুইচটো বন্ধ কৰি দি কোঠালিৰ লাইটটো জ্বলাই দিলে। টিউব লাইটৰ পোহৰত এতিয়াহে সি ককাকৰ মুখখন ভালকৈ দেখা পালে। সদায় দেখি থকা সেই মুখখনত আজি যেন আগৰ সেই ফূৰ্তি-ফূৰ্তি ভাবটো নাই। তাৰ সলনি তাত কিহবাৰ এক পাতল ছাঁ পৰা যেন দেখা গৈছে। টিভিৰ পৰ্দাত ওলোৱা অৰণ্যৰ ছাঁই যেন এতিয়া তেওঁৰ মুখখন আবৰি ধৰিছে।

বাহিৰত গাড়ীৰ শব্দ শুনা গ'ল। বোধহয় অজিত আহিল। ককাকক অকলে কোঠাত এৰি থৈ ৰুবুল দৌৰি দেউতাকৰ ওচৰলৈ গ'ল। অজিতে ঘৰ সোমায়েই চিঞৰ-বাখৰ কৰি হুলস্থূল লগাই দিলে, "মণি, মণি।"

মণি পাকঘৰত। দৌৰ মাৰি ওলাই আহিব খোজোঁতেই তেওঁ পাকঘৰৰ দুৱাৰ মুখতে অজিতৰ গাত খুন্দা খালে, "কি হ'ল ?"

"তোমাৰ কাৰণে বৰ ভাল খবৰ এটা আছে।"

"মোৰ কাৰণে ? কিনো ভাল খবৰ ?"

"কাইলৈ আমি কাজিৰঙালৈ যাম। ওলাবা।"

"সেইটোহে ভাল খবৰ ! কিমানবাৰ কাজিৰঙালৈ গৈছোঁ।"

"তথাপি, এদিন ফূৰ্তি কৰিব পৰা যাব। নোযোৱা নেকি ?"

"যাম যাম। কাইলৈ কেতিয়া ?"

"খুব পুৱাতে। ৰুবুলকো ল'বা। আৰু যদি কোনোবা যায়—।" পাছৰ কথাষাৰ কওঁতে অজিতৰ মাতটো যথেষ্ট সৰু হৈ পৰিল।

আনন্দত জঁপিয়াই জঁপিয়াই এইবাৰ ৰুবুল আকৌ ককাকৰ কোলাত উঠিলহি। সি এবাৰ তেওঁৰ চকুলৈ চাই ল'লে। তাৰ পাছত সুধিলে, "ককা, কাজিৰঙা কোনফালে ?"

"এইফালে" বুলি ককাকে সোঁহাতখন পূবলৈ মেলি দিলে। ৰুবুলে যেন ককাকৰ হাতখন আজিহে দেখিলে, এনেভাৱে সি সেইখনলৈ থৰ লাগি চাই থাকিল। শুকান গছৰ ডাল এটাহে যেন তাৰ চকুৰ আগত উপস্থিত হৈছেহি। চৰাইৰ ঠেঙৰ দৰে শীৰ্ণ আঙুলি। তাৰে দীঘল আঙুলিটোৰ মূৰলৈ ৰুবুলে ৰ লাগি চালে। সেইটো আঙুলিৰ পোনে পোনে কাজিৰঙা।

"কিমান দূৰ।"

"দূৰ আছে।" ককাকে সহজ সুৰে কবলৈ চেষ্টা কৰিলে, "পিছে, তহঁতে টেক্সিৰে যাবি যেতিয়া, সেইখিনি একো দূৰ নহব। তৎক্ষণাৎ গৈ পাবি।"

পাকঘৰত মণি আৰু অজিতৰ সকলো কথা-বতৰা তেওঁ শুনিছে।

ৰুবুলে ইতিমধ্যে ককাকৰ সোঁহাতখন কোঁচাই আনি তাৰ কোলাত লৈছিল। এটা পোহনীয়া মেকুৰীক মৰম কৰাৰ দৰে সি ককাকৰ হাতখন লিৰিকি-বিদাৰি থাকিল।

ৰুবুলৰ মনত আৰু এটা প্ৰশ্নৰ উদয় হ'ল। সি ককাকৰ শুকান ওঁঠদুটাৰ ওচৰলৈ নিজৰ মুখখন চপাই নি সুধিলে, "ককা, কাজিৰঙাত কি আছে ?"

"বহুত জন্তু আছে, চৰাই আছে—"

"আৰু ?"

"আৰু বহুত গছ-গছনি আছে।"

"জন্তু মানে ?"





OKDISCD

"বাঘ, হাতী, হৰিণ এইবোৰ।" সিহঁতক আমি দেখা পামনে?"

"পাবি, কিয় নাপাবি। তাত সেইবোৰ চোৱাৰ ব্যৱস্থা আছে নহয়। হাতীত উঠি, টাৱাৰত উঠি চাব পাৰিবি।"

কবুলৰ চকু-মুখ উজ্জ্বল হৈ উঠিল। টিভিৰ পৰ্দাত ভাঁহি উঠাৰ দৰে মনৰ পৰ্দাতো কাজিৰঙাৰ হাবিৰ দৃশ্য ভাঁহি উঠিল। গৈ গৈ শেষ নহয়—বিশাল, গভীৰ অৰণ্য। এজাক চঞ্চল হৰিণ যেন তাৰ চকুৰ আগেদি দৌৰি গ'ল।

সি এইবাৰ পোনে পোনে তেওঁক সুধিলে, "ককা, তুমি কাজিৰঙালৈ গৈছানে?"

কবুলৰ এনেকুৰা প্ৰশ্নই সদায়ে তেওঁক নিৰুত্তৰ কৰি পেলায়। এতিয়াও তেওঁ নিৰুত্তৰ হৈ চকুছুটা সৰু কৰি কবুলৰ কোমল মুখখনলৈ চাই থাকিল। দুবাৰমান তেওঁৰ ওঁঠছুটা এনেয়ে কঁপি উঠিল। এটা শিলৰ মূৰ্তিৰ দৰে জঠৰ হৈ পৰা ককাকৰ কান্ধ-দুখন জোকাৰি দি সি পুনৰ সুধিলে, "গৈছানে?"

তেওঁৰ ওঁঠছুটা এইবাৰ কঁপি উঠিল। সেইছুটা যেন টানকৈ লাগি ধৰিলে।

"যোৱা নাই যদি কোৱা। দেউতাক কওঁ। তুমিও যাবা আমাৰ লগত।" কবুল অধৈৰ্য হৈ পৰিল।

তথাপি ককাক নিৰুত্তৰ।

কিন্তু, তাৰ কথাৰ উত্তৰ নিদিলে তেওঁৰ ৰক্ষা নাই। সেইবাবে, কথাৰ গতি সলনি কৰিবলৈ তেওঁ ঘূৰাই তাক সুধিলে, "তহঁত কোন কোন যাবি?" কাজিৰঙালৈ কোন কোন যাব তেওঁ জানে। পাকঘৰৰ কথা-বতৰাখিনি তেওঁ ভালদৰে শুনিছে। তথাপি সুধিলে।

কবুলৰ উৎসাহৰ সীমা নাই। সি ক'লে, "মই, মা, দেউতা, আৰু— আৰু যদি কোনোবা যায়—।" তাৰ এতিয়াহে উপলব্ধি হ'ল, দেউতাকে ককাকক নিয়াৰ কথা কোৱা নাই। তেওঁৰ নামেই লোৱা নাই। বোধহয় তেওঁ বহুবাৰ কাজিৰঙা দেখিছে, বহুবাৰ ফুৰিবলৈ গৈছে; এতিয়া বুঢ়া হ'ল—আৰুনো কি ফুৰা-চকা কৰিব! সি তেনেকৈয়ে ভাবি থৈছে। কিন্তু এতিয়া তাৰ প্ৰশ্নটোৰ কোনো খাটাং উত্তৰ ককাকৰ পৰা নাপাই সি বৰ বিপাঙত পৰিল। ককাকে সঁচাকৈয়ে হাবি দেখিছেনে নাই, কাজিৰঙালৈ তেওঁ কেতিয়াবা গৈছেনে নাই— সি একো ঠাৱৰ কৰিব নোৱাৰিলে। দেউতাকক সুধিবলৈ তাৰ সাহস নাই। মাকক অৱশ্যে মনে মনে সুধিব পাৰে। কিন্তু মাকেও প্ৰায় ভাগ তাৰ কোনো কথাৰ উত্তৰ দিব নোখোজে। এইটোৰো যে উত্তৰ দিব সন্দেহ। সেইবোৰ কথা তোক কিয় লাগে? যা, পঢ়গৈ—এনে ধৰণৰ কথাহে সি মাকৰ পৰা উত্তৰ হিচাপে পাব। বিশেষকৈ, পঢ়াৰ কথা ওলাব লাগিলে সি ওলোটাকৈ বিপদত পৰিব। গতিকে, শেষত মাককো কথাটো সুসুধিবলৈকে সি ঠিক কৰিলে। তাৰ মনত খু-দুৱনি থাকি গ'ল।

বাহিৰত আন্ধাৰ ঘন হৈ আহিল। অলপ অলপ ঠাণ্ডাৰ ভাবো আহিল। কবুলৰ ককাকৰ বাবে এই ঠাণ্ডাই বহুত। বৰফত পোত খাই যোৱা এডাল লঠঙা গছৰ দৰে তেওঁ নিথৰ হৈ পৰিছে।

তেওঁৰ পৰা কোনো সমিধান পোৱাৰ আশা নেদেখি সি লাহে লাহে তেওঁৰ ওচৰৰ পৰা আঁতৰি আহিল। আহি চিধাই পাকঘৰলৈ গ'ল। কব নোৱাৰাকৈ মেকুৰী এজনী সোমালে চিঞৰ মৰাৰ দৰে মাকে তাক দেখা মাত্ৰে কৈ উঠিল, "যা, পঢ়গৈ।" ধমক খাই সি দেউতাকৰ কোঠালৈ আহিল। তেওঁ কিবা কাগজ-পত্ৰ কিছুমান মনযোগেৰে চাই আছে। তেওঁ তাক ধমক নিদিলে; কিন্তু তাৰ ফালে এনে এটা দৃষ্টি নিক্ষেপ কৰিলে যে সি ভয়ত পেপুৱা লাগি পুনৰ ককাকৰ ওচৰ পালেহি। তাৰ এনেকুৱা অৱস্থা সদায় হয়। ককাকে জানে। গতিকে, তেওঁ দুয়োখন হাতমেলি পুনৰ তাক কোলাত বহুৱাই ল'লে। বহুত বিপদ পাৰ হৈ এখন নিশ্চিত আশ্ৰয়ৰ ঠাইত উপস্থিত হোৱা এটা ভয়াতুৰ জন্তুৰ দৰে কবুলে কিছু সময় টলকা মাৰি বহি থাকিল। ককাকে ধীৰে ধীৰে তেওঁৰ শুকান হাত এখন তাৰ মূৰৰ চুলিৰ মাজে মাজে বুলাই দিলে। তাৰ চকু মুদ খাই আহিবৰ উপক্ৰম হ'ল।

ৰাতি নৌপুৱাওঁতেই ঘৰত সৰু-সুৰা এটা হুলস্থুল আৰম্ভ হ'ল। মণিয়ে খৰখৰকৈ খোৱা বস্তুখিনি সামৰি লবলৈ ধৰিলে। অজিতে গাড়ীখন ষ্টাৰ্ট কৰি ইটো সিটো খুটি-নাটি চাবলৈ ধৰিলে। কবুলৰতো কথাই নাই। ৰাতি তাৰ টোপনি নাহিল বুলিয়েই ক'ব পাৰি।

বাৰাণ্ডাত ৰ'দৰ আভাস বিৰিঙি উঠা যেন পাই কবুলৰ ককাক লাহে বাৰাণ্ডালৈ আগুৱাই আহিল। তেওঁক মাত লগাই মণি আৰু অজিত গাড়ীত বহিলগৈ। একেবাৰে শেষত কবুল। সি ককাকৰ চকুলৈ স্থিৰ দৃষ্টিৰে চালে। তাৰ এনেকুৱা লাগিল—সেই চকুছুটাত যেন তাৰ কালিৰ প্ৰশ্নটোৰ উত্তৰ এটা ক্ৰমে ফুটি উঠিবলৈ ধৰিছে। হয়তো এতিয়াই সেই উত্তৰ ককাকৰ মুখৰ পৰা ওলাই আহিব।

"কবুল", ককাকে নিৰুত্তাপ কণ্ঠে তাক মাতিলে, "শুনচোন।"

একে জাঁপে সি তেওঁৰ কাষ পালেহি। তাৰ সমনীয়া ল'ৰা এটাৰ ওচৰলৈহে যেন সি দৌৰি আহিছে।

"কি হ'ল, ককা?"

"দেউতাৰক সোধচোন." তেওঁৰ মাত খোকাথুকি হৈ পৰিল, "মোকো নিব নেকি, কাজিৰঙালৈ।"

কথাষাৰ শুনি কবুলৰ মন জুঁই পৰি গ'ল। দুটুকুৰা ডাঠ বৰফৰ দৰে চচমাৰ আইনাৰ সিফালে থকা ককাকৰ নিষ্প্ৰভ চকুছুটাত যেন ক্ৰমে আন্ধাৰ নামি আহিবলৈ ধৰিছে। সেই চকুৰ গভীৰত যেন এখন বিশাল অৰণ্য লাহে লাহে জীণ যাবলৈ ধৰিছে—টিভিৰ পৰ্দাৰ অৰণ্যখনৰ দৰে।





১৯৮৫ চনৰ ১৫ আগষ্টৰ পাছৰ দুটি কবিতা

গিৰীণ সেনাপতি

এক ঃ

## নতুন সূৰ্য

অসমৰ আকাশত জিল মিলনিৰ পোহৰ দেখিছোঁ
সেয়া যেন নতুন দিনৰ নতুন সুৰুযৰ পোহৰ
অন্ধকাৰ জগতৰ দৈত্য-দানৱবোৰ যেন আজি পলাই গৈছে।
আজি যেন পৰাজয় ঘটিছে, মোহাছন্ন স্বাৰ্থপৰ অসুৰৰ
দূৰৈত বাজি উঠিছে জয়ৰ মংগল-ধ্বনি সুখ আৰু সমৃদ্ধিৰ॥

দুই ঃ

## আশা


আজি অসমৰ শ্যামলী পথাৰ
পানীৰ কণিকাৰে ভৰি পৰিছে।
অসমৰ শ্যামলী পথাৰত
সৰগৰ পৰা সৰি পৰা
এইয়া শত শ্বহীদৰ আনন্দাশ্ৰু।
স্বদেশৰ মংগলৰ হকে
জীৱন আহুতি দি শ্বহীদ হোৱাৰ
সাৰ্থকতা যেন আজি উপলব্ধি কৰিছে!
আৰু,
বহু আশাৰে যেন তেওঁলোকে
সৰগৰ পৰা অপলক নেত্ৰে,
চাই আছে, ভৱিষ্যত অসমৰ সমৃদ্ধিলৈ।



## আইতাৰ মুঠি

গিৰিশ দাস

আইতাৰ মুঠিত
জোনৰ দেশৰ চাৰি কুৰি সাধু
আইতাই বুজে
সাউদৰ ডিঙা পাৰ হৈ যায়
চিকিমিকি পোহৰত
জুমি জুমি চায়
আইতাই
ধুলিৰ মাজত
জোনৰ দেশৰ চাৰি কুৰি সাধু
মুঠিতো খোলোতেই সৰি পৰিল
জন্ম হব পাৰে তেজীমলা
আইতাই ভাবে
এই বিয়লি বেলা।



## বৰগছ হালিবৰ হল

বিমল শইকীয়া

চাওঁ, এতিয়াহে দেও উঠিছে গোঁসানী লম্ভিছে
নেলু ছিঙি বলিকটা দেউৰীয়ে পি নিছে
গোঁসানীৰ তেজৰ পিয়াহ

দেখিছা, গোঁসানী চাবলৈ মানুহৰ লানি
সাঙুৰি আনি বলেৰে বলিকটা তেজৰ ফোঁট দি
কেনেকৈ প্ৰসাদ কটিয়াই
হেঁচা মাৰি ধৰি সেৱা কৰাই গোঁসানীক

পুলিন পুথাওৰ দিনৰ বিধি চুৱা হল
ঈশ্বৰকো তুমি আঙুলি টোৱাইহে কথা কোৱা
আটাইবোৰ দেখি আছোঁ

বাৰু, তোমাত লগা-ভগা আটায়ে
পালে নে একোটা বাব ৰজাৰ ঘৰৰ
দেওধাই বাইলুঙে বোলে মণ্ডলত পাইছে
ৰৰগছ হালিবৰ হল



OKDISCD

দৈনন্দিন

# নিৰ্দোষ মিছাকথা ঃ নিৰ্মল আনন্দ

—ফণীন্দ্ৰ কুমাৰদেৱ চৌধুৰী

প্ৰখ্যাত ফৰাছী ঔপন্যাসিক এণ্ড্ৰ গাইড আছিল এজন নিমাখিত, ভদ্ৰ মানুহ। তেওঁৰ দৈনন্দিন জীৱনত সাধাৰণ উত্থান-পতন থাকিলেও চকুত চমক লগোৱা বৈচিত্ৰ নাছিল। তাৰ বিপৰীতে অস্কাৰ ৱাইল্ড আছিল ধুমুহাৰ দৰে বেপৰোৱা ভদ্ৰ সমাজৰ পৰা মোটামুটি নিৰ্বাসিত; তেওঁৰ দৈনন্দিন জীৱনৰ দৰ্শন আছিল— something must happen; —জীৱনক বৈচিত্ৰময় কৰি তুলিবলৈ সদায় কিবা এটা সংঘটিত হবই লাগিব।

এদিন অস্কাৰে নিমাখিত গাইডৰ খবৰ ল'লে "কালিৰ পৰা আপুনিনো কি কি কৰিলে ?"

গাইডৰ জীৱন সেই সময়ত আছিল সহজ-সৰল, তাত নাছিল বিচিত্ৰ ঘটনাৰ পয়োভৰ। চাহ-ভাত খোৱা-শোৱাৰ বাহিৰে কবলগীয়া কথা তেওঁৰ একোৱেই নাছিল। গাইডে তাকেই ক'লে।

অস্কাৰে আচৰিত হৈ সুধিলে, "আপুনি সঁচাকৈয়ে কৈছে নে যে এই নিত্য নৈমিত্তিক কামবোৰৰ বাহিৰে যোৱা ছব্বিছ ঘণ্টাত আপুনি একোৱেই কৰা নাই ?"

"হয়, সঁচাকৈয়ে কৈছোঁ।"

"তেনেহলে আপোনাৰ খবৰ লৈ কি লাভ ? কাইলৈ বা দিনৰ পাছত দিন, যেতিয়াই মই আপোনাৰ খবৰ সুধিম, আপুনি উত্তৰত এই একেবোৰ কথাকেই কব; কাৰণ আপোনাৰ জীৱনৰ গতি এনেকুৱা সুষম যে তাত কোনো আকস্মিক ঘটনা সংঘটিত হোৱাৰ সম্ভাৱনা নাই; আৰু যদি কিবা দৈৱ-বিপাকত কিবা ঘটনা সংঘটিত হয়ো, তেনেহলে সেই খবৰ আপুনি মোক কেতিয়াও নিদিব। আপুনি ধৰি ল'ব, সেই অঘটন আপোনাৰ নিতান্তই ব্যক্তিগত, তাক অইনৰ আগত কোৱাৰ প্ৰয়োজন নাই। ফলস্বৰূপে দুদিন পাছত আপোনাৰ সংগ, আপোনাৰ খবৰ, বাৰে বাৰে শুনি থকা এটা পুৰণি কাহিনীৰ দ'ৰেই অনাকৰ্ষণীয় হৈ পৰিব।"

"তেনেহ'লে আপোনাক মই মনেসজা খবৰ শুনাম নেকি ?"

"হয়, মই তাকেই কব খুজিছোঁ। আপোনাৰ এই দুটা ওঁঠত কল্পনাৰ কোনো তিৰবিৰণি নাই। দেখিলেই ভাব হয় আপোনাৰ দুটা ওঁঠ আপোনাৰ জীৱনৰ দৰেই বৈচিত্ৰহীন, নিস্তেজ সাত্ত্বিক। এনেকুৱা লাগে যেন আপুনি জীৱনত সদায় নিৰস সঁচা কথাবোৰকে কৈ আছে; কেতিয়াও মিছা কৈ পোৱা নাই। মই আপোনাক মিছা কথা কোৱাৰ কৌশল শিকাই দিম, দেখিব কিদৰে আপোনাৰ এই দুটা নিস্তেজ ওঁঠ এটা নিখুট শিল্পৰ দৰে বাংময় হৈ উঠিছে।"

প্ৰায়ভাগ মানুহৰ জীৱনেই বৈচিত্ৰহীন, দৈনন্দিন তুচ্ছ ঘটনা 'একঘেয়েমি'ৰে ভৰপূৰ, জীৱনৰ মুহূৰ্তবোৰ বৰ্ণাঢ্য কৰি তুলিবলৈ তাত ৰামধেনুৰ ৰং নাই; নাই কোনো মনোৰম ঘটনাৰ সমাবেশ। সেইবাবে সদায় লগ পোৱা মানুহবোৰৰ লগত আমাৰ সাধাৰণতে সেইবোৰ কথাৰেই বিনিময় হয়, যিবোৰ প্ৰতিজন মানুহৰ জীৱনত সদায় ঘটি ঘটি এটা পুৰণি কাহিনীৰ দৰেই আমোদহীন হৈ পৰিছে। আৰু সেইবাবেই এজন ওচৰ-চুবুৰীয়াৰ ঘৰলৈ ফুৰিবলৈ যোৱাৰ পাছত যদিও সম্বন্ধ বজাই ৰখাৰ তাগিদাত আপুনি দ্বিতীয়জনৰ ঘৰলৈ যায়, প্ৰকৃততে এই যোৱাৰ বাবে আপুনি অন্তৰত কোনো আকৰ্ষণ অনুভৱ নকৰে; আপুনি জানে তেওঁৰ ঘৰত আপুনি সেই একেবোৰ কথাকে শুনিব লাগিব। যিবোৰ খন্তেক আগতে আপুনি প্ৰথমজনৰ ঘৰত শুনি আহিছে।

ওচৰ-চুবুৰীয়া বা বন্ধুবৰ্গৰ লগত সাধাৰণ সম্বন্ধ বজাই ৰখাত সামাজিক আদান-প্ৰদান, ভাব-বিনিময়ৰ প্ৰয়োজনীয়তা স্বীকাৰ কৰিবই লাগিব আৰু এই আদান প্ৰদান সাধাৰণতে হয় সাধাৰণ কথাবোৰৰ মাজেদিয়েই। এই দৈনন্দিন বাৰ্তালাপত যদি দিনৰ পাছত দিন ধৰি একেবোৰ খবৰ, একেবোৰ কথাকেই কৈ থকা হয়, তেনেহলে কিছুদিন পাছতেই এই বাৰ্তালাপ হৈ পৰিব বাধ্যতামূলক কৰ্তব্যৰ দৰেই যন্ত্ৰণাদায়ক।

নিৰ্দোষ মিছা নিৰ্মল আনন্দৰ উৎস। যিজন মানুহে জীৱনৰ চৰম আনন্দৰ মুহূৰ্তত ধেমালিতে এষাৰ মিছা কথা কৈ পোৱা নাই, যিজন মানুহে জীৱনত ঘটা কোনো ঘটনাকে কেতিয়াও অতিৰঞ্জিত কৰি আকৰ্ষণীয় কৰি তোলাৰ প্ৰয়াস কৰা নাই, তেওঁৰ দৰে নিৰস আৰু আমোদহীন সংগী অইন কোনোবা থাকিব পাৰে বুলি আমাৰ বিশ্বাস নহয়।

দৈনন্দিন জীৱন হোৱা উচিত এটা সুখদায়ক গল্পৰ দৰেই মনোৰম। 'একো নঘটা' জীৱনৰ মুহূৰ্তবোৰ নিৰ্মল আনন্দেৰে বৈচিত্ৰপূৰ্ণ কৰি তুলিবলৈ হ'লে আমি সাত্ত্বিকভাৱে সঁচা কথাবোৰকে আওৰাই নাথাকি, মাজে মাজে অস্কাৰ ৱাইল্ডৰ দৰে মিছাৰ ৰহণ সানি গুৰুত্বহীন কথাবোৰকে কৰি তুলিব লাগিব ৰামধেনুৰ দৰে আকৰ্ষণীয়। সৰু সৰু সুখৰ স্মৃতি, আনন্দৰ অনুভূতিক কল্পনাৰ মিছা ৰহণেৰে মায়াবী আৰু ৰহস্যঘন কৰি তুলিব পৰাৰ ওপৰতেই নিৰ্ভৰ কৰে দৈনন্দিন জীৱনৰ সুখ। আমৃত্যু সকলো জীয়াই থাকে; কিন্তু দুখ আৰু 'একঘেয়েমি'ৰ মাজতো জীৱনৰ মুহূৰ্তবোৰক ৰঙীণ কৰি জীয়াই থাকিব পৰাতহে আছে কৃতিত্ব।

প্ৰতিজন মানুহ যদি অস্কাৰ ৱাইল্ডৰ সেই মিছলীয়া মানুহজনৰ নিচিনা হ'লহেঁতেন, যাৰ জীৱনটো আছিল নিতান্তই বৈচিত্ৰহীন, কিন্তু তেওঁৰ খবৰবোৰ আছিল এটা মনোমোহা সাধুৰ দৰেই আমোদজনক !—



ৰাতিপুৱাই গাঁও এৰি বাহিৰলৈ যোৱা সেই মানুহজন সন্ধিয়াপৰত যেতিয়া গাঁৱলৈ উভতি আহে, তেতিয়া দিনটোৰ কাম-বন কৰি শ্ৰান্ত-ক্লান্ত হৈ থকা গাঁওবাসীয়ে সোধে,—"কিহে, কি খবৰ তোমাৰ ? আজি দিনটোত কি দেখিলা ?"

"নকৰা বুজিছা, আজি যেতিয়া মই গভীৰ অৰণ্যৰ মাজেৰে আহি আছোঁ, তেতিয়া হঠাৎ দেখিলোঁ গছৰ তলত বহি এজন দেৱদূতে সুললিত সুৰে বাঁহী বজাই আছে, আৰু তেওঁক ঘেৰি ধৰি বাঁহীৰ সুৰে সুৰে নাচি আছে জাক জাক জীৱ-জন্তু আৰু চৰাই-চিৰিকতি !"

"আৰু ?"

"যেতিয়া অৰণ্য অতিক্ৰম কৰি সমুদ্ৰতীৰ পালো, তেতিয়া দেখিলো সমুদ্ৰৰ নীলা ঢৌৰ ওপৰত বহি আছে ৰূপালী জল-কুঁৱৰী,— এজনী-দুজনী নহয়; তিনিজনী ! কি ৰূপ সিহঁতৰ ! ঢৌৰ তালে তালে আৰামত ৰ'দ পুৱাই-পুৱাই সিহঁতে সোণালী ফণীৰে আঁচুৰি আছে সিহঁতৰ সেউজীয়া চুলি। আঃ ! তোমালোকে যদি দেখিলাহেঁতেন—!"

[লিখনিৰ তাগিদাত এণ্ড্ৰ গাইড আৰু অস্কাৰ ৱাইল্ডৰ কথোপকথন কিঞ্চিৎ অতিৰঞ্জিত কৰা হৈছে।— লেখক]

### সম্পাদকৰ কোঠালিত

বন্ধু ঃ ছি· পি· আই-এমৰ জেনেৰেল ছেক্ৰেটেৰি নাম্বুদিৰিপদে কৈছে,—কেপিটেলিষ্ট ভাৰতৰ এখন ৰাজ্যৰ কমিউনিষ্ট চৰকাৰ "ফ্ৰি এজেণ্ট" হ'ব নোৱাৰে।

এইষাৰ কথাকে অইন এটা বাক্য ৰচনা কৰিবলৈ ব্যৱহাৰ কৰিব পাৰি বুইছা ? কব পাৰি,— এখন ৰাজ্যৰ এটা পাৰ্টিৰ সৰ্বভাৰতীয় জেনেৰেল ছেক্ৰেটেৰিজন "ফ্ৰি এজেণ্ট" হ'ব নোৱাৰে।

৮ পৃষ্ঠাৰ পিছৰ পৰা

কৰ্মীসকলক সচৰাচৰ ব্যৱহৃত অস্ত্ৰ-শস্ত্ৰৰ প্ৰয়োজনীয়তা সম্বন্ধে বুজোৱাৰ সলনি অত্যাধুনিক অস্ত্ৰ-শস্ত্ৰৰ ওপৰত অধিক নিৰ্ভৰ কৰিবলৈ ললে।

যিয়েই নহওক, নক্সালপন্থীসকলে এতিয়াও পুৰণি চিন্তাধাৰাকে আকোৱালি লৈ আছে আৰু সন্ত্ৰাসবাদ আৰু ভীতি প্ৰদৰ্শনতো তেওঁলোকৰ বিশ্বাস অটল আছে। তেওঁলোকৰ এজন নেতাৰ মতে, হিংসাই বৰ্তমানৰ সকলো ব্যৱস্থা আৰু ৰাজনৈতিক সম্বন্ধতে অনুপ্ৰবেশ কৰিব পাৰে; গতিকে এইবিলাকৰ ওপৰত প্ৰভাৱ পেলাবলৈ হলে অথবা নতুন কিবা এটা পাবলৈ হলে হিংসা লাগিবই। পুনপুনৰপৰা জাহানাবাদলৈ মোৰ ভ্ৰমণৰ ফলস্বৰূপে মই নিশ্চিত হৈছোঁ যে হিংসাই একমাত্ৰ পথ নহয়, আৰু তেলেংগানাৰ কমিউনিষ্টসকল আৰু নক্সালবাৰীৰ মাৰ্ক্সবাদী-লেনিনবাদীসকলৰ (নক্সালপন্থী) দৰে এই নক্সালপন্থীসকলেও এদিন দুখ প্ৰকাশ কৰিব।

নতুন কেছেট

মিলন

সংহতিৰ মাধ্যমেৰে দেশত ঐক্য আৰু সংহতি ৰক্ষাৰ মানসেৰে সংগীত জগতলৈ অসমৰ বিখ্যাত শিল্পীসকল

*দেবেন শৰ্মা, খগেন মহন্ত, অৰ্চনা মহন্ত, প্ৰতিমা পাণ্ডে, পুলক বেনাৰ্জী, অশোক ৰয়, বাণীকণা ঘোষাল, নীলিমা খাতুন, দুন্ধ হাজৰিকা, দিলীপ দাস আৰু ৰীণা চৌধুৰীয়ে*

আগবঢ়াইছে ক্ৰমে ঘোষা, বৰগীত, ইছলামীয় ভক্তিমূলক গীত বাউল গীত, পল্লী গীত, কাওৱালী, গোৱালপাৰা আৰু কামৰূপৰ লোকগীত।

সংগীত ঃ ৰমেন

আপোনাৰ ওচৰৰ কেছেট বিক্ৰেতাৰ তাত খবৰ কৰক



OKDISCD







# মহাৰাণী অম্বিকাৰ স্মৃতি সৌধ

নিত্যানন্দ গগৈ

অনাদৃতভাৱে মৃত্যুৰ ক্ষণ গণিব লগা হোৱা অসমৰ বহুতো কীৰ্তিস্তম্ভৰ ভিতৰত ধেমাজি মহকুমাৰ মধ্যাংশত অৱস্থিত কড়াৰ উপনৈ ঘুগুৱাৰ দ'ল অন্যতম। ১৯১৮ চনত লক্ষীমপুৰ জিলাত বিক্ষিপ্তভাৱে হোৱা লুটপাটৰ সময়ত ঘিলামৰাৰ ডিমৰুগুৰীয়া গাঁৱৰ বহুলোক ঘুগুৱাৰ ডাঠ হাবিত আশ্ৰয় লব লগা হৈছিল। হাবিৰ মাজত ক'লা ধোৱাবৰণীয়া ইটাৰ দ'লটো দৃষ্টি-গোচৰ হোৱাত ভয়তে তেওঁলোক উদ্বিগ্ন হৈ পৰিছিল। আতংকৰ সময়ত আশ্ৰয় লোৱা হাবিখন কালক্ৰমত ঘুগুৱা গাঁৱলৈ ৰূপান্তৰিত হোৱাৰ লগে লগে সেই দ'লৰ ওচৰৰ ঠাইখনো মুকলি হৈ পৰিল। বাদুলিৰ বাহৰ দুৰ্গন্ধ আৰু অন্ধকাৰৰ বাবে তেতিয়া ইয়াৰ ভিতৰলৈ সোমোৱাটো অসম্ভৱ আছিল। নাটঘৰ-টোৰ ওপৰত গজি থকা প্ৰকাণ্ড জৰি গছ জোপাও ধুমুহাই ভাঙি পেলোৱাত গছৰ লগতে ইয়াৰ শিলৰ মাৰলীডালো মুধচটোৰে সৈতে ভাগি পৰিছিল। ষষ্ঠ দশক মানৰপৰা লাহে লাহে সেই গাঁৱৰ ৰাইজে পুনৰ হাবি-বন কাটি দ'ল সমন্বিতে ঠাইখন পৰিষ্কাৰ কৰি তাত এটা নামঘৰ সাজি, দ'লত সেৱা সৎকাৰ কৰিবলৈ ধৰে আৰু শিৱৰাত্ৰি উদযাপনৰ নিয়ম প্ৰৱৰ্তন কৰে। প্ৰথম অৱস্থাত কোনো বিগ্ৰহাদি নোপোৱাত তেওঁলোকে সম্প্ৰতি এটা সদাশিৱৰ মূৰ্তিকে দ'লত প্ৰতিষ্ঠা কৰিছে।

এই পুৰণিকলীয়া দ'লটো কোনে কেতিয়া আৰু কি উদ্দেশ্যে নিৰ্মাণ কৰিছিল সেই বিষয়ে সঠিকভাৱে কোনেও কব নোৱাৰে। এই সন্দৰ্ভত ওচৰৰ মানুহৰ মাজত তিনিটা জনশ্ৰুতি প্ৰচলন আছে। ইয়াৰে প্ৰথমটোৰ মতে হাবুং অঞ্চলত ডাঙৰ দীঘল হোৱা চুডাংফা বামুণী কোঁৱৰে তেওঁৰ মাতৃৰ স্মৃতিত ঘুগুৱা দ'ল সজাইছিল। দ্বিতীয়-টোৰ মতে কোনো এগৰাকী অজ্ঞাত আহোম ৰাজকুঁৱৰীয়ে এই দ'ল সজাই-ছিল, কিন্তু ইয়াৰ দুৱাৰখন সম্পূৰ্ণ হবলৈ নৌপাওঁতেই তেওঁক হেনো মানে কাটে। এই দুয়োটা জনশ্ৰুতিৰ আধাৰ হৈছে ২ কি· মি· দক্ষিণত থকা কুঁৱৰী নামৰ বিলখন। তৃতীয় জনশ্ৰুতি মতে স্বৰ্গদেৱ চন্দ্ৰকান্তসিংহই চোমদেও ওমফা আৰু লা-ওখী এই তিনিজন দেৱ-দেৱীৰ পূজনাৰ্থে দ'লটো সজাই-ছিল। পিছে দ'লৰ নামত মাটি-বৃত্তি দান দিবলৈ নৌপাওঁতেই হেনো মানৰ আক্ৰমণ আৰম্ভ হ'ল।

অসমৰ পুৰণি বুৰঞ্জী আৰু ভদ্ৰ চাৰু বিৰচিত অনন্ত আতাৰ চৰিতৰ ওপৰত নিৰ্ভৰ কৰি এই কথা ঠাৱৰ কৰা হৈছে যে ঘুগুৱাৰ দ'ল মূলতঃ অন্যান্য দ'লৰ দৰে কোনো দেৱ-দেৱী অৰ্চনাৰ্থে নিৰ্মিত হোৱা নাছিল, ইয়াক নিৰ্মাণ কৰিছিল ১৭৩৮ চনত স্বৰ্গদেৱ শিৱসিংহই তেওঁৰ প্ৰিয়তমা পৰ্বতীয়া কুঁৱৰী বৰ ৰজা অম্বিকাদেৱীৰ স্মৃতি-ৰক্ষাৰ বাবে। দ'লটো থকা ঠাইখনক আহোম বুৰঞ্জী আৰু অসম বুৰঞ্জীত (শৰৎকুমাৰ দত্ত সম্পাদিত) মণিপুৰ, সাতসৰী অসম বুৰঞ্জী, তুংখুঙীয়া বুৰঞ্জী আৰু অনন্ত আতাৰ চৰিতত চিনাতলি, আৰু কামৰূপৰ বুৰঞ্জীত মণিপুৰ নগৰ তথা ঘুগুৱা গড় বোলা হৈছে। উল্লেখ-যোগ্য যে ডেৰগাঁৱৰ ওচৰৰ চিনাতলি আৰু উত্তৰ পাৰৰ এই চিনাতলি একে ঠাই নহয়।

অসমৰাজ শিৱসিংহৰ লগত মোগল সম্ৰাট ছাজাহানৰ আৰু মহাৰাণী অম্বিকাৰ জীৱন চৰিত্ৰৰ লগত ছাজাহানৰ বিমাতা বেগম নুৰজাহানৰে সৈতে অনেক সাদৃশ্য দেখা যায়। ইতিপূৰ্বে বিবাহিত, দুটা সন্তানৰ মাতৃ হোৱা খুলশালীয়েক, মাহী ওৰফে দ্ৰৌপদীক ১৭৩১ চনত বায়েক ফুলেশ্বৰীৰ মৃত্যুৰ পাছত অনিন্দ্যসুন্দৰী আৰু সৰ্বাগুণে বিভূষিতা হোৱাৰ হেতু-কেই সম্ভৱ পূৰ্বস্বামী ৰমানাথ ম'লাল বৰগোহাঁইৰ পৰা কাঢ়ি আনি শিৱ-সিংহই অম্বিকা ওৰফে মদাম্বিকা নাম দি ৰাজদণ্ডছত্ৰ অৰ্পণ কৰিছিল। অসমৰ উচ্চতম মন্দিৰ শিৱসাগৰৰ শিৱদ'ল তথা অসমৰ দ্বিতীয় বৃহৎ পুখুৰী শিৱসাগৰ এই গৰাকী মহীয়সী ৰমণীৰে অক্ষয় কীৰ্তি। স্থাপত্য শিল্পৰ দৰে সাহিত্যৰ ক্ষেত্ৰতো তেওঁ আছিল আগ্ৰহী পৃষ্ঠপোষক। হস্তীবিদ্যাৰ্ণৱৰ দৰে পুথি ৰচনা সম্ভৱপৰ হৈছিল শিৱসিংহৰ লগত যুটীয়াভাৱে ৰাণী অম্বিকাৰ অনুগ্ৰহতহে। সুকুমাৰ বৰকাথ ৰচিত উক্ত পুথিত দিলবৰ দোচাইৰ ৰঙীণ তুলিকাত মূৰ্ত হৈ উঠা এই ৰাজ দম্পতিৰ বিভিন্ন অৱস্থাৰ চিত্ৰৰ মাজত সন্ধেদ পোৱা যায় তেওঁলোকৰ মাজত থকা গভীৰ প্ৰীতিৰ বিষয়ে।

মহাৰাণী আম্বিকাৰ স্মৃতিমণ্ডিত ঘুগুৱা দ'লৰ স্থাপত্য কলা অতি সাধাৰণ আৰু নিম্ন স্তৰৰ। শিল ইটাৰে নিৰ্মিত সৌধটিৰ দ্বাৰ দক্ষিণমুখে, উচ্চতা ১১ মিটাৰমান আৰু গৰ্ভগৃহৰ ব্যাস ৫·৪৯ মিটাৰ। বৰ্তমান এখন টিনৰ ছালি থকা নাটগৃহৰ দীঘ ৭·৭৫ মিটাৰ, প্ৰস্থ ৬·১৮ মিটাৰ আৰু উচ্চতা ৩·৯০ মিটাৰ। দ'লটোক কেন্দ্ৰ কৰি চতুৰ্দিশে মুঠ তিনিটা গড় আছে। আয়তক্ষেত্ৰাকাৰ নিকটবৰ্তী দেৱালখন ইটাৰে নিৰ্মিত। ই দীঘে (উত্তৰা দক্ষিণাকৈ) ৭০ মিটাৰ আৰু বহলে (পূবা-পশ্চিমাকৈ) ৪৭·৫০ মিটাৰ। দেৱালখন লুপ্তপ্ৰায় হৈছে যদিও পূৰ্ণাংগ হৈ থকা এটা অংশৰ উচ্চতা এতিয়াও ১·৫০ মিটাৰ। এই দেৱালৰ পৰা ১০১ মিটাৰ দূৰত্বত এটা পৰিখাৰে সৈতে যুৱীয়া গড়টো আছে। ইয়াৰ পৰা পুনৰ ৩০০ মিটাৰমান দূৰত তৃতীয়টো গড়-খাৰৈ আছে আৰু ইয়েই চিনাতলি বাহৰৰ চৌহদ আছিল বুলি বিশ্বাস হয়।

৫৭ পৃষ্ঠাত চাওক

# বিশ্বৰ অন্যতম শ্ৰেষ্ঠ অল-ৰাউণ্ডাৰ ৰিচাৰ্ড হেডলি

সদ্যসমাপ্ত নিউজিলেণ্ড বনাম অষ্ট্ৰেলিয়াৰ মাজত অনুষ্ঠিত ক্ৰিকেট টেষ্ট ছিৰিজত বিজয়ী হৈছে নিউজিলেণ্ড আৰু এই সাফল্যৰ নায়ক হৈছে নিউজিলেণ্ডৰ ফাষ্ট মিডিয়াম ব'লাৰ ৰিচাৰ্ড জন হেডলি। আক্ৰমণাত্মক বাঁওহতীয়া বেটছমেন বৰ্তমান শতাব্দীৰ অন্যতম শ্ৰেষ্ঠ অল-ৰাউণ্ডাৰ হেডলিয়ে বেটছমেন হিচাপেও যথেষ্ট সফলতা লাভ কৰিছে।

অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে ব্ৰিছবেনৰ প্ৰথম টেষ্টত তেওঁ চমকপ্ৰদ খেল প্ৰদৰ্শন কৰিছিল; —প্ৰথম ইনিংছত ৫২ ৰানত ৯ টা উইকেট আৰু মুঠতে ১১৩ ৰানত ১৫ টা উইকেট লাভ কৰিছিল। মাত্ৰ ৫৬ মিনিটত তেওঁ ৫৪ ৰান কৰিছিল— চাৰিটা অভাৰ বাউণ্ডেৰি আৰু চাৰিটা বাউণ্ডেৰিৰ সহায়ত। এই ছিৰিজত তেওঁ মুঠতে ৩৩ টা উইকেট সংগ্ৰহ কৰি স্বদেশৰ খেলুৱৈ ক্ৰুছ টেলৰৰ ৰেকৰ্ড ভংগ কৰে। টেলৰে ৱেষ্ট ইণ্ডিজৰ বিৰুদ্ধে ৪ খন টেষ্টত ২৭ টা উইকেট লাভ কৰিছিল। (১৯৭১-৭২ চনৰ ছিৰিজত)।

১৯১২ চনত ইংলণ্ডৰ ছিডনি বাৰ্ণেছে ৩ খন টেষ্টমেচৰ ছিৰিজত দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে ৩৪ টা উইকেট লাভ কৰিছিল। দীৰ্ঘ ৭৩ বছৰ পাছত হেডলিৰ ৩৩ টা উইকেট লাভৰ ঘটনা হৈছে টেষ্ট ক্ৰিকেটত এগৰাকী বলাৰৰ অনন্য সাধাৰণ কৃতিত্ব। এইখিনিতে উল্লেখ কৰিব পাৰি যে, নিউজিলেণ্ড দলে ১৯৭৩-৭৪ চনত পোন প্ৰথম বাৰৰ বাবে ক্ৰাইচ চাৰ্চ টেষ্টত অষ্ট্ৰেলিয়াক পৰাজিত কৰিছিল মূলতঃ হেডলিৰ একক কৃতিত্বৰ বাবে। সেইখন টেষ্টত হেডলিয়ে প্ৰথম ইনিংছত ৫৯ ৰানত ৩ টা আৰু দ্বিতীয় ইনিংচত ৭৫ ৰানত ৪ টা উইকেট লাভ কৰিছিল। ১৯৭৫-৭৬ চনত হেডলিয়ে ৱেলিংডন টেষ্টত মাৰাত্মকভাৱে বল দি ৫৮ ৰানত মুঠতে ১১ জন ভাৰতীয় বেটছমেনক আউট কৰি ভাৰতৰ পৰাজয়ৰ মূল কাৰণ হৈছিল। ইংলণ্ডৰ বিৰুদ্ধে নিউজিলেণ্ডে প্ৰথম জয়ৰ গৌৰৱ লাভ কৰিছিল হেডলিৰ একক কৃতিত্বৰ বাবে। ৱেলিংডনত ১৯৭৭-৭৮ চনত অনুষ্ঠিত টেষ্টত তেওঁ লাভ কৰিছিল দুই ইনিংছত মুঠতে ১০০ ৰানৰ বিনিময়ত ১০ টা উইকেট। ১৯৭৯-৮০ চনত ডুনেডিন



টেষ্টত তেওঁ ভয়ংকৰ হৈ উঠিছিল শক্তিশালী ৱেষ্ট-ইণ্ডিজৰ বিৰুদ্ধে। হেডলিয়ে সেই টেষ্টত লাভ কৰিছিল দুই ইনিংছত ১০২ ৰানৰ বিনিময়ত মুঠতে ১১ টা উইকেট।

হেডলিয়ে জীৱনৰ প্ৰথমখন টেষ্ট-মেচ খেলিছিল ১৯৭২-৭৩ চনত পাকিস্তানৰ বিৰুদ্ধে। বিদেশতো হেডলিয়ে যথেষ্ট কৃতিত্ব দেখুৱাইছে। ১৯৭৮ চনত আৰু ১৯৮৩ চনত ইংলণ্ডত তেওঁ যথাক্ৰমে ১৩ টা আৰু ২১ টা টেষ্ট-উইকেট লাভ কৰিছিল। ১৯৭৬ চনত পাকিস্তান ভ্ৰমণত তেওঁ লাভ কৰিছিল ১০ টা টেষ্ট উইকেট, ১৯৮০-৮১ চনত অষ্ট্ৰেলিয়াত ১৯ টা, ১৯৮৩-৮৪ চনত শ্ৰীলংকাত ২৩ টা আৰু ১৯৮৪-৮৫ চনত ৱেষ্টইণ্ডিজ ভ্ৰমণত লাভ কৰিছিল ১৫ টা টেষ্ট উইকেট। ১৯৮৪ চনত শ্ৰীলংকাৰ কলম্বো টেষ্টত জীৱনৰ ৫০ তম টেষ্টত তেওঁ লাভ কৰিছিল দুই ইনিংছত ১০ টা উইকেট। সেইবাৰ তেওঁ মেন অৱ দা মেচৰ সন্মানো লাভ কৰিছিল। ১৯৮৩ চনত ইংলণ্ডৰ বিপক্ষে ইংলণ্ডত আৰু ১৯৮৩-৮৪ চনত স্বদেশত ইংলণ্ডৰ বিপক্ষে তেওঁ মেন অৱ দা ছিৰিজৰ সন্মান লাভ কৰিছিল।

১৯৮৪-৮৫ চনৰ ৱেষ্ট-ইণ্ডিজ ভ্ৰমণত তেওঁ টেষ্টমেচত দুহাজাৰ ৰান আৰু দুশ উইকেট প্ৰাপ্তিৰ ৰেকৰ্ড স্পৰ্শ কৰে। এই কৃতিত্ব লাভ কৰা তেওঁ হৈছে বিশ্বৰ ষষ্ঠ খেলুৱৈ। ইয়াৰপূৰ্বে অষ্ট্ৰেলিয়াৰ ৰিচি বেনো, ৱেষ্ট-ইণ্ডিজৰ গেৰি ছ'বাৰ্ছ, ভাৰতৰ কপিলদেৱ, ইংলণ্ডৰ ইয়ান বথান আৰু পাকিস্তানৰ ইমৰানখানে এই কৃতিত্ব অৰ্জন কৰিছে।

এতিয়ালৈকে হেডলিয়ে টেষ্টমেচত এটা ছেঞ্চুৰি কৰিছে,— ১৯৭৯-৮০ চনত ক্ৰাইছ চাৰ্চ টেষ্টমেচত ৱেষ্ট-ইণ্ডিজৰ বিৰুদ্ধে। এই ছেঞ্চুৰি তেওঁ কৰিছিল মাত্ৰ ৯২ টা বল খেলি, দুটা অভাৰ বাউণ্ডেৰি আৰু এঘাৰটা বাউণ্ডেৰিৰ সহায়ত। তেওঁৰ চমকপ্ৰদ বেটিঙৰ কিছু নিদৰ্শন এনে ধৰণৰ: ১৯৮৩ চনত ইংলণ্ডৰ বিৰুদ্ধে ৮১ টা বলত ৯৯ ৰান, ৭৯ টা বলত ৮৪ ৰান, ১৩৫ টা বলত ৭৫ ৰান, ১১৯ টা বলত ৯২ ৰান আৰু ১৯৮৪ চনত পাকিস্তানৰ বিৰুদ্ধে ৱেলিংডন টেষ্টত ৯৪ টা বলত ৮৯ ৰান।

১৯৮৫ চনৰ অষ্ট্ৰেলিয়া ভ্ৰমণত ৰিচাৰ্ড হেডলিয়ে এটা অভিলেখ সৃষ্টি কৰিছে। অষ্ট্ৰেলিয়া ভ্ৰমণকাৰী আন কোনো দেশৰ কোনো খেলুৱৈয়ে তিনিখন টেষ্টৰ ছিৰিজত ৩৩ টা উইকেট লাভ কৰা নাই। ইয়াৰ আগতে পাঁচখন টেষ্টৰ ছিৰিজত মৰিছ টেটে লাভ কৰিছিল ৩৮ টা উইকেট (১৯২৪ চনত)। ১৯১১ চনত ছিডনি বাৰ্ণছে পাইছিল ৩৪ টা উইকেট।

ৰিচাৰ্ড হেডলি হৈছে এই শতাব্দীৰ অন্যতম শ্ৰেষ্ঠ অলৰাউণ্ডাৰ ক্ৰিকেট খেলুৱৈ। তেওঁৰ একক কৃতিত্বৰ বাবে নিউজিলেণ্ড দলে লাভ কৰিছে এক নতুন প্ৰেৰণা। এসময়ৰ দুৰ্বল ক্ৰিকেট-দেশ বুলি জনাজাত নিউজিলেণ্ডে এতিয়া বিশ্বৰ আটাইকেইখন ক্ৰিকেট খেলা দেশৰ পৰা সন্মান লাভ কৰিছে আৰু সেই দেশবোৰৰ চিন্তাৰ কাৰণ হৈ উঠিছে।

## বিশ্ব ক্ৰীড়াংগনত ভাৰত: ১৯৮৫

১৯৮৫ চন শেষ হৈ গ'ল। ক্ৰীড়াংগনত ভাৰতৰ সাফল্য আৰু ব্যৰ্থতাৰ বিষয়ে আলোচনা কৰাৰ আগতে আমি গভীৰ দুখেৰে সুঁৱৰিছোঁ— যোৱা বছৰ মৃত্যু বৰণ কৰা দুগৰাকী বিখ্যাত টেষ্ট খেলুৱৈ— দাত্তু ফাডকাড় আৰু ৰমানাথ কেনিক।

যোৱা বছৰ এই জানুৱাৰী মাহতে ভাৰতীয় ক্ৰিকেটত এক নতুন তাৰকাৰ টেষ্ট অভিষেক হৈছিল। মাথো অভিষেকেই নহয় নহয়, বিশ্বক্ৰিকেটক তেওঁ সমৃদ্ধ কৰিছিল ৰেকৰ্ডৰ দ্বাৰা। তেওঁ হ'ল আজাহাৰউদ্দিন। এই বছৰতে গাভাছকাৰে টেষ্টত তেওঁৰ ৯ হাজাৰ ৰান আৰু সৰ্বাধিক টেষ্ট-ইনিংছ খেলাৰ বিশ্বৰেকৰ্ড কৰিছে; কপিলে লাভ কৰিছে ভাৰতীয় ক্ৰিকেট খেলুৱৈসকলৰ ভিতৰত সৰ্বাধিক টেষ্ট-উইকেট সংগ্ৰহৰ ৰেকৰ্ড। ইংলণ্ডৰ বিৰুদ্ধে টেষ্ট ছিৰিজত পৰাজিত ভাৰতে অষ্ট্ৰেলিয়াত অনুষ্ঠিত বেনছন এণ্ড হেজেছ ট্ৰফি লাভ কৰিছে— গাভাছকাৰৰ নেতৃত্বত। ইয়াৰ পাছতে কপিলৰ নেতৃত্বত ভাৰতে ছাৰজাত লাভ কৰে ৰথমেনছ কাপ। শ্ৰীলংকাৰ বিৰুদ্ধে ভাৰত টেষ্ট ছিৰিছত পৰাজিত হয়;— শ্ৰীলংকা দলে টেষ্ট আৰু ৰাবাৰ জয়ৰ সন্মান লাভ কৰে প্ৰথমবাৰৰ বাবে। বছৰৰ শেষৰ ফালে ছাৰজাত অনুষ্ঠিত তিনি দেশৰ প্ৰতিযোগিতাত ভাৰত ৱেষ্ট ইণ্ডিজ আৰু পাকিস্তানৰ বিৰুদ্ধে পৰাজিত হয়। ৰঞ্জি ট্ৰফিৰ খেলত ৰবি শাস্ত্ৰীয়ে তিলকৰাজৰ এক অভাৰৰ ছয়োটা বল অভাৰ বাউণ্ডেৰি মাৰি ছাৰ গেৰি ছ'বাৰ্ছৰ বিশ্বৰেকৰ্ড স্পৰ্শ কৰে।

হকিত ভাৰতে পাৰ্থত ছখন দেশৰ মাজত অনুষ্ঠিত চেম্পিয়নছ ট্ৰফিত সৰ্বশেষ স্থান লাভ কৰে; কিন্তু ইয়াৰ পাছতে ইপোত অনুষ্ঠিত প্ৰতিযোগিতাত চেম্পিয়ন হয়। পাৰ্থ আৰু ইপো দুয়ো ঠাইতে ভাৰতে পাকিস্তানক পৰাজিত কৰিছিল।

ভাৰতীয় মহিলা হকি দলে ছোভিয়েট ইউনিয়নৰ লগত যুটীয়াভাৱে লাভ কৰে ইন্দিৰা গান্ধী গ'ল্ড কাপ।

জাকাৰ্টাত অনুষ্ঠিত এছিয়ান ট্ৰেক আৰু ফিল্ড মিটছত পি. টি. উষাই চমকপ্ৰদ ফল প্ৰদৰ্শন কৰে। তেওঁ এই প্ৰতিযোগিতাত ৫টা স্বৰ্ণ-পদক লাভ কৰিছিল। আশা আগৰৱাল, ছাইনি আব্ৰাহাম, বাগিছা সিং আৰু আৰ. এছ. বলেও লাভ কৰে স্বৰ্ণ-পদক। এছিয়ান এ'জ গ্ৰুপ সাঁতোৰ প্ৰতিযোগিতাত ভাৰতে ২২টা সোণৰ, ৪৫টা ৰূপৰ আৰু ৪৯টা ব্ৰঞ্জৰ পদক লাভ কৰি শীৰ্ষস্থান লাভ কৰে। ঢাকাত অনুষ্ঠিত 'ছাফ' গেমছত ভাৰতে এথলেটিকছ, সাঁতোৰ আৰু ভাৰোত্তোলনত শ্ৰেষ্ঠ দলৰ সন্মান লাভ কৰে।

আটাইতকৈ কম বয়সতে বিশ্ব এমেচাৰ বিলিয়াৰ্ডছ চেম্পিয়ন হয় গীত শেঠী। তেওঁ অষ্ট্ৰেলিয়াৰ প্ৰবীণ খেলুৱৈ বব মাৰ্শ্বালক পৰাজিত কৰে।

লন টেনিছত ভাৰতে ডেভিছ কাপৰ কোৱাৰ্টাৰ ফাইনেলত শক্তিশালী ছুইডেনৰ লগত তীব্ৰ প্ৰতিদ্বন্দ্বিতা কৰি পৰাজয় বৰণ কৰে।

গোটেনবাৰ্গত অনুষ্ঠিত বিশ্ব টেবল টেনিছত ভাৰতৰ পুৰুষ দলে লাভ কৰে দ্বাদশ স্থান। ফুটবলত ভাৰতে ঢাকাত অনুষ্ঠিত 'ছাফ' গেমছত বাংলাদেশক ফাইনেলত টাইব্ৰেকাৰত পৰাজিত কৰে।

**পুলক লাহিড়ী**

৫৫ পৃষ্ঠাৰ পিছৰ পৰা

দ'লটোক সংযোগকাৰী কেইবাটাও আলিৰ অৱশিষ্ট চিনমোকাম আজিও দেখা যায়। বুঢ়ালোকৰ মতে আগৰ দিনত দ'ল সংযোগকাৰী প্ৰধান আলিটো শিৱসাগৰ পোনধৰি ব্ৰহ্মপুত্ৰৰ উত্তৰপাৰলৈকে আছিল। চৌহদৰ অন্তৰ্ভাগত কেইবাটাও সৰু-বৰ পুখুৰী থকাৰ উপৰিও ওচৰৰ ঘুগুৰা আৰু লাখটকীয়া আদি বিভিন্ন গাঁও আৰু পথাৰ-সমাৰবিলাকত ইমান ওচৰা-উচৰিকৈ পুখুৰী আছে যে এইবিলাক দেখিলে আগৰ দিনত মণিপুৰ নগৰ বা চিনাতলি নামৰ ঠাইখন অসংখ্য লোকেৰে ভৰি আছিল বুলি বিশ্বাস জন্মে।

মোগল সম্ৰাট ছাজাহানৰ মৰমৰ পত্নী মমতাজ বেগমৰ স্মৃতি বিজড়িত তাজমহলৰ কাৰুকাৰ্যৰ সৈতে অসমতে অজ্ঞাত, অখ্যাত দুলুংনৈৰ পাৰত ঘাঁহবনেৰে আচ্ছাদিত, অৱহেলিত ঘুগুৰা দ'ল নামে পৰিচিত মহাৰাণী অম্বিকাৰ স্মৃতিসৌধৰ স্থাপত্য-কলা কোনো-প্ৰকাৰে তুলনীয় নহলেও একে পত্নী প্ৰেম তথা অনুভূতিৰ দ্বাৰা সৃষ্ট এই দুই যুগমীয়া কীৰ্তিস্তম্ভৰ গুৰুত্ব কিম্বা প্ৰমূল্যৰ কোনো পাৰ্থক্য থাকিব নোৱাৰে। অসমৰ ঐতিহ্যমণ্ডিত এই একক আৰু অনন্য স্মৃতিসৌধটি কিবা প্ৰকাৰে ধ্বংস প্ৰাপ্ত হ'লে সমগ্ৰ অসমবাসীয়েই এদিন তাৰবাবে অনুশোচনা কৰিব লাগিব। ইয়াৰ বৰ্তমান অৱস্থা অতি দুখলগা। এখন বিতোপন উদ্যানসহ ইয়াৰ যথোপযুক্ত সংৰক্ষণ আৰু উন্নয়নৰ ব্যৱস্থা কৰিলে ই পৰ্যটক আকৰ্ষণ কৰিবলৈ সমৰ্থ হ'ব; লগতে অসমৰ ইতিহাসৰ এটা অধ্যায়ো সুৰক্ষিত হ'ব।





OKDISCD

## "কেঁচা" সামগ্ৰী

শিলঘাটৰ মৰাপাট কলটো আকৌ চলোৱাৰ ব্যৱস্থা হৈছে। অশোক কাগজ কলটোৰ কাম-বন আকৌ কেনেকৈ আৰম্ভ কৰিব পৰা যায় তাৰো কথা-বতৰা চলিছে। আৰু দুই-এটা বন্ধ হৈ থকা সৰু-সুৰা কল-কাৰখানাৰ কথাও ওলাইছে। লগতে, অসমৰ আৰু কেইবাটাও চলি থকা কল-কাৰখানা যে লাভজনকভাৱে চলা নাই, সেই কথাও ওলাইছে। ৰাজ্যখনত উদ্যোগ প্ৰতিষ্ঠা কৰাৰ বাবে ইমান যুক্তি দৰ্শোৱা হয়, ইমান দাবী কৰা হয়, কিন্তু প্ৰতিষ্ঠা কৰা উদ্যোগবোৰৰ অৱস্থা ইমান বেয়া হয় কিয় ?

মূলধন, কেঁচা সামগ্ৰী, কৰ্মী, উৎপাদিত সামগ্ৰীৰ বাবে বজাৰ, পৰিবহন ব্যৱস্থা, বিতৰণ ব্যৱস্থা,— উদ্যোগ প্ৰতিষ্ঠাৰ বাবে এইবিলাক বিষয় বিবেচনা কৰিব লাগে বুলি কবলৈ আজি আৰু এক্সপাৰ্টৰ মুখৰ প্ৰয়োজন নাই; এইবোৰ এতিয়া কলেজীয়া লৰাৰ পাঠপুথিৰপৰা স্কুলীয়া ল'ৰাৰ পাঠ্যপুথিলৈ নামিবলগীয়া বিষয় হ'ল। কিন্তু কোৱাও এক কথা, সেই মতে কাম কৰাও এক কথা, অসমৰ উদ্যোগবোৰ প্ৰতিষ্ঠা কৰোঁতে যোগ্যলোকে, এক্সপাৰ্টে চাগৈ নিশ্চয় ঠিকমতে উক্ত সকলোবোৰ বিষয় ঠিকমতে বিবেচনা কৰিছিল। নে নকৰিছিল ? নকৰিছিল যদি তেওঁলোক যোগ্য লোকো নাছিল, এক্সপাৰ্টো নাছিল। যদি কৰিছিল, তেনেহলে কল-কাৰখানাবোৰৰ অৱস্থা বেয়া হোৱাৰ কাৰণো এতিয়া এক্সপাৰ্টসকলে দেখুৱাই দিব পাৰিব। তেখেতসকলে নিশ্চয় উল্লিখিত বিষয়বোৰৰ (মূলধন, কেঁচা সামগ্ৰী ইত্যাদি ইত্যাদি) যি কোনো এটা বা কেইটামানৰ ক্ষেত্ৰত দুৰ্বলতা দেখুৱাই দিব আৰু এতিয়া কলটো পুনৰুদ্ধাৰৰ সময়ত সেইবোৰ দুৰ্বলতা আঁতৰাবলৈ নিশ্চয় উপায়ো দিব। কিন্তু পাঠ্যপুথিত নথকা দুটামান বিষয়ে অসমৰ উদ্যোগক বৰ বেয়াকৈ ক্ষতিগ্ৰস্ত কৰে; তাৰে এটা হ'ল দুৰ্নীতি, আৰু অইন এটা হ'ল মানুহৰ অকৰ্মণ্যতা বা কৰ্ম-বিমুখতা। মৰাপাট কলটোৰ বিষয়ে এবাৰ এজন জনাবুজা মানুহৰ লগত আলোচনা কৰোঁতে এটা জটিল পৰিস্থিতিৰ কথা জানিব পাৰিছিলো। কলিকতাৰ বহুতো মৰাপাট কলক অসমৰ মৰাপাট লাগে; কলিকতাৰ প্ৰত্যেকটো কলক পূৰ্বাঞ্চলৰ বজাৰ লাগে; এনে তীব্ৰ প্ৰতিযোগিতামূলক অৱস্থাত দুজনমান বিষয়াৰ দুৰ্নীতিমূলক সিদ্ধান্তই এটা উদ্যোগক বেমাৰী কৰি পেলাব পাৰে।

অৱশ্যে দুৰ্নীতিগ্ৰস্ত মানুহ ধৰা পৰিলে তেওঁলোকক আঁতৰালে আৰু তেওঁলোকে কৰা ক্ষতিবোৰ পুৰাব পাৰিলে অৱস্থাটো উন্নত হয়; কিন্তু উদ্যোগটোৰ ভিতৰত সোমাই লোৱা এচাম কৰ্মীৰ অকৰ্মণ্যতা আৰু কৰ্মবিমুখতাই উদ্যোগটোৰ উশাহেই বন্ধ কৰি দিব পাৰে। অসমৰ ক্ষেত্ৰত, বিশেষকৈ কল-কাৰখানাৰ ক্ষেত্ৰত, এই বিষয়টো নিৰপেক্ষভাৱে, উচ্ছাস আৰু ভাবপ্ৰৱণতা বাদ দি বিচাৰ কৰিব লাগে।

এঠাইত উদ্যোগ এটা প্ৰতিষ্ঠা কৰা হলে, স্বাভাৱিকতেই থলুৱা লোকক, ওচৰ-পাজৰৰ লোকক, উদ্যোগটো স্থাপন কৰোঁতে যাৰ মাটি-বাৰী গল তেওঁলোকৰ মানুহক উদ্যোগটোত নিযুক্তি দিব লাগে বুলি কোৱা হয়; তাৰ যুক্তিযুক্ততাও আছে। কিন্তু এটা মৰাপাট কলত যি ধৰণৰ কাম কৰিব লাগে, সেই কাম কৰাৰ অভ্যাস তেওঁলোকৰ সকলোৰে আছেনে ? যি দক্ষতাৰে, নিয়মানুবৰ্তিতাৰে কামবোৰ কৰিলে উদ্যোগটো লাভজনক অৱস্থালৈ আহে, সেই দক্ষতা আৰু নিয়মানুবৰ্তিতাবোধ তেওঁলোকৰ সকলোৰে আছেনে ? থলুৱা কাৰণে, ওচৰৰে কাৰণে মোক চাকৰি দিবই লাগিব, এইটো মোৰ অধিকাৰৰ ভিতৰৰ কথা; গতিকে মই চাকৰি পালো, কামৰ সময়ত মই যি কৰোঁ তাৰ ওপৰত মাত নামাতিবা, কাৰণ মই থলুৱা মানুহ,— এই মনোবৃত্তিৰ মানুহৰ আধিক্য ঘটিলে মূলধন, কেঁচা সামগ্ৰী ইত্যাদিয়ে কোনো উদ্যোগক লাভজনক কৰিব নোৱাৰে। নিজেও সততা আৰু পৰিশ্ৰমেৰে কাম নকৰোঁ, তেনেকৈ কাম কৰা অইনকো সহ্য নকৰোঁ—এইটো এক ধৰণৰ ডকাইতি। প্ৰত্যেকজন কৰ্মীয়ে ঘড়ি-ঘণ্টা মতে, এক মিনিটো অপব্যয় নকৰাকৈ নিজৰ কৰ্তব্য সমাপন কৰি, প্ৰয়োজন হলে দৰমহা, বনাছ, থকাঘৰ, চিকিৎসা-সাহায্য আদিৰ কাৰণে দুদিন ধৰ্মঘট কৰিলেও এটা উদ্যোগৰ যি ক্ষতি হয়, "তই যা না", "বাদ দে" —জাতীয় "গৰম-খোদ"ৰ দলে ৩১ দিনৰ ৩১ দিনেই অভাৰ টাইম কৰিলেও উদ্যোগটোৰ তাতকৈ বেছি ক্ষতি হয়। উদ্যোগটোৰ কল-কব্জা, উৎপাদন আদি সকলো ভালে ৰখাৰ বাবে নিজে কৰিবলগীয়াখিনি নিয়াৰিকৈ কৰাটো যে নিজৰ ভৱিষ্যতৰ ভাবেই ভাল, এই কথা কৰ্মীসকলে উপলব্ধি কৰিব লাগে। তেনে কৰিলে অইন "বেঠিকসকল"ক ধৰিবলৈও যোগ্যতা বাঢ়ে। এইখিনি কথা অসমৰ সকলো উদ্যোগ প্ৰতিষ্ঠানৰ ক্ষেত্ৰত কম-বেছি পৰিমাণে সঁচা। শিলঘাটৰ মৰাপাট কলটো আকৌ চলাবলৈ লওঁতে এইবাৰ এই সৰু অথচ অতি প্ৰয়োজনীয় কথাটোলৈ ওপৰ মহলৰ পৰা তল মহললৈকে সকলোৱে যেন মন কৰে।

৮।১।৮৬ ভবেন্দ্ৰ নাথ শইকীয়া




# অগ্নিস্নান



"অগ্নিস্নান এখন অসামান্য ছবি"

"...অসমীয়া কথাছবি শিল্পক বহু ওপৰলৈ তুলিবলৈ সমৰ্থ হোৱাৰ উপৰিও তেওঁ নিজকে অন্যতম ভাৰতীয় শ্ৰেষ্ঠ চিত্ৰকাৰ হিচাপে প্ৰতিষ্ঠিত কৰিব পাৰিছে। কোনো দ্বিধা নোহোৱাকৈ কব পাৰি যে ভবেন্দ্ৰ নাথ শইকীয়াৰ অগ্নিস্নান অসমীয়া কথাছবিৰ ৰূপালী জয়ন্তীৰ শ্ৰেষ্ঠতম আৰু একমাত্ৰ স্মাৰক হিচাপে গণ্য হোৱাৰ যোগ্য; ইয়াতকৈ আৰু কোনো সুন্দৰ আৰু সুখৰ পৰিকল্পনা হব নোৱাৰে। জ্যোতিপ্ৰসাদৰ জ্যোতিয়ে অৱতৰণ কৰোৱা অসমীয়া কথাছবিৰ ৰূপালী জয়ন্তী এতিয়াহে পূৰ্ণ হ'ল। **এই ভয়ানক প্ৰতিবাদৰ কাহিনীটো** সাৰ্থকভাৱে দাঙি ধৰিবলৈ শইকীয়াই কলাগত যি সংযম দেখুৱাইছে, সি আচৰিত হবলগীয়া। ..."

অসম-বাণী, ৩।১।৮৬

মেনকা

"আই-বোপায়ে মোক সীতা-সাবিত্ৰী হ'বলৈ কৈ পঠিয়াইছিল। তেনেকুৱা হ'ব নোৱাৰিলেও মই ধৰ্মত আছিলো। এঘাৰ বছৰে মই বহুত সহ কৰি আপুনি ভাল পোৱা কামকে কৰিলো। কিন্তু কথা নাই, বতৰা নাই, দংদংকৈ গাভৰু ছোৱালী এজনী আনি আপুনি মোৰ আগতে, মোৰ চাৰিটাকৈ ল'ৰা-ছোৱালীৰ আগতে তাইৰ লগত শুবলৈ ললে। তাৰ পাছতো— তাৰ পাছতো মই সীতা-সাবিত্ৰী হ'ম ? আপোনাৰ ভৰিৰ ধূলি শিৰত লৈ লৈ ধৰ্ম কৰিম ?"

নাৰী-ইতিহাসৰ গভীৰতম আৰু কঠিনতম প্ৰশ্ন উত্থাপন কৰা আন্তঃৰাষ্ট্ৰীয় মহোৎসৱৰ বাবে নিৰ্বাচিত এক মহান চলচ্চিত্ৰ

**অগ্নিস্নান**

[অসমত প্ৰদৰ্শন আৰম্ভ হৈছে।]